
# ইতিবাচক

গোপাল জালান

বিশাল প্ৰকাশন
গুৱাহাটী- ৩




**ITIBASAK**

A collection of articles written by Gopal Jalan
and published by Brajendra Nath Deka on behalf of
Bishal Prakashan, Chandmari, Guwahati- 3.
First Edition : May, 2022 Price : Rs. 250/- only

---

ISBN : 978-93-82587-78-1

# ইতিবাচক

**গ্ৰন্থস্বত্ব ঃ গোপাল জালান**
দূৰভাষ ঃ ৯৪৩৫১ ০৩৯৭৭
*Visit- www.gopaljalan.com*
**প্ৰকাশক ঃ বিশাল প্ৰকাশন**
চানমাৰী, গুৱাহাটী- ৩
ফোন ঃ ৯৮৬৪০৩৮৮১৪
**প্ৰথম প্ৰকাশ ঃ মে’, ২০২২**
**মূল্য ঃ ২৫০/- টকা**
**বেটুপাত ঃ মনজিত মালাকৰ**
**অক্ষৰ বিন্যাস/অংগসজ্জা ঃ নিবিড় প্ৰিণ্টাৰ্ছ**
চন্দনপুৰ, নুনমাটি, গুৱাহাটী- ২০
দূৰভাষ ঃ ৬০০৩৫ ৯১৭৯০
**মুদ্ৰণ ঃ বিশাল অফছেট প্ৰেছ**
চানমাৰী, গুৱাহাটী- ৩

# উচৰ্গা...

পিতৃ-মাতৃৰ চৰণত...

# লেখকৰ একাষাৰ

বৰ্তমান সময়ত ম'বাইল ফোনটোৱে বিভিন্ন দিশত আমাক সহজলভ্য কৰি দিলে। আত্মীয়-স্বজনৰ খা-খবৰ, জীৱিকাৰ পথৰ সন্ধান, দেশ-বিদেশৰ খা-খবৰ পলকতে জানিব পৰা আদি বহু ক্ষেত্ৰত আমাৰ সাৰথি হৈ পৰিল ম'বাইল ফোনটো। আজিকালি দূৰদৰ্শনৰ সন্মুখত বহি নাথাকিলেও ম'বাইলতে সকলো উপলব্ধ হ'ল। ব্যৱসায়-বাণিজ্যৰ লগতে বিভিন্ন ব্যস্ততাৰ মাজতো ম'বাইলটোৱে বিভিন্ন খবৰ দিয়ে— সেই খবৰবোৰে মগজুত খোঁচা-বিন্ধা কৰে। নিজৰ মাজতে পৰ্যালোচনা কৰোঁ। সময়ত সেইবোৰেই কলমৰ কাপেৰে একোটি নিবন্ধৰ ৰূপ পায়। এইক্ষেত্ৰত লেষ্টাৰ মাৰ্কেলৰ এষাৰ বাক্য প্ৰণিধানযোগ্য— 'বাতৰিকাকতত আপুনি চকুৰে যি দেখে সেৱা বাতৰি, আপুনি যি জানে সেয়া হ'ল— বাতৰিটোৰ পটভূমি; আপুনি যি অনুভৱ কৰে সেয়া হ'ব আপোনাৰ

অভিমত।' এই কথাকে সাৰোগত কৰি মোৰ যাত্ৰা অব্যাহত ৰাখোঁ। কিমানখিনি সফল হৈছোঁ নিজেও নাজানো। ক্ৰমশঃ আগুৱাই যোৱাৰ প্ৰয়াস কৰিছোঁ।

মোৰ এইখন গ্ৰন্থতো আনকেইখন গ্ৰন্থৰ দৰেই সমসাময়িক ঘটনা-প্ৰবাহৰ নিৰ্মোহ বিশ্লেষণ সন্নিৱিষ্ট হৈছে। প্ৰখ্যাত মনীষী এমাৰ্চনৰ এযাৰ কথা মই সদায় মনত ৰাখোঁ। তেখেতে কৈছিল—'বিভিন্ন সময়ত আমাৰ অভিমত বিভিন্ন হ'ব পাৰে, কিন্তু আমি অন্তৰেৰে যে সত্যৰ দিশতহে আহো সন্দেহ নাই।' সেয়েহে এই লেখাসমূহ একত্ৰে ৰাখিছোঁ মোৰ বৰ্তমান সময়ৰ অভিমত ধৰি ৰখাৰ চিন স্বৰূপে।

মোৰ লেখা প্ৰকাশ কৰা বাতৰিকাকত কেইখনৰ সম্পাদক, বিভাগীয় সম্পাদককে ধৰি বিশাল প্ৰকাশনৰ স্বত্বাধিকাৰ ব্ৰজেন্দ্ৰনাথ ডেকালৈকে সকলোকে আন্তৰিক ধন্যবাদ জনালোঁ। প্ৰকাশক ডেকাই মোৰ প্ৰতিখন গ্ৰন্থ আগ্ৰহেৰে প্ৰকাশ কৰিছে। গ্ৰন্থৰ ৰূপ লোৱাৰ ক্ষেত্ৰত যাৱতীয় কামসমূহ সুকলমে সমাপন কৰা প্ৰতিজন ব্যক্তিৰে ওচৰত মই চিৰকৃতজ্ঞ। লগতে মোৰ প্ৰতিখন গ্ৰন্থৰ পঢ়ুৱৈ সমাজৰ ওচৰতো সদায় ঋণী হৈ থাকিম।

**গোপাল জালান**

# সূচীপত্ৰ


| | | |
|---|---|---|
| ■ | ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীৰ সঘন ভ্ৰমণে গুৰুত্ব বঢ়াইছে উত্তৰ-পূৰ্বাঞ্চলৰ | ১১ |
| ■ | দেশৰ জনগণৰ হৃদয়ত ৰতন টাটা | ১৪ |
| ■ | দৰ্শকৰ উদ্ভগুালি ভৱিষ্যতৰ অশনি সংকেত | ১৭ |
| ■ | নিবনুৱাৰ আশাৰ বতৰা গৰুখুঁটি | ২০ |
| ■ | বটদ্ৰৱাৰ হোলী ঃ জনতাৰ সোঁত থাকক অনাদিকাল | ২৩ |
| ■ | এঠাইতে সকলো বিভাগৰ কাৰ্যালয় | ২৭ |
| ■ | হেৰাই যাব ধৰিছে সাত বিহু | ৩০ |
| ■ | নৱপ্ৰজন্মৰ মানসিকতা আৰু ৰঙালী বিহু | ৩৩ |
| ■ | শ্ৰীলংকাৰ বিধ্বস্ত অৰ্থনৈতিক অৱস্থা | ৩৬ |
| ■ | ৰঙালী বিহুত প্ৰাসংগিক-অপ্ৰাসংগিক | ৩৯ |
| ■ | ম'বাইল ফোনত বন্দী সোণালী শৈশৱ | ৪২ |
| ■ | ম'বাইল মেজি, ৰেডিমেড পিঠাৰেই এতিয়া ভোগালীৰ আনন্দ | ৪৫ |
| ■ | ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ আৰু ভাৰতৰ স্থিতি | ৪৮ |
| ■ | ভোটাৰে নিবিচাৰে জাত-পাতৰ ৰাজনীতি | ৫১ |
| ■ | আধুনিকতাৰ ধামখুমীয়াত বিহু গীত-নৃত্য | ৫৪ |

- গ্ৰন্থমেলাৰ সুৱাস বিচাৰি ৫৮
- বিপিন ৰাৱট কিয় আছিল জনপ্ৰিয় ৬১
- পাণবজাৰৰ ১৭০ বছৰীয়া এটি গৃহ আৰু ঐতিহ্যক্ষেত্ৰ ৬৪
- ক'ত হেৰাল মৰমসনা কথাৰ নৱবৰ্ষৰ শুভেচ্ছা পত্ৰখন ৬৯
- নয়ন জুৰোৱা বৈষ্ণেদেৱী মন্দিৰ ৭২
- পৰ্যটকক আকৰ্ষণৰ কৌশল ৭৭
- প্ৰতিটো কথাতে বিৰোধে দেশৰ ক্ষতি কৰে ৮০
- সৌন্দৰ্যবোধ, ঘাইপথৰ দুৰৱস্থা আৰু কিছু প্ৰাসংগিক চিন্তা ৮৩
- সংকল্প গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান ৮৭
- বৰণীয় ব্যক্তিত্ব হৰেকৃষ্ণ মহন্ত ৯১
- ৰাইজ সজাগ হওক ঃ নহ'লে প্ৰশাসন কঠোৰ হওক ৯৫
- ৰাষ্ট্ৰীয় ঘাইপথৰ সৌন্দৰ্য বৰ্ধনৰ বাবে লওক পদক্ষেপ ৯৮
- বিভিন্ন বিভাগৰ বিদ্যুৎ বিল অনাদায় ঃ তদন্ত কৰক ১০১
- আদৰ্শ থানাৰূপে প্ৰতিষ্ঠা কৰিবলৈ সংকল্পবদ্ধ হওক আৰক্ষী ১০৪
- ক'ৰোনাকালত প্ৰাণৱন্ত প্ৰকৃতি ১০৭
- বিদ্যুৎ চুৰিৰ মানসিকতা পৰিহাৰ কৰক ১১০
- আৰক্ষীৰ ড্ৰাগছবিৰোধী অভিযান আৰু ৰাইজৰ বিশ্বাস ১১৩
- এশ শতাংশ প্ৰতিষেধক গ্ৰহণ কৰা দেশৰ প্ৰথমখন ৰাজ্য হওক অসম ১১৬
- দুৰ্নীতিমুক্ত অসম কেতিয়া সম্ভৱ হ'ব ১১৯
- চৰকাৰী কাৰ্যালয় ঃ কৰ্মসংস্কৃতি আৰু সোণৰ অসম গঢ়াৰ সপোন ১২২
- অশুভ সংকেত ঃ ড্ৰাগছৰ কবলত অসম ১২৫
- ১০০ দিনত ৰাজ্য চৰকাৰৰ পাঁচটা কাম যি কৰিব পাৰে অসমক গতিশীল ১২৯
- ৰাজ্যৰ উপায়ুক্তসকলৰ সভা আৰু মুখ্যমন্ত্ৰীৰ ব্যতিক্ৰমী পদক্ষেপ ১৩৩
- শিক্ষক দিৱস আৰু কিছু প্ৰাসংগিক চিন্তা ১৩৬

■ ভাল দিনৰ আশাত ভ্ৰাম্যমাণ থিয়েটাৰ ১৪০
■ নিমাতীঘাটৰ ঘটনাৰ পৰা শিক্ষা লওক ১৪৩
আভ্যন্তৰীণ জলপৰিবহণ বিভাগ-চৰকাৰে
■ অনুবাদ সাহিত্যৰ নীৰৱ সাধক দেৱীপ্ৰসাদ বাগড়োডিয়া ১৪৬
■ বৰাকত অসমীয়া ভাষাবিদ্বেষী বীজ ১৫০
■ ৰাজহুৱা স্থান লেতেৰা কৰাসকলক ৰাজহুৱাভাৱে শাস্তি দিয়ক ১৫৩
■ কাৰ্যালয়ৰ অনলাইন ব্যৱস্থাই সকলোকে লাভান্বিত কৰিব ১৫৬
■ ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাবে হৰ্ডিঙৰ মাপ সমান হওক ১৫৯
■ ৰাস-ভাওনাৰ নামত বহুৰালি ১৬২
■ পিতৃ-মাতৃৰ স'তে সময় কটাবলৈ ১৬৫
চৰকাৰৰ এটি যোগাত্মক পদক্ষেপ
■ আজিৰ মানৱতা বন্দী ম'বাইলৰ ৰেকৰ্ডিঙত ১৬৮
■ ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ ১৭১
সৃষ্টিৰাজিৰ সঠিক পৰ্যালোচনাৰ প্ৰয়োজন
■ ভাৰতীয় সংগীতৰ ক্ষেত্ৰখন ১৭৪
শুদা কৰি গুচি গ'ল লতা-বাপ্পী-সন্ধ্যাই


## বিশিষ্ট লেখকৰ বিভিন্ন সময়ত আগবঢ়োৱা মন্তব্য


■ হোমেন বৰগোহাঞিঃ ১৭৯
■ ড° লক্ষ্মীনন্দন বৰা ১৮০
■ কনকসেন ডেকা ১৮১
■ ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী ১৮২
■ অনুৰাধা শৰ্মা পূজাৰী ১৮৩
■ থানেশ্বৰ মালাকাৰ ১৮৩
■ ড° সব্যসাচী মহন্ত ১৮৪
■ ৰবিশংকৰ ৰবি ১৮৫
■ ড° আনন্দ বৰমুদৈ ১৮৬

# ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীৰ সঘন ভ্ৰমণে গুৰুত্ব বঢ়াইছে উত্তৰ-পূৰ্বাঞ্চলৰ

বিগত তিনিমাহত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চললৈ আহিল ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ডোনাৰ কেবিনেট মন্ত্ৰী জি কিষান ৰেড্ডী, ৰাজ্যিক মন্ত্ৰী বি এল বাৰ্মাৰ পৰা আৰম্ভ কৰি কেবাজনো কেন্দ্ৰীয় মন্ত্ৰী। এইসকলে কেৱল অসম ভ্ৰমণলৈ আহিয়ে নিশা ৰাজ্যখনত কটাইছে। শেহতীয়াভাৱে অসমলৈ কেন্দ্ৰীয় মন্ত্ৰীসকলৰ লগতে ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰী অহাটোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। কাৰণ বিগত সময়ছোৱাত কেন্দ্ৰই উপলব্ধি কৰিছে যে ভৱিষ্যতে দেশৰ উন্নয়নৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলে বিশেষ ভূমিকা গ্ৰহণ কৰিব। উত্তৰ-পূৰ্বাঞ্চলত লুকাই থকা প্ৰচুৰ সম্ভাৱনাক কেন্দ্ৰই উপযুক্ত ব্যৱহাৰেৰে দেশৰ উন্নয়নৰ বাবে চেষ্টা অব্যাহত ৰাখিছে।

এটা দশক পূৰ্বে অসমলৈ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ কথা

বাদেই— কেন্দ্ৰীয় মন্ত্ৰীৰ আগমনেই আছিল সীমিত। বছৰত দুই-এজন কেবিনেট মন্ত্ৰী অসমলৈ অহাটোৱে আছিল বৃহৎ সাফল্য। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলক ইমান দিনে গুৰুত্ব নিদিয়াৰ বাবেই বিশেষ উন্নতি হোৱা নাছিল। অসমৰ সম্ভাৱনাকো গুৰুত্ব দিয়া নাছিল বুলিয়েই ক'ব লাগিব। কেন্দ্ৰৰ অৱহেলাৰ বাবেই বিগত সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ যিমান বিকাশ হ'ব লাগিছিল তাৰ অৰ্ধেকো নহ'ল। পিছে বিজেপি চৰকাৰ, বিশেষকৈ নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰীৰূপে শপত গ্ৰহণৰ পাছৰে পৰাই উত্তৰ-পূৰ্বাঞ্চলে বিশেষ গুৰুত্ব লাভ কৰিবলৈ ধৰিলে। এতিয়া বছৰৰ কথা বাদেই— প্ৰতিমাহতে কোনো নহয় কোনো এজন মন্ত্ৰী আহেই। আটাইতকৈ ডাঙৰ কথা হ'ল কিছুমান মন্ত্ৰী আহে— যিসকলে গুৱাহাটী মহানগৰীত উপস্থিত নোহোৱাকৈ বিভিন্ন জিলাৰ ভিতৰুৱা অঞ্চললৈ যায়। এইবোৰ অঞ্চলৰ উন্নয়ন তথা আঁচনি ৰূপায়ণৰ অগ্ৰগতিৰ বিষয়ে খতিয়ান লৈ সেইবোৰ কেন্দ্ৰীয় চৰকাৰক দাখিল কৰিব লাগে। প্ৰধানমন্ত্ৰী মোদীক এইবোৰ কামৰ অগ্ৰগতি সম্পৰ্কে ৰিপ'ৰ্ট দিব লাগে। এই প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰিয়েই প্ৰধানমন্ত্ৰীয়ে পৰৱৰ্তী আঁচনি ৰূপায়ণৰ ৰূপৰেখা তৈয়াৰ কৰে। এতিয়া কেন্দ্ৰই অসমক ইমান গুৰুত্ব দিয়াৰ আঁৰত হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্যিক কেন্দ্ৰৰূপে পৰিচিত ফাঁচীবজাৰৰ পৰা আৰম্ভ কৰি শুকান মাছ, বিভিন্নধৰণৰ খাদ্য-শস্য তথা কুটীৰ উদ্যোগত প্ৰস্তুত কৰা সামগ্ৰীসমূহ। কাৰণ এইবোৰৰ জৰিয়তে দেশ এখনে অৰ্থনৈতিক ক্ষেত্ৰত কিছুপৰিমাণে হ'লেও আগুৱাই যাব পাৰে। ৰাজহ সংগ্ৰহৰো অন্যতম উৎস হৈ পৰিছে।

ৰাজনৈতিক নেতাৰ লগতে প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আদিয়ে অসমলৈ আহি কেৱল গুৱাহাটীতে সীমাবদ্ধ নাথাকি কাৰ্বিআংলঙৰ পৰা আৰম্ভ কৰি শদিয়া, বাক্সা আদিলৈ ঢাপলি মেলিছে। তেওঁলোকে ভালদৰে উপলব্ধি কৰিছে যে এতিয়া হিন্দী-বলয়ত ৰাজনীতি কৰাতকৈ যদি অসমক কেন্দ্ৰ কৰি উত্তৰ-পূৰ্বাঞ্চলত জালখন শক্তিশালী কৰিব পাৰি তেনেহ'লে দলৰ লাভ হ'ব অধিক। তদুপৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজে উপলব্ধি কৰিব পাৰিব দিল্লী আৰু অসমৰ মাজত পূৰ্বে থকা বৃহৎ ব্যৱধান হ্ৰাস পাবলৈ ধৰিছে। আগতে কেন্দ্ৰই অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলক মাহীআইৰ দৃষ্টিৰে চোৱা বুলি অভিযোগ উত্থাপিত

হৈছিল। তদুপৰি কেন্দ্ৰয়ো উত্তৰ-পূৰ্বাঞ্চলক জংঘলী অঞ্চল বুলি গণ্য কৰিছিল। এই অঞ্চলটোৰ লোকসকলৰ মানসিকতাৰ পৰিৱৰ্তন নহ'ব বুলি ভাবিয়েই কোনোদিনে গুৰুত্ব প্ৰদান কৰা নাছিল। তদুপৰি অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ শক্তিশালী নেতা-সাংসদৰ অভাৱ হোৱাৰ বাবেও কেন্দ্ৰই গুৰুত্ব দিয়া নাছিল। এতিয়া পিছে ছবিখন সলনি হ'ল। অসমৰ সাংসদে বহি নাথাকি মাত মাতে। আগতে ভাষাৰ ক্ষেত্ৰত সমস্যা হৈছিল। বহুতো সাংসদে সংসদৰ মজিয়াত এটাও শব্দ উচ্চাৰণ কৰা নাছিল। নিমাতী কইনাৰ দৰে সংসদৰ আসনত বহি সময় কটাইছিল। আনকি কিছুমানক অসমৰ সাংসদ বুলি ৰাজ্যবাসীয়ে নিৰ্বাচনৰ সময়তহে জানিব পাৰিছিল। এনে দৃশ্য সলনি হ'ল। সংসদত অসমৰ সমস্যা সমাধানৰ বাবে মাত মতা হ'ল। তদুপৰি প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আদিয়েও অসমৰ নেতাক বিশ্বাস কৰিবলৈ ধৰিলে। এনে বিশ্বাসৰ ফলতে এতিয়া অসমৰ দুজন সাংসদে একেলগে মন্ত্ৰী হ'ব পাৰিছে। প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীৰ স'তে একেটা শাৰীত বহি কথা পাতিব পাৰিছে। আগতে অসমৰ সাংসদে প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰিবলৈ হ'লে দিল্লীত এসপ্তাহ পৰ্যন্ত বাহৰ পাতিব লাগিছিল। ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰাটো আছিল প্ৰায় অসম্ভৱ। গৃহমন্ত্ৰী বা বিত্তমন্ত্ৰীৰে অসমৰ সাংসদে আলোচনা কৰাটো দূৰৰে কথা— কোনোদিনে লগ পোৱা নাছিল। এতিয়া পিছে কেন্দ্ৰই উত্তৰ-পূৰ্বাঞ্চলৰ লগতে অসমক বিশেষ প্ৰাধান্য দিবলৈ বাধ্য হৈছে।

# দেশৰ জনগণৰ হৃদয়ত ৰতন টাটা

আজিৰ পৃথিৱীত মাথোঁ এটাই প্ৰতিযোগিতা— কোন কিমান ধনী? কোনে এদিনত হাজাৰ কোটি টকা উপাৰ্জন কৰিব পাৰে, কোনে কিমান কোটি টকীয়া কাপোৰ পিন্ধিছে, লাখ টকীয়া পানীৰ বটল খাইছে তাৰেই অঘোষিত প্ৰতিযোগিতা। কোনজন অৰ্বুদপতিয়ে গাড়ী চালকক মাহিলি কিমান কোটি টকা দৰমহা দিয়ে তাক লৈও সামাজিক মাধ্যমত সদায় চলে চৰ্চা। টকাৰ ওপৰত শুই থাকিও সপোনত টকা বিচৰা লোকেৰেই ভৰি পৰিছে পৃথিৱী। কোনোবাই যদি দ্বীপ কিনিছে, আন কোনোবাই আকৌ ৰাষ্ট্ৰ ক্ৰয়ৰ বাবে প্ৰতিযোগিতাৰ দৌৰত নামি পৰিছে। এই সকলোবোৰ চৰ্চাৰ মাজতে সমগ্ৰ বিশ্বতে এগৰাকী উদ্যোগপতিয়ে কোটি কোটি লোকৰ হৃদয় জিনিছে নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়ায়। আজীৱন কেৱল ৰাইজৰ স্বাৰ্থতেই সময় অতিবাহিত কৰি মানৱ সেৱাৰ বাবে উপাৰ্জনৰ সকলোবোৰ

মুক্তহস্তে দান দিয়া ব্যক্তিগৰাকীয়েই হ'ল ৰতন টাটা। সকলো থাকিও এগৰাকী তেনেই সাধাৰণ লোকৰ দৰে জীৱন নিৰ্বাহ কৰা ৰতন টাটাই আজিও সাধাৰণ মানুহৰ লগতেই সংপৃক্ত হৈ আছে। এসময়ত ভাৰতৰ শীৰ্ষস্থানৰ উদ্যোগপতিয়ে ইচ্ছা কৰিলে কি কৰিব নোৱাৰে। সোণৰ পালেঙত শুব পাৰিলেহেঁতেন। পিছে তেওঁৰ সেই মানসিকতা নাই। এইগৰাকী মহান উদ্যোগপতিয়ে শেহতীয়াভাৱে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ কৰ্কট ৰোগীৰ চিকিৎসাৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিলে সেয়া ইতিহাসৰ পৃষ্ঠাত সোণোৱালী আখৰেৰে লিখা থাকিব।

ৰতন টাটাই ধনৰ মাজেদি নহয়— কৰ্মৰেহে জীয়াই থাকিব বিচাৰে। টাটাই ইচ্ছা কৰিলে পৃথিৱীৰ সবাতোকৈ ধনী মানুহ হ'ব পাৰিলেহেঁতেন। পৃথিৱীৰ বহুতো দ্বীপ, ৰাষ্ট্ৰ ইচ্ছা কৰিলে কিনিব পাৰিলেহেঁতেন। বিশ্বৰ সুন্দৰীৰ স'তে বিবাহপাশত আবদ্ধ হ'ব পাৰিলেহেঁতেন। পিছে এইবোৰৰ পৰা সদায় আঁতৰত থাকিল। টকাৰ পাছত ঘূৰি ফুৰাতকৈ সামাজিক স্বাৰ্থ জড়িত বিষয়ত তেওঁ সদায় গুৰুত্ব দিবলৈ ধৰিলে। মৃত উদ্যোগসমূহ ক্ৰয় কৰি উদ্যোগসমূহ পুনৰুজ্জীৱিত কৰাৰ লগতে ইয়াৰ স'তে জড়িত লাখ লাখ লোকৰ পৰিয়াললৈ হাঁহি বিৰিঙাইছে। 'এয়াৰ ইণ্ডিয়া' ক্ৰয় কৰি দেশৰ সন্মান ৰক্ষাৰ লগতে বহুতৰ জীৱন অন্ধকাৰাচ্ছন্ন হোৱাৰ পৰা ৰক্ষা কৰিলে। এয়াই তেওঁৰ মহানতা। ধনেই যে পৃথিৱীৰ সৰ্বস্ব নহয় সেই কথা তেওঁ ভালদৰে উপলব্ধি কৰাৰ বাবে অনবৰতে ধনৰ পিছে পিছে দৌৰি নুফুৰে। আটাইতকৈ ডাঙৰ কথা হ'ল তেওঁৰ উদ্যোগসমূহৰ মান ৰক্ষা কৰাটো। এতিয়াও টাটা কোম্পানীৰ বস্তু বুলি ক'লে সকলোৱে চকু মুদিয়েই বিশ্বাস কৰে। টাটা মানে ভাল ব্ৰেণ্ড। অথচ বহুতেই নাজানে যে এই ব্ৰেণ্ডৰ আঁৰত থকা ব্যক্তিগৰাকীয়ে এটি সাধাৰণ জীৱন যাপন কৰে।

ৰতন টাটা সদায় বিতৰ্কৰ ঊৰ্দ্ধত। তেওঁৰ ব্যক্তিগত জীৱনক লৈ কম চৰ্চা হয়। কাৰণ যিসময়ত বিশ্বৰ ধনী ধনী উদ্যোগপতিৰ নাম যৌন কেলেংকাৰিত সাঙোৰ খাই পৰিছে সেই সময়তো এনে কাৰ্যৰ পৰা বহুযোজন আঁতৰত অৱস্থান কৰিছে টাটাই। ব্যক্তিগত সুখকো একাষৰীয়া কৰি দেশবাসীৰ স্বাৰ্থৰ হকে চিন্তা কৰা টাটাই আজিও দুৰন্ত তৰুণৰ দৰেই কাম কৰে। বয়সেও

হাৰ নমনা উদ্যোগপতিগৰাকীয়ে নিজৰ প্ৰচাৰতকৈ নীৰৱে কাম কৰিহে ভাল পায়।

নিৰহংকাৰী ৰতন টাটাৰ আজি সকলো আছে। ইয়াৰ পাছতো তেওঁ আন দহজন উদ্যোগপতিৰ দৰে মনোভাব গ্ৰহণ কৰা নাই। তেওঁ সম্পত্তি আহৰণৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰে তাক লৈ কেতিয়াও বিতৰ্কৰ সূত্ৰপাত হোৱা নাই। কাৰণ যিবোৰ উদ্যোগ ক্ৰয় কৰে তাত ব্যক্তিগত স্বাৰ্থ কম। আজি মাস্ক, আদানি, আম্বানীয়ে যি কৰিছে সেয়া কিন্তু টাটাই কৰা নাই। এয়াই হ'ল তেওঁৰ ব্যক্তিত্ব। আচলতে মনটোৰেই কথা। আম্বানীহঁতে ব্যক্তিগত লাভালাভক অধিক গুৰুত্ব দিয়ে। এইসকল উদ্যোগপতিৰ দৈনিক উপাৰ্জন হাজাৰ কোটি টকা হোৱাৰ পাছতো লোভৰ অন্ত নাই। মনটোৱে পোৱাতকৈ অধিক বিচাৰে। তেওঁলোকে ইমান ধন-সম্পত্তিৰ গৰাকী হোৱাৰ পাছতো লালসা নিয়ন্ত্ৰণ কৰিব পৰা নাই। ইয়াৰ বিপৰীতে ৰতন টাটাই দেখুৱাইছে এখন বিপৰীত ছবি। যিসময়ত ভাৰতত এটা উদ্যোগ স্থাপন কৰাটো একপ্ৰকাৰ প্ৰত্যাহ্বান আছিল সেই সময়ত জামছেদ টাটাই উদ্যোগ স্থাপনেৰে ভাৰতক আত্মনিৰ্ভৰশীল হ'বলৈ আগুৱাই নিছিল। পৰাধীন দেশতেই যি পাতনি মেলিছিল পৰৱৰ্তী সময়ত তেওঁৰ সুযোগ্য পুত্ৰই সুনাম ৰক্ষা কৰিবলৈ সক্ষম হৈছে। ব্যক্তিত্ব আৰু সুনামৰ বাবে আজি ৰতন টাটা দেশৰ জনগণৰ মাজত যিমান জনপ্ৰিয়, দেশৰ জনগণে যিদৰে অন্তৰত স্থান দিছে সেয়া আন কোনো উদ্যোগপতিয়ে ল'ব পৰা নাই। এয়াই ব্যতিক্ৰমী চৰিত্ৰ ৰতন টাটাৰ।

# দৰ্শকৰ উদ্ভণ্ডালি ভৱিষ্যতৰ অশনি সংকেত

শেহতীয়াভাৱে ৰাজ্যখনত সংস্কৃতিৰ নামত কিছুমান অপশক্তিয়ে গা কৰি উঠিছে। সাংস্কৃতিক অনুষ্ঠান আদিত যিবোৰ ঘটনা সংঘটিত হোৱা নাছিল, অতিসম্প্ৰতি সেইবোৰ তেনেই সাধাৰণ ঘটনাত পৰিণত হৈছে। এইবাৰ বিহু উৎসৱৰ সময়ত ৰাজ্যৰ বিভিন্ন ঠাইত যিধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হ'ল সেয়া সঁচাকৈয়ে চিন্তনীয় বিষয়। কাৰণ এনেধৰণৰ ঘটনাই এটা জাতিৰ সংস্কৃতিক ধ্বংসৰ মুখলৈ ঠেলি দিব পাৰে। যেতিয়া কোনো এটা জাতিৰ সংস্কৃতিৰ মাজত বিজতৰীয়া উপাদানে গা কৰি উঠে তেতিয়া অস্তিত্বৰ সংকটত পৰাৰ নজিৰো বিচাৰি পোৱা যায়। বিগত এপযেকত অসমৰ বিভিন্ন ঠাইত সংগীত সন্ধিয়াত যিধৰণৰ ঘটনা সংঘটিত হৈছে সেয়া সুস্থ মনৰ পৰিচায়ক নহয়। নিশা সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰি থকাৰ মাজতে একাংশ লোকে দাক্ষিণাত্যৰ চিনেমাৰ কায়দাত ৰভাতলীত যিবোৰ কাণ্ড সংঘটিত কৰিলে সেয়া সঁচাকৈয়ে লজ্জাজনক বিষয়। ৰভাথলীত বোকা খেল কিয়? নিশা যিমানেহে গভীৰ হয় উদ্ভণ্ডালিবোৰ

সিমানেই বাঢ়িবলৈ লৈছে। গতিকে নিশা দহ বজাৰ পাছত সংগীতানুষ্ঠান পৰিৱেশন যিকোনো প্ৰকাৰে বন্ধ কৰিবই লাগিব।

এতিয়া বিহুক কেন্দ্ৰ কৰি অনুষ্ঠিত অনুষ্ঠানত ৰভাঘৰত চকী ক্ষতি সাধন কৰা, বোকা খেলা আদি হ'বলৈ ধৰিছে। নিশা বোকা খেলি কোনো গায়ক-গায়িকাৰ গীত উপভোগ কৰাটো আনন্দৰ কথা হ'ব নোৱাৰে। তথাপি কোনোবা গায়ক-গায়িকাৰ গীত ভাল পালে বলিয়ালি কৰি মঞ্চৰ সন্মুখত থকা চকী-আচবাব আদি ভাঙিব নালাগে। বোকাত লুটুৰি-পুতুৰি হোৱা, চকী-মেজ, ৰভা আদিৰ ক্ষতি সাধন কৰাসকলৰ মানসিকতা কেনেকুৱা হ'ব পাৰে সেয়া সহজেই অনুমেয়। এইবোৰ দেখিলে মনত এনে ভাব হয় যেন আনন্দৰ বহিৰ্প্ৰকাশৰ নামত চলিছে চৰম উদ্ভণ্ডালি। আনন্দ মনেৰে কোনো অনুষ্ঠান উপভোগ কৰাৰ লগতে শিল্পীগৰাকীক উৎসাহিত কৰিবলৈ হাত চাপৰি বজোৱা বা থিয় হৈ আদৰণি জনাব পাৰে। এনে কৰিলে কাৰো ক্ষতি নহয়। তদুপৰি কেতিয়াবা মনৰ আনন্দতে ঠাইতে দুই-এপাক নাচিলেও আনৰ ক্ষতি নহয়। বৰং এনে কৰিলে ভালেই পায়। পিছে আনন্দৰ নামত উন্মাদ হৈ ধ্বংসযজ্ঞ চলোৱা অপসংস্কৃতিক আদৰি লোৱাটো কাৰোৰে কাম্য নহয়। শেহতীয়াভাৱে ৰাজ্যৰ বিভিন্ন ঠাইত সংঘটিত এনে ঘটনাৰ পৰা দেখা যায় যে সদায় মাজনিশাহে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। গতিকে সাংস্কৃতিক অনুষ্ঠানসমূহ যদি নিশা দুপৰলৈকে নাৰাখি সন্ধিয়া সাত বজাত আৰম্ভ কৰি দহ বজাৰ ভিতৰত সামৰণি মাৰিব পাৰে তেনেহ'লে এনেধৰণৰ অপ্ৰীতিকৰ পৰিস্থতি বহু পৰিমাণে হ্ৰাস পাব। এইক্ষেত্ৰত উদ্যোক্তা অথবা আয়োজক কমিটীৰো দায়িত্ব আছে। নিশা দুপৰলৈকে অনুষ্ঠান চলোৱাৰ মানসিকতা সলনি কৰিব লাগিব। দহ বজা মানে দহ বজায়েই হ'ব লাগে। আমন্ত্ৰিত শিল্পীসকলকো এইক্ষেত্ৰত বাধ্য কৰাব লাগিব উদ্যোক্তাসকলে। যদি কোনো শিল্পীয়ে গধূলি অনুষ্ঠান পৰিৱেশন কৰিবলৈ অমান্তি হয় তেনেহ'লে তেনে শিল্পীৰ স'তে চুক্তি নকৰাটোৱে মংগলজনক।

আজিকালি সুৰাপায়ীৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। নিশা যিমানেই পলম হয় সিমানেই সুৰাপায়ীৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰে। কাৰণ এতিয়া চহৰাঞ্চলৰ কথা বাদেই— গ্ৰামাঞ্চলতো সুৰা উভৈনদী হৈ

পৰিছে। আগতে জ্যেষ্ঠজনে সুৰাপান কৰিছিল। এতিয়া পিছে কিশোৰ-কিশোৰী, যুৱক-যুৱতীৰ মুখৰ পৰাই ওলায় সুৰাৰ গোন্ধ। মাজনিশা এইসকল উদণ্ড যুৱক-যুৱতীয়ে আনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ উদ্ভণ্ডালিত লিপ্ত হয়। কিছুমানে যদি ৰভাৰ খুঁটা বগাই ওপৰত উঠিছে, আন একাংশই আকৌ গছত উঠি অনুষ্ঠান উপভোগ কৰিছে। এনে কৰাৰ ফলত যিকোনো মুহূৰ্ততে দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা থাকে। যেতিয়া দৰ্শকৰ সংখ্যা বেছি হয় তেতিয়া আয়োজক কমিটিয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱাৰা হয়। আনহাতে, আজিকালি টিভি আদিত মুখ দেখুৱাবলৈকে বহুতে এনেধৰণৰ কাম কৰা দেখা যায়। অৰ্থাৎ চৰ্চাৰ মাজত থাকিবলৈ নকৰিবলগীয়া কাম কৰিবলৈ আগবাঢ়ে। যি কাৰণতেই নকৰক কিয়— ইয়াৰ পৰিণাম যে ভয়াৱহ সেয়া নিশ্চিত। যিহেতু আজিকালি এনেধৰণৰ পৰিস্থিতিৰ সৃষ্টি হ'বলৈ ধৰিছে সেয়া প্ৰতিৰোধৰ ক্ষেত্ৰত আয়োজকসকলেই অনাগত দিনত আগ-ভাগ ল'ব লাগিব। কাৰণ নৱপ্ৰজন্মৰ মাজত সৃষ্টি হোৱা এনেধৰণৰ মানসিকতা যদি এতিয়াই প্ৰতিৰোধ কৰা নাযায় তেনেহ'লে ভৱিষ্যতে আৰু অধিক জটিল পৰিস্থিতিৰ সৃষ্টি হ'ব। সময় থাকোঁতেই সকলোৱে পদক্ষেপ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিব লাগিব। এয়া সকলোৰে কৰ্তব্য আৰু দায়িত্ব।

# নিবনুৱাৰ আশাৰ বতৰা গৰুখুঁটি

বিগত সময়ছোৱাত অসমত বেদখল আৰু নিবনুৱা সমস্যা জ্বলন্ত ৰূপত প্ৰকট হৈছিল। বেদখলকাৰীৰ টিঘিল্‌ঘিলনি আৰু নিবনুৱাসকলৰ হতাশাই ৰাজ্যবাসীৰ অন্তৰ কঁপাই তুলিছিল। বিশেষকৈ, বেদখলৰ কবলত পৰা থলুৱা লোকৰ লগতে ঐতিহাসিক স্থানসমূহলৈও চৰম ভাবুকি আহি পৰিছিল। অস্তিত্বৰ সংকটত পৰা শ শ বছৰ পুৰণি মঠ-মন্দিৰ, মছজিদ, গিৰ্জা আদি ৰক্ষাৰ বাবে সকলোৱে সংগ্ৰাম কৰিবলৈ বাধ্য হৈছে। নিবনুৱা সমস্যাৰ পৰোক্ষভাৱে বেদখল আদিৰ স'তে সম্পৰ্ক আছে। কাৰণ যিবোৰ স্থানত নিবনুৱাসকলে খেতি কৰাৰ সা-সুবিধা আছে আৰু পৰ্যটনৰ পৰা লাভান্বিত হ'ব পাৰে সেইবোৰতেই বেদখলকাৰীয়ে টিঘিলঘিলাই আছিল। ইয়াৰ ভিতৰত দৰঙৰ ধলপুৰকে ধৰি বিভিন্ন অঞ্চল, বৰপেটাৰ সত্ৰকে ধৰি বিভিন্ন অঞ্চল, নগাঁৱৰ বটদ্ৰৱা আদিৰ বেদখলে দীৰ্ঘদিন ধৰি ৰাজ্যবাসীৰ মাজত চৰ্চা লাভ কৰি আহিছিল। অৱশ্যে শেহতীয়াভাৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে বেদখলকাৰীৰ বিৰুদ্ধে

যিধৰণৰ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে তাৰ ফলত আজি বহুতো ঠাই বেদখলমুক্ত হৈছে। সমান্তৰালভাৱে নিবনুৱাৰ কৰ্মসংস্থাপনৰ পথো প্ৰশস্ত হৈছে। এনে এক ক্ষেত্ৰ হ'ল গৰুখুঁটি। দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ধলপুৰ চাপৰিত বিগত সময়ছোৱাত উচ্ছেদক লৈ যি প্ৰতিক্ৰিয়া প্ৰকাশ পাইছিল এতিয়া সেইবোৰ প্ৰশমিত হ'ল। কাৰণ গৰুখুঁটি প্ৰকল্পত এতিয়া চলিছে সেউজ বিপ্লৱ। চৌদিশে সেউজীয়া হৈ পৰিছে— যেন কৃষি বিপ্লৱৰ সূচনা ইয়াতেই আৰম্ভ হ'বলৈ ধৰিছে। সকলোৰে দৃষ্টি এতিয়া প্ৰকল্পতে নিবদ্ধ হৈছে।

কিছুদিন পূৰ্বে গৰুখুঁটিলৈ গৈছিলোঁ। ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীৰ আমন্ত্ৰণক্ৰমে অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰফুল্ল বৰ্মনসহ কেবাজনো লোক তালৈ গৈছিলোঁ। বিধায়ক ড° ৰাজবংশীৰ নেতৃত্বতে তালৈ গৈছিলোঁ বৃহত্তৰ অঞ্চলটো পৰিদৰ্শনৰ বাবে। বিগত সময়ছোৱাত হোৱা বিতৰ্কৰ পাছত তালৈ গৈ স্বচক্ষে দৰ্শনৰ মন আছিল। চৰকাৰে যি পৰিমাণৰ ভূমি অধিগ্ৰহণ কৰিছে তাত সেউজ বিপ্লৱৰ সূচনা হোৱা ছবিখন লাহে লাহে স্পষ্ট হৈছে। অৱশ্যে এতিয়াও বহুতো ভূমি অধিগ্ৰহণ কৰিবলৈ আছে। প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিলে তাত যে হাজাৰ হাজাৰ থলুৱা নিবনুৱাই সংস্থাপন লাভ কৰিব সেয়া নিশ্চিত। ইতিমধ্যে বিধায়ক পদ্ম হাজৰিকাৰ নেতৃত্বত স্থানীয় বিধায়ক ড° ৰাজবংশীৰ লগতে আন বহুতো লোকৰ সহযোগত আৰম্ভ হোৱা প্ৰকল্পটোত ৭৭,৪২০ বিঘা ভূমিত ৰাজ্যৰ সৰ্ববৃহৎ প্ৰকল্পৰ অভিযান চলিছে। এই প্ৰকল্পৰ উল্লেখযোগ্য দিশ বিধায়ক হাজৰিকা আৰু ড° ৰাজবংশীয়ে নিজে প্ৰথমে ট্ৰেক্টৰ চলাই আন দহজনক অনুপ্ৰেৰণা যোগাইছিল। আমাৰ লগত যাওঁতেও তেওঁক সিমানেই উৎসাহিত দেখিলোঁ। স্থানীয় বিধায়ক হিচাপে এনেধৰণৰ উৎসাহ প্ৰয়োজন। চতিয়াৰ বিধায়ক হাজৰিকাৰ নিজৰেই কন্যকাৰ অভিজ্ঞতা আছে। তেওঁৰ এনে অভিজ্ঞতাই যেন প্ৰাণৱন্ত কৰিছে গৰুখুঁটিক। ইয়াত আছে ছুশ গিৰ গাই। এই গাইসমূহ দেখিলেই মনটো উৎসাহিত হয়। ৰাজ্যত ইয়াৰ পূৰ্বে ইমানসংখ্যক গিৰ গাইৰ ফাৰ্ম কৰাৰ নজিৰ নাই। মাঘবিহু আৰু ব'হাগ বিহুত এই গৰুখুঁটি প্ৰকল্পৰ পৰা অহা দৈ, গাখীৰ আদিৰে ৰাজ্যৰ বজাৰ ভৰি পৰাত স্থানীয় কৃষকসকলো উৎসাহিত হৈ পৰিছে। এতিয়া

বহিঃৰাজ্যৰ ওপৰত গাখীৰ আদিৰ বাবে অসমে নিৰ্ভৰ কৰিব নালাগে। তদুপৰি এই বৃহত্তৰ অঞ্চলটোত কৰা বিভিন্নধৰণৰ শাক-পাচলিয়ে ৰাজ্যবাসীৰ বাবে সুখবৰ কঢ়িয়াই আনিছে। এতিয়া মাটি মাহ, সৰিয়হ, মাকৈৰ খেতি লহপহীয়া হৈছে। আটাইতকৈ উল্লেখযোগ্য দিশ হ'ল— ইয়াত স্থানীয় লোকসকল জড়িত হৈ আছে।

ধলপুৰত যে এটা ঐতিহাসিক শিৱ মন্দিৰ আছিল সেই বিষয়ে ৰাজ্যবাসীয়ে এতিয়াহে জানিব পাৰিছে। ইয়াত উদ্ধাৰ হৈছে বহুতো ঐতিহাসিক কীৰ্তিচিহ্ন। এই কীৰ্তিচিহ্নসমূহলৈ চাই মন্দিৰটো যে কেবাশ বছৰ পুৰণি সেই বিষয়ে অনুমান কৰিব পাৰি। এই কীৰ্তিচিহ্নৰ পৰা মন্দিৰটো ন-দহ শতিকাতে নিৰ্মিত হ'ব পাৰে বুলি চৰ্চা হৈছে। মন্দিৰটো পুনৰ্নিৰ্মাণৰ কাম চলি আছে। তদুপৰি চৰকাৰে ইয়াত যাত্ৰী নিবাস নিৰ্মাণ কৰিবলৈ লৈছে। মন্দিৰ পুনৰ্নিৰ্মাণ প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিলে ইমান দিনে প্ৰচাৰ মাধ্যমৰ পৰা আঁতৰত থকা মন্দিৰটোক কেন্দ্ৰ কৰি গঢ়ি উঠিব পৰ্যটন কেন্দ্ৰ। দৰাচলতে অসমত এনেধৰণৰ পৰ্যটন কেন্দ্ৰ বহুতো আছে। বিগত সময়ছোৱাতে এইবোৰক লৈ কেতিয়াও কোনোৱে গুৰুত্ব প্ৰদান নকৰা মন্দিৰটোক লৈ এতিয়া সকলোৰে মাজত চৰ্চা। গৰুখুঁটিক লৈ ৰাইজৰ আশা। এইক্ষেত্ৰত সকলো প্ৰকাৰৰ সহায়-সহযোগিতাৰ লগতে কঠোৰ শ্ৰমৰ বাবে সাজু হৈছে বিধায়ক ড° ৰাজবংশী।

# বটদ্ৰৱাৰ হোলী ঃ জনতাৰ সোঁত থাকক অনাদিকাল

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বৰদোৱাত নিজম পৰিল হোলী বা ফাকুৱাৰ আনন্দ। বসন্তৰ আগমনৰ লগে লগে প্ৰাণৱন্ত বৰদোৱা প্ৰাণোচ্ছল হৈ উঠে। সকলোৱে ব্যস্ত হৈ পৰে হোলীক লৈ। বৃহত্তৰ বৰদোৱাৰ প্ৰতিগৰাকী ব্যক্তিৰ লগতে ধূলিকণাসমূহেও এই ফল্গু উৎসৱৰ কথা কয়। এইবাৰো নাছিল ব্যতিক্ৰম। লাখ লাখ ভক্ত তথা পৰ্যটক, দৰ্শনাৰ্থীৰ এই সময়ত বৰদোৱালৈ আগমন ঘটে। দেশ-বিদেশৰ ভক্তগণে বৰদোৱালৈ ঢাপলি মেলে। ভাৰতৰ প্ৰায়ভাগ ঠাইতে বসন্তকালীন উৎসৱবিধ পালন কৰা হয় যদিও বৰদোৱাৰ আছে এক আকৰ্ষণ। গুৰুজনাৰ জন্মস্থান হোৱাৰ বাবেই হয়তো বৰদোৱাৰ প্ৰতিটো ধূলিকণাতে নিহিত হৈ আছে আধ্যাত্মিক পৰম্পৰাৰে পালন কৰি অহা এই ফল্গু উৎসৱ। ইয়াত হোলী গীততকৈ আধ্যাত্মিকভাৱেই সকলোখিনি কাম সম্পাদন কৰা হয়। এইবাৰ হোলী উৎসৱত অংশগ্ৰহণৰ বাবে বৰদোৱালৈ যোৱাৰ সৌভাগ্য ঘটিল। ইয়াৰ

আগতেও গৈছিলোঁ যদিও এইবাৰ ১৮ মাৰ্চ, ২০২২ত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰাৰ সুযোগ পালো। এনে এখন ঐতিহ্যমণ্ডিত থানৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিবলৈ যাওঁতে সতৰ্ক হ'ব লাগে। কাৰণ পৰম্পৰাগতভাৱে সংস্কৃতি ৰক্ষা কৰি অহা সত্ৰ এখনৰ ভক্ত, ৰাইজ তথা দৰ্শনাৰ্থীসকলৰ মনতো এশ শতাংশই আধ্যাত্মিক ভাব ভৰি থাকে। কথাতে কয় বোলে, কথাত কটা যায়, কথাত বঁটা পায়। সাংস্কৃতিক সন্ধিয়াতো সত্ৰীয়া নৃত্য, ভোৰতাল নৃত্য, হোলী নৃত্য আদি প্ৰদৰ্শন কৰা হয়। ইমান নিখুঁতভাৱে এইবোৰ প্ৰদৰ্শন কৰাত দৰ্শকেও মন্ত্ৰমুগ্ধ হৈ উপভোগ কৰে। লাখ লাখ লোকৰ সমাৱেশ ঘটিলেও সকলোৱে শৃংখলাবদ্ধভাৱে থাকে। ইয়াত বাহ্যিকতাৰ পৰিৱৰ্তে আধ্যাত্মিক দিশৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা হয়। আজিকালি বাহ্যিক দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয় যদিও বৰদোৱাত আজিও শ্ৰীমন্ত শংকৰদেৱে পালন কৰা ফল্গু উৎসৱৰ দৰে উদ্‌যাপন কৰি আহিছে। ভক্তসকলৰ মাজত থকা এক শৃংখলিত পৰিৱেশ দেখি খুব ভাল লাগে। সকলোৱে আনন্দ উপভোগ কৰিছে। মনটোত সকলোৰে নিৰ্মল ছবি। এই ছবিখন সাধাৰণতে লাখ লাখ মানুহ গোট খোৱা ঠাইত কমহে দেখিবলৈ পোৱা যায়। শিশুৰ পৰা আবাল-বৃদ্ধ-বনিতা সকলো ব্যস্ত হয় হোলীৰ আনন্দত মতলীয়া হ'বলৈ। আধুনিক যান্ত্ৰিক যুগতো যে এনে এখন ছবি দেখিবলৈ পোৱা যায় সেয়া বটদ্ৰৱালৈ নাহিলে কোনোৱে উপলব্ধ কৰিব নোৱাৰে। আন ঠাইৰ দৰে ইয়াত বেছিকৈ হোলী গীত গোৱা নহয়। মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে লিখা হোলী গীত এটিহে ইয়াত গোৱা হয়। হোলী গীত বিশেষ নাথাকিলেও ইয়াৰ আনন্দ পিছে বেলেগ। চিহ্নযাত্ৰাৰ জৰিয়তে বটদ্ৰৱা থানক দ্বিতীয় বৈকুণ্ঠৰ ৰূপ দিয়াৰ সময়তে নাট্যশিল্প প্ৰদৰ্শনৰ চিহ্নযাত্ৰা প্ৰদৰ্শনথলীতে বান্ধিছিল দৌল। নিৰ্মাণ কৰা হৈছিল দৌলঘৰ। তাৰ আগলৈকে অসমত দৌলঘৰৰ কোনো অস্তিত্ব পোৱা নাযায়। শংকৰদেৱে পঞ্চদশ শতিকাৰ পৰাই দৌলযাত্ৰা তথা ফল্গু উৎসৱৰ আৰম্ভ কৰাৰ তথ্য পোৱা যায়। বৰপেটাত যিদৰে হোলী গীতেৰে আকাশ-বতাহ মুখৰিত হৈ পৰে, বটদ্ৰৱাত এনে এখন ছবি দেখিবলৈ পোৱা নাযায়। অৱশ্যে ইয়াৰ কাৰণ বিভিন্নজনে বেলেগে বেলেগে ব্যাখ্যা কৰিছে। আয়োজক কমিটীয়ে ভক্তসকলক আদৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল।

ইমান ভিৰৰ মাজতো দেখা পোৱা গ'ল ভক্তসকলৰ বাবে নির্মাণ কৰা প্ৰস্ৰাৱাগাৰ, শৌচাগাৰ আদি। স্থায়ী প্ৰস্ৰাৱাগাৰ, শৌচাগাৰ থকাৰ পাছতো অস্থায়ীভাৱে নির্মাণ কৰা এনে অস্থায়ী ঘৰবোৰতো শৃংখলাবদ্ধতা দেখা যায়। আটাইতকৈ ডাঙৰ কথা হ'ল— ইয়াত ইমান মানুহৰ সমাৱেশ ঘটিলেও কোনো ভক্তৰে পৰিৱেশ লেতেৰা কৰাৰ মানসিকতা নাই। সকলোৱে নিজৰ নিজৰ কর্তব্য পালন কৰে।

ভক্তসকলে নিজে নিজে ৰান্ধি খোৱা দেখিলোঁ। কোনোৱে কাৰো কামত হস্তক্ষেপ কৰা নাই। ইমান মানুহে নিজৰ নিজৰ সুবিধা অনুসৰি ৰান্ধি খোৱাটো কম কথা নহয়। বটদ্ৰৱাত এসাঁজ নিজে ৰান্ধি খাব পৰাটো সকলোৱে পৰম ভাগ্য বুলি গণ্য কৰে। সকলোৱে খাদ্য প্ৰস্তুতৰ বাবে সকলোধৰণৰ সামগ্ৰী লৈ আহে। এই পৰম্পৰা অতীতৰে পৰাই চলি আহিছে। এয়া এক আকৰ্ষণীয় আৰু আদৰ্শৰ বিষয় বুলিয়ে ক'ব লাগিব। কাৰণ এনেদৰে ৰান্ধি-বাঢ়ি খাবৰ বাবেও উদ্যোক্তাসকলে সুন্দৰ ব্যৱস্থা কৰিছে। মুঠতে তালৈ যোৱা লোকসকলে যাতে কোনো অসুবিধা নাপায় তাৰ বাবে প্ৰতিটো ক্ষেত্ৰতেই উদ্যোক্তাই গুৰুত্ব দি আহিছে।

শেহতীয়াভাৱে চৰকাৰে বটদ্ৰৱা থানৰ উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। বিগত সময়ছোৱাত এই থানখনৰ ভূমিত বেদখল হয়। একাংশ সমাজবিৰোধী লোকে থানখনৰ ভূমিত বেদখল হোৱাত উদগনি দিয়াৰ বাবে থানখনলৈ প্ৰত্যাহ্বান আহি পৰিছিল। যিখন থানক লৈ সকলোৱে গর্ব অনুভৱ কৰে সেই ঐতিহ্যমণ্ডিত কেন্দ্ৰটোৰ ভূমিত বেদখল হোৱাৰ পাছত চৰকাৰে শেহতীয়াভাৱে বেদখলমুক্ত কৰিবলৈ যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া অসমীয়া সংস্কৃতি ৰক্ষাৰ ৰক্ষাকবচ বুলি ক'ব পাৰি। কিয়নো, যি ঠাইত হোলী উৎসৱত লাখ লাখ লোকে সমৱেত হ'বলৈ ইচ্ছা কৰে তেনে ঠাইক যদি বেদখলমুক্ত কৰা নহয় তেতিয়া সংস্কৃতিৰ প্ৰতিয়েই ভাবুকি আহিব বুলি উপলব্ধি কৰিয়েই চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া প্ৰশংসনীয়। তদুপৰি বটদ্ৰৱা উন্নয়নৰ বাবে যিবোৰ কাম আৰম্ভ হৈছে সেয়া সম্পূৰ্ণ হৈ উঠিলে অতি শীঘ্ৰে বটদ্ৰৱা ভাৰতৰ আন আকৰ্ষণীয় পর্যটন কেন্দ্ৰৰ ভিতৰত স্থান লাভ কৰিব। যেতিয়া বটদ্ৰৱা উন্নয়নৰ প্ৰকল্পৰ কাম শেষ হ'ব তেতিয়া ইয়াৰ ছবিখনেই সলনি হ'ব।

যিমানেই দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটিব সিমানেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টিসমূহৰ বিষয়ে বিদেশত প্ৰচাৰ হ'ব। তদুপৰি বটদ্ৰৱা ঠাইখনৰ বিষয়েও বিদেশৰ লোকে আৰু অধিক ভালদৰে জানিব পাৰিব। ইয়াত যদি সদায় বৰগীত, সত্ৰীয়া নৃত্য, ভোৰতাল নৃত্য, হোলী নৃত্য আদি পৰ্যটকৰ মনোৰঞ্জনৰ বাবে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয় তেনেহ'লে ইয়াৰ গুৰুত্ব আৰু অধিক বৃদ্ধি পাব। সাধাৰণতে দেশ-বিদেশৰ পৰ্যটন কেন্দ্ৰসমূহৰ ব্যৱস্থা পৰম্পৰাগত নৃত্য-গীত, সংস্কৃতি পৰিৱেশনৰ ব্যৱস্থা আছে। তেনে কৰিলে সংস্কৃতিৰ পৰিসৰ বৃদ্ধি হোৱাৰ উপৰি স্থানীয় শিল্পীসকল আৰ্থিকভাৱেও লাভান্বিত হ'ব। শিল্পীসকলে যেতিয়া পৰিয়ালক পোহপাল দিবলৈ নিয়মীয়াকৈ মাননি লাভ কৰি থাকিব তেতিয়া ইয়াৰ পৰিসৰ আৰু অধিক বৃদ্ধি হ'ব। কাৰণ নৱপ্ৰজন্মই বুজি পাব যে পৰম্পৰা ৰক্ষাৰ লগতে আৰ্থিকভাৱে স্বচ্ছল হ'ব পৰা এটা পথ ইয়াত বচাৰি পোৱা যায়। আজিকালি সত্ৰীয়া সংস্কৃতি তথা ভাওনা আদিৰ স'তে জড়িত লোকৰ অৱস্থা দেখিয়েই নৱপ্ৰজন্মই এই পথেৰে খোজ পেলায়ো এখোজ আগুৱাই দুখোজ পিছুৱাই আহিবলৈ ধৰিছে। গতিকে প্ৰচুৰ পৰ্যটনৰ সমল থকা বটদ্ৰৱাই বিশ্ব পৰ্যটনৰ মানচিত্ৰত স্থান পাবলৈ হ'লে সকলোৱে এইক্ষেত্ৰত সহযোগিতা আগবঢ়াব লাগিব। বটদ্ৰৱালৈ যিমানেই পৰ্যটক আহিব সিমানেই অসমৰ পৰ্যটনৰ ছবিখনো সলনি হ'ব। সমান্তৰালভাৱে ৰাজ্যৰ আন সত্ৰসমূহেও এনে পদক্ষেপ গ্ৰহণ কৰিব পাৰিব। কেৱল হোলীতেই নহয়, আন সময়তো লাখ লাখ ভক্তৰ সোঁত বৈ থাকক এনে এটা ঐতিহ্যমণ্ডিত অঞ্চললৈ। ভাৰতৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানত নিতৌ লাখ লাখ মানুহৰ সমাগম হৈ থকাৰ উদাহৰণ আছে। গতিকে অসমত বটদ্ৰৱায়ো এনে এক কীৰ্তি লাভ কৰক। অসম আৰু অসমীয়া জাতি যিমান দিনলৈ থাকিব সিমান দিনলৈকে অটুট থাকিব বটদ্ৰৱা থানৰ গৰিমা।

# এঠাইতে সকলো বিভাগৰ কাৰ্যালয়

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শেহতীয়াভাৱে ঘোষণা কৰিছে যে সৰু সৰু কাৰ্যালয় (বিভিন্ন বিভাগৰ)সমূহ জিলা উপায়ুক্তৰ কাৰ্যালয় চৌহদত স্থাপন কৰিব। নিঃসন্দেহে এয়া এক আদৰণীয় পদক্ষেপ। কাৰণ সাধাৰণ ৰাইজে কেতিয়াবা সাধাৰণ কাম এটা— যিটো কাম এঘণ্টামানৰ ভিতৰতে সম্পাদন কৰাটো সম্ভৱ তেনে কামৰ বাবে বিভাগীয় কাৰ্যালয়ৰ দুৱাৰে দুৱাৰে তাঁতবাটি কাঢ়িবলগীয়া হয়। এটা বিভাগৰ কাৰ্যালয়ৰ পৰা আন এটালৈকে যাবলৈ বহু সময়ৰ প্ৰয়োজন হয়। তদুপৰি এটা বিভাগৰ পৰা সামান্য কাম এটাৰ ফাইল বা কাগজ এখন উপায়ুক্তৰ কাৰ্যালয় পাবলৈ এমাহ-দুমাহ বাদেই— কেতিয়াবা এবছৰ-দুবছৰ পৰ্যন্ত লাগে। যদি এগৰাকী ব্যক্তিৰ ক্ষেত্ৰতে এনে অৱস্থাৰ সৃষ্টি হয় তেনেহ'লে হাজাৰ হাজাৰ লোকৰ কাম সম্পাদন কৰিবলৈ কিমান সময়ৰ প্ৰয়োজন হ'ব সেয়া ভাবিলেই আচৰিত লাগে। বিগত সময়ছোৱাত এনেদৰেই কাম সম্পাদন হৈ আহিছে।

ইয়াৰ ফলত ব্যক্তিগত কামৰ কথা বাদেই— ৰাজহুৱা কামসমূহো বিলম্ব হোৱাত উন্নয়নত ব্যাঘাত জন্মে। এখন সমাজৰ উন্নয়নৰ বাবে ৰাইজৰ লগতে সমাজখনৰ প্ৰতিগৰাকী ব্যক্তিৰ উন্নতি হ'ব লাগিব। এতিয়াৰে পৰা বিভাগীয় সৰু সৰু কাৰ্যালয় উপায়ুক্তৰ কাৰ্যালয় চৌহদত হ'লে টেবুলৰ তলেদি চলা কাৰ্যসমূহো নিশ্চয়কৈ বন্ধ হ'ব। কাৰণ সকলো বিষয়া-কৰ্মীয়ে নিজৰ নিজৰ টেবুলৰ ফাইলসমূহ নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰেৰণ কৰিবই লাগিব।

উপায়ুক্তই সদায় এক নিৰ্দিষ্ট সময়ত বিভিন্ন বিভাগৰ ফাইলসমূহ নিজৰ টেবুলত দিবলৈ নিৰ্দেশনা জাৰি কৰিলে সকলোৱে এনে কৰিবলৈ বাধ্য হ'ব। প্ৰায়সংখ্যক বিভাগৰ সৰু সৰু কাৰ্যালয়সমূহত দীৰ্ঘদিন ধৰি কাম নকৰাকৈ থৈ দিয়াটো ইমান দিনে এক পৰম্পৰা হিচাপে চলি আহিছিল। এদিনত কৰিব পৰা কামটোও দুই-তিনিমাহ লগোৱাৰ কোনো প্ৰয়োজন নাই। কৰ্মীসকলৰ এলাহ নে আন কোনো কাৰণ থাকে, সেয়া সহজে অনুমান কৰিব নোৱাৰি। তদুপৰি সৰু সৰু কাৰ্যালয়সমূহৰ মাজত যদি দূৰত্ব বেছি থাকে তেনেহ'লে এটাৰ পৰা আনটোলৈ ফাইল এটি যাবলৈ কেবামাহ, বছৰৰ প্ৰয়োজন হয়। ক'ৰবাত যদি মানুহ কম থকা বুলি কয়, আন ক'ৰবাত আকৌ কৰ্মচাৰীৰ উপস্থিতি সেৰেঙা বাবে এনেবোৰ কাম সময়মতে কৰিব নোৱাৰা হয়।

জিলা পৰ্যায়ত সম্পাদন কৰিব পৰা কামখিনি যদি সময়মতে উপায়ুক্তৰ টেবুল গৈ পাই তেনেহ'লে সকলোৱেই উপকৃত হ'ব পাৰে। এতিয়াৰে পৰা যদি উপায়ুক্তৰ কাৰ্যালয়ৰ চৌহদতে এইবোৰ কাৰ্যালয় থাকে তেনেহ'লে উপায়ুক্তয়ো যিকোনো সময়তে এইবোৰ বিচাৰিব পাৰিব। তদুপৰি উপায়ুক্তৰ টেবুললৈ যদি সদায় এক নিৰ্দিষ্ট সময়ত প্ৰতিটো বিভাগৰ ফাইলবোৰ আহে তেনেহ'লে সেইবোৰ ভালদৰে পৰীক্ষা কৰাটো সম্ভৱ হ'ব। উপায়ুক্তয়ো কঠোৰ নিৰ্দেশনা জাৰিৰে বিভিন্ন বিভাগৰ পৰা প্ৰয়োজনীয় তথা গুৰুত্বপূৰ্ণ ফাইলসমূহ সদায় নিৰ্দিষ্ট সময়ত জমা দিবলৈ ক'লে প্ৰতিগৰাকী কৰ্মীয়ে নিজৰ কাৰ্য সম্পাদন কৰিবলৈ বাধ্য হ'ব।

যিহেতু উপায়ুক্তই সকলোবোৰ তদাৰক কৰিব লাগিব, সেয়েহে তেওঁৰ বাসগৃহও এই কাৰ্যালয়ৰ সমীপতে হ'লে বেছি লাভ হ'ব। কাৰণ যদি উপায়ুক্তৰ

কাৰ্যালয়ৰ পৰা বাসগৃহৰ মাজত দূৰত্ব বেছি হয় তেনেহ'লে অহা-যোৱা কৰোঁতে বেছি হ'লে প্ৰয়োজন হ'লেও কাৰ্যালয়ত অধিক সময় থকাটো সম্ভৱ নহ'ব। তদুপৰি কৰ্মচাৰীসকলৰ বাবেও সমস্যাৰ সৃষ্টি নোহোৱাকৈ নাথাকিব।

যদিহে উপায়ুক্তৰ কাৰ্যালয় চৌহদত প্ৰায়সংখ্যক কাৰ্যালয় উপলব্ধ হয় তেনেহ'লে ৰাইজৰ আটাইতকৈ বেছি লাভ হ'ব। কাৰণ যাতায়াতৰ ক্ষেত্ৰত লাভান্বিত হয়। যদি কোনো এগৰাকী ব্যক্তিয়ে কোনো এটা কামৰ বাবে তিনিটা বিভাগৰ কাৰ্যালয়লৈ বেলেগে বেলেগ পথেৰে যাবলগীয়া হয় তেনেহ'লে অৰ্থৰ লগতে সময়ৰো প্ৰয়োজন হ'ব। দুখীয়া ৰাইজে এটা কামৰ বাবে যেতিয়া বেলেগ বেলেগ কাৰ্যালয়লৈ যাবলগীয়া হয় তেতিয়া তেওঁৰ অৰ্থ-ব্যয়ো হ'ব। তদুপৰি যাতায়াত কৰোঁতে অপ্ৰয়োজনীয়ভাৱে ব্যয় কৰা সময়ো ৰাহি হ'ব। এনেদৰে যদি হাজাৰ হাজাৰ ব্যক্তিৰ সময় আৰু অৰ্থ ৰাহি হয় তেনেহ'লে সমাজৰ সামগ্ৰিক উন্নতিত সহায়ক হ'ব। আনহাতে, একেলগে আটাইবোৰ কাৰ্যালয় হ'লে সৌন্দৰ্যবোধো হ'ব। পৰিপাটি আৰু সৌন্দৰ্যবোধ সমানে যেতিয়া ৰাইজৰ দৃষ্টিত পৰিব তেতিয়া ঠাইখনো দেখাত ভাল হ'ব। সেইবাবে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ এই পদক্ষেপক সকলোৱে আদৰণি জনাইছে।

# হেৰাই যাব ধৰিছে সাত বিহু

ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই মানুহে ৰঙালী বিহু উদ্‌যাপন কৰি আহিছে। প্ৰকৃতিৰ স'তে ওতপ্ৰোত সম্পৰ্ক থকা এই বিহুটি কেতিয়াৰ পৰা কেনেদৰে পালন কৰি অহা হৈছে তাক লৈ এক সৰ্বসন্মত তথ্য পোৱা নাযায়। অৱশ্যে আহোম ৰাজত্বকালত যে এই বিহুটিয়ে এক বিশেষ স্থান লাভ কৰিছিল সেয়া ৰংঘৰৰ বাকৰিত পৰম্পৰাগতভাৱে পালন কৰি অহা বিহুটিয়ে এক ছবি দাঙি ধৰে। কৃষকসকলে পথাৰৰ পৰা সোণগুটি চপোৱাৰ পাছত ভোগালী বিহু পালনৰ কিছুদিন পাছতে আগমন ঘটে বসন্তৰ। বসন্তৰ আগমনত ৰুক্ষ হৈ পৰে ধৰিত্ৰী। সেয়েহে ধৰিত্ৰী দেৱীক জীপাল কৰিবলৈ প্ৰকৃতিক আহ্বান জনোৱা হয় বিভিন্ন ৰূপত। ব'হাগ বিহুত ব্যৱহাৰ কৰা ঢোলটিও ইয়াৰে প্ৰতীক ৰূপে গণ্য কৰা হয়। ঢোলৰ শব্দত হেনো মেঘৰ গতি বৃদ্ধি পায়। মেঘৰ গাজনি আৰু বৰদৈচিলাৰ তাণ্ডৱে কৃষকক খেতিপথাৰখন জীপাল হোৱাৰ আগজাননী দিয়ে। ব'হাগ বিহু সাতদিন ধৰি চলে। এই সাতদিনত ভিন্ন ৰূপত বিহুটি পালন কৰা হয়।

ব'হাগ বিহুৰ আৰম্ভণি ঘটে গৰু বিহুৰ দিনটোত। অসমীয়া সমাজখন কৃষিপ্ৰধান। আজিও সৰহসংখ্যক লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে কৃষি পদ্ধতিৰ সলনি হ'লেও আজিও অসমত বসবাস কৰা লোকসকলে গৰু, ছাগলী আদিক পৰিয়ালৰ সদস্যৰ দৰেই মৰম কৰে। গোহালি ঘৰটো লক্ষ্মীৰ ভঁৰাল বুলি ভাবে। সেইবাবে গৰু-ছাগলীক পূজা কৰে। গোহালি ঘৰটো পৱিত্ৰ গৃহ হিচাপে গণ্য কৰে। পুৰা গোবৰ-পানী ছটিয়াই গোহালিৰ পথটো পৰিষ্কাৰ কৰে। সেইবাবে গৰুবিহুৰ দিনটোত গৰু-ছাগলী পুৰাই পুখুৰী বা নৈত ধুৱাই গোৱা হয়— দীঘলতিৰ দীঘল পাত/ গৰু কোবাওঁ জাত জাত/ মাৰ সৰু বাপেৰ সৰু/ তই হ'বি বৰ গৰু' ... ইত্যাদি। গধূলি চোতালৰ আগত ধোঁৱা দিয়া হয়। নতুন পঘাৰে গৰু বন্ধা হয়। দ্বিতীয় দিনা মানুহ বিহু। অৰ্থাৎ এই দিনটোতে পৰস্পৰে বিহুৱান আদান-প্ৰদান কৰে। আপোনজনক বিহুৱান দিবলৈ অধীৰ আগ্ৰহেৰে বাট চাই থাকে। মৰমৰ দীঘেৰে, চেনেহৰ বাণিৰে বোৱা বিহুৱানখনত বিচাৰি পোৱা যায় মৰম-ভালপোৱা আৰু আত্মিক সম্পৰ্কবোৰ। তৃতীয় দিনা হ'ল গোসাঁই বিহু। এই দিনটোত গোসাঁইক নতুন বস্ত্ৰ পৰিধান কৰোৱা হয়। বিভিন্ন ঠাইত গোসাঁই ঘৰ আদিত ভোগ দিয়া, নৈবেদ্য আগবঢ়োৱাৰ বাবে উখল-মাখল লাগে। সকলোৱে গোসাঁইক সেৱা কৰি আশীৰ্বাদ লয়। কিছুমান ঠাইত আৰু এই দিনটোত গুৰুগৃহলৈ গৈ গুৰুক সেৱা জনাই নতুন বস্ত্ৰ আদি প্ৰদান কৰে। চতুৰ্থ দিনা হ'ল তাঁত বিহু। অসমীয়া সমাজত শিপিনীৰ বাবে অতিকৈ মূল্যৱান হ'ল তাঁতশালখন। এই দিনটোত তাঁতশালখনত পৰম্পৰাগত প্ৰথাৰে পূজা কৰি পৰিয়ালটোক পোহপাল দিব পৰাকৈ স্বামীদেৱতাক যাতে সহায় কৰিব পাৰে তাৰ বাবে। কাৰণ অসমীয়া শিপিনীৰ বস্ত্ৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত এক সুনাম আছে। কেৱল বিহুৱানখন ববলৈকে নহয়, আন বস্ত্ৰ উৎপাদনৰ বাবেও তাঁতশালখন ব্যৱহাৰ কৰে। পঞ্চম দিনা হ'ল নাঙল বিহু। নাঙলখন হ'ল কৃষিকাৰ্যৰ সবাতোকৈ গুৰুত্বপূৰ্ণ আহিলা। কাৰণ নাঙলেৰে মাটি চহোৱাৰ পাছতহে কৃষিকাৰ্য সম্ভৱ। খেতিডৰা ভাল হ'লে কৃষকৰ মুখত হাঁহি বিৰিঙি উঠে। সেইবাবে নাঙলখনক কৃষকসকলে পূজা কৰে। ঠাইবিশেষে এনে পূজাৰ পদ্ধতি ভিন্ন হোৱা দেখা যায়। ষষ্ঠ দিনা হ'ল কুটুম বিহু। এই দিনটোত

বিবাহিত কন্যাসকল পিতৃগৃহলৈ আহে। লগত আহে জোঁৱাই। ইষ্ট-কুটুমসকলে পৰস্পৰৰ ঘৰলৈ গৈ বিহুৱান আদি আদান-প্ৰদান কৰে। সাতবিহুৰ অন্তিম দিনাখন 'চেৰা বিহু' পালন কৰা হয়। বিভিন্ন ঠাইত এই বিহুটো বেলেগ বেলেগ ৰূপত পালন কৰা হয়। প্ৰথম ছয়দিন বিহুৰ আনন্দত মতলীয়া হোৱা ৰাইজে অন্তিম দিনটোত দৈ, পঁইতাভাত খোৱাৰ পৰম্পৰা আছে। তদুপৰি বিচনীৰে জুৰ ল'লে গোটেই বছৰটো দেহা শাঁত পৰি থাকে বুলি বিশ্বাস কৰে। কিছুমান ঠাইত আকৌ আগদিনাৰ বস্তু নাখায়। কিছুমান ঠাইত 'বিহু ভঙা' বুলিও কয়। অৰ্থাৎ ষষ্ঠদিনৰ বস্তু-বাহানি যদি থাকি যায় তেনেহ'লে পিছদিনা অৰ্থাৎ চেৰা বিহুৰ দিনাখন সেইবোৰ পেলাই দিয়ে। প্ৰথম কেইদিন বিহুত ৰং-ৰহইচ কৰাৰ পাছত লাহে লাহে সকলোৱে ভাগৰুৱা অনুভৱ কৰে। তদুপৰি বিহুৰ আনন্দও কিছু পৰিমাণে হ্ৰাস পায়। সেইবাবে সাতদিনৰ দিনটোত বিহু সামৰাৰ পৰম্পৰা চলি আহিছে। অৱশ্যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই সাতবিহুৰ পৰম্পৰা ক'ৰবাতহে বৰ্তি আছে সময়ৰ গতি আৰু আধুনিকতাৰ মাজত যেন সাতবিহুৰ প্ৰথম তিনিদিনৰ বিহুহে বৰ্তি আছে। নৱপ্ৰজন্মৰ প্ৰায়ভাগেই জ্ঞাত নহয় সাতবিহুৰ তাৎপৰ্য।

# নৱপ্ৰজন্মৰ মানসিকতা আৰু ৰঙালী বিহু

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সাংস্কৃতিক ক্ষেত্ৰখনৰো পৰিৱৰ্তন হ'বলৈ ধৰিলে। এনে পৰিৱৰ্তন মূলতঃ নৱপ্ৰজন্মৰ চিন্তা-চৰ্চাত হোৱা আমূল পৰিৱৰ্তনেই দায়ী। আজিৰ প্ৰজন্মৰ বাবে সংস্কৃতি হ'ল উপভোগৰ উৎস। নৱপ্ৰজন্মৰ মাজত নাই সাধনাৰ মানসিকতা। নিজকে আনৰ দৃষ্টিত উপস্থাপন কৰিব পৰাটোৱে হ'ল মূল লক্ষ্য। এনে পৰিৱৰ্তিত মানসিকতাৰ প্ৰভাৱ পৰিছে ৰঙালী বিহুত। কাৰণ আজি ৰঙালী বিহুৰ প্ৰতিটো পৰ্যায়তে ঘটিছে এনে পৰিৱৰ্তন— য'ত মৌলিকতা বিচাৰি পোৱাটো একপ্ৰকাৰ অসম্ভৱ হৈছে। নৱপ্ৰজন্মৰ বাবে বিহু হৈছে একমাত্ৰ উৎসৱ। ইয়াত যেন আত্মিকতাৰ অভাৱ। বিহুত ৰং-ৰহইচৰ পৰিৱৰ্তে হৈ-চৈ কৰাৰ বাবেহে ওলাই অহা লোকৰ সংখ্যা বাঢ়িছে। এতিয়া আৰু বিহুৰ দিনা দীঘলতি-মাখিয়তীৰ পাত বিচাৰি যাবলৈ নাই। বহুতেই নাজানে দোমাহীৰ দিনা কেনেদৰে গৰুক গা ধুওৱা হয়। নাজানে গৰুক গা ধুৱাই গোৱা গীতৰ কথা। আগচোতালত গৰু গোহালিলৈ অনাৰ পূৰ্বে ধোঁৱা দিয়াৰ কথা নাজানে। জানিব বা কেনেকৈ? চহৰাঞ্চলৰ কথা

বাদেই— গ্ৰামাঞ্চলৰেই বহুতৰ ঘৰত নাই গৰু-ছাগলী। বিহুৰ ভিতৰত কি কৰিব লাগে, কি খালে শৰীৰটো সুস্থ থাকে বুলি কৰিবলগীয়া নিয়মখিনিয়েই নাজানে। এইসকলৰ বাবে ব'হাগ বিহুটো হ'ল ৰাজ্যৰ বাহিৰলৈ গৈ উপভোগ কৰাৰ সময়। নিজৰ সভ্যতা-সংস্কৃতিক লৈ মুঠেই আগ্ৰহী নহয়। বহুতেই নাজানে এই উৎসৱত কি পিন্ধিব লাগে, বজাৰলৈ গৈ দামী দামী নতুন কাপোৰ কিনাৰ আনন্দ ল'ব পাৰে। পিছে ব'হাগ বিহুত যে 'বিহুৱান'খনেই মূল বস্ত্ৰ, সেই কথা বহুতেই জ্ঞাত নহয়। চাৰ্ট-পেণ্ট-চুৰিদাৰ, জীন্‌ছৰ কাপোৰ লোৱাৰ আনন্দ লাভ কৰাসকলে 'বিহুৱান'ৰ মোল কি বুজিব। অতি সম্প্ৰতি নৱপ্ৰজন্মৰ মাজত বিহুৱানক লৈ কিছু উৎসাহ দেখা নাযায়। নতুন কাপোৰ পিন্ধাটোৰেই যদি বিহুৰ আনন্দ হ'লহেঁতেন, তেনেহ'লে আপোনজনক 'বিহুৱান' দিবলৈ শিপিনীয়ে নিশ্চয় এমাহ আগৰ পৰা ইমান কষ্ট নকৰিলেহেঁতেন।

বিহু মঞ্চত কোনখন আয়োজক কমিটীয়ে কোন গ্লেমাৰ থকা গায়ক-গায়িকাক অনুষ্ঠান পৰিৱেশনৰ বাবে আমন্ত্ৰণ কৰিছে তাকে লৈহে ব্যস্ত। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ কোন তাক লৈহে আজিৰ প্ৰজন্মই ব্যস্ত হোৱা দেখা যায়। মঞ্চৰ সন্মুখত থকা দৰ্শকৰ গাত কেইখন বিহুৱান থাকে। ইয়াৰ পৰিৱৰ্তে আনৰ দৃষ্টিত নিজকে আধুনিক সজাবলৈ পিন্ধে পশ্চিমীয়া দেশৰ পোছাক। ডুব যায় সুৰাৰ ৰাগীত। বিহুগীত শুনিবলৈ সময় নাই। আনকি বিহু নৃত্য, হুঁচৰি আদিও উপভোগ কৰিবলৈ অনীহা প্ৰকাশ কৰিবলৈ কুণ্ঠাবোধ নকৰে। আনকি বিৰূপ মন্তব্যও দিয়া শুনা যায়। বিহু মানে এতিয়া এইসকলৰ বাবে কেৱল সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন আৰু উপভোগ কৰাৰ এক প্ৰৱণতাই গা কৰি উঠাতো ভৱিষ্যতৰ বাবে এক ইতিবাচক দিশ বুলি ক'ব নোৱাৰি। বিহুৰ বতৰতো বিহুগীত শুনিব নোখোজে। আনকি কিছুমান ঠাইত বিহু মঞ্চত যিবোৰ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয় সেইবোৰ উপভোগ কৰিলে সেয়া বিহু মঞ্চ নে ক্লাবৰ সাংস্কৃতিক অনুষ্ঠান ধৰিবই নোৱাৰি। বিহু মঞ্চত যিমানেই উচ্চমানৰ সংগীত বাজিব সিমানেই শ্ৰোতাৰ সংখ্যাও বৃদ্ধি পাব। ইয়াৰ বিপৰীতে যিবোৰ মঞ্চত পৰম্পৰাগত বিহুক প্ৰাধান্য দিয়া হয় সেইবোৰত দৰ্শক আৰু শ্ৰোতাৰ উপস্থিতি তেনেই সেৰেঙা। বিহুৰ

কেইদিনতো পশ্চিমীয়া সংগীতৰ লহৰে লহৰে নৃত্য প্ৰদৰ্শনৰ মানসিকতাই গঢ় লৈ উঠিছে।

এনে পৰিৱৰ্তনৰ বাবে কেৱল আমি নৱপ্ৰজন্মক দোষাৰোপ কৰিলেই নহ'ব। জ্যেষ্ঠসকলো সমানেই দায়ী। কথাতে কয় বোলে— আগৰ হাল যিফালে যায় পিছৰ হালো সিফালেই যাব। আমি কেতিয়াবা সন্তানক বিহুৰ ইতিহাস তথা পৰম্পৰাৰ বিষয়ে অৱগত কৰিছোঁ জানো? গৰু বিহুৰ দিনাখন পথাৰত গৰু এৰি দি একেলগে নৈ-পুখুৰীত গৰুক গা ধুওৱাৰ দৃশ্য দেখুৱাইছোনে? বৰং কেতিয়াবা সন্তানে গাঁৱত এনে দৃশ্য উপভোগ বা স্বচক্ষে প্ৰত্যক্ষ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলেও কৰ্মব্যস্ততাক দোহাই দি পলায়নবাদী মানসিকতাহে গ্ৰহণ কৰিছোঁ। কেৱল সিমানেই নহয়— বিহুৰ দিনা মাহ-হালধি, আমৰ মুচি, দূবৰি বন আদিৰে প্ৰস্তুত কৰা মিশ্ৰণটোৰ প্ৰলেপ সন্তানৰ গাত ঘঁহিছোঁনে? নিশ্চয় ঘঁহা নাই। শৰীৰত এনে মিশ্ৰণৰ প্ৰলেপ দিয়াৰ পৰিৱৰ্তে ক্ৰিম, সুগন্ধি তেল আদিহে ঘঁহিবলৈ পিতৃ-মাতৃয়ে কয়। পিতৃ-মাতৃয়ে বজাৰলৈ গৈ দোকানৰ পৰা 'বিহুৱান' কিনিছে নে নতুন বস্ত্ৰহে ক্ৰয় কৰিছে। কাৰোবাৰ ঘৰলৈ হুঁচৰি দলে বিহু প্ৰদৰ্শন কৰিবলৈ আহিলে তামোল-পাণেৰে শৰাই লৈ আদৰিছোঁনে? হুঁচৰিৰ অন্তত গৃহস্থই আশীৰ্বাদ লৈছোঁ জানো? এনেবোৰ পৰম্পৰা আমি সকলোৱে পাহৰিছোঁ। এতিয়া বিহুত পৰম্পৰাতকৈ বাহ্যিকতাতহে সকলোৱে গুৰুত্ব দিছোঁ। এয়াই পৰিৱৰ্তনৰ ঢৌ।

# শ্ৰীলংকাৰ বিধ্বস্ত অৰ্থনৈতিক অৱস্থা

অতিসম্প্ৰতি বিশ্ববাসীৰ দৃষ্টি নিবদ্ধ হৈছে ইউক্ৰেইন আৰু শ্ৰীলংকাৰ ওপৰত। এখন যুদ্ধবিধ্বস্ত অৱস্থাৰ বাবে আৰু আনখন অৰ্থনৈতিকভাৱে বিধ্বস্ত ছবিৰ হেতুকে। বিগত এটা দশকত বিশ্বৰ ভিতৰত সবাতোকৈ অৰ্থনৈতিকভাৱে বিধ্বস্ত দেশখনেই হৈছে শ্ৰীলংকা। ৰাৱণৰ স্বৰ্ণলংকাত আজি খাদ্যৰ বাবে মানুহৰ মাজত হৈছে হাহাকাৰ। দেশত মূল্যবৃদ্ধিয়ে যি হাৰত গতি কৰিছে সেয়া সম্ভৱতঃ বিশ্বৰ ভিতৰত এটা দশকত হোৱা সৰ্বাধিক মূল্যবৃদ্ধি। ৰন্ধন গেছৰ চিলিণ্ডাৰ এটাৰ দাম চাৰি হাজাৰ টকাৰ ওপৰত। সাধাৰণ চাউল এক কিলোগ্ৰামৰ দাম পাঁচশ টকালৈ উঠিছে। এটা কণীৰ দাম ৩৫ টকা। টকা দিলেও পেট্ৰ'ল-ডিজেল নোপোৱা হৈছে। ৯০ শতাংশ পৰিবহণ বন্ধ হৈ পৰিছে। ৰাজকোষত নাই পৰ্যাপ্ত ধন। বৈদেশিক মুদ্ৰাৰ ভঁৰাল উদং। দেশখনৰ ধাৰৰ বোজা ইমান বেছি হৈছে যে সেয়া কল্পনাই কৰিব নোৱাৰি। দেশখনত উৎপাদন বুলিবলৈ শূন্য। যিখন দেশে বিশ্বৰ বিভিন্ন প্ৰান্তলৈ উৎকৃষ্টমানৰ চাহপাত প্ৰেৰণ কৰিছিল সেইখন দেশত আজি জনগণে খাবলৈ পোৱা নাই একাপ চাহ। দেশৰ অৰ্থনৈতিক অৱস্থা এনেদৰে বিধ্বস্ত হৈ পৰিছে যে ইউক্ৰেইনত যুদ্ধৰ বাবে হোৱা অৰ্থনৈতিক অৱস্থাতকৈ অধিক বেয়াৰ ফালে ঢাল খাইছে। কেৱল সেয়াই নহয়— আজি দেশৰ জনগণে চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ

ৰাজপথত নামিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। দেশৰ জনগণৰ মাজত যুদ্ধোত্তৰ পৰিৱেশে বিৰাজ কৰিছে। স্বৰ্ণলংকাৰ চৌদিশে এতিয়া কেৱল ভস্ম। নিয়ন্ত্ৰণহীন পৰিস্থিতি আৰু ভৱিষ্যতৰ ছবি।

দ্বীপ ৰাষ্ট্ৰখনৰ মূল চালিকা শক্তি হ'ল পৰ্যটন আৰু জৈৱিক খেতি। তদুপৰি চাহ আৰু বস্ত্ৰ উদ্যোগৰ পৰাও পৰ্যাপ্ত ধন সংগ্ৰহ। ২০১৮ চনলৈকে বছৰি কমেও ৪৪ নিযুত সংগ্ৰহ কৰিছিল কেৱল পৰ্যটনৰ জৰিয়তে। দেশখনৰ মুঠ বাৰ্ষিক উৎপাদনৰ ২১ শতাংশ আহে কৃষিৰ পৰা। তদুপৰি ৩৮ শতাংশ লোক কৃষিকৰ্মতে জড়িত। দেশখনত ধান উৎপাদনৰ স'তে দুই নিযুত লোক জড়িত হৈ আহিছে। মুঠ শ্ৰমিকৰ কমেও ৩০ শতাংশ জড়িত ধানৰ উৎপাদনৰ স'তে। চাৰি বছৰমান আগলৈকে দেশখনে এনেদৰে সংগ্ৰহ কৰা উৎসৰ পৰাই চলি আছিল। বন্ধু ৰাষ্ট্ৰ হিচাপে এইক্ষেত্ৰত ভাৰতেও সহায়ৰ হাত আগবঢ়াইছিল। ভাৰতৰ বহুতো আঁচনি শ্ৰীলংকাত ৰূপায়ণ কৰা হৈছিল।

এসময়ত শ্ৰীলংকাত এল টি টি ইৰ সন্ত্ৰাসৰ বাবে জনগণে এগৰাকী শক্তিশালী ৰাষ্ট্ৰপতিৰ সন্ধান কৰিছিল। সেই সময়ত মহিন্দ্ৰা ৰাজপাকছেৰ প্ৰবল প্ৰতাপৰ বাবে দ্বীপ ৰাষ্ট্ৰখনৰ সৰ্বোচ্চ পদত অধিষ্ঠিত হৈছিল। ৰাষ্ট্ৰপতি হোৱাৰ পাছত তেওঁৰ পদক্ষেপৰ বাবেই বিশ্বৰ সবাতোকৈ শক্তিশালী সন্ত্ৰাসবাদী সংগঠন হিচাপে চিহ্নিত এল টি টি ইক মষিমূৰ কৰিবলৈ সক্ষম হৈছিল যদিও ২০১৫ৰ নিৰ্বাচনত তেওঁ পৰাজিত হয় কেৱল তেওঁৰ বিৰুদ্ধে উত্থাপিত সীমাহীন দুৰ্নীতি আৰু বিতৰ্কৰ বাবে। পিছে তেওঁ পৰাজিত হ'লেও ২০১৯ত ভ্ৰাতৃ গোটাবায়া ৰাজপাকছেই ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছিল। বাছিল ৰোহানা ৰাজপাকছেই দেশৰ বিত্তমন্ত্ৰীৰ দায়িত্ব লাভ কৰাৰ লগে লগে কেবিনেট মন্ত্ৰীসভাত পঞ্চমগৰাকী ৰাজপাকছেৰ পৰিয়ালৰ সদস্য হিচাপে চৰ্চালৈ আহে। দেশ এখনৰ কেবিনেট মন্ত্ৰীসভাতেই যদি এটা পৰিয়ালৰ পাঁচগৰাকী সদস্যই স্থান লাভ কৰে তেনেহ'লে দেশখনৰ উন্নয়ন কোন দিশে গতি কৰিব পাৰে সেয়া সহজেই অনুমেয়।

১৯৪৮ৰ ৪ ফেব্ৰুৱাৰীত শান্তিপূৰ্ণভাৱেই বৃটিছে শ্ৰীলংকাক ঔপনিবেশৰ পৰা মুক্ত কৰিছিল। ইয়াৰ পাছৰে পৰাই চুবুৰীয়া দেশখনে ভাৰতৰ স'তে সু-সম্পৰ্ক ৰক্ষা কৰি আছিল। পিছে ৰাজপাকছেৰ পৰিয়ালৰ স'তে চীনৰ লক্ষ্য

আছিল দ্বীপ ৰাষ্ট্ৰখনক ভাৰতৰ স'তে সম্পৰ্ক ছিন্ন কৰাৰ। সেইবাবে জিনপিঙে এনে এখন জাল পাতিলে— য'ত শ্ৰীলংকা বন্দী হৈ পৰে। চীনৰ চক্ৰবেহুৰ পৰা ওলাব নোৱাৰি শ্ৰীলংকাই লাহে লাহে ভাৰতৰ স'তে সম্পৰ্ক দুৰ্বল কৰিবলৈ ধৰে। শ্ৰীলংকা চৰকাৰৰ দুৰ্বলতাৰ সুযোগ লৈ চীনে দ্বীপ ৰাষ্ট্ৰখনক সহায় আৰু বিনিয়োগ কৰাৰ পৰিমাণ হ'ল ১৫ বিলিয়ন ডলাৰ। কেৱল সেয়াই নহয়, ২০১৭ চনত চীনে দ্বীপৰাষ্ট্ৰখনৰ হাম্বান্তোতা আন্তৰ্জাতিক বন্দৰটো দখলৰে নীল নক্সা প্ৰস্তুত কৰে। চীনা কোম্পানীয়ে উক্ত বন্দৰটোত ১.১২ বিলিয়ন মাৰ্কিন ডলাৰ বিনিয়োগ কৰে। ২০১০-২০ৰ ভিতৰত চীনে দ্বীপৰাষ্ট্ৰখনত সৰ্বাধিক বিনিয়োগ কৰে। এই বিনিয়োগৰ ভিতৰত আছিল বিতৰ্কিত কলম্বো প'ৰ্ট চিটি প্ৰকল্প আৰু হাম্বান্তোতা বন্দৰ বিনিয়োগ। দুয়োখন দেশৰ মাজত মাজে মাজে কেবাখনো চুক্তি সম্পাদন হয়। শ্ৰীলংকাৰ পৰা চীনলৈ চাহ, গহনা আৰু বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ ৰপ্তানি হয়। ইয়াৰ বিপৰীতে শ্ৰীলংকাই চীনৰ পৰা ২০২০ত ৩.৫৮ বিলিয়ন মাৰ্কিন ডলাৰৰ সামগ্ৰী আমদানি কৰে। এনেদৰে চীনে কৌশলেৰে শ্ৰীলংকাক বশ কৰে যদিও শ্ৰীলংকাৰ ভাগ্য নিয়ন্ত্ৰাসকলে এই কথাৰ উমানেই নাপালে। বিগত দুটা বৰ্ষত ক'ভিডকালীন পৰিস্থিতিৰ বাবে শ্ৰীলংকাৰ পৰ্যটনৰ পৰা লাভ কৰা ৰাজহ শূন্যপ্ৰায় হৈ পৰে। এফালে ঋণৰ বোজাৰ পৰিণাম বৃদ্ধি আৰু আনফালে ৰাজকোষ শূন্য হোৱাত পৰিস্থিতি এতিয়া চৰম পৰ্যায়ত উপনীত হৈছে। বিশ্ব মুদ্ৰা নিধিয়ে দেশখনক অৰ্থনৈতিক সংস্কাৰৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ কেবাবাৰো পৰামৰ্শ আগবঢ়োৱাৰ পাছতো দেশৰ নেতৃত্বই বিশেষ গুৰুত্ব প্ৰদান নকৰাৰ পৰিণতি আজি দেশবাসীয়ে ভুগিবলগীয়া হৈছে। দেশখনে ৪৫ বিলিয়ন মাৰ্কিন ডলাৰৰ বোজা বহন কৰিবলগীয়া হৈছে। আনহাতে চীনৰ আঠ বিলিয়ন ডলাৰৰ ঋণ পৰিশোধ কৰিবলৈ জিনপিঙে পৰোক্ষভাৱে হেঁচা দিয়াত দেশখনত লাগিছে হাহাকাৰ। এই বিপদৰ সময়ত বিগত সময়ছোৱাত জাল পেলোৱা চীনে সহায়ৰ হাত আগবঢ়োৱাৰ পৰিৱৰ্তে ঋণ উভতাই বিচৰাতহে দেশৰ নেতৃত্বই উপলব্ধি কৰিছে চীনৰ গভীৰ ষড়যন্ত্ৰৰ কথা। ইয়াৰ বিপৰীতে বিপদৰ সময়ত ভাৰতে শ্ৰীলংকালৈ আগবঢ়াইছে সহায়ৰ হাত। তথাপি ভুল ভাঙিবনে ৰাজপাকছেৰ পৰিয়ালৰ?

# ৰঙালী বিহুত প্ৰাসংগিক-অপ্ৰাসংগিক

বিশ্বৰ যিবোৰ অঞ্চলত বসন্ত উৎসৱ পালন কৰা হয় সেইবোৰৰ উৎসৱসমূহৰ মাজত সাদৃশ্য আছে। প্ৰায়ভাগ বসন্তকালীন উৎসৱেই হ'ল প্ৰকৃতিৰ স'তে ওতপ্ৰোত সম্পৰ্ক, পৰম্পৰা আৰু জাতি-জনগোষ্ঠীসমূহৰ আত্মিক সম্পৰ্ক। জনগোষ্ঠীয় বসন্তকালীন উৎসৱ কৃষিভিত্তিক হোৱাও দেখা যায়। তদুপৰি প্ৰায়ভাগৰেই নতুন বছৰক আদৰণি জনোৱা পৰ্বও আৰম্ভ হ'বলৈ ধৰে। প্ৰাণ পাই উঠে জাতি-জনগোষ্ঠীয় লোকৰ মন। নতুন বছৰক আদৰাৰ প্ৰস্তুতিয়ে মৰহি যোৱা মনবোৰত যেন সাৰ-পানী যোগায়। অসমতো বসন্তকালীন উৎসৱে ধৰিত্ৰী আইক শুষ্ক অৱস্থাৰ পৰা প্ৰাণৱন্ত কৰে। ৰঙালী বিহুত দেখা পোৱা যায় এক স্বকীয় ৰূপ। জাতি-ধৰ্ম, বৰ্ণ-ভাষা নিৰ্বিশেষে সকলোৱে মুকলি আকাশৰ তলত এই উৎসৱটো পালন কৰিবলৈ ওলাই আহে। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই বৰ অসমৰ লোকসকলে ৰঙালী বিহু উদ্‌যাপন কৰি আহিছে। সময়ৰ পৰিৱৰ্তনত বিহুৰে আধুনিকতাৰ

গতি ল'লেও সকলোৱে পিছে বসন্তকালীন উৎসৱবিধ আনন্দ মনেৰেই পালন কৰিব বিচাৰে। অৱশ্যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে একো একোটা অঞ্চলৰ পৰা আন অঞ্চললৈ স্থানীয় নিয়ম তথা সাংস্কৃতিক বিনিময় হোৱাত বিহুত কিছুমান সংযোজন হ'ল আৰু আন কিছুমানৰ পৰিৱৰ্তন হ'ল। ফলত কিছুমান বিষয় বিহুত প্ৰাসংগিক-অপ্ৰাসংগিক হৈ পৰিল।

বিহুত আধুনিকতাৰ প্ৰভাৱ পৰাটো স্বাভাৱিক বিষয়। কাৰণ বৰ্তমান যুগটোৱেই হ'ল 'আধুনিকতাৰ যুগ'। এই যুগৰ ল'ৰা-ছোৱালীৰ ধ্যান-ধাৰণা পৃথক। নিজকে পশ্চিমীয়া সংস্কৃতিৰ স'তে সংপৃক্ত কৰিব বিচাৰে। সেইবাবে হয়তো বিহু মঞ্চতো লংপেণ্ট-চাৰ্ট পিন্ধি উঠে। অথচ বিহু মানেই ধুতী-চুৰিয়া, মুগাৰ চাদৰ-মেখেলা, কপৌ ফুল, গামখাৰু, টকা, ঢোল, পেঁপা, তাল, গগনাৰ ব্যৱহাৰ। বিহুমঞ্চত উঠিলে সম্পূৰ্ণ অসমীয়া সাজ পিন্ধিব লাগে। এয়া পৰম্পৰা। কাৰণ গছৰ তলৰ পৰা বিহুক মঞ্চত উপস্থাপন কৰিলেও ইয়াৰ স্বকীয়তা যাতে বিলোপ নহয় তাৰ বাবে আয়োজক তথা উদ্যোক্তাসকলে সতৰ্কতা অৱলম্বন কৰিছিল। লাহে লাহে ধুতী, গেঞ্জী, পাঞ্জাবী গুচি লংপেণ্ট-চাৰ্ট পিন্ধি মঞ্চ শুৱনি কৰা শিল্পীৰ পয়োভৰ ঘটিল। এতিয়া এনে এক পৰ্যায় পাইছে যে একাংশ উদ্যোক্তাই শিল্পীসকলক অসমীয়া সাজ পৰিধান কৰি বিহু মঞ্চত অনুষ্ঠান পৰিৱেশনৰ বাবে আহ্বান জনোৱাৰ পাছতো ওলোটাই একাংশ শিল্পীয়ে প্ৰত্যাহ্বান জনালে। তেওঁলোকৰ যুক্তি— এনে পোছাক পৰিধান কৰিও অসমীয়া সংস্কৃতি ৰক্ষা কৰিব পাৰি। ধুতী-পাঞ্জাবী, চাদৰ-মেখেলা পিন্ধিলেই যে শিল্পী হ'ব তাৰ কিবা যুক্তি থাকিব পাৰে বুলি ভাবে বাবে এনে মনোভাবসম্পন্ন ব্যক্তিয়ে মন্তব্য কৰাও দেখা যায়। এনেবোৰ বিষয়ত কিন্তু যুক্তিতকৈ পৰম্পৰাহে অধিক গুৰুত্বপূৰ্ণ। কাৰণ এইবোৰ বিষয়ৰ যুক্তিৰ অন্ত নাই। একেটা বিষয়তে যদি কোনোবাই ইতিবাচক কথা কৈছে আন একাংশই 'নেতিবাচক' যুক্তিৰে মূল বিষয়টো খণ্ডন কৰাৰ চেষ্টাত নামি পৰে। এনে কৰিলে বাদ-বিবাদৰ বাবেই মূল বিষয়টোৰ চৰ্চা নোহোৱাকৈ থাকে। একাংশৰ মতে বিহু মঞ্চত এনেবোৰ বিষয় আদৰি লোৱা-নোলোৱা বিষয়টো প্ৰাসংগিক। কাৰণ আধুনিকতাৰ প্ৰভাৱ পৰাটো স্বাভাৱিক বাবে এনেধৰণৰ পৰিৱৰ্তন হোৱাটো মুঠেই অস্বাভাৱিক নহয়।

ৰঙালী বিহুত আধুনিক সুৰৰ গীতসমূহ পৰিৱেশন কৰা হয়। পিছে পৰম্পৰাৰ সলনি আধুনিক সুৰেৰে বিহুগীত পৰিৱেশন কৰাটো যুক্তিসংগত জানো? যুৱক-যুৱতীসকলৰ বাবে এয়া প্ৰাসংগিক হ'লেও সকলোৱে তেওঁলোকৰ যুক্তি গ্ৰহণ কৰিব নোখোজে। জ্যেষ্ঠজনৰ দৃষ্টিত বিহু সম্পৰ্কীয় বিষয়বোৰ (নতুন) অপ্ৰাসংগিক।

শেহতীয়াভাৱে গামোচা-বিতৰ্কই সকলোৱে দৃষ্টি আকৰ্ষণ কৰিছে। দক্ষিণ ভাৰতৰ গামোচাৰে ভৰি পৰে ৰাজ্য আৰু এনে পলিষ্টাৰজাতীয় গামোচা অসমীয়া লোকে ব্যৱহাৰ কৰা হ'ব নোৱাৰে। কিছুবছৰ আগলৈকে বহুতেই এই বুলি যুক্তি আগবঢ়াইছিল যে এতিয়া শিপিনীৰ সংখ্যা হ্ৰাস পাইছে। তদুপৰি কেঁচামালৰ দাম অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাত শিপিনীসকলৰ মজুৰি বহুত কম হয়। এনে গামোচা ববলৈ তাঁতশালৰ অভাৱ। আগতে প্ৰতিগৰাকী অসমীয়া লোকৰ পৰিয়ালত তাঁতশাল আছিল। প্ৰিয়জনক বিহুৱান দিবলৈ বসন্তৰ আগমনৰ লগে লগে আৰম্ভ হয় প্ৰস্তুতি। এতিয়া তাঁতশাল পোৱাটো দূৰৰে কথা— নৱপ্ৰজন্মৰ বহুতো যুৱক-যুৱতী, মহিলাই নাজানে এইবিধ কি যন্ত্ৰ। আনকি ছবিতো দেখা নাপায়। দোষ নৱপ্ৰজন্মৰ কিশোৰী-যুৱতী বা মহিলাৰ নহয়, পৰম্পৰাক শ্ৰদ্ধা জনাব নজনাটোহে প্ৰধান কাৰণ। এতিয়া বজাৰত অসমৰ আত্মসহায়ক গোটসমূহে বিহুৱান উভৈনদী কৰিছে। অসমৰ শিপিনীয়ে যে তাঁতশালত সপোন ৰচিব জানে সেয়া আকৌ এবাৰ প্ৰমাণ কৰিছে। ইয়াৰ মাজতো আন একাংশই বহিঃৰাজ্যৰ গামোচাখনকেই 'বিহুৱান' হিচাপে ব্যৱহাৰ কৰাত উঠি-পৰি লাগিছে। একাংশৰ মতে 'বিহুৱান' মানে বিহুৱানেই, সেয়া অসমীয়া শিপিনীয়ে যে প্ৰস্তুত কৰা হ'বই লাগিব তাৰ যুক্তি নাই। এনেদৰেই চলিছে প্ৰাসংগিক-অপ্ৰাসংগিক বিষয়।

# ম'বাইল ফোনত বন্দী সোণালী শৈশৱ

আজিৰ শিশুৰ সোণালী শৈশৱ বন্দী ম'বাইল ফোনত। বিশেষকৈ ম'বাইলত ইণ্টাৰনেট বা গুগল উপলব্ধ হোৱাৰ পাছত বিপন্ন হৈছে শৈশৱ। আজিৰ শিশুৰ মাজত শৈশৱৰ মাদকতা বিচাৰি পোৱা নাযায়। ক্ৰমাৎ হিংস্ৰ হ'বলৈ ধৰিছে শিশুসকল। অতিসম্প্ৰতি কিছুমান শিশুৰ আচৰণ দেখিলে মনত এনে ভাব হয় যেন সেয়া উন্মাদৰ বহিঃপ্ৰকাশ। শিশু বুলি যদিও শিশুসকলৰ কিছুমান কাম-কাজ ডাঙৰসকলে হাঁহিৰে উৰুৱাই দিবলৈ খোজে— সেয়া পিছে ভয়ংকৰ ভৱিষ্যতৰ ইংগিতৰ বাহিৰে আন একো নহয়। শিশুসকল এনে অৱস্থাৰ মাজত বন্দী হোৱাৰ বাবে দায়ী কোন? বিগত দুবছৰ ক'ভিডকালীন পৰিস্থিতিৰ বাবে শিশুসকল অধিক ম'বাইলপ্ৰৱণ হোৱা বুলি বহুতেই মন্তব্য কৰিছে যদিও দৰাচলতে এই যুক্তি কিমান বাস্তৱসন্মত। কেৱল পলায়নবাদী মানসিকতাৰ পিতৃ-মাতৃ তথা অভিভাৱকৰ মন্তব্য নেকি এয়া।

নে আধুনিক শিশুৰ মনটোৰ কথাবোৰ উপলব্ধি কৰাত জ্যেষ্ঠসকল ব্যৰ্থ হৈছে?

মানি ল'লোঁ বিগত দুবছৰ শিক্ষানুষ্ঠান বন্ধ থকাৰ বাবে শিশুসকলে দিনটোৰ বেছিভাগ সময় ম'বাইলৰ মাজতে আবদ্ধ হৈ আছে। যিহেতু আজিকালি প্ৰায়ভাগ পিতৃ-মাতৃয়েই এতিয়া কিবা নহয় কিবা কামত ব্যস্ত থাকে, সেয়েহে শিশুটিয়ে যাতে বেছি আমনি কৰিব নোৱাৰে তাৰ বাবে ম'বাইলতে ব্যস্ত ৰাখে। পিত-মাতৃ অধিক বস্তুবাদী হোৱাৰ বাবে শিশুৰ মনটো বুজিবলৈ চেষ্টা নকৰে। আন কিছুমানে আকৌ বুজি পালেও নুবুজাৰ ভাও ধৰিয়ে বিষয়টোৰ পৰা ফালৰি কাটি থাকে। ফলত পিতৃ-মাতৃৰ পৰা যিমান মৰম-চেনেহ পাব লাগিছিল আৰু তেওঁলোকৰ স'তে সময় অতিবাহিত কৰাৰ প্ৰয়োজন আছিল, সেয়া নকৰাৰ ফলত পিতৃ-মাতৃৰ স'তে সন্তানৰ ব্যৱধান বৃদ্ধি পাইছে। এই ব্যৱধান কিছুমান ক্ষেত্ৰত ইমানেই বেছি হৈছে যে ইয়াৰ পৰিমাণ জটিলৰ পৰা জটিলতৰ দিশে গতি কৰিছে। পিতৃ-মাতৃৰ অনুশাসনৰ বাহিৰলৈ ওলাই গৈছে। এতিয়া 'চেকনিৰ আগত বিদ্যা' নোহোৱা হোৱাত পিতৃ-মাতৃৰ ৰঙা চকুৰেও সন্তানক অনুশাসনৰ মাজত ৰাখিব নোৱাৰা হৈছে। শিশুটিয়ে এটা শুদ্ধ পথেৰে খোজ দিবলৈ হ'লে পিতৃ-মাতৃৰ লগতে অভিভাৱকে শিশু-মনটোক ভালদৰে বুজি ল'ব লাগিব। শিশুটিয়ে যাতে বেছি আমনি নকৰে তাৰ বাবে কেইটামান দামী দামী চকলেট, বিস্কুট, ফাষ্টফুড, জাংকফুড হাতত তুলি দিলেই যথেষ্ট নহয়। বিলাসী গাড়ীত বহুৱাই বিদ্যালয়ৰ পৰা অনা-নিয়া কৰা, বিলাসী হোটেল-ৰেস্তোৰাঁত সপ্তাহত এদিন 'পাৰ্টি' খোৱাটোৰে শিশুটিক শুদ্ধ পথেৰে আগুৱাই নিয়াটো অসম্ভৱ।

কিছুমান পৰিস্থিতিক আমি সকলোৰে মানি ল'বই লাগিব। প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী, অতিমাৰী আদিৰ সময়ত কেৱল শিশুৰেই নহয়, ইয়াৰ প্ৰভাৱ সকলোৰে ওপৰত পৰিবই। যিহেতু অতিমাৰী ক'ভিডৰ বাবে বিগত দুবছৰে শিশুসকল বিদ্যালয়লৈ যাব পৰা নাই। অৱশ্যে পঢ়া-শুনাত যাতে ব্যাঘাত নজন্মে তাৰ বাবে অনলাইন পদ্ধতিৰে পাঠদান গ্ৰহণ পদ্ধতি আৰম্ভ হ'ল। কোনো বিকল্প পথৰ সন্ধান নোপোৱাৰ বাবে অনলাইন পদ্ধতিৰে শিক্ষা গ্ৰহণ চলিল। কিছুমান আকৌ স্মাৰ্টফোন কিনিব নোৱাৰাৰ বাবে শিক্ষা

গ্ৰহণৰ বঞ্চিত হ'ল। এনে শিশুৰ মনত হতাশাৰ সৃষ্টি নোহোৱাকৈ নাথাকিল। এনে শিশুৰ মনত হতাশা সৃষ্টি নোহোৱাকৈ নাথাকিল। জীৱন মানে কি সেয়া বুজি নাপাওঁতেই কিছুমানে আনকি আত্মহত্যাৰ পথো বাছি ল'লে। সন্মুখত এখন অন্ধকাৰ ছবি দেখিয়েই হয়তো কিছুমান শিশু বিপথে গমন কৰিলে। ইয়াৰ মাজতো একাংশই পঢ়া-শুনাৰ পৰা আৰম্ভ কৰি খেলা-ধূলা, সংগীত আহৰণ তথা ছবি অঁকা আদি কামত আগুৱাই গ'ল। শিশু সাহিত্যৰো সৃষ্টি হ'ল। কিছুমান শিশুৱে সময় অবাবত ব্যয় নকৰি সৃষ্টিশীল কামত আত্মনিয়োগ কৰিলে। উদ্ভাৱন কৰিলে বহুতো সৰু সৰু আৰ্হি। কোনোবাই যদি ম'বাইল চাৰ্জ কৰিব পৰা বেটাৰীৰ আৰ্হি প্ৰস্তুত কৰিছে, আন কোনোবাই আকৌ ঘৰুৱা সঁজুলি প্ৰস্তুত কৰিছে। হস্তকলাতো আগুৱাই গৈছে।

এতিয়া কথা হ'ল যদি ক'ৰোনাকেন্দ্ৰিক পৰিস্থিতিৰ বাবেই শিশুৰ সোণালী শৈশৱ ধ্বংস হৈছে তেনেহ'লে এনে ভয়াৱহ পৰিস্থতিৰ মাজতো একাংশই নিজৰ কৰ্ম তথা সৃষ্টিৰে আন দহজনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম নহ'লহেঁতেন। ম'বাইল চোৰাটো একেবাৰে নেতিবাচক বুলিও ক'ব নোৱাৰি। কাৰণ ম'বাইল চালেও বহুতো শিশুৱে ইয়াৰ সদ্ব্যৱহাৰ কৰি সেয়া নিজৰ বিকাশত খটুৱাইছে। এইক্ষেত্ৰত পিতৃ-মাতৃ আৰু অভিভাৱকেও শিশুটিক নিশ্চয় সহায় কৰিছে। তদুপৰি জ্ঞান আহৰণৰ বাবে বহু সময়ত কিতাপ ক্ৰয় কৰা বা বিচাৰি পোৱাটো সম্ভৱো নহয়। এনে পৰিস্থিতিত ম'বাইলত উপলব্ধ গুগলেই হৈ পৰে মহৌষধ।

সকলো বস্তুৰে ভাল-বেয়া দুয়োটা দিশ থাকে। আমি কেৱল বেয়া দিশৰ ওপৰত গুৰুত্ব দি পলায়নবাদী মানসিকতাৰে নিজৰ দুৰ্বল দিশসমূহ ঢাকি ৰাখিব খুজিছোঁ। সন্তানে ম'বাইলটো চাই থাকোঁতে কেতিয়াবা সিহঁতে কি চাইছে সেয়া নিৰীক্ষণ কৰো জানো? নিশ্চয় নকৰো। বৰং বেছি সময় ম'বাইলত ব্যস্ত থাকিলে ভালপোৱা পিতৃ-মাতৃ, অভিভাৱকৰ সংখ্যাও কম নহ'ব। ম'বাইলটোক দোষ দি সন্তানৰ ভৱিষ্যৎ ধ্বংস নকৰিবলৈ প্ৰতিগৰাকী পিতৃ-মাতৃ তথা অভিভাৱ সতৰ্ক হ'বই লাগিব। ইয়াৰ বিকল্প নাই। কাৰণ আজিৰ পৃথিৱীখন ইমান আগুৱাই গৈছে যে ম'বাইল অবিহনে বিশ্বৰ স'তে সংযোগ ৰখাৰো বিকল্প পথ নাই।

# ম'বাইল মেজি, ৰেডিমেড পিঠাৰেই এতিয়া ভোগালীৰ আনন্দ

পৃথিৱীৰ প্ৰতিটো অঞ্চলৰ লোকে উৎসৱ-পাৰ্বণসমূহ পৰম্পৰাগতভাৱে পালন কৰি আহিছে। পৰম্পৰাক বাদ দি উৎসৱ-পাৰ্বণ পালন কৰাটো সম্ভৱ নহয়। যি জাতিয়ে এনে পৰম্পৰাক বাদ দি উৎসৱ আদি পালন কৰিবলৈ চেষ্টা কৰিছে, তেনে উৎসৱ আদিয়ে বিজতৰীয়া ৰূপ লৈছে। অসমতো এই ছবিখন এতিয়া ফুটি উঠিছে। বিশেষকৈ বিহু আদিৰ সময়ত এনেধৰণৰ ভগ্ন ছবি এখন দেখিবলৈ পোৱা যায়। সন্মুখত ভোগালী বিহু। ভোগালীক আদৰিবলৈ অসমীয়া সমাজখন, বিশেষকৈ গ্ৰামাঞ্চলৰ লোকসকলে এমাহমান আগৰে পৰাই প্ৰস্তুতি চলায়। পথাৰৰ পৰা সোণগুটি চপোৱাৰ পাছত মনত অপাৰ আনন্দ হয় কপালৰ ঘাম মাটিত পেলাই খেতি কৰা কৃষকসকলৰ। সেয়েহে মনৰ আনন্দৰ বহিৰ্প্ৰকাশ ঘটে পথাৰতে নিৰ্মাণ কৰা মেজি, ভেলাঘৰ আদিত। কেতিয়াৰ পৰা অসমত

মাঘবিহু পালন কৰা হৈছে, সেই বিষয়ে নিশ্চিত তথ্য পোৱা নাযায়। গাঁৱৰ পথাৰবোৰত এসময়ত পুহ মাহত মেজি আৰু ভেলাঘৰৰ সংখ্যা গণি শেষ কৰিব পৰা নাছিল। গাঁৱৰ প্ৰতিটো চুবুৰিতে গঞা ৰাইজে একো একোটা উমৈহতীয়া মেজি আৰু ভেলাঘৰ সাজে। আগতে কোনো কোনো ঠাইত নেজাল তৰাও বনাইছিল। তদুপৰি প্ৰতিটো পৰিয়ালে নিজা নিজাকৈও সৰু সৰু ভেলাঘৰ, মেজি সাজিছিল। ভোগালীৰ এপযেকমান আগৰে পৰাই গাঁৱৰ ভেলাঘৰ আদিত 'খানা' খোৱা পৰ্ব আৰম্ভ হয়। এই 'খানা' খোৱাৰ সময়ত যুৱকসকলে নিশা গাঁৱৰ কোনো এঘৰৰ পৰা শাক-পাচলি আদি চুৰিকৈ সংগ্ৰহ কৰে। জেওৰা ভাঙে। এয়াও মাঘবিহুৰে পৰম্পৰা আছিল। অৱশ্যে এনেদৰে চুৰি কৰিলেও যুৱকসকলক 'চোৰ' বুলি কোৱা নাছিল। বৰং যাৰ ঘৰৰ পৰা চুৰি কৰে সেই পৰিয়ালসমূহেও হাঁহি-ধেমালিৰ মাজেদিয়েই বিষয়টো উপভোগ কৰিছিল। অৱশ্যে ইয়াৰ মাজতো দুই-এঘৰে যুৱকসকলক গোৱাল গালি পাৰিছিল। এই চুৰি বিষয়টো মাঘবিহুৰ সমাপ্তিৰ লগে লগে অন্তও পৰিছিল। কাৰণ প্ৰতিটো পৰিয়ালতে বস্তু-বাহানি উভৈনদী আছিল। ঘৰৰ শাক-পাচলিৰ লগতে পুখুৰীৰ মাছ, বাৰীৰ তামোল-পাণ উভৈনদী আছিল বাবে কোনোবাই সমূহীয়া আনন্দ উপভোগৰ বাবে কৰিলেও বিশেষ গুৰুত্ব প্ৰদান কৰা নাছিল। প্ৰতিটো পৰিয়ালৰে বাৰীত প্ৰচুৰ পৰিমাণে বাঁহ, কলৰ শুকান পাত থকাৰ বাবে মেজি যাৰ যিমান ইচ্ছা সিমানেই বনাব পাৰিছিল।

সময় বাগৰিল। বিভিন্ন কাৰণত সংকুচিত হ'ল কৃষিভূমি। যৌথ পৰিয়াল ভাঙি একক পৰিয়ালে আধিপত্য বিস্তাৰ কৰাত মানুহৰ মনবোৰো সলনি হ'বলৈ ধৰিছে। খেতি কৰা লোকৰ সংখ্যাও হ্ৰাস পালে। কোনোবাই অলপ-অচৰপ খেতি কৰিলেও সেয়া নিজৰ বাবেই কৰিছে। আনক দিয়াৰ মানসিকতাৰো অভাৱ। সেইবাবে এতিয়া বেছিভাগেই বজাৰৰ পৰা কিনি অনা শাক-পাচলিৰেই বিহু পাতে। আনকি লাডু, পিঠা, মাহকড়াই আদিও পেকেটত সোমাল। যিসকলৰ সুবিধা আছে, অৰ্থাৎ খেতি-বাতি আছে তেওঁলোকৰ পৰিয়ালৰ সদস্যই লাডু-পিঠা আদি ঘৰত প্ৰস্তুত কৰিবলৈ আগ্ৰহী নহয়। আগতে চোতালত ধান খেৰ, খৰি আদিত চুঙা পিঠা, নাৰিকলৰ পিঠা, তিলৰ পিঠা আদি প্ৰস্তুত কৰিছিল। ইয়াৰ সোৱাদেই সুকীয়া। আজিকালি

গেছ চিলিঙাৰত এইবোৰ পিঠা প্ৰস্তুত কৰাটোও বিশেষ সুবিধাজনক নহয়। কিছুমান বস্তু বিশেষকৈ মাঘবিহুৰ সময়ত প্ৰস্তুত কৰা খাদ্য-বস্তু বিশেষকৈ মাঘবিহুৰ সময়ত প্ৰস্তুত কৰা খাদ্য-সম্ভাৰ যদি খৰিত প্ৰস্তুত কৰা হয় তেনেহ'লে তাৰ যি সোৱাদ সেয়া সুকীয়া। তদুপৰি অতিসম্প্ৰতি 'লগ ভাত' বা উৰুকাৰ ভাত খোৱাৰ পৰম্পৰা ৰক্ষা কৰা লোকৰ অভাৱ হৈছে। আনকি কিছুমানৰ ঘৰত পৰিয়ালৰ সদস্যসকলে একেলগে উৰুকাৰ নিশাত এসাঁজ খোৱাৰ সময় নাইকিয়া হৈছে। উৰুকাৰ নিশা ঘৰৰ বাহিৰলৈ গৈ ৰেস্তোৰাঁ, হোটেল, ৰিজৰ্ট আদিত খাই ভোগালীৰ আনন্দ লোৱা লোকৰ সংখ্যাও কম নহ'ব। বিদেশী খাদ্য সম্ভাৰেৰে ভোগালীৰ জুতি লোৱাৰ কিবা যুক্তি থাকিব পাৰে বুলি মনে নধৰে।

সময়ৰ লগে লগে মানুহৰ উৎসৱ-পাৰ্বণ পালন কৰাৰ মানসিকতাও সলনি হ'বলৈ ধৰিছে। উৎসৱ পালনৰ বাবেও এচামৰ সময় নাই। সেইবাবে এতিয়া 'ম'বাইল মেজি' সাজিবলগীয়া হৈছে। মেজি সাজিবলৈ কোনো এঠাইত সামগ্ৰীৰ অভাৱ হ'লেও ইচ্ছা থাকিলে আন এঠাইৰ পৰা আনিব পাৰে। এনেবোৰ 'ম'বাইল মেজি', 'ৰেডিমেড পিঠা' আদিত ভোগালীৰ আনন্দ বিচাৰি পোৱা নাযায়। দেখাক দেখি এনেদৰে উৎসৱ অনুষ্ঠিত কৰাৰ ফলত নতুন প্ৰজন্মই উৎসৱ-পাৰ্বণ আদিৰ প্ৰকৃত আনন্দৰ পৰা বঞ্চিত হৈছে। এনেদৰে চলি থাকিলে হয়তো ভৱিষ্যতে মেজি, ভেলাঘৰ আদি মিউজিয়ামতহে সংৰক্ষিত হ'ব।

# ৰাছিয়া-ইউক্রেইনৰ যুদ্ধ আৰু ভাৰতৰ স্থিতি

ৰাছিয়া-ইউক্রেইনৰ যুদ্ধক লৈ বিশ্বজুৰি চৰ্চা হৈ থকাৰ মাজতে এতিয়া শক্তিধৰ ৰাষ্ট্ৰসমূহৰ দৃষ্টি নিবদ্ধ হৈছে ভাৰতৰ ওপৰত। ইতিমধ্যে কিছুমানে ইউক্রেইনক মুকলিভাৱে সমৰ্থন আগবঢ়াইছে। কেৱল সমৰ্থনেই নহয়, অস্ত্ৰ যোগান, অৰ্থ সাহায্য কৰিছে। ইয়াৰ বিপৰীতে কিছুমানে আকৌ ৰুছ বাহিনীকে সমৰ্থন আগবঢ়োৱা পৰিলক্ষিত হৈছে। ইমানৰ মাজতো পিছে নিৰপেক্ষ স্থিতি গ্ৰহণ কৰা দেশসমূহক লৈ এতিয়া আমেৰিকা, ইংলেণ্ড, চীন আদি দেশৰ নেতাসকলৰ নিদ্ৰা হৰণ হৈছে। বিশেষকৈ এই যুদ্ধত ভাৰতৰ ভূমিকাক লৈ চৰ্চা হ'বলৈ ধৰিছে। কাৰণ ভাৰত-ৰাছিয়াৰ সম্পৰ্ক সকলোৰে জ্ঞাত। ভাৰতৰ বন্ধু ৰাষ্ট্ৰৰ তালিকাৰ শীৰ্যত আছে ৰাছিয়া। তদুপৰি ফ্ৰান্স আদিও ভাৰতৰ সমৰ্থনতে। কাৰণ শেহতীয়াভাৱে আমেৰিকা আদি দেশে ভাৰতৰ স্থিতিক লৈ চৰ্চা কৰি থকাৰ সময়তে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনে এইবুলি মন্তব্য কৰিছে যে ভাৰতে এনে পৰিস্থিতিত কেনে স্থিতি গ্ৰহণ কৰিব লাগে সেয়া ভালদৰে জানে। ভাৰতে এতিয়াও কোনো এখন দেশকে সমৰ্থন কৰা নাই। কৰাৰ প্ৰয়োজনো

নাই। কিয়নো, দুয়োখন দেশৰ মাজত চলা যুদ্ধৰ কাৰণ সুকীয়া। তদুপৰি এসময়ত ছোভিয়েট ইউনিয়নৰ অংশীদাৰ আছিল ইউক্ৰেইন। ছোভিয়েট ইউনিয়ন ভংগৰ পাছত স্বাধীন ৰাষ্ট্ৰ হৈ পৰা ইউক্ৰেইনৰ স'তে পূৰ্বতে বিশেষ বিবাদ নাছিল যদিও বিগত এটা দশকত ৰাছিয়াৰ স'তে দেশখনৰ সংঘাত বৃদ্ধি পায়।

ভাৰতে সদায় চানক্য নীতিৰে আন দেশৰ স'তে কূটনৈতিক সম্পৰ্ক ৰক্ষা কৰি আহিছে। চানক্য নীতিৰ বাবে বিদেশী ৰাষ্ট্ৰসমূহে ভাৰতৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰ ব্যৰ্থ হৈছেল। মাজতে ভাৰতে এই নীতিৰ পৰা আঁতৰি থাকি দলীয় নীতিৰ দ্বাৰা পৰিচালিত হৈছিল। প্ৰয়াত ইন্দিৰা গান্ধীয়ে এসময়ত শক্তিশালী স্থিতি গ্ৰহণ কৰি বিদেশী ৰাষ্ট্ৰৰ স'তে সু-সম্পৰ্ক স্থাপন কৰিছিল। তেওঁৰ মৃত্যুৰ পিছত কূটনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি অতি দুৰ্বল হৈ পৰে। সেইবাবে আন ৰাষ্ট্ৰৰ মাজত কোনো সংঘাত হ'লে ভাৰতে কোনো মন্তব্য দিবলৈ সাহস কৰা নাছিল। নেতাসকলে বহুযোজন আঁতৰত আছিল। অৱশ্যে ইয়াৰ কাৰণ আছিল দুৰ্বল নেতাৰ মনোভাব।

এতিয়া বিশ্ব দৰবাৰত ভাৰতে আমেৰিকা, ইংলেণ্ড, ৰাছিয়া, ফ্ৰান্স, চীন আদি দেশৰ স'তে একোটা শাৰীতে স্থান লাভ কৰিছে। বিশেষকৈ বিগত আঠ বছৰত ভাৰতে বৈদেশিক নীতিৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ বাবে এয়া সম্ভৱ হৈছে। বিশ্বৰ শক্তিশালী ৰাষ্ট্ৰৰ সমানেই সৰু সৰু দেশসমূহৰ স'তে ভাৰতৰ কূটনৈতিক সম্পৰ্ক উন্নত হোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী মোদীক আজি বিশ্বৰ শাক্তিশালী নেতাৰ ভিতৰত অন্যতম হিচাপে গণ্য কৰা হয়। সেইবাবে এতিয়া ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধত ভাৰতৰ স্থিতি সম্পৰ্কে শক্তিধৰ ৰাষ্ট্ৰসমূহে জানিবলৈ উৎসুক হৈ পৰিছে। পিছে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ স্পষ্ট কথা— ভাৰতে শান্তি বিচাৰে। যুদ্ধৰে সমস্যা সমাধান নহয়। সেয়েহে দুয়োখন দেশক সংযত হ'বলৈ আহ্বান জনাইছে। মানৱতাৰ খাতিৰত ইউক্ৰেইনলৈ ঔষধ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে যদিও এতিয়াও গৰিষ্ঠভাৱে ভাৰতে ৰাছিয়াকে সমৰ্থন কৰিছে। কাৰণ ৰাছিয়াৰ স'তে ভাৰতৰ দীৰ্ঘদিনীয়া সম্পৰ্ক এদিনতে ছেদ কৰিব নোৱাৰে। এতিয়া বিশ্ববাসীৰ ভাৰতৰ প্ৰতি ঈৰ্ষাৰ কাৰণ হ'ল ইউক্ৰেইনৰ পৰা ভাৰতীয় নাগৰিক

ছাত্ৰ-ছাত্ৰীসকলক উদ্ধাৰৰ ক্ষেত্ৰত চৰকাৰে লোৱা পদক্ষেপ। ৰাছিয়া-ইউক্ৰেইনৰ ভয়াৱহ যুদ্ধৰ মাজতো ইউক্ৰেইনৰ পৰা ভাৰতীয় নাগৰিকক উদ্ধাৰৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে গ্ৰহণ কৰা পদক্ষেপ সঁচাকৈয়ে প্ৰশংসনীয়। ৰাছিয়া ৰাষ্ট্ৰপতি ভ্লাডিমী পুটিনৰ স'তে হোৱা প্ৰধানমন্ত্ৰীৰ কথোপকথনৰ পাছত এই উদ্ধাৰ কাৰ্য দ্ৰুত হৈছে। বিশেষ বায়ুসেনাৰ বিমানেৰে ভাৰতীয় নাগৰিকসকলক উদ্ধাৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টাৰ ত্ৰুটি কৰা নাই। চাৰিজনকৈ কেন্দ্ৰীয় মন্ত্ৰীক ইউক্ৰেইনৰ সীমান্ত ৰাষ্ট্ৰলৈ প্ৰেৰণ কৰি উদ্ধাৰ কাৰ্য তদাৰক কৰাইছে। সম্ভৱতঃ এনে পদক্ষেপ ইতিহাসত নজিৰবিহীন ঘটনা হৈ ৰ'ব। উদ্ধাৰৰ সময়ত ভাৰতীয় নাগৰিকসকলে খাদ্যৰ পৰা আৰম্ভ কৰি আন কোনো ক্ষেত্ৰতে সমস্যাৰ সন্মুখীন হ'বলগীয়া হোৱা নাই। আনকি আমেৰিকা আদি ৰাষ্ট্ৰতকৈও ভাৰতে উদ্ধাৰকাৰীসকলক বেছি সুবিধা প্ৰদান কৰিছে। এই উদ্ধাৰ সম্ভৱ হৈছে মোদী-ভ্লাডিমীৰ টেলিফোনিক বাৰ্তালাপৰ পাছত। সেয়েহে এতিয়া ৰাছিয়াৰ স'তে কূটনৈতিক ক্ষেত্ৰত আৰু এখোপ আগুৱাই গ'ল। আনকি পাকিস্তানী শিক্ষাৰ্থীয়ে ভাৰতৰ পাতাকা লৈ ইউক্ৰেইনৰ পৰা ওলাই অহা কথাটোৱে প্ৰমাণ কৰে ত্ৰিৰংগাক এতিয়া বিশ্ববাসীয়ে কিমান ভয় তথা সমীহ কৰে। যুদ্ধৰ মাজতো যদি ভাৰতীয় পতাকা লৈ জীৱন ৰক্ষা কৰিব পাৰে তেনেহ'লে দেশখনৰ বাবে কিমান গৌৰৱৰ বিষয় হ'ব পাৰে। যি সময়ত ভাৰত-পাকিস্তানৰ মাজত চলি থকা শীতল যুদ্ধখনক লৈ চৰ্চা হৈ আছে সেই সময়তো বৈৰী ৰাষ্ট্ৰৰ ছাত্ৰ-ছাত্ৰী উদ্ধাৰত ভাৰতে সহায়ৰ হাত আগবঢ়াইছে। ভাৰতৰ উদাৰ দৃষ্টিভংগীৰ এয়া এক সুন্দৰ নিদৰ্শন। এয়া কেৱল সম্ভৱ হৈছে প্ৰধানমন্ত্ৰী মোদীয়ে বিগত সময়ত বিশ্বৰ বিভিন্ন দেশৰ স'তে গঢ়ি তোলা সু-সম্পৰ্কৰ বাবে। এসময়ত ভাৰতে যিকোনো আন্তৰ্জাতিক বিষয়ত আমেৰিকা, ইংলেণ্ড, ৰাছিয়া, ফ্ৰান্স, ইটালি আদি দেশৰ মুখলৈ চাই থাকিবলগীয়া হৈছিল। অতিসম্প্ৰতি এই দৃশ্যপট সলনি হ'ল। এতিয়া বিশ্বৰ বহুতো শক্তিশালী দেশে ভাৰতৰ সিদ্ধান্তলৈ অপেক্ষা কৰিবলগীয়া হৈছে। অৰ্থাৎ ভাৰত অবিহনে এতিয়া আন্তৰ্জাতিক ক্ষেত্ৰ এখনৰ নক্সা অংকন কৰাটো সম্ভৱ নহয়। ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধই এই কথাকে স্পষ্ট কৰি দিছে।

# ভোটাৰে নিবিচাৰে জাত-পাতৰ ৰাজনীতি

বিকাশৰ শ্ল'গানৰ সন্মুখত জাত-পাত, ধৰ্ম, সমাজ বিভাজনৰ ৰাজনীতিয়ে এতিয়া আৰু ভোটাৰ ৰাইজক আকৰ্ষিত কৰিব নোৱাৰে। আজি ভোটাৰসকল সতৰ্ক। সেইবাবে যিবোৰ দলে ইমান দিনে জাত-পাত, বিভাজনৰ ৰাজনীতিৰে ভোটাৰক আভুৱা-ভাঁৰি আহিছিল সেই মন্ত্ৰই এতিয়া আৰু ভোটাৰক আকৰ্ষণ কৰিব নোৱাৰে। তদুপৰি পৰিয়ালকেন্দ্ৰিক ৰাজনীতিৰ পৰাও ভোটাৰসকল আঁতৰি আহিছে। এখন ৰাজ্য বা দেশত এটা পৰিয়ালেই যে শাসনৰ নেতৃত্ব ল'ব লাগিব সাংবিধানিক নিয়ম নাই। বিগত পাঁচ দশকত এনেদৰে শাসনভাৰ লোৱা দলবোৰ এতিয়া ভোটাৰৰ বাবে এলাগী হ'ল। ৰাইজ এতিয়া এইবোৰক লৈ ব্যস্ত নহয়। এতিয়া সকলোকে লাগে কেৱল বিকাশ। এই বিকাশ কোনটো অঞ্চলত হৈছে তাৰ ওপৰতে ভোটাৰ ৰাইজৰ দৃষ্টি নিবদ্ধ। কাৰণ বিগত সময়ছোৱাত দেশৰ কিছুমান অঞ্চলত কোনোদিনেই বিকাশৰ ৰেঙনি পৰা নাই। এনে অঞ্চলৰ ৰাইজক মাথোঁ নিৰ্বাচনৰ সময়ত বিভিন্ন দলৰ নেতাই ভাষণৰ ফুলজাৰিৰে উন্নয়ন বা বিকাশ কৰি দিব বুলি কয়। দীৰ্ঘদিনীয়া বঞ্চনা আৰু ফাঁকিবাজৰ ৰাজনীতিয়ে এনেবোৰ অঞ্চলৰ ভোটাৰক আমুৰাইছে। শেহতীয়াভাৱে দেশৰ পাঁচখন ৰাজ্যত অনুষ্ঠিত নিৰ্বাচন

আৰু উপ-নিৰ্বাচনত ইয়াৰেই প্ৰতিফলন ঘটিছে। বিশেষকৈ, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ডৰ নিৰ্বাচনী ফলাফলে এই কথাৰে প্ৰমাণ দিছে।

উত্তৰ প্ৰদেশত বিগত কে'বাদশক ধৰি সমাজবাদী পাৰ্টি, বহুজন সমাজবাদী পাৰ্টিৰ লগতে আন কে'বাটাও দলে জাত-পাতৰ ৰাজনীতিৰে সহজ-সৰল অনগ্ৰসৰ অঞ্চলৰ ভোটাৰক প্ৰৱঞ্চনা কৰি আহিছিল। প্ৰৱঞ্চনা বুলি এই কাৰণেই কোৱা হৈছে যে এই দলসমূহে ৰাইজক বিজয়ৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি পাছত তেওঁলোকৰ পিঠিত ৰামটাঙোন শোধায়। এতিয়া ভোটাৰে বুজি পাইছে যে জাত-পাত, পৰিয়ালকেন্দ্ৰিক ৰাজনীতি কেৱল কেইজনমান নেতা-পৰিয়ালৰ বাবেহে। এনেধৰণৰ পৰিয়ালৰ ওচৰত ৰাইজে হাত পাতিব লাগে। পৰিয়ালকেইটাই ইচ্ছা কৰিলে দিয়ে আৰু যদি ইচ্ছা নকৰে লথিয়াই একেবাৰে খালত পেলাই দিয়ে। আনহে নালাগে যদি কোনো এনে দলৰ জনপ্ৰতিনিধিয়ে পৰিয়ালসমূহৰ বিৰুদ্ধে মাত মাতে তেনেহ'লে তেওঁৰ ৰাজনৈতিক জীৱনৰো ইতি পৰে। পিছৰবাৰ নিৰ্বাচনত দলীয় টিকটৰ পৰা বঞ্চিত হ'বলগীয়া হয়। উত্তৰ প্ৰদেশত দলিতক লৈ ইমান দিনে যাদৱ পৰিয়াল, মায়াৱতী আদিয়ে ৰাজনীতি কৰিলে। দলিত লোকসকলে এতিয়া বুজি পাইছে যে তেওঁলোকক এনেধৰণৰ নেতাই কেৱল ভোটবেংক হিচাপেহে ব্যৱহাৰ কৰি আহিছে। শেহতীয়াভাৱে সংখ্যালঘু নেতা আছাদুদ্দিন ৱেছিয়ে এম আই এমৰ জৰিয়তে ধৰ্মৰ নামত ৰাজনীতি কৰিববলৈ যি চেষ্টা চলালে সেয়া কামত নাহিল। কাৰণ এতিয়া সংখ্যালঘু লোকসকলেও বুজি পাইছে যে এনেধৰণৰ নেতাই কেৱল ব্যক্তিগত লাভালাভৰ বাবে ধৰ্মৰ ভিত্তিত ভোটভিক্ষা কৰে। ধৰ্মৰ নামত ভোটভিক্ষা কৰিলেও এইবাৰ উত্তৰ প্ৰদেশত ভোটাৰে এনে নেতাৰ আহ্বানক আওকাণ কৰিলে। এয়া দেশৰ ৰাজনীতিৰ বাবে শুভ লক্ষণ। বিগত সময়ছোৱাত বিশেষকৈ পাঁচ বছৰে বিৰোধী দলসমূহে কেৱল বিজেপি চৰকাৰক সমালোচনাতে ব্যস্ত থাকিল। গণতন্ত্ৰত বিৰোধী দলে শাসকীয় দল বা চৰকাৰক সমালোচনা কৰাটো আদৰণীয়। কাৰণ বিৰোধীয়ে সমালোচনা নকৰিলে চৰকাৰ একনায়কত্ববাদী হোৱাটো নিশ্চিত। পিছে বিৰোধীয়ে চৰকাৰক সমালোচনা কৰাৰ নামত যদি কেৱল এজন বা দুজন নেতাকেই হকে-বিহকে গালি-গালাজ পাৰি থাকে তেনেহ'লে ৰাইজ এসময়ত অতিষ্ঠ হৈ পৰিবই। চৰকাৰক বিৰোধীয়ে গালি পৰা বা সমালোচনা কৰাৰ সময়ত একাংশ লোকে সহযোগ কৰা অথবা

প্ৰশংসা কৰাটোৱে এইটো নুবুজায় যে প্ৰত্যক্ষ-পৰোক্ষভাৱে তেওঁলোকে বিৰোধীক ভোট দিব। সদায় নেতিবাচক সমালোচনাৰ পৰিৱৰ্তে যদি বিৰোধীয়ে ইতিবাচক পৰ্যালোচনা কৰিলে সকলো আকৰ্ষিত হয়। পিছে যদি সমালোচনাৰ নামত যদি দলসমূহে কেৱল জাত-পাত, ধৰ্মৰ ৰাজনীতিকে কৰে তেনেহ'লে সেয়া দল বা নেতাজনৰ বাবে হিতে বিপৰীত হোৱাৰহে সম্ভাৱনা থাকে। চুবুৰীয়া ৰাষ্ট্ৰক যেতিয়া ভাৰতে যুদ্ধসদৃশ পৰিৱেশেৰে সকীয়াই দিব খোজে সেই সময়ত কিছুমান দলৰ নেতাই সমালোচনা কৰি শত্ৰু ৰাষ্ট্ৰক প্ৰশংসা কৰিলে তেনে দল-নেতাক ৰাইজে আৰু কিয় আঁকোৱালি ল'ব?

এতিয়া ৰাইজে বিকাশ বিচাৰে। যোগী আদিত্য নাথে বিগত পাঁচ বছৰত উত্তৰ প্ৰদেশত গুণ্ডাৰাজ নোহোৱা কৰিলে। ইমানদিনে গুণ্ডাগিৰি কৰি দুৰ্বল লোকক হাৰাশাস্তি কৰাৰ লগতে এনে লোকৰ নামত ৰাজনীতি কৰি জনসাধাৰণক যিদৰে হাৰাশাস্তি কৰিছিল বিগত পাঁচ বছৰত ৰাইজে এনে পৰিস্থিতিৰ পৰা ৰক্ষা কৰিছে। দলিত লোকসকলৰ বিকাশৰ বাবে পদক্ষেপ গ্ৰহণ কৰিলে। কেন্দ্ৰীয় চৰকাৰে তিনি তালাক বিলোপেৰে মহিলাক সুৰক্ষা দিয়াত চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিলে সেয়া বিৰোধীয়ে কেৱল নেতিবাচক দৃষ্টিৰেই চালে। যিকোনো কথাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকেই গালি-গালাজ দি সময় অতিবাহিত কৰিলে। তাৰ পৰিৱৰ্তে বিৰোধীয়ে জনসাধাৰণৰ আৱেগ-অনুভূতি বুজিবলৈ চেষ্টা নকৰিলে। ভোটযুদ্ধৰ পূৰ্বে কিছুমান এনে দলৰ স'তে সমাজবাদী পাৰ্টি, বহুজন সমাজবাদী পাৰ্টি আদিয়ে মহাজোঁট কৰিলে যিবোৰে সদায় ভাৰতীয় ৰাজনীতিত জাত-পাত, ধৰ্মক লৈ ব্যস্ত হৈ আহিছে। ভোটাৰ ৰাইজে বিচাৰে বিকাশৰ শ্ল'গান দিয়াটো। কাৰণ ৰাষ্ট্ৰৰ বিকাশ নহ'লে ভোটাৰ ৰাইজ সদায় পিছপৰি থাকিব। বিৰোধীয়ে অন্ততঃ এনে শোচনীয় পৰাজয়ৰ পৰা শিক্ষা লোৱা উচিত। অচল টকাৰ দৰে ৰাষ্ট্ৰীয় দলৰ পিঠিত উঠি দেশ চলোৱাৰ ৰাজনীতি পৰিহাৰ কৰিবই লাগিব। নহ'লে বাৰে বাৰে খাব মুখ-থেকেচা। আম আদমী পাৰ্টিয়ে বিকাশৰ শ্ল'গান লৈ ৰাজ্যখনত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ বাবে লাভ কৰিলে আশাশুধীয়া ফলাফল। সেইবাবে আজি ভাৰতীয় ৰাজনীতিত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গুৰুত্ব বৃদ্ধি পাবলৈ ধৰিছে। ইয়াৰ বিপৰীতে ৰাহুল গান্ধী, অখিলেশ যাদৱ, তেজস্বী যাদৱৰ অৱস্থা ভাবকচোন।

# আধুনিকতাৰ ধামখুমীয়াত বিহুগীত-নৃত্য

সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ যিকোনো বিষয়ত দৃষ্টিভংগী সলনি হয়। পৰিৱৰ্তনৰ এয়াই নিয়ম। পিছে পৰিৱৰ্তনৰ নামত পৰম্পৰা সম্পূৰ্ণৰূপে বাদ দিয়াটো সংস্কৃতিবিৰোধী কাৰ্য। এয়া পৃথিৱীৰ যিকোনো অঞ্চলতে প্ৰযোজ্য এটি বাক্য। পৃথিৱীৰ যিবোৰ ঠাইত সময়ৰ লগে লগে নিজৰ সভ্যতা-সংস্কৃতি পাহৰি কেৱল আধুনিকতাত বিলীন হৈছে সেই ঠাইৰ এতিয়া চিন-মোকামেই নোহোৱা হৈছে। কিয়নো, এনে পৰিৱৰ্তনে নৱ প্ৰজন্মক নিজৰ সভ্যতা-সংস্কৃতিৰ প্ৰকৃত ছবিখন দাঙি ধৰাত ব্যৰ্থ হয়। অসমৰ বাপতি সাহোন বিহুগীত আৰু নৃত্যৰ ক্ষেত্ৰতো এতিয়া চৌদিশে চলিছে অঘোষিত প্ৰতিযোগিতা।

পথাৰৰ মাজৰ বিহুৱে কালক্ৰমত মঞ্চত খোজ পেলালে। ৰজাঘৰীয়াৰ উদ্যোগত আয়োজিত পৰম্পৰাগত বিহুৰ সলনি

হ'ল প্ৰকৃতি। আধুনিকতাৰ নামত হোৱা বিহুগীত আৰু নৃত্যৰ পৰিৱৰ্তনে দুয়োটা বিষয়ক এনে এটি পৰ্যায়ত উপনীত কৰাইছে যে ইয়াৰ অস্তিত্বক লৈ সচেতন মহল চিন্তিত হৈছে। এসময়ত বিহু আছিল সৰ্বসাধাৰণ ৰাইজে অংশগ্ৰহণ কৰিব পৰা উৎসৱ। আধুনিকতাৰ ধামখুমীয়াত ই হৈ পৰিল এটি বিশেষ শ্ৰেণীৰ আনন্দৰ উৎস। এতিয়া ইচ্ছা থাকিলেও বহুতে বিহু নাচিব আৰু বিহুগীত গাব নোৱাৰে। বিহু গ্লেমাৰসৰ্বস্ব হোৱাৰ লগে লগে দুখীয়া লোকৰ পৰা যেন ব্যৱধান বেছি হ'বলৈ ধৰিছে। বাহ্যিক দৃষ্টিভংগীত বিষয়টো সিমান গুৰুত্বপূৰ্ণ বুলি বিবেচিত নহ'লেও এতিয়া ভাবিবৰ সময় হৈছে। এগৰাকী দুখীয়া ঘৰৰ নাচনীয়ে নাচো বুলিও নাচিব নোৱাৰে। কাৰণ মুগাৰ কাপোৰ এযোৰ কিনো বুলি কিনিব নোৱাৰে। কাপোৰযোৰ আনৰ পৰা আনিলেও শংকা। কাৰণ এতিয়া এযোৰ কাপোৰ কিবা কাৰণত নষ্ট হ'লে সেয়া কিনিবলৈ কিমান টকাৰ প্ৰয়োজন হ'ব নক'লেও সকলোৰে জ্ঞাত। তদুপৰি আজিকালি টচ্ কাপোৰৰ চিক্‌মিকনিৰ লগতে মূল্যবৃদ্ধিৰ কাৰণে সকলোৰে কিনিবলৈ আগ্ৰহী নহয়। ধনৱন্তসকলৰ কথা সুকীয়া। তদুপৰি এতিয়া বিনা পইচাত বিহুনাচ শিকোৱা লোকৰো অভাৱ ঘটিল। বছৰেকত একোটা অঞ্চলত বিহু কৰ্মশালা আয়োজন কৰা হয় যদিও সেইবোৰত অংশগ্ৰহণ কৰিবলৈও কমেও এহেজাৰ টকাৰ প্ৰয়োজন হয় এগৰাকী প্ৰশিক্ষাৰ্থীৰ বাবে। দূৰ-দূৰণিলৈ গৈ কৰ্মশালাত অংশ লোৱাটোও সকলোৰে বাবে সম্ভৱপৰ নহয়। আগতে প্ৰতিখন গাঁৱত বসন্তৰ আগমনৰ লগে লগে ঢোলৰ শব্দ, নাচনীৰ গীতত মুখৰিত হৈ পৰে। এতিয়া গাঁৱত এনেধৰণৰ শব্দ কাচিৎহে শুনিবলৈ পোৱা যায়। তদুপৰি বিশুদ্ধ ৰূপত বিহুগীতৰ সুৰ-নৃত্য উপস্থাপন কৰিব পৰা লোকৰো অভাৱ। যি দুই-এজন একোটা অঞ্চলত আছে তেওঁলোকেও কৰ্মশালা আদিতহে গুৰুত্ব দিয়ে। গতিকে বিহু এতিয়া দুখীয়া লোকৰ হৈ থকা নাই। শুনিবলৈ বেয়া যদিও সাম্প্ৰতিক পৰিস্থিতিত এয়াই সত্য-বাস্তৱ। তদুপৰি আজিকালি বিহু সম্পৰ্কীয় কৰ্মশালা, প্ৰশিক্ষণ আদিও চহৰাঞ্চলতহে অনুষ্ঠিত কৰাত গুৰুত্ব প্ৰদান কৰা হৈছে। ইয়াৰ কাৰণ সকলোৰে জ্ঞাত। যিমানেই চহৰত বা ইয়াৰ আশে-পাশে অনুষ্ঠিত হয় সিমানেই প্ৰচাৰ লাভ কৰে।

এতিয়া প্ৰতিযোগিতাসৰ্বস্ব হৈছে বিহু। কেৱল বিহু অনুষ্ঠানেই নহয়

নৃত্য-গীততো ইয়াৰ প্ৰভাৱ পৰিছে। ঘৰে ঘৰে বিহু গাবলৈ যোৱাৰ মানসিকতা এতিয়া আৰু কাৰোৰে নাই। নৱপ্ৰজন্মৰ মনত এনে এটি ধাৰণাই বাহ লৈছে যে বিহুগীত-নৃত্য কেৱল প্ৰতিযোগিতা আৰু আমন্ত্ৰণমূলকভাৱে প্ৰদৰ্শনৰ বাবেহে শিকিব লাগে। অৰ্থ ভৰি বিহু শিকিছো, গতিকে বিহু হুঁচৰি, বিহু নৃত্য, গীত পৰিৱেশন কৰিলে টকা লাগিবই। আগতে গাঁৱৰ প্ৰতিটো পৰিয়ালৰ চোতালত হুঁচৰি গাবলৈ গাঁৱৰ ডেকা-গাভৰুৰ দল আহিছিল। একো একোটা দলত ইমানেই সদস্য থাকে যে একোখন ডাঙৰ চোতালো বিহুৱাৰে ভৰি পৰে। গৃহস্থক বিহু গোৱাৰ অন্তত আশীৰ্বাদ দিয়াৰ পৰম্পৰা আছিল। দুয়োপক্ষৰ মাজত এই কাৰ্য মৰম, শ্ৰদ্ধা-ভক্তিৰে সম্পন্ন হৈছিল। পৰম্পৰা ৰক্ষা কৰি বাপতি সাহোন ৰঙালী বিহুটি আদৰিবলৈ এমাহমান আগৰে পৰাই গাঁৱত চলিছিল প্ৰস্তুতি-আখৰা। সকলোৰে আগভাগ তথা সহযোগিতা আগবঢ়াইছিল। এতিয়া এনে ছবি গ্ৰামাঞ্চলত দেখিবলৈ পোৱাটো সৌভাগ্যৰ বিষয় হৈছে। এইক্ষেত্ৰত আমি কেৱল নৱ প্ৰজন্মক জগৰীয়া কৰিলেই নহ'ব। জ্যেষ্ঠসকলো সমানেই জগৰীয়া। কাৰণ জ্যেষ্ঠসকলে নৱপ্ৰজন্মক বিহুৰ পৰম্পৰা সম্পৰ্কে সম্পূৰ্ণ জ্ঞান দিব পৰা নাই। বৰং নৱপ্ৰজন্মক এইবোৰ বিষয় জনোৱাৰ পৰিৱৰ্তে পলায়নবাদী মানসিকতাহে গ্ৰহণ কৰিছো। পৰম্পৰে ছটিয়াইছো বোকা। বিহু মঞ্চত হোৱা প্ৰতিযোগিতাত তিষ্ঠি থাকিবলৈ দলসমূহে নাচনী আমদানি কৰিবলগীয়া পৰিস্থিতিৰো সৃষ্টি হৈছে। একো এগৰাকী পাকৈত নাচনীয়ে একোটা দলৰ স'তে নিৰ্দিষ্ট সময়ৰ বাবে চুক্তিবদ্ধ হয়। ঢুলীয়া, পেঁপাবাদকসকলেও এনে কৰা দেখা যায়। তদুপৰি প্ৰায়ভাগ বিহুমঞ্চৰ প্ৰতিযোগিতাত আয়োজকে গ্লেমাৰ থকা দলসমূহে অংশগ্ৰহণ কৰাহে বিচাৰে। সেইবাবে একো একোটা বিহু হুঁচৰি দল গঠন কৰোঁতে পৰোক্ষভাৱে অৰ্থৰো প্ৰয়োজন হৈছে। এনে পৰিপ্ৰেক্ষিতত বহুতো যুৱক-যুৱতীয়ে হুঁচৰি দল গঠন কৰিবলৈ এখোজ আগুৱাই দুখোজ পিছলৈ যাবলগীয়া হৈছে।

আগতে একোটা চুবুৰিত ডেকা-গাভৰুৰ সংখ্যা আছিল অধিক। একোটা পৰিয়ালত দুই-তিনিগৰাকী যুৱতী আছিল। সেই অনুপাতে পাহোৱাল ডেকাও আছিল। একেৰাহে বিহু নচা আৰু ঢোল বজাব পৰা শক্তি আছিল ডেকা-গাভৰুসকলৰ। শাৰীৰিক-মানসিকভাৱে শক্তিশালী আছিল। এতিয়া একোটা

চুবুৰিৰ কথা বাদেই— একোখন গাঁৱত হুঁচৰি দল এটা গঠন কৰিব পৰাকৈ ডেকা-গাভৰু বিচাৰি পাবলৈ নাই। এটি-দুটি সন্তানৰ বাবেই ঘৰৰ বাহিৰলৈ পঠিয়াবলৈ পিতৃ-মাতৃ অথা অভিভাৱকে ইচ্ছা প্ৰকাশ নকৰে। তদুপৰি কেৰিয়াৰসৰ্বস্ব নৱপ্ৰজন্মই চিকিৎসক, অভিযন্তাৰ লগতে বিভিন্ন ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠিত হ'বলৈ অহৰ্নিশে ব্যস্ত হৈ থাকে। সেইবাবেও বিহু আদিৰ বাবে এমাহ-দুমাহ ব্যস্ত থাকিব নিবিচাৰে।

বিহু এতিয়া স্পনশ্বৰশ্বিপৰ ওপৰতে কিছু পৰিমাণে নিৰ্ভৰশীল। এনেধৰণৰ প্ৰতিযোগিতাসুলভ মানসিকতাৰ বাবে তিষ্ঠি থাকিব নোৱাৰিব বুলিয়ে একাংশই বিহুগীত-নৃত্য আদিত অংশগ্ৰহণৰ পৰা আঁতৰি থাকিবলৈ লৈছে। বিহু অনুষ্ঠিত কৰিবলৈ আমি নতুন চিন্তা-ভাবনা কৰিব নোৱাৰোনে? নৱপ্ৰজন্মৰ মাজত পৰম্পৰাগত বিহু হুঁচৰি, বিহুগীত-নৃত্য আদি জনপ্ৰিয় কৰিবলৈ জ্যেষ্ঠসকলে নতুন পৰিকল্পনা গ্ৰহণ কৰিবই লাগিব। বসন্ত আহিলেই কেৱল কৰ্মশালা (বিহুগীত-নৃত্য) আয়োজনতে আমাৰ দায়িত্ব শেষ কৰিলে নহ'ব। ইয়াৰ বাবে এক সুস্থ চিন্তা-চৰ্চাৰ নিশ্চয় প্ৰয়োজন হৈছে।

# গ্ৰন্থমেলাৰ সুবাস বিচাৰি

If you want your children to be intelligent, Read them fairy tales. If you want them to be more intelligent, read them more fairy tales. — প্ৰখ্যাত বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনে শিশু-মনৰ কথা উপলব্ধি কৰিয়েই এনেদৰে মন্তব্য কৰিছিল। কাৰণ শিশুসকলক সাধুকথাৰ জৰিয়তেহে শিক্ষাৰ জগতখনৰ দুৱাৰ মেলিব পাৰি। হয়তো সেইবাবেই পৃথিৱীত শিশু সাহিত্য সৰ্বাধিক গ্ৰন্থ ৰচনা কৰা হৈছে। জাৰ্মানীৰ জ'হানেছ গুটেইনবাৰ্গেই এদিন মানৱ জাতিক শিক্ষাৰ ক্ষেত্ৰত এখোজ আগুৱাই যোৱাৰ ক্ষেত্ৰত সহায় কৰিছিল ছপাযন্ত্ৰ আৱিষ্কাৰেৰে। ছপাযন্ত্ৰ আৱিষ্কাৰৰ পাছত বিশ্ববাসীয়ে উপলব্ধি কৰিব পাৰিলে ছপা মাধ্যমৰ গুৰুত্ব। ইয়াৰ পাছত পৃথিৱীৰ সকলো দেশতে গ্ৰন্থ প্ৰকাশৰ জাগৰণ হ'বলৈ

ধৰে। আধুনিক সমাজখনে গ্ৰন্থ বিক্ৰী কেন্দ্ৰৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিলে। ১৯৪৯ চনত জাৰ্মানীৰ ফ্ৰেংকফুটত আধুনিক বিশ্বৰ প্ৰথমখন গ্ৰন্থমেলা অনুষ্ঠিত হোৱাৰ পাছত বিশ্বৰ বিভিন্ন দেশত এনে মেলা অনুষ্ঠিত কৰিবলৈ বহুতেই আগ্ৰহী হ'ল। ভাৰতৰ আন ৰাজ্যৰ দৰে অসমতো ১৯৮৪ চনত অসম প্ৰকাশন পৰিষদে নেচনেল বুক ট্ৰাষ্ট অৱ ইণ্ডিয়াৰ সহযোগত গ্ৰন্থমেলাৰ সূচনা কৰাৰ পাছত অসমতো গ্ৰন্থ আন্দোলনে গতি লাভ কৰে।

গ্ৰন্থমেলাৰ আয়োজন কিমান গুৰুত্বপূৰ্ণ সেয়া দোহৰাৰ প্ৰয়োজন নাই। পাঠকে মনে বিচৰা কিতাপখনেই যে গ্ৰন্থমেলালৈ বিচাৰি যায় তেনে নহয়, গ্ৰন্থৰাজিৰ লেখক-লেখিকাৰ বিষয়ে জানিবলৈও যায়। শেহতীয়াভাৱে লেখক-লেখিকাৰ গ্ৰন্থসমূহ লেখাৰ ধাৰা কেনেকুৱা হৈছে জানিবলৈ এখন কিতাপ পঢ়িলেই যথেষ্ট নহয়, ইয়াৰ বাবে প্ৰয়োজন একেলগে গ্ৰন্থ প্ৰত্যক্ষ কৰি তুলনাৰ জৰিয়তে নিৰ্বাচন কৰাৰ। এখন কিতাপৰ দোকানত থকা কিতাপখিনিৰেই আধুনিক সাহিত্যৰ সাহিত্যিক তথা লেখক-লেখিকাৰ লেখাৰ ধাৰাৰ বিষয়ে জনাটো সম্ভৱ নহয়। ৰামায়ণৰ সৃষ্টিৰ পাছত কাব্যগ্ৰন্থ ৰচনাৰ ধাৰা পৰৱৰ্তী সময়ত কেনেদৰে সলনি হ'ল সেই বিষয়ে জানিবলৈ গভীৰ অধ্যয়নৰ প্ৰয়োজন। পিছে এতিয়া গ্ৰন্থমেলাসমূহত তুলনামূলক গ্ৰন্থৰ প্ৰকাশ তথা তুলনামূলক সাহিত্য আদিৰ বিষয়ে জ্ঞান লাভ কৰাত সহায় হয়। সকলো ব্যক্তিয়ে প্ৰতিখন কিতাপেই ক্ৰয় কৰাটো সম্ভৱ বুলি ক'ব নোৱাৰি। এনে কিছু লোক আছে— যিসকলে গ্ৰন্থ ক্ৰয়ৰ বাবে চেষ্টা চলায় যদিও অৰ্থাভাৱত সম্ভৱ কৰিব নোৱাৰে। এনে লোকৰ বাবেও গ্ৰন্থমেলাই আশাৰ সঞ্চাৰ কৰে। গ্ৰন্থ ক্ৰয় কৰিব নোৱাৰিলেও একেলগে হাজাৰ হাজাৰ কিতাপ হাতেৰে স্পৰ্শ কৰিব পৰাটোও সৌভাগ্য বুলি ক'ব পাৰি। কিতাপ অধ্যয়নৰ সমানেই গুৰুত্বপূৰ্ণ গ্ৰন্থৰ নাম আৰু লেখকৰ বিষয়ে জানিব পৰাটোও জ্ঞান আহৰণৰ সহায়।

গ্ৰন্থমেলালৈ এচাম লোক যায় সময় অতিবাহিত কৰিবলৈ। এনে লোকৰো প্ৰয়োজন আছে। কাৰণ এনে লোকে গ্ৰন্থ কিনিবলৈ নগ'লেও তেওঁৰ লগত যোৱাজনে এখন গ্ৰন্থ ক্ৰয় কৰিলেও সেয়া আয়োজকসকলৰ সাফল্যৰ হিচাপত অন্তৰ্ভুক্ত হয়। আন একাংশ লোক দেখাক দেখি যায়।

এনে লোকৰ পৰাও লাভ হয়। প্ৰথমতে আনে কিতাপ ক্ৰয় কৰা দেখিলে তেনেধৰণৰ কিতাপৰ মোল নুবুজাকৈয়ে ক্ৰয়ৰ বাবে আগবাঢ়ি আহে। এনেদৰে কিতাপ ক্ৰয় কৰা লোকৰ সংখ্যাও কম বুলি ক'ব নোৱাৰি।

আজিকালি সৰু সৰু ঠাইবোৰতো গ্ৰন্থমেলা অনুষ্ঠিত হ'বলৈ ধৰিছে। স্থানীয়ভাৱেও কিছুমান অনুষ্ঠান, সংঘ, স্বেচ্ছাসেৱী সংগঠনেও গ্ৰন্থমেলা আয়োজন কৰিবলৈ আগবাঢ়ি আহিছে। ফলত একেবাৰে অনগ্ৰসৰ অঞ্চল একোটাৰ লোকেও গ্ৰন্থৰ সুৱাস পাবলৈ সক্ষম হৈছে। এনে অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত গ্ৰন্থ অধ্যয়নৰ আন্দোলনৰ ঢৌ অলপ হ'লেও উঠিছে। এয়া এক ইতিবাচক পদক্ষেপ বুলিয়েই ক'ব লাগিব। এনেবোৰ অঞ্চলত আয়োজিত গ্ৰন্থমেলাত কিতাপৰ বিক্ৰী কিমান হৈছে সেয়া ডাঙৰ কথা নহয়। সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয় হৈছে যে ইয়াত অনুষ্ঠিত গ্ৰন্থমেলাৰ জৰিয়তে গ্ৰন্থপ্ৰেমীসকলে আন এখন জগতৰ স'তে চিনাকি হ'বলৈ সুযোগ পায়। ফলত পুৰণিকলীয়া দৃষ্টিভংগীৰ পৰা নিজক আঁতৰাই ৰাখিবলৈ সক্ষম হয়।

গ্ৰন্থমেলাত কেৱল গ্ৰন্থকে সজাই থ'ব এনে নহয়। গ্ৰন্থমেলাৰ চৌহদত দৰ্শকৰ উপস্থিতি বৃদ্ধি কৰিবলৈ আকৰ্ষণীয় অনুষ্ঠান বিশেষকৈ সংগীত, নানা ধৰণৰ প্ৰতিযোগিতা, বিশেষকৈ সাহিত্য সম্পৰ্কীয় প্ৰশ্ন আদি উপস্থাপন কৰিব লাগিব। তদুপৰি প্ৰচাৰো ব্যাপক হ'ব লাগিব। কেইখনমান বেনাৰ আঁৰিলেই প্ৰচাৰৰ দায়িত্ব শেষ হোৱা বুলি ভবাৰ সময় এতিয়া নাই। সামাজিক মাধ্যম আদিৰ জৰিয়তে এনেধৰণৰ গ্ৰন্থমেলাৰ বিষয়ে ব্যাপক প্ৰচাৰ চলালেও সুফল পোৱা যায়। এইক্ষেত্ৰত আয়োজকসকলৰ পদক্ষেপ শক্তিশালী হ'বই লাগিব। যিমানেই প্ৰচাৰ চলিব সিমানেই বিভিন্ন অঞ্চলৰ লোক গ্ৰন্থ আন্দোলনত জঁপিয়াই পৰিব। এনেদৰে সফল হ'বই গ্ৰন্থমেলা।

# বিপিন ৰাৱট
# কিয় আছিল জনপ্ৰিয়

ভাৰতৰ সেনাৰ ইতিহাসত যিসকল বীৰ যোদ্ধাই চৰ্চা লাভ কৰিছিল তেওঁলোকৰ ভিতৰত বিপিন ৰাৱট অন্যতম। ৰাৱটক সবাতোকৈ জনপ্ৰিয় সেনাপ্ৰধান হিচাপে পৰিচয় দিয়ে তেওঁৰ কৰ্মদক্ষতাই। যিগৰাকী সেনা সৰ্বাধিনায়কৰ বাবে এছিয়াৰ ছুপাৰ পাৱাৰ ৰাষ্ট্ৰ চীনৰ লগতে ভাৰতৰ চিৰবৈৰী পাকিস্তানে থৰহৰি কম্পমান সেইজনে সেনাৰ পোছাকতে বিদায় ল'লে। ৰাৱট আছিল এগৰাকী প্ৰকৃতাৰ্থত দেশপ্ৰেমিক তথা অক্লান্ত যোদ্ধা। তেওঁৰ মন-মস্তিষ্ক সকলো সময়তে দেশৰ সুৰক্ষাৰ বাবে সজাগ আছিল। তামিলনাডুৰ নীলগিৰি পাহাৰত বায়ুসেনাৰ হেলিকপ্টাৰ দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ লগে লগে অন্ত পৰিল এক স্বৰ্ণীল কাহিনীৰ। বিগত এটা দশক ধৰি চীনে ভাৰতৰ ভূমি দখলৰ বাবে পাকিস্তানৰ সহযোগত যি চেষ্টা চলাইছিল সেয়া সফল হ'ব পৰা নাছিল।

এইগৰাকী মহান যোদ্ধাৰ ৰণকৌশলৰ বাবে আজি চুবুৰীয়া ৰাষ্ট্ৰসমূহে ভাৰতক সমীহ কৰিবলগীয়া হৈছে। চীন, পাকিস্তানে যিমানেই চেষ্টা নকৰক কিয়— ভাৰতৰ ভূখণ্ডৰ বেজীৰ আগৰ সমান ভূমিতো প্ৰৱেশ কৰিব পৰা নাই। ভাৰতৰ সীমান্তত অহৰ্নিশে চেষ্টা চলায়ো ব্যৰ্থ হৈছে ৰাৱটৰ ৰণকৌশলৰ বাবে। কাশ্মীৰৰ পুলৱামাপুৰত পাকিস্তানৰ মদতপুষ্ট সন্ত্ৰাসবাদীয়ে চলোৱা কাপুৰুষালি আক্ৰমণৰ পাছত পাকিস্তানৰ ভূমিত ভাৰতীয় সেনাই প্ৰৱেশ কৰি কৰা চাৰ্জিকেল ষ্ট্ৰাইকৰ সকলো পৰিকল্পনা কৰা ব্যক্তিগৰাকী আছিল ৰাৱট। তেওঁৰ বুদ্ধিমত্তাৰ বাবে আজি ভাৰতে বিশ্ববাসীৰ মাজত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। ভাৰতৰ ৰণনীতিক আজি বিশ্ববাসীয়ে প্ৰশংসা কৰিবলৈ বাধ্য হৈছে। তেওঁ যে দেশৰ বাবে গুৰুত্বপূৰ্ণ ব্যক্তি আছিল সেয়া প্ৰমাণ কৰিছে অৱসৰৰ পাছতো তিনি সেনাপ্ৰধানৰ সেনাধিনায়ক হিচাপে নিযুক্তি লাভ কৰাটো। দেশক মনে-প্ৰাণে ভালপোৱা ব্যক্তি আছিল ৰাৱট। কেৱল তেওঁ নিজেই যে দেশৰ চিন্তা কৰিছিল তেনে নহয়, ৰাৱটৰ পত্নীয়েও দেশৰ ছহিদ জোৱানৰ বিধৱা পত্নীসকলৰ বাবে চিন্তা-চৰ্চা কৰিছিল। তেওঁৰ মানসিকতা কেনে আছিল সেয়া পৰিয়ালৰ কাৰ্যয়ো প্ৰমাণ কৰিছে।

বিপিন ৰাৱটে সেনাবাহিনীত সংস্কাৰ সাধন কৰিছিল। ৰাৱটে সেনাবাহিনীত চাকৰি কৰাৰ পৰিৱৰ্তে দেশ সেৱাৰ মনোভাবেৰে যোগ দিবলৈ যুৱশক্তিক আহ্বান জনাইছিল। দেশৰ যুৱশক্তিৰ ওপৰত অগাধ বিশ্বাস থকা ৰাৱটে যুৱক-যুৱতীসকলক সেনা বাহিনীৰ চাকৰি কৰাৰ মানসিকতাৰে নহয়— দেশমাতৃক সেৱা কৰিবলৈহে আগবাঢ়ি আহিবলৈ আহ্বান জনাইছিল। ৰাৱটৰ আহ্বানৰ প্ৰতি যুৱশক্তিয়ে সম্পূৰ্ণ সঁহাৰি জনাইছিল। এসময়ত পৰিয়ালৰ লোকে সেনাবাহিনীত চাকৰি কৰিবলৈ দিবলৈ ইচ্ছা কৰা নাছিল। ৰাৱটে সেনাপ্ৰধান হোৱাৰ সময়ত লোৱা পদক্ষেপৰ বাবে আজি সকলোৱে সেনাত চাকৰি কৰিবলৈ সুযোগ পোৱাটো গৌৰৱৰ বিষয় হিচাপে গণ্য কৰিছে।

জল, স্থল আৰু বায়ুসেনাৰ প্ৰধানসকলৰ মাজত সু-সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত সফল হৈছে ৰাৱট। দেশ এখনৰ সামৰিক শক্তি বুলিলে তিনিওটা বিভাগৰ শক্তিকে বুজায়। কাৰণ তিনিওটা বিভাগৰ সেনাই যদি সমন্বয়ৰ মাজেৰে আগবাঢ়ি নাযায় তেনেহ'লে শত্ৰুপক্ষই সুযোগ গ্ৰহণ কৰাৰ স্থল

থাকে। বিগত পাঁচ দশক ধৰি জল, স্থল আৰু বায়ুসেনা বাহিনীয়ে পৃথকে পৃথকে সিদ্ধান্ত গ্ৰহণ কৰিছিল। কিছুমান ক্ষেত্ৰত তিনিওটা বিভাগৰ মাজত সমন্বয়ৰ অভাৱ দেখা গৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যেতিয়া তিনিওটা বিভাগক একত্ৰিত কৰাৰ বাবে তিনি সেনাৰ সৰ্বাধিনায়ক পদৰ সৃষ্টি কৰিলে তেতিয়াই প্ৰথমবাৰৰ বাবে এটাই নাম চৰ্চালৈ আহিল— বিপিন ৰাৱট। তেওঁ সম্পূৰ্ণৰূপে সফলো হৈছিল। এতিয়া তিনিওটা বিভাগে সমন্বয়েৰে কাম কৰিবলৈ সক্ষম হৈছে।

ৰাৱটে যুৱ অৱস্থাৰ পৰাই নতুন নতুন ধাৰণাৰ সৃষ্টি কৰিব পাৰিছিল। সেই ধাৰণাসমূহ বাস্তৱত ৰূপায়িত কৰিবলৈ উপযুক্ত স্থান বা সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত উপস্থাপন কৰিবলৈ লাজ কৰা নাছিল। আত্মবিশ্বাসেৰে সদায় আগবাঢ়িলেহে সাফল্য অৰ্জন কৰাটো সম্ভৱ। চৰকাৰে এজন অৱসৰপ্ৰাপ্ত বিষয়াক তিনি সেনাৰ সেনাধিনায়ক পদত নিযুক্তি দিয়াই প্ৰমাণ কৰে তেওঁৰ ওপৰত থকা বিশ্বাস, বীৰত্ব আৰু বুদ্ধিমত্তাৰে ৰণ জিকা কৌশলসম্পন্ন শক্তি। সাম্প্ৰতিক সময়ৰ সৰ্বাধিক জনপ্ৰিয় সেনা বিষয়া হিচাপে ৰাৱটে যি কৰি দেখুৱালে তাৰবাবে তেওঁ চিৰদিন ভাৰতীয় সামৰিক ইতিহাসত সোণোৱালী আখৰেৰে জিলিকি থাকিব।

# পাণবজাৰৰ ১৭০ বছৰীয়া এটি গৃহ আৰু ঐতিহ্যক্ষেত্ৰ

সৌন্দৰ্যৰে ভৰপূৰ অসম। প্ৰকৃতিদেৱীয়ে অসমত ইমানেই সৌন্দৰ্য থূপ খুৱাইছে যে ইয়ালৈ এবাৰ আহিলে কোনোৱে ঠাইখিনি পাহৰিব নোৱাৰে। এই সৌন্দৰ্যৰ অন্যতম উপাদান হ'ল নদী। অসমত নদ-নদীৰ সংখ্যা বেছি বাবে অসমক নদীমাতৃকা দেশ বুলি কোৱা হয়। অসমৰ সৌন্দৰ্যৰ প্ৰবাহ চীন-ভূটানলৈকে বিস্তৃত। কাৰণ ব্ৰহ্মপুত্ৰ, পাগলাদিয়া আদিৰ উৎস এই চুবুৰীয়া দেশ দুখনত। নদীৰ বুকুতে মানৱ ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই সভ্যতা গঢ়ি উঠিছে। নদীৰ গতিৰে বিচাৰি পোৱা যায় এটা জাতিৰ ইতিহাস। সেয়েহে কোৱা হয়— A river doesnot just carry water, it carries life. অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰৰ বুকুতে আছে শৰাইঘাটৰ ৰণত শক্তিশালী মোগলক পৰাজিত কৰা বীৰ লাচিতৰ বীৰত্বৰ

কথা, বৃটিছে অসমত ৰাজত্ব কৰাৰ কাহিনী। স্বাধীনতা সংগ্ৰাম, অসমৰ সমাজ-জীৱনৰ প্ৰতিটো দিশেই জড়িত হৈ আছে বিশাল লুইতৰ বুকুত। শদিয়াৰ পৰা ধুবুৰীলৈকে প্ৰবাহিত লুইতৰ প্ৰতিটো ঢৌৱে কয় অসমীয়া সংস্কৃতি, বৰ অসমৰ ঐতিহ্য তথা চহা সমাজখনৰ বাস্তৱ চিত্ৰৰ কথা। এই সকলোবোৰ থূপ খুৱাই ব্ৰহ্মপুত্ৰৰ পাৰত মুকলি হৈছে 'মহাবাহু ব্ৰহ্মপুত্ৰ ঐতিহ্যক্ষেত্ৰ'। গুৱাহাটীৰ পাণবজাৰত বিশ্ববাসীৰ দৰ্শনৰ বাবে মুকলি কৰা হৈছে মহাবাহু ব্ৰহ্মপুত্ৰ ঐতিহ্যক্ষেত্ৰ। এই গৃহটো মুকলি হোৱাৰ লগে লগে অসমৰ পৰ্যটনৰ ক্ষেত্ৰখনত আন এটি উল্লেখযোগ্য অধ্যায় অন্তৰ্ভুক্ত হ'ল। শৰাইঘাটৰ ৰণৰ স্মৃতি বিজড়িত বৰফুকনৰ টিলা পৰৱৰ্তী সময়ত সকলোৰে চৰ্চাৰ বিষয় হৈ পৰে। বুৰঞ্জীবিদ দীপাংকৰ বেনাৰ্জীয়ে উল্লেখ কৰা মতে ১৮৩৯ চনত গুৱাহাটীত প্ৰথমবাৰৰ বাবে উপায়ুক্ত পদটো বৃটিছে সৃষ্টি কৰিছিল। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি অনুসৰি বৃটিছে অসম দখল কৰাৰ পাছতে দৰাচলতে আৰম্ভ হৈছিল অসমীয়া সমাজ-জীৱনৰ পৰিৱৰ্তন। পাণবজাৰৰ এই টিলাতে শৰাইঘাটৰ যুদ্ধৰ বৰতোপ আদি সিঁচৰতি হৈ আছিল। সেইবাবেই হয়তো বৃটিছে এই টিলাটোকে উপায়ুক্তৰ বাসভৱন নিৰ্মাণৰ বাবে নিৰ্বাচিত কৰিছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত বৃটিছ অসমৰ পৰা আঁতৰি গ'ল। পৰি ৰ'ল আন গৃহৰ লগতে এই উপায়ুক্তৰ বাসভৱনটো। উক্ত গৃহটো যে ঐতিহাসিক ক্ষেত্ৰ হিচাপে গঢ়ি তুলিব পাৰি তাৰ চিন্তা-চৰ্চা আৰম্ভ হোৱাৰ পাছত আজি এই গৃহটোৱে লাভ কৰিলে এক নতুন পৰিচয়। এতিয়া পূৰ্বৰ উপায়ুক্তৰ কাৰ্যালয়টোৱে নতুন চিনাকি 'মহাবাহু ব্ৰহ্মপুত্ৰ ঐতিহ্যক্ষেত্ৰ'।

মহাবাহু ব্ৰহ্মপুত্ৰ ঐতিহ্যক্ষেত্ৰত অসমৰ ঐতিহ্য তথা সমাজ-জীৱনৰ প্ৰকৃত ছবিখন প্ৰতিফলিত হোৱাৰ লগতে সংৰক্ষিত কৰা হৈছে বহুতো আপুৰুগীয়া সম্পদ। ১৭০ বছৰীয়া এই গৃহটোৰ প্ৰতিটো বস্তু আকৰ্ষণীয়। অৱশ্যে ইয়াৰ ভিতৰত মিউজিকেল হেৰিটেজ সবাতোকৈ আকৰ্ষণীয় হৈ পৰিছে। কাৰণ ইয়াত দুশবিধ বিভিন্ন ধৰণৰ থলুৱা বাদ্যযন্ত্ৰ সংৰক্ষণ কৰা হৈছে। এই বাদ্যযন্ত্ৰসমূহৰ ভিতৰত ঢোল, মৃদংগ, নাগাৰা, খোল, খামাক, ডম্বৰু, খুতুলি, বাগধেনু, তৰলিট, গুগুবেলা, গুগুমেলা, বুকুং, মুৰিতংপু,

মুখবঙ্গী, টুটু, লাখৰ ব্ৰংছিং, কাৰহানল, টেংটেং, টকা, কডিতাল, ডেংটুগ, থেৰথেৰা, খেৰচেং, কৰতাল, ডাস্কাথাই, ডুমপাক, খামাক, দোতৰা, চাৰিণ্ডা, বীণ আদি। এই বাদ্যযন্ত্ৰবোৰ লাহে লাহে প্ৰায়ভাগ জাতি-জনগোষ্ঠীৰ সমাজ-জীৱনৰ পৰা হেৰাই যোৱাৰ উপক্ৰম ঘটিছে।

নদীকাষৰীয়া লোকৰ ছবি এখনো সুন্দৰভাৱে উপস্থাপন কৰা হৈছে। নৈ, পুখুৰী, খাল, বিলত মাছ মাৰোতে কেনেধৰণৰ সা-সঁজুলি আদি ব্যৱহাৰ কৰা হয় তাৰ সুন্দৰ ছবি এখন প্ৰতিফলিত হৈছে। কেৱল মহাবাহু ব্ৰহ্মপুত্ৰই নহয়, ইয়াৰ উপনৈসমূহত কেনেদৰে মাছ ধৰা হয় তাৰ ছবিখন বিভিন্ন সা-সঁজুলিৰেই উপস্থাপন কৰা হৈছে। জাল, পল, চেপা, জাকৈ, খালৈ, চালনী আদিৰ লগতে ইয়াত ব্যৱহৃত নাৱৰ ছবিসমূহো সংৰক্ষণ কৰা হৈছে। ইয়াৰ এটি কোঠাত বিভিন্ন ধৰণৰ বস্তু প্ৰদৰ্শন কৰিছে। তদুপৰি অসমীয়া শিপিনীৰ পৰিচয় তাঁতশালখনো সংৰক্ষণ কৰা হৈছে। দুশ বছৰীয়া ঘড়ীৰ পৰা আৰম্ভ কৰি বৃটিছৰ দিনৰ ফোন, উপাযুক্তই ব্যৱহাৰ কৰা আচবাব আদিও চকুত লগা। এই কোঠাৰ ভিতৰতে ঠাণ্ডা দিনত জুই পুৱাব পৰাৰ ব্যৱস্থাও যে আছিল তাৰ চিত্ৰ এখন ফুটি উঠিছে। আগৰ দিনত আজিকালিৰ দৰে ‘ৰুম হিটাৰ’ নাছিল। সেইবাবেই এনেধৰণৰ ব্যৱস্থা কৰিছিল। বিজ্ঞানসন্মতভাৱে প্ৰস্তুত কৰা হৈছিল জুই, বিশেষকৈ কয়লা পুৰিবলৈ ব্যৱহাৰ কৰা ঠাইখিনি। গ্ৰামোফোন ৰেকৰ্ড, বিভিন্ন ধৰণৰ চকী, ছোফাছেট, টেবুল, ডাঙৰ আইনা আদিৰো ব্যৱস্থা আছে। বৃটিছসকলে তাহানিতেই যে বিজ্ঞানসন্মতভাৱে সেইবোৰ ব্যৱহাৰ কৰিছিল তাৰো প্ৰতিফলন ঘটিছে মহাবাহু ব্ৰহ্মপুত্ৰ ঐতিহ্যক্ষেত্ৰত।

এই ঐতিহ্যক্ষেত্ৰখনত শেহতীয়াভাৱে সংযোজন কৰা হৈছে ‘অৰুনোদয়’। অসমৰ প্ৰথমখন সংবাদপত্ৰক লৈ নন্দ তালুকদাৰ ফাউণ্ডেচনে আগভাগ লৈ মহাবাহুৰ পাৰত দৰ্শনৰ বাবে মুকলি কৰা হ’ল ১৭৫ বছৰীয়া সোণোৱালী গৌৰৱেৰে সমৃদ্ধ ‘অৰুনোদয়’। কাকতখনৰ প্ৰকাশিত আটাইকেইটা সংখ্যাৰ একত্ৰ সংকলনৰ ১৮৪৮ চনৰ সংখ্যাটো দৰ্শকে চাব পৰাকৈ মেলি থোৱা আছে। এই সংখ্যাৰ ছয় নম্বৰ পৃষ্ঠাত ‘অনেক দেশৰ সম্পদ’ত লিখা আছে— ‘এই শিৱসাগৰ গাঁৱত এজনি তিৰোতাই

কাঠফুলাৰ আঞ্জা খাই দিন চাৰেক নৰিয়া হৈ পৰি আছিল।' এইখন সংবাদপত্ৰৰ কপি এতিয়া পাবলৈ নাই। বহু লোকে এইখন সংবাদপত্ৰৰ কপি চাবলৈ এতিয়াও উৎসুক। 'অৰুনোদয়' কাকতখিনি একত্ৰ ৰূপত বন্ধাই দৰ্শকে চাব পৰাকৈ দিয়াৰ বাবে নন্দ তালুকদাৰ ফাউণ্ডেচনৰ লেখক-সাংবাদিক মৃণাল তালুকদাৰকো ধন্যবাদ জনালো। এই ক্ষেত্ৰলৈ আহিলেই এনে সম্পদ সুন্দৰভাৱে প্ৰত্যক্ষ কৰিব পাৰিব। সৰু ষ্টেডিয়াম এখনৰ আৰ্হিত বনোৱা ক্ষেত্ৰও আছে। গৃহটোৰ ভিতৰত যিবোৰ সম্পদ আছে, বাহিৰত আকৌ অপৰূপ সৌন্দৰ্য আছে। সৰু-সুৰা শ্বুটিঙৰ বাবে উপযুক্ত ঠাই। বাহিৰৰ বেঞ্চত বহিলেই দেখা যায় বিশাল ব্ৰহ্মপুত্ৰৰ চৌপাশে থকা অপৰূপ সৌন্দৰ্য। পুৱা সূৰ্যোদয় আৰু আবেলি সূৰ্যাস্তৰ সময়ত ইয়াৰ পৰা যদি সৌন্দৰ্য উপভোগ কৰে তেনেহ'লে পৃথিৱীৰ সকলোখিনি সৌন্দৰ্য ইয়াতেই থূপ খাই আছে বুলি অনুভৱ নকৰাকৈ থাকিব নোৱাৰে। ইয়াত ৰেস্তোৰাঁ আৰু কেণ্টিনৰ ব্যৱস্থাও কৰি আছে। কংক্ৰিটৰ মহানগৰীৰ মাজতো যে এনে এখন ঠাই থাকিব পাৰে সেয়া হয়তো বহুতৰেই কল্পনাৰো অগোচৰ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। শিশুসকলে খেলিব পৰাৰ ব্যৱস্থাও উপলব্ধ। আনহাতে শিশু, বয়স্ক আৰু দিব্যাংগক তলৰ পৰা ওপৰলৈ নি ফুৰাব পৰাকৈ সৰু বাহন এখনৰো ব্যৱস্থা আছে। মাথোঁ টিকট লোৱাৰ সময়ত তেওঁলোকক এই বিষয়ে অৱগত কৰিব লাগে। প্ৰতিগৰাকী ব্যক্তিৰ প্ৰৱেশ মূল্য এশ টকা। শিশুসকলৰ বাবে টিকটৰ প্ৰয়োজন নাই। ঐতিহ্যক্ষেত্ৰখনৰ উন্নয়নৰ বাবে বহুতো পদক্ষেপ ৰূপায়িত হৈ আছে। কেইমাহমানৰ পাছত হয়তো ইয়াতকৈ আৰু অধিক আকৰ্ষণীয় হৈ পৰিব।

ইয়াত বহুতো আপুৰুগীয়া ফটো সংৰক্ষণ কৰা হৈছে। ১৯৩৪ চনতে 'হৰিজন'ত মহামানৰ মহাত্মা গান্ধীয়ে কৃষ্ণনাথ শৰ্মাৰ ঘৰত এটি গোসাঁইঘৰৰ দুৱাৰ মুকলি কৰাৰ পৰা আৰম্ভ কৰি ১৯৪৮ চনত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় উদ্বোধন, ১৯৫০ চনত দৰঙত ভূটিয়াৰ বেহা, জ্ঞানদাভিৰাম বৰুৱা, বিষ্ণুপ্ৰসাদ ৰাভা আদিৰো আপুৰুগীয়া ফটো সংৰক্ষণ তথা প্ৰদৰ্শন কৰা হৈছে।

ইতিহাস সংৰক্ষণ কৰিবই লাগিব। বৃটিছ, জাৰ্মান, আমেৰিকা, ইটালি,

ছুইজাৰলেণ্ড, ফ্ৰান্স আদি দেশত ইতিহাস সংৰক্ষণৰ ওপৰত অতীতৰে পৰাই গুৰুত্ব প্ৰদান কৰি আহিছে বাবে আজি পৃথিৱীৰ আন দেশসমূহৰ বাবে আদৰ্শ হ'ব পাৰিছে। বৃটিছ, জাৰ্মানসকলে সকলোবোৰ সংৰক্ষণ হোৱাত আগস্থান দিয়ে বাবে পৃথিৱীৰ সভ্যতা-সংস্কৃতিৰ ইতিহাস বিশ্লেষণ কৰিবলৈ হ'লে এইবোৰ দেশলৈ যাবলগীয়া হয় অথবা তাৰ পৰা সংগ্ৰহ কৰিবলৈ বাধ্য। অসমো ইতিহাসৰ সম্পদৰ ক্ষেত্ৰত কোনোগুণে কম নহয়। পিছে পূৰ্বৰেপৰা সংৰক্ষণত গুৰুত্ব নিদিয়াৰ বাবে বহুতো ঐতিহাসিক সম্পদ আজি পাহৰণিৰ গৰ্ভত। এইবোৰ যদি ভালদৰে উদ্ধাৰ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰা হয় তেনেহ'লে এইবোৰ আন দেশৰ বাবে গৱেষণাৰ সমল হ'ব। মহাবাহু ব্ৰহ্মপুত্ৰ ঐতিহ্যক্ষেত্ৰৰ দৰে যদি অসমৰ ঐতিহ্যক সংৰক্ষণ আৰু সুন্দৰভাৱে উপস্থাপন কৰিলে নিশ্চয় পৰ্যটনৰ ক্ষেত্ৰতো আৰু এখোপ আগুৱাই যাব পাৰিব অসম।

# ক’ত হেৰাল মৰমসনা
# কথাৰ নৱবৰ্ষৰ শুভেচ্ছা পত্ৰখন

পৃথিৱীখন যিমানেই সৰু হ’বলৈ ধৰিছে সিমানেই মৰমসনা ভাষাৰে লিখা চিঠিখন, নৱবৰ্ষৰ শুভেচ্ছাৰে লিখা শব্দবোৰো যেন বিলোপ হ’বলৈ ধৰিছে। পুৰণি বৰ্ষক বিদায় আৰু নতুন বছৰক আদৰি ল’বলৈ আপোনজনৰ বাবে যি গ্ৰীটিংছ কাৰ্ড বা নৱবৰ্ষৰ শুভেচ্ছাপত্ৰ প্ৰেৰণ কৰা হয় তাত থাকে এক সুকীয়া আমেজ। এক বুজাব নোৱাৰা অনুভৱ। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই মানুহে নতুন বৰ্ষত আদান-প্ৰদান কৰি আহিছে শুভেচ্ছাপত্ৰ। একেবাৰে আদি অৱস্থাত যিবোৰ উৎস ব্যৱহাৰ কৰিছিল সেইবোৰ যেন সময়ৰ লগে লগে পৰিৱৰ্তন হ’বলৈ ধৰিলে। ইতিহাসৰ তথ্য অনুসৰি প্ৰথমতে চীনাসকলেই নৱবৰ্ষৰ শুভেচ্ছাপত্ৰ আদান-প্ৰদান কৰিছিল। ইজিপ্টিয়ানসকলেও এনেধৰণৰ পত্ৰ আদান-প্ৰদান কৰিছিল বাবেই এনে পত্ৰৰ বিষয়ে লিখিলে বা চৰ্চা হ’লেই

দুয়োখন দেশৰ নাম উল্লেখ কৰিবই লাগিব। এখন গ্ৰীটিং কাৰ্ডত থকা এগৰাকী ব্যক্তিৰ আত্মীয়তা ভৰা শব্দ, আৱেগজড়িত ভাষা, মিঠা মিঠা মৰমসনা শব্দবোৰে কাৰ্ডখন লাভ কৰাৰ পাছত তেওঁৰ মনত যি অনুভূতিৰ সৃষ্টি কৰিছিল সেয়া এতিয়াৰ হোৱাটছএপ, ফেচবুকত বিচাৰি পোৱা নাযায়।

এতিয়া সকলোৰে হাতে হাতে ম'বাইল ফোন। গা ধোৱা আৰু শৌচ কৰা সময়ৰ বাহিৰে আন সময়ত প্ৰায়ভাগৰেই হাতত থাকে দামী দামী ম'বাইল ফোন। আগতে নতুন বছৰত পাবলগীয়া কাৰ্ডখন মুহূৰ্তৰ ভিতৰত লাভ কৰিব পৰা হোৱাত বিচাৰি পোৱা নাযায় আনন্দ। জাগ্ৰত নহয় অনুভূতি। ম'বাইলত টাইপ কৰা কিছুমান বেবেৰিবাং বাক্য আৰু ইণ্টাৰনেটৰ পৰা ডাউনলোড কৰা অদ্ভুত ছবি। একেটা বাক্য আৰু একেখন ফটোকে এক ছেকেণ্ডৰ ভিতৰতে হাজাৰজনলৈ প্ৰেৰণ কৰে। যেতিয়া সকলোৰে পৰা একেধৰণৰ লেখা আৰু ফটো লাভ কৰে তেতিয়া মনত কোনোধৰণৰ আনন্দৰ সৃষ্টি নহয়। বৰং একেখন ফটোকে বেলেগে বেলেগে প্ৰেৰণ কৰাৰ পাছত মনটো বিৰক্ত হোৱাহে দেখা যায়। আনকি কিছুমানে সেইখন খুলিকে নাচায়। অৰ্থাৎ 'আন ৰীড' হৈ থাকে। তেনেধৰণৰ শুভেচ্ছাপত্ৰৰ জানো কিবা মূল্য আছে। সাত সাগৰ তেৰ নদীৰ সিপাৰত থকা আপোনজনৰ পৰা লাভ কৰা শুভেচ্ছাপত্ৰখন আৰু হোৱাটছএপ তথা ফেচবুকত দিয়া বাৰ্তা জানো কেতিয়াবা একে হ'ব পাৰে? দুয়োটাকে সমানেই মূল্যাংকন কৰিলে ভাল হ'ব জানো? নিশ্চয় নহয়। কাৰণ দুয়োটাৰে মাজত আছে আকাশ-পাতাল পাৰ্থক্য।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ মনবোৰো সলনি হ'বলৈ ধৰিছে। সলনি হোৱাটো অস্বাভাৱিক বুলি ক'ব নোৱাৰি। এই সলনি বা পৰিৱৰ্তনবোৰে কেৱল মানসিকতাৰ সলনি কৰিছে। কিন্তু মৰম, অনুভূতি আদিক সংপৃক্ত কৰিব পৰা নাই। বাহ্যিক দৃষ্টিভংগীৰ পৰা এয়া আকৰ্ষণীয় যেন লাগিলেও দৰাচলতে ইয়াত প্ৰকৃত ছবিখন বিচাৰি পাবলৈ নাই। এজন ব্যক্তিলৈ দিয়া এখন পত্ৰ যেতিয়া হাজাৰজনলৈ প্ৰেৰণ কৰে তেতিয়া তাত থকা মৰম-ভালপোৱাৰ অনুভূতিবোৰ এহেজাৰজনলৈকে ভাগ হয়। সেইবাবেই ইয়াত মাদকতা বিচাৰি পোৱা নাযায়।

শুভেচ্ছাপত্ৰখনৰ মূল্য তুলনাবিহীন। এটা বছৰৰ বাবে এই পত্ৰখনে বহন কৰে আশাৰ বতৰা। আপোনজনেও বিচাৰে পত্ৰখন সংৰক্ষিত কৰি ৰাখি তেওঁ প্ৰেৰণ কৰা আশাৰ বতৰাবোৰেৰে বছৰৰ প্ৰতিটো মুহূৰ্তত আগুৱাই নিয়ক। সময়ে সময়ে সেই পত্ৰখন মেলি কথাবোৰ পঢ়ি মনত অনুভূতি জাগি উঠে। কাৰণ কাৰোবাৰ প্ৰেৰণাই আনক জীৱন যুঁজত আগুৱাই যাবলৈ উৎসাহিত কৰিব পাৰে। পত্ৰখন ওচৰত থাকিলে প্ৰেৰণ কৰা ব্যক্তিগৰাকীয়েও সমীপতে থকাৰ দৰে অনুভৱ হয়। এনে হোৱাৰ ফলত মনত আনন্দ জাগে। সকলোৱে বিচৰা ধৰণেই যেন সাঁচি ৰাখে গ্ৰীটিংছ কাৰ্ডখন।

নৱবৰ্ষ মানে নতুন সংকল্প। পিছে যিসকলে নৱবৰ্ষৰ প্ৰথমটো দিনত এনে সংকল্প গ্ৰহণ কৰি বছৰৰ ৩৬৪ দিনহে শুই থকাসকলৰ বাবে এনেধৰণৰ কাৰ্ডৰ বিশেষ গুৰুত্ব নাই। পিছে যিসকল লোকে জীৱনৰ প্ৰতিটো মুহূৰ্ত সময়ৰ জোখেৰে জুখি চায় তেওঁলোকৰ বাবে নৱবৰ্ষৰ কাৰ্ডখনৰ মূল্য আটাইতকৈ বেছি। এইখন কাৰ্ড কিমান ডাঙৰ আৰু কিমান টকাৰে ক্ৰয় কৰিছে সেই কথাত গুৰুত্ব দিয়া দেখা নাযায় আৰু দিবও নালাগে।

এতিয়া নৱপ্ৰজন্মৰ প্ৰায়ভাগৰেই হাতত ম'বাইল থাকেই। সেয়েহে নতুন বছৰৰ শুভেচ্ছা দিবলৈকে এতিয়া কাৰ্ড ব্যৱহাৰ নকৰে। বহুতে আকৌ কাৰ্ডখনত শব্দ লিখিবলৈকে বিচাৰি নাপায়। আবোল-তাবোল কিবাকিবি প্ৰেৰণ কৰি দায়িত্ব সামৰে। কাৰ্ডৰ পৰিৱৰ্তে ম'বাইলত শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰাত বহুতেই বুজি নাপায় ইয়াৰ অৰ্থ। সকলোৱে বিচৰা গ্ৰীটিংছ কাৰ্ডখন এতিয়া ক'ত হেৰাল? আধুনিকতাৰ কৰাল গ্ৰাসে কাৰ্ডখনক গুৰুত্বহীন কৰিলে নেকি?

# নয়ন জুৰোৱা বৈষ্ণোদেৱী মন্দিৰ

২০২১ চনৰ ১৩ নৱেম্বৰত গুৱাহাটীৰ পৰা দিল্লীলৈ যাত্ৰা কৰো বৈষ্ণোদেৱী মন্দিৰ দৰ্শনৰ বাবে। এই মন্দিৰ দৰ্শনৰ বাবে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা নিতৌ ৩০-৩৫ হাজাৰ ভক্ত তথা দৰ্শনাৰ্থী কাত্ৰা ষ্টেচনত উপস্থিত হয়। দুপৰীয়া ১২.৩৫ বজাত গোপীনাথ বৰদলৈ বিমানকোঠৰ পৰা ইণ্ডিগো বিমানেৰে যাত্ৰা কৰো। যিহেতু বৈষ্ণোদেৱীলৈ পোনপটীয়াকৈ বিমানেৰে যোৱাৰ ব্যৱস্থা নাই, সেয়েহে প্ৰথমে দিল্লীলৈ যাবই লাগিব। আবেলি ৩.৩০ বজাত দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমানবন্দৰত উপস্থিত হওঁ। সৌন্দৰ্যৰে ভৰপূৰ বিমানবন্দৰত খোজ পেলোৱাৰ পাছত দিল্লীৰ ৰে'ল ষ্টেচনলৈ যাত্ৰা কৰিলো। জম্মুৰ কাত্ৰা ষ্টেচনলৈ যোৱা শ্ৰীশক্তি ৰে'লখন ষ্টেচন এৰাৰ সময় আছিল ৭.০৫ বজাত।

দিল্লীৰ পৰা কাত্ৰালৈ ৰে'লেৰে যাত্ৰা কৰাৰ সময়ত সামান্য ঠাণ্ডা অনুভৱ কৰিব লাগিছিল সিমান নহ'ল। ৰে'লেৰে কাত্ৰালৈ যাত্ৰা কৰাৰ অনুভৱেই সুকীয়া। কাৰণ ৰে'লখনত যোৱা প্ৰায়ভাগ লোকৰেই একমাত্ৰ লক্ষ্য বৈষ্ণোদেৱী মন্দিৰ। প্ৰতিগৰাকী ভক্তৰেই জীৱনত এবাৰ নহয় এবাৰ বৈষ্ণোদেৱী মন্দিৰ দৰ্শন কৰাৰ হেঁপাহ। দীৰ্ঘদিনীয়া তলাবন্ধৰ পাছত বৈষ্ণোদেৱী মন্দিৰ দৰ্শনাৰ্থীৰ বাবে মুকলি কৰি দিয়াৰ পাছত যাত্ৰীৰ লানি নিছিগা সোঁত বোৱাৰ বিষয়ে ৰে'লখনত যোৱা লোকৰ পৰাই অনুমান কৰিব পাৰি। ১৪ নৱেম্বৰত ৬ বজাত কাত্ৰা ৰে'ল ষ্টেচনত উপস্থিত হ'লো। মনোমুগ্ধকৰ কাত্ৰা ষ্টেচনত খোজ দিয়াৰ পাছতে অন্য এক অনুভৱ হয়। এইটো ষ্টেচনৰপৰাই মন্দিৰটো দেখিবলৈ পোৱা যায়। সৌন্দৰ্যপিপাসুসকলৰ বাবে এই ষ্টেচনটো আকৰ্ষণৰ কেন্দ্ৰবিন্দু। ষ্টেচনত নমাৰ লগে লগে প্ৰশাসনৰ ফালৰ পৰা ক'ভিড প্ৰতিষেধক লৈছে নে নাই সেয়া পৰীক্ষা কৰা হয়। যিসকলে দুপালি ক'ভিড প্ৰতিষেধক লৈছে তেওঁলোকক পোনপটীয়াকৈ যাবলৈ দিয়ে। যদিহে এপালিহে প্ৰতিষেধক লৈছে তেনেহ'লে আৰ টি পি চি পৰীক্ষা কৰাৰ অন্ততহে ষ্টেচন এৰাৰ অনুমতি প্ৰদান কৰে। প্ৰশাসনৰ পদক্ষেপ এইক্ষেত্ৰত খুবেই কঠোৰ বুলি ক'ব লাগিব। এনেদৰে পৰীক্ষা কৰা আৰু ক'ভিড চাৰ্টিফিকেট চোৱা আদি কৰোতে প্ৰায় ৩০ মিনিট পাছতহে ষ্টেচনৰ পৰা ওলাব পাৰিলো। ১৮৯৮ চনত মহাৰাণা ৰাণাপ্ৰতাপ সিঙে প্ৰথমে জম্মুৰ শ্ৰীনগৰৰ স'তে সংযোগ কৰিবলৈ প্ৰচেষ্টা গ্ৰহণ কৰিছিল। কিন্তু সহযোগিতাৰ অভাৱ আৰু আন বহুতো কাৰণত এয়া সম্ভৱ হোৱা নাছিল। ২০০৫ চনৰ এপ্ৰিলত জম্মুৰ দিশৰ পৰা জম্মু-উধমপুৰ-শ্ৰীনগৰ বাৰামুল্লা ৰে'লপথৰ সংযোগ উধমপুৰ ৰে'ল ষ্টেচনলৈও সংযোগ কৰা হয়। ২০১২ চনত পিৰপঞ্জল ৰে'লৰে টানেল সম্পূৰ্ণ হৈ উঠে। ইয়াৰ পাছতে আৰম্ভ হয় পৰীক্ষামূলক যাত্ৰা। ২০১৪ চনৰ ৪ জুলাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ৰে'ল সংযোগ মুকলি কৰাৰ পাছতে বৈষ্ণোদেৱীৰ মন্দিৰলৈ যাত্ৰীসকল অহা-যোৱাৰ বাবে বহুতো উজু হৈ পৰিল। ষ্টেচনৰ পৰা পোনে পোনে পূৰ্বে বন্দোৱস্ত কৰি থোৱা হোৱাইট হোটেললৈ গ'লো। তাত মুখ-হাত ধুই পুৱাৰ আহাৰ গ্ৰহণ কৰি ৯ বজাত বৈষ্ণোদেৱী মন্দিৰলৈ

যাত্রা কৰিলো। তিনিমাহ পূৰ্বে বন্দোৱস্ত কৰি থোৱা হেলিকপ্টাৰত উঠিলো। হেলিপেডৰ পৰা মাত্ৰ ৩ মিনিটতে ওপৰলৈ উঠিব পাৰি। ছয়জনীয়া ছীট থকা হেলিকপ্টাৰত উঠা যাত্ৰী কেইগৰাকীক ভালদৰে চেনিটাইজ কৰি লোৱা হয়। মাজৰ যাত্ৰী দুজনক ক'ভিডৰ নিয়ম অনুসৰিয়ে পি পি ই কীট পৰিধান কৰিবলৈ দিয়া হয়। এই হেলিকপ্টাৰখনত গ'লে পাঁচ নম্বৰ গে'টেৰে মন্দিৰ দৰ্শন কৰিব লাগে। সচৰাচৰ শাৰী পাতিলে বহু সময়ৰ প্ৰয়োজন। যিহেতু এই হেলিকপ্টাৰ এখন ব'ৰ্ডৰ অধীনত চলাচল কৰে, সেয়েহে মন্দিৰ দৰ্শনৰ ক্ষেত্ৰতো বিশেষ লাভ কৰিব পাৰি। অৱশ্যে হেলিকপ্টাৰত গ'লে ২.৩০ ঘণ্টাৰ ভিতৰতে দৰ্শন কৰি হেলিপেডলৈ আহিব লাগে। কাৰণ নিৰ্দিষ্ট সময়ত যদি নাহে তেনেহ'লে হেলিকপ্টাৰত তললৈ নমাটো সম্ভৱ নহ'ব। হেলিপেডৰ পৰা ওপৰলৈ উঠি যি ঠাইত হেলিকপ্টাৰখন ৰখোৱা হয় তাৰ পৰা পুনৰ তিনি কিলোমিটাৰ পথ অতিক্ৰম কৰিব লাগে। আমি তিনি কিলোমিটাৰ পথৰ বাবে ঘোঁৰা ল'লো। অহা-যোৱা কৰিবলৈ আঠশ টকাৰ প্ৰয়োজন। আনহাতে হেলিকপ্টাৰত উঠা-নমা কৰোতে ৩৬০০ টকাৰ প্ৰয়োজন। এনে যাত্ৰা ব্যয়বহুল হোৱাৰ বাবে প্ৰায়সংখ্যক লোকে খোজ কাঢ়িয়েই ওপৰলৈ উঠে। তলৰ পৰা ওপৰলৈ ১৩ কিলোমিটাৰ পথ অতিক্ৰম কৰিব লাগে। কিছুমানে ঘোঁৰাৰে যায়। পাল্কিৰ ব্যৱস্থাও আছে যাত্ৰীসকলৰ বাবে। হেলিকপ্টাৰ সেৱা পুৱা সাত বজাৰ পৰা আবেলি পাঁচ বজালৈ উপলব্ধ। হেলিকপ্টাৰে নিৰ্দিষ্ট সময় বান্ধি দিয়াৰো কাৰণ আছে। কাৰণ দিনটো ঘূৰি একেসময়তে তললৈ নামিবলৈ বিচাৰিলে অঘটন ঘটাৰো সম্ভাৱনা আছে। শ্ৰীমাতা বৈষ্ণোদেৱী চাইন ব'ৰ্ডে এইক্ষেত্ৰত নিয়ম মানিবলৈ পৰোক্ষভাৱে কঠোৰ নিৰ্দেশ দি থয়। পূৰ্বৰ তুলনাত এতিয়া আৰু অধিক উন্নত যাতায়াত হৈছে। মাথোঁ শৃংখলাবদ্ধভাৱে সকলোৱে এইক্ষেত্ৰত আগবাঢ়িব লাগে। হেলিকপ্টাৰত উঠি যোৱাৰ লগে লগে স্বৰ্গপুৰী পোৱাৰ দৰে অনুভৱ হয়। ক'ভিড পৰিস্থিতিৰ পাছত এই এমাহতেই ইমান ভিৰ পৰিলক্ষিত হোৱাটোৱে প্ৰমাণ কৰে বৈষ্ণোদেৱী মন্দিৰ বিশ্বৰ বিভিন্ন প্ৰান্তৰ বহু লোকে বছৰৰ যিকোনো সময়ত এবাৰ হ'লেও দেৱীক দৰ্শন কৰিবলৈ আহে।

সাধাৰণতে দেৱীৰ মন্দিৰত উপস্থিত হোৱাৰ পাছত দীঘলীয়া শাৰীত থিয় দিব লাগে। বিশেষ ব্যৱস্থাৰ বাবে অৰ্থাৎ বিশেষ দ্বাৰেৰে প্ৰৱেশ কৰাই দেৱীক দৰ্শন কৰোৱায়। প্ৰতিগৰাকী দৰ্শনাৰ্থীয়ে আধা মিনিট সময় দেৱীক দৰ্শন কৰিবলৈ সুযোগ পায়। অৱশ্যে ব'ৰ্ডে তেনে কৰাৰো কাৰণ আছে। যদি ৩০-৩৫ হাজাৰ লোকে নিতৌ মন্দিৰ দৰ্শন কৰে তেনেহ'লে একাংশই মন্দিৰৰ ভিতৰলৈ সোমাব নোৱাৰিব। দৰ্শনাৰ্থীয়ে তলৰ পৰা ১৩ কিলোমিটাৰ পথ খোজকাঢ়ি ওপৰলৈ যে উঠি যায় সেয়া তালৈ নোযোৱাসকলে বুজি নাপাব। মন্দিৰ কৰ্তৃপক্ষই উক্ত ঠাইখিনি দৰ্শনাৰ্থীয়ে উপভোগ কৰিব পৰাকৈ সুন্দৰ ব্যৱস্থা কৰিছে।

অসমৰ কামাখ্যা মন্দিৰৰ দৰে তাতো অসংখ্য বান্দৰ আছে। বহুতো যাত্ৰীৰ হাতৰ পৰা প্ৰসাদ টানি নিয়ে। আনকি কেতিয়াবা গাত পৰি যোৱাৰ ফলত যাত্ৰী আহত হোৱাৰ উদাহৰণো আছে। বৈষ্ণোদেৱী মন্দিৰৰ লগতে বৃহত্তৰ অঞ্চলটোৰ বছৰি অভূতপূৰ্ব উন্নতি হোৱা দেখা পোৱা গ'ল। তাৰ তুলনাত আমাৰ কামাখ্যা মন্দিৰৰ উন্নতি অৰ্ধেকো হোৱা বুলিব নোৱাৰি।

জম্মুৰ ত্ৰিকূট পাহাৰত অৱস্থিত বৈষ্ণোদেৱী মন্দিৰটো হ'ল ১০৮খন মহাপীঠৰ অন্যতম। এই মন্দিৰলৈ কাত্ৰাৰ পৰা তিনিধৰণে যাব পাৰি। পূৰ্বৰ তুলনাত এতিয়া যাতায়াত ব্যৱস্থাৰ যথেষ্ট উন্নতি হৈছে। দৰাচলতে দিনক দিনে ভক্তৰ সংখ্যা বৃদ্ধি পোৱাৰ বাবে যাতায়াত ব্যৱস্থাৰ উন্নতি কৰিবলৈ বাধ্য হৈছে। হেলিকপ্টাৰৰো ব্যৱস্থা আছে। যিসকলে বেছি অৰ্থ ব্যয় কৰিব নোৱাৰে তেওঁলোকে খোজ কাঢ়িয়েই মন্দিৰলৈ যাত্ৰা কৰে। আনহাতে ঘোঁৰা আৰু পাল্কিৰেও মন্দিৰলৈ যাব পৰাটো সম্ভৱ হোৱাৰ বাবে দুৰ্বল লোকসকলে দৰ্শন কৰিব পাৰে। মন্দিৰ অৱস্থিত ত্ৰিকূট পাহাৰৰ সৌন্দৰ্য ইমানেই উপভোগ্য যে ইয়াক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। এই মন্দিৰটোৰ সমীপত থকা পুৰণি গুহা দৰ্শনৰ ব্যৱস্থাও আছে। অৱশ্যে এই গুহাটো বছৰৰ সকলো সময়তে খোলা নাথাকে। এক নিৰ্দিষ্ট সময়ৰ বাবেহে মুকলি থাকে। সেইবাবে সকলোৰে বাবে ইয়াক দৰ্শন কৰাৰ সৌভাগ্য নহ'বও পাৰে। মূল মন্দিৰটোৰ পৰা আঢ়ৈ কিলোমিটাৰ আঁতৰত আছে ভৈৰৱ মন্দিৰ। যিসকলে বৈষ্ণোদেৱী মন্দিৰটো দৰ্শন কৰি ভৈৰৱ মন্দিৰলৈ

নাযায় তেনেহ'লে দৰ্শন সম্পূৰ্ণ নহ'ব। ভৈৰৱনাথ নামৰ এজন স্বাৰ্থপৰ তান্ত্ৰিকে বৈষ্ণোদেৱীক দীপলিপ ছোৱালীৰ ৰূপত থাকোঁতে ত্ৰিকূট পাহাৰৰ শিখৰত আক্ৰমণ কৰিবলৈ উদ্যত হোৱাৰ সময়তে দেৱীয়ে মহাকালীৰ ৰূপ ধাৰণ কৰি ভৈৰৱৰ শিৰশ্চেছদ কৰিছিল বুলি জনশ্ৰুতি চলি আহিছে। মহাকালীয়ে ভৈৰৱৰ শিৰশ্চেছদ কৰাৰ পাছত মূৰটো য'ত ছিটিকি পৰিছিল সেই স্থানকে আজি ভৈৰৱঘাটি হিচাপে জনা যায়। ভৈৰৱে মোক্ষ লাভৰ বাবেহে দেৱীক স্পৰ্শ কৰিব খুজিছিল বুলি দেৱীয়ে জন্মিছিল। সেইবাবে দেৱীয়ে এইবুলি আশীৰ্বাদ দিছিল যে ভক্তই যেতিয়া বৈষ্ণোদেৱী মন্দিৰ দৰ্শন কৰিবলৈ আহিব তেতিয়া ভৈৰৱমন্দিৰো দৰ্শন কৰিব। জনশ্ৰুতি মতে, আজিও ভক্তসকলে সেইবাবেই দুয়োটা মন্দিৰ একেলগে দৰ্শন কৰে। বৈষ্ণোদেৱীৰ মন্দিৰটো যেন প্ৰকৃতিদেৱীয়ে একেলগে থূপ খাই থকা সৌন্দৰ্যৰ মাজতহে প্ৰতিষ্ঠা কৰিছিল।

# পৰ্যটকক আকৰ্ষণৰ কৌশল

অসমত পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা আছে। আহোমৰ কীৰ্তিচিহ্নৰ পৰা আৰম্ভ কৰি মঠ-মন্দিৰ, ঐতিহাসিক স্থান আৰু প্ৰকৃতিৰ মনোৰম দৃশ্যৰে ভৰপূৰ অসমত এইবোৰক লৈ যিমান প্ৰচাৰ আৰু প্ৰসাৰ হ'ব লাগিছিল এতিয়ালৈকে তাৰ অৰ্ধেকো হোৱা নাই। শেহতীয়াভাৱে চৰকাৰে এইক্ষেত্ৰত বহুতো পদক্ষেপ গ্ৰহণ কৰিছে যদিও বৰ্তমানলৈকে অসম সম্পৰ্কে দেশী-বিদেশী পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ প্ৰস্তুত কৰা হোৱা নাই সম্পূৰ্ণ ট্যুৰিষ্ট গাইড।

অসম শক্তিপীঠৰ স্থান হিচাপে দেশ-বিদেশত এক সুনাম আছে। শ্ৰীশ্ৰী মা কামাখ্যাৰ উপৰি জাগ্ৰত দেৱীৰ কে'বাখনো পীঠ আছে। সাধাৰণতে বিদেশী পৰ্যটকসকলে কামাখ্যা মন্দিৰ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, মানাহ ৰাষ্ট্ৰীয় উদ্যান, ৰংঘৰ, তলাতল ঘৰ আদি দৰ্শনৰ বাবে আহে। পিছে এইবোৰ স্থানলৈ ক'ৰ পৰা কেনেকৈ যাব পাৰি আৰু যাতায়াতৰ কেনে সা-সুবিধা আছে সেই বিষয়ে উপযুক্ত আৰু সঠিকভাৱে নজনাৰ বাবে বহু সময়ত পৰ্যটকে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। চৰকাৰে যদি পৰ্যটন

বিভাগৰ জৰিয়তে কামাখ্যালৈ অহা-যোৱা কৰা পথ, সা-সুবিধা আদি সম্পৰ্কে সামাজিক মাধ্যম, ইণ্টাৰনেট আদিৰ জৰিয়তে সবিশেষ প্ৰকাশ কৰে তেনেহ'লে নিশ্চয় পৰ্যটকৰ সংখ্যাও বৃদ্ধি পাব। চৰকাৰে যদি কামাখ্যা মন্দিৰলৈ অহা-যোৱা, থকা-মেলা, ঘূৰা-ফুৰা আৰু খৰচৰ পেকেজ উল্লেখ কৰি পৰ্যটকৰ বাবে ৱেবছাইট খুলি প্ৰচাৰ কৰে তেনেহ'লে নিশ্চয় চৰকাৰৰ ৰাজহো বৃদ্ধি পাব। তদুপৰি স্থানীয় যুৱক-যুৱতীৰ সংস্থাপনৰ বাবে চৰকাৰে পৰ্যটন বিভাগৰ জৰিয়তে বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানক এনে দায়িত্ব লাভৰ সুযোগ দিব পাৰে। পৰ্যটনৰ স'তে জড়িত বেচৰকাৰী সংস্থাই এনে সুযোগ লাভ কৰিলে নিশ্চয় ইয়াৰ গতিও বৃদ্ধি পাব। পৰ্যটনৰ গতি মন্থৰ হোৱাৰ লগতে পৰ্যটকসকলেও সমস্যাৰ সন্মুখীন নোহোৱাকৈয়ে ভ্ৰমণ কৰিব পাৰিব। কামাখ্যা হ'ল পৰ্যটকৰ আকৰ্ষণৰ অন্যতম কেন্দ্ৰ। সেইবাবে পৰ্যটকৰ বাবে সকলো সা-সুবিধা থকা উচিত। পিছে বৰঝাৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানকোঠত অৱতৰণ কৰাৰ পাছত বিমানৰ পৰা নামি ক'লৈ যাব, ক'ত থাকিব, কিমান ব্যয় হ'ব সেই বিষয়ে কোনো নিৰ্দেশনা বা পেকেজ নথকাৰ বাবে বহুতে সমস্যাৰ সন্মুখীন হয়। যদি নীলাচল পাহাৰত পৰ্যটকৰ বাবে বিশেষ ব্যৱস্থা থাকে তেনেহ'লে নিশ্চয় দেশী-বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধি হ'ব। তদুপৰি মা কামাখ্যা মন্দিৰ দৰ্শনৰ বাবে ইচ্ছা থাকিলেও বহুতে ইয়ালৈ আহিবলৈ সুযোগ-সুবিধা নাপায়। ধন অথবা শাৰীৰিকভাৱে সক্ষম নোহোৱাৰ বাবেও আহিব নোৱাৰে যদিও মা কামাখ্যাৰ 'প্ৰসাদ' প্ৰেৰণৰ ব্যৱস্থা কৰা হয় তেনেহ'লে ইয়াৰ দ্বাৰা বহুতো ভক্তৰ মনোবাঞ্ছা পূৰণ হ'ব। যদি অনলাইনযোগে প্ৰসাদ বুকিঙৰ ব্যৱস্থা কৰিলে মন্দিৰ পৰিচালনা কমিটী আৰ্থিকভাৱে লাভৱান হ'ব। এইক্ষেত্ৰত মন্দিৰৰ বিশেষ প্ৰসাদৰ ব্যৱস্থা কৰিব লাগে। দেশৰ বিভিন্ন মন্দিৰত এনে ব্যৱস্থা কৰাৰ বাবে ভক্তৰ লগতে আন বহুতো উপকৃত হৈছে।

কামাখ্যা মন্দিৰ দৰ্শনৰ পাছত পৰ্যটকজন ক'লৈ যাব পাৰিব সেই বিষয়েও পৰ্যটকজনে জানিব পাৰিলে ভাল। শিৱসাগৰৰ শিৱদৌল, জয়দৌল, ৰংঘৰ, তলাতল ঘৰ, বিভিন্ন ঠাইত স্থাপিত মৈদাম, গোলাঘাটৰ দেওপানী, তিনিচুকীয়াৰ টিলিঙা মন্দিৰ আদিৰ উপৰি কাৰ্বি আংলং পাহাৰৰ নৈসৰ্গিক

দৃশ্য উপভোগ কৰিবলৈ গুৱাহাটীৰ পৰা ক'লৈ কেনেকৈ যাব পাৰি তাৰ সু-ব্যৱস্থা কৰিব পাৰে পৰ্যটন বিভাগে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱাৰ লগতে সৰু সৰু ঠাইবোৰ ভ্ৰমণ কৰাবলৈ যদি পেকেজ নিৰ্দিষ্ট কৰি পৰ্যটন বিভাগ অথবা বিভাগৰ অধীনত বেচৰকাৰী অনুষ্ঠানক সুযোগ দিয়ে (তাৰ পৰা চৰকাৰে ৰাজহ সংগ্ৰহৰ ব্যৱস্থা থাকিব) নিশ্চয় সুফল লাভ কৰিব।

নামনি অসমতো বহুতো ঐতিহাসিক সম্বল আছে। মদন কামদেৱ, বৰপেটাৰ কীৰ্ত্তনঘৰ, গোৱালপাৰাৰ ৰাজহাউলী, সূৰ্য পাহাৰ মন্দিৰ দৰ্শনৰ বাবেও ব্যৱস্থা থাকিলে নিশ্চয় পৰ্যটকৰ সংখ্যা বৃদ্ধি পোৱাৰ লগতে ৰাজহো সংগ্ৰহ হ'ব। তদুপৰি স্থানীয় যুৱক-যুৱতীয়ে পৰোক্ষভাৱে সংস্থাপনৰ পথো বিচাৰি উলিয়াব পাৰিব।

অসমৰ কোনখন ঠাইৰ নৈসৰ্গিক দৃশ্যই পৰ্যটকক আকৰ্ষণ কৰিব পাৰিব সেইবোৰৰ বিষয়ে ইণ্টাৰনেটত সবিশেষ ফটোসমূহ উপলব্ধ কৰালেও নিশ্চয় সুফল পাব। ইয়াৰ বাবে প্ৰয়োজন মাথোঁ বহল দৃষ্টিভংগীৰ। পৰ্যটকক মাতিলে ভ্ৰমণলৈ অহাৰ ধাৰণা সলনি কৰিবৰ হ'ল। হাত বাউলি মাতিলে পৰ্যটক আহিব বুলি ভবাতকৈ তেওঁলোকক অসমলৈ আহিবলৈ বাধ্য কৰোৱাৰ পৰিৱেশ সৃষ্টি কৰিব লাগিব। ইয়াৰ বাবে উপযুক্ত পৰিকল্পনা আৰু প্ৰগতিশীল মনোভাবৰ প্ৰয়োজন।

গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজত কৰা ৰ'প-ৱেৰ ব্যৱস্থা সম্পৰ্কে এতিয়াও বহুতেই জ্ঞাত নহয়। উত্তৰ গুৱাহাটীত থকা মঠ-মন্দিৰসমূহো পৰ্যটকক আকৰ্ষণ কৰিব পৰা উৎস। তদুপৰি নদীৰ পাৰে পাৰে যদি কামাখ্যাৰ পৰা চূনচালি পাহাৰৰ ওচৰলৈকে 'ফুট ব্ৰীজ'সদৃশ সৰু সৰু দলং নিৰ্মাণ কৰি প্ৰৱেশ কৰাৰ বিনিময়ত পৰ্যটকৰ পৰা ধন সংগ্ৰহ কৰিলেও সংশ্লিষ্ট কৰ্তৃপক্ষই পৰৱৰ্তী পৰ্যায়ত ইয়াক অধিক সুন্দৰ কৰিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰিব। মাজুলীৰ সৌন্দৰ্য উপভোগ কৰিবলৈ সকলোকে হাত বাউলি মাতে। তেজপুৰৰ মহাভৈৰৱ, অগ্নিগড়ক লৈ আমি কেৱল গৌৰৱ কৰিলেই নহ'ব— বিদেশী পৰ্যটকক আকৰ্ষিত কৰিবলৈ ল'ব লাগিব পদক্ষেপ।

# প্ৰতিটো কথাতে
# বিৰোধে দেশৰ ক্ষতি কৰে

ভাৰতত ক'ভিড- ১৯ৰ প্ৰতিষেধক প্ৰদানৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপত এতিয়া বিশ্ববাসীৰ দৃষ্টি নিবদ্ধ হৈছে। কাৰণ ১৭ ছেপ্টেম্বৰৰ দিনটোতে সমগ্ৰ দেশতে ২.৫০ কোটি লোকক প্ৰতিষেধক প্ৰদান কৰি ভাৰতে বিশ্ব অভিলেখ গঢ়িলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ স'তে সংগতি ৰাখি আয়োজন কৰা মেগা প্ৰতিষেধক প্ৰদান কাৰ্যসূচী সফল হোৱা বুলি কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মানসুখ এল মানডাভিয়াই ঘোষণা কৰাৰ পাছতে ভাৰতে গঢ়িলে বিশ্ব অভিলেখ। ইয়াৰ পূৰ্বে এদিনতে ১.২৫ লাখ লোকক ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদানৰ অভিলেখ আছিল চীনৰ। ভাৰতত প্ৰথম ৮৫ দিনত ১০ কোটি লোকক প্ৰতিষেধক প্ৰদান কৰিছিল। ২০ কোটিৰ ঘৰ প্ৰৱেশ কৰিবলৈ প্ৰয়োজন হ'ল ৪৫ দিনৰ। আনহাতে ২৯ দিনত ৫০ কোটি লোকক প্ৰতিষেধক প্ৰদান কৰাৰ

বিপৰীতে শেহতীয়াভাৱে শুকুৰবাৰ (১৭ ছেপ্টেম্বৰ)ৰ দিনটোৰ আগলৈ ১৩ দিনত ৭০ কোটিয়ে এনে সুযোগ লাভ কৰিবলৈ সক্ষম হয়। আনহাতে ১৭ ছেপ্টেম্বৰত মাত্ৰ এদিনতে ২.৫০ কোটি লোকক প্ৰতিষেধক প্ৰদানৰ দ্বাৰা কেৱল বিশ্ব অভিলেখেই নহয়— দেশৰ জনগণৰ মনত আশাৰ সঞ্চাৰো কৰিছে।

যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে এই দিনটোত ইমানসংখ্যক প্ৰতিষেধক প্ৰদান কৰা হ'ল— এয়া পিছে কোনো দলীয় কাৰ্যসূচী নাছিল। বিশ্ব অভিলেখেৰে প্ৰতিষেধক প্ৰদান কৰা চৰকাৰী কাৰ্যসূচীহে আছিল। বহুতে এয়া বিজেপিৰ এজেণ্ডা বুলি ভাবি অসহযোগ কৰিছে। এয়া ভাল কথা নহয়। যদিও বিজেপিয়ে প্ৰধানমন্ত্ৰীৰ জন্মদিনৰ স'তে বিভিন্ন সামাজিক কাৰ্যসূচী ৰূপায়ণ কৰিছে, তথাপি একাংশ নাগৰিকে ভুল ভাবি প্ৰতিষেধক কাৰ্যসূচীও দলীয় কাৰ্য বুলি সন্দেহ কৰি প্ৰতিষেধক লোৱাৰ পৰা আঁতৰি আছে। তদুপৰি যিবোৰ ৰাজ্যত বিজেপি চৰকাৰ নাই সেইবোৰত কালিও আনদিনাৰ দৰেই প্ৰতিষেধক দিয়া হৈছিল। ৰাজ্যসমূহে কেন্দ্ৰৰ আহ্বানৰ প্ৰতি আওকণীয়া মনোভাৱ গ্ৰহণ কৰাটোৱে এটা কথা স্পষ্ট কৰিছে যে ভাইৰাছবিধৰ বিৰুদ্ধে নহয়— কেন্দ্ৰীয় চৰকাৰৰহে বিৰুদ্ধাচৰণ কৰিছে। পিছে ক'ভিড- ১৯ত আক্ৰান্তৰ সংখ্যা আৰু মৃত্যু হোৱাৰ পৰিসংখ্যা ক্ৰমাৎ ঊৰ্দ্ধগামী হোৱাৰ পাছতো কেইখনমান ৰাজ্যই কেৱল কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰধানমন্ত্ৰী মোদীৰ বিৰুদ্ধাচৰণ কৰিবলৈ গৈ জনসাধাৰণক ভুল পথে পৰিচালিত কৰিছে। সেই ৰাজ্যসমূহৰ চৰকাৰে এনে এক মনোভাৱ দেখুৱাইছে যেন ভাইৰাছবিধে বিচাৰি বিচাৰি লোকক আক্ৰমণ কৰে। এটা দলৰ লোকক আক্ৰমণ কৰিলেও আনটো দলৰ লোকক নকৰিব। সমগ্ৰ বিশ্বতে যিসময়ত প্ৰতিষেধক প্ৰদানত গুৰুত্ব প্ৰদান কৰা হৈছে সেই সময়ত ভাৰতত প্ৰতিষেধকক লৈ একাংশ দলৰ নেতাই ৰাজনীতি আৰম্ভ কৰিছে। তেনে দলে প্ৰতিষেধক নিদিলেও ক'ব যে চৰকাৰে গুৰুত্ব প্ৰদান কৰা নাই। আনহাতে চৰকাৰে পদক্ষেপ ল'লেও কয়— এয়া চৰকাৰৰ সাফল্যৰ ঢোল বজাবলৈ গ্ৰহণ কৰা পদক্ষেপ। আনকি অভিলেখ গঢ়াৰ বাবেও তেওঁলোক সুখী নহয়। এনে কৰাটো উচিত হৈছে জানো?

ক'ভিড- ১৯ৰ বিৰুদ্ধে চৰকাৰে দিয়া যুঁজখনক সকলোৱে সমৰ্থন আৰু সহযোগ কৰিবই লাগিব। তদুপৰি প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে যদি চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰে তেনেহ'লে সেয়া ৰাজনীতিৰ দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে নহ'ব। কাৰণ প্ৰধানমন্ত্ৰী পদটোক দেশৰ অন্যতম সন্মানীয় পদ হিচাপে গণ্য কৰা হয়। সেইখন আসনত যিকোনো ব্যক্তি উপবিষ্ট হ'ব পাৰে। তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱাটো দেশৰ নাগৰিকৰ কৰ্তব্য। ইয়াত কোন দলৰ পৰা নিৰ্বাচিত হৈছে সেয়া বিচাৰ কৰাৰ যুক্তি থাকিব নোৱাৰে। কাৰণ প্ৰধানমন্ত্ৰীয়ে যেতিয়া কোনো আঁচনি গ্ৰহণ কৰে তেতিয়া তেওঁ দেশৰ জনগণৰ বাবে কৰে। তাত বিৰোধী দল, বিশেষ শ্ৰেণীক বঞ্চিত নকৰে। ভাৰতীয় নাগৰিক হিচাপে সকলোৱে অধিকাৰ সাব্যস্ত কৰিব পাৰে। সকলো আঁচনিৰ পৰা সুযোগ ল'ব পাৰে। কোনো ৰাজ্যত বিৰোধী দল থাকিলে যে প্ৰধানমন্ত্ৰীৰ আহ্বানক আওকাণ কৰিব লাগিব তেনে কোনো ধৰা-বন্ধা কথা নাই। য'ত দেশৰ জনগণৰ জীৱন ৰক্ষা, দেশৰ স্বাৰ্থ জড়িত হৈ থাকে তাত বিৰুদ্ধাচৰণৰ নামত বিৰোধ কৰাটোৱে জনমানসত বিৰূপ প্ৰভাৱ পেলাব। জীৱন ৰক্ষাৰ বাবে সকলোৱে প্ৰতিষেধক লোৱাৰ অধিকাৰ আছে। সেই অধিকাৰৰ পৰা বঞ্চিত কৰা উচিত নহয়। এয়াই গণতন্ত্ৰৰ ধৰ্ম।

# সৌন্দৰ্যবোধ, ঘাইপথৰ দুৰৱস্থা আৰু কিছু প্ৰাসংগিক চিন্তা

১.

অসমত ঐতিহাসিক সমলৰ অভাৱ নাই। অভাৱ মাথোন এইবোৰৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ। ইয়াৰ বাবে সময়ে সময়ে দাবী উত্থাপন কৰি অহা হৈছে। বিভিন্ন দল-সংগঠন আদিয়ে আনকি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। ইমানৰ পাছতো বহুতো সমল কালৰ সোঁতত বিলীন হ'ল। এইবোৰক কেৱল ইতিহাসৰ পৃষ্ঠাতহে পঢ়িবলৈ পোৱা যায়। শ শ বছৰজোৰা আহোমৰ কীৰ্তিচিহ্নসমূহৰ ক্ষেত্ৰতো একেই ছবি ফুটি উঠিছে। বিগত সময়ছোৱাত চৰকাৰে এইবোৰৰ সংৰক্ষণ আৰু সৌন্দৰ্যবোধৰ বাবে পদক্ষেপ গ্ৰহণ কৰা বুলি দাবী কৰি আহিলেও বাস্তৱত অৱশ্যে ইয়াৰ প্ৰকৃত ছবিখন বিচাৰি পাবলৈ নাই। কেইদিনমানৰ পূৰ্বে শিৱসাগৰলৈ যাওঁতে

শিৱদৌললৈ গ'লো। ইয়াৰ আগতেও গৈছো ঐতিহাসিক ক্ষেত্ৰখনলৈ। পিছে শিৱদৌলৰ সৌন্দৰ্য বৰ্ধনৰ ক্ষেত্ৰত যেন আজিও গতি ল'ব পৰা নাই। কাৰণ কেইবছৰমান পূৰ্বে অনুষ্ঠিত আন্তৰ্জাতিক শিৱ মহোৎসৱৰ সময়ত যিখিনি সৌন্দৰ্য বৰ্ধন কৰা হৈছিল এতিয়াও তেনেদৰেই আছে। আন্তৰ্জাতিক ক্ষেত্ৰত শিৱদৌলে যি প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিব লাগিছিল তাৰ অৰ্ধেকো হোৱা নাই। ইয়াৰ কাৰণ কি সেয়া বিশ্লেষণ হয়তো ভালদৰে নোহোৱাৰ বাবেই আজি এই পৰ্যায়তে আছে। যিসময়ত বিশ্বৰ বিভিন্ন দেশত ঐতিহাসিক সমলসমূহ সংৰক্ষণ কৰি দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰি চৰকাৰে ধন সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে তেনে সময়ত শিৱদৌলে আন্তৰ্জাতিক পৰ্যায়ত উপনীত হ'ব পৰাকৈ উপযুক্ত কৰি তোলা হোৱা নাই। শিৱদৌল, বিষ্ণুদৌল আৰু দেৱীদৌলৰ নাম শুনিলেই প্ৰতিগৰাকী অসমবাসীৰ বুকু উফন্দি উঠে। কাৰণ ইয়াক কেন্দ্ৰ কৰিয়ে শিৱসাগৰলৈ দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটে। পিছে বিদেশী পৰ্যটকসকলে ইয়ালৈ আহি ঐতিহাসিক সমল প্ৰত্যক্ষ কৰে যদিও প্ৰকৃত সৌন্দৰ্য উপভোগৰ পৰা বঞ্চিত হৈ আহিছে। শিৱদৌলৰ সমীপৰ বিষ্ণুদৌলৰ কাষতে থকা আৱৰ্জনাৰ দ'মসমূহে স্বচ্ছ ভাৰতৰ বিপৰীত ছবি এখন প্ৰকট কৰিছে। যিসময়ত সমগ্ৰ দেশত স্বচ্ছ ভাৰত অভিযান তীব্ৰতৰ কৰি তোলা হৈছে তেনে সময়তো বিষ্ণুদৌলৰ সমীপত থকা জাবৰ-জোঁথৰৰ দ'ম, পুৰণা ঘৰৰ অৱশিষ্ট আদিয়ে পৰ্যটকৰ মনত নিশ্চয় বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ক'ভিডকালীন পৰিস্থিতিৰ বাবে এতিয়া যদিও পৰ্যটকৰ ভিৰ কমিছে, তথাপি এই সময়তে যদি সৌন্দৰ্য বৰ্ধনৰ বাবে দ্ৰুত পদক্ষেপ গ্ৰহণ কৰিলে ভৱিষ্যতৰ বাবে নিশ্চয় চৰকাৰৰ আয়ৰ উৎস বৃদ্ধি পালেহেঁতেন। আমি শিৱদৌলত প্ৰৱেশ কৰোতে দৌলৰ কৰ্মকৰ্তাই আমাৰ ক'ভিড প্ৰতিষেধক লোৱাৰ প্ৰমাণপত্ৰ পৰীক্ষা কৰে। এয়া সঁচাকৈয়ে এক আদৰণীয় পদক্ষেপ। কাৰণ ক'ভিড আতংকৰ মাজতো আমি উন্নয়নৰ গতি মন্থৰ কৰিব নোৱাৰিম। কাৰণ ভৱিষ্যতে এখন সমৃদ্ধিশালী ৰাজ্য গঢ়ি তুলিবলৈ আতংকৰ মাজতেই সকলোবোৰ কাৰ্যও ক'ভিড নিয়ম মানি আগবঢ়াই নিব লাগিব। পুৰাতত্ত্ব বিভাগ আৰু প্ৰশাসনেও শিৱদৌলৰ সৌন্দৰ্য

ৰক্ষাৰ ক্ষেত্ৰত অধিক পদক্ষেপ গ্ৰহণ কৰক। তেতিয়া প্ৰশাসন আৰু পুৰাতত্ব বিভাগেও কৃতিত্ব লাভ কৰিব পাৰিব।

২.

গোলাঘাটৰ সৌন্দৰ্য আকৌ সুকীয়া। পূৰ্বৰ তুলনাত এই চহৰখন অধিক সুন্দৰ হৈছে। ৰাস্তা-ঘাটো বেছ পৰিষ্কাৰ। যাতায়াতৰ বাবে অতি সুচল হৈ আছে। দেৰগাঁও হৈ গোলাঘাটলৈ যাওঁতে দেৰগাঁৰৰ কিছু অংশ পথত যাতায়াতত সমস্যাৰ সৃষ্টি হৈছে যদিও সামগ্ৰিকভাৱে উন্নত বুলিয়ে ক'ব পাৰি। গোলাঘাট চহৰখন পূৰ্বৰ তুলনাত পৰিষ্কাৰ আৰু পৰিকল্পনাসন্মত হৈছে। প্ৰশাসন তথা পৌৰসভাৰ ভূমিকাও শলাগিবলগীয়া। এই চহৰখনৰ গুৰুত্বও আছে। আমি যাওঁতে যান-জঁটৰ খুব সমস্যা নাপালো। গতিকে সৌন্দৰ্য বৰ্ধনৰ বাবে যে স্থানীয় লোকৰ লগতে স্থানীয় প্ৰশাসনৰ গুৰুত্ব অপৰিসীম সেয়া গোলাঘাট চহৰেই প্ৰমাণ কৰিছে। চৰকাৰে উন্নয়নৰ বাবে কেৱল ধন দিলেই নহ'ব। ইয়াৰ উপযুক্ত ব্যৱহাৰো হ'ব লাগিব। সি যিনহওক, আমি গোলাঘাটৰ পৰা নুমলীগড় শোধনাগাৰৰ পথেদি আগবঢ়াৰ সময়ত পথো সুন্দৰ দেখিলো। পথৰ দুয়োফালে থকা গছবোৰে এই পথটোৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। পথৰ দুয়োফালে থকা চাহ বাগিচা আৰু ধুনীয়া ধুনীয়া গছ-গছনিৰে সৌন্দৰ্য সোণত সুৰগা কৰিছে। পথৰ মাজেদি গৈ থাকিলে বহিঃৰাজ্যৰ মাজেদি গৈ থকা যেন অনুভৱ হয়। ইমানবোৰ পৰ্যটনৰ সমল থকাৰ পাছতো আমাৰ ৰাজ্যখনত পৰ্যটনৰ ক্ষেত্ৰত কিয় পিছ পৰি আছ সেয়া এক চিন্তনীয় বিষয়।

৩.

চাৰি শাখাযুক্ত পথ নিৰ্মাণৰ কাম চলি আছে। শিৱসাগৰৰ পৰা এই চাৰিশাখাযুক্ত পথেৰে আহোতে কেইটামান বিষয় মনলৈ আহে। প্ৰথমতে, ঘাইপথসমূহ যিহেতু মাজে মাজে সম্পূৰ্ণ হৈছে, সেয়ে যাতায়াতৰ সমস্যাৰ সৃষ্টি হৈছে। বিশেষকৈ, তিনি-চাৰি কিলোমিটাৰ আঁতৰত যেতিয়া নিৰ্মাণ শেষ হৈছে তেতিয়া উক্ত পথৰ মূৰত সৃষ্টি হৈছে একো একোটা প্ৰচণ্ড

গাঁত। নিশা ঘাইপথত দ্ৰুতগতিত বাহন চলালে হঠাতে পোৱা এনে গাঁত আদিৰ বাবে বাহনৰ গতি মন্থৰ কৰাই নহয়— দুৰ্ঘটনাৰ শংকাও বৃদ্ধি কৰিছে। দ্বিতীয়তে, যিবোৰ ঠাইত ঘাইপথ নিৰ্মাণ হৈছে সেইবোৰত আজিও সৌন্দৰ্য বৰ্ধনৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। আনকি সৌন্দৰ্য বৰ্ধনৰ নামত গছ এডালো ৰোৱা চকুত নপৰিল। তৃতীয়তে, টোলগেটসমূহৰ আশে-পাশেও নাই কোনো সৌন্দৰ্যবোধৰ উৎস। টোলগেটত যিহেতু সকলোৱে ধন ভৰিব লাগে, সেয়েহে এইক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰাৰো প্ৰয়োজন আহি পৰিছে। অৱশ্যে ইয়াৰ মাজতে ৰহা আৰু জাগীৰোডৰ মাজত কৃষ্ণচূড়া, ৰাধাচূড়া আদিয়ে সৌন্দৰ্য বৰ্ধন কৰা বুলি ক'বই লাগিব। চতুৰ্থতে, এটা কথা দেখা পালো যে পথত সাংকেতিক চিহ্নসমূহ এতিয়াও স্পষ্ট হোৱা নাই। কিছুমান ঠাইত আনকি সাংকেতিক চিহ্ন বা পথ বিভাজক আদিত চাইনবৰ্ড আছে যদিও জংঘল আদিৰ বাবে দেখা পোৱা নাযায়। তদুপৰি নিশা ৰেডিয়েচন চিহ্নৰ খুব প্ৰয়োজন হৈছে। দিনৰ যাতায়াতত এনেদৰে চলিলেও নিশাৰ যাতায়াতত খুবেই সমস্যাৰ সৃষ্টি কৰিছে। এইক্ষেত্ৰত পৰিবহণ মন্ত্ৰীয়ে বিশেষ পদক্ষেপ ল'ব বুলি আশা কৰিলো।

# সংকল্প গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৭৫সংখ্যক স্বাধীনতা দিৱসত ৰাজ্যবাসীৰ বাবে দিয়া ভাষণত দহটা সংকল্পৰ কথা উল্লেখ কৰিছে। অসমৰ ৰাজনৈতিক ইতিহাসত স্বাধীনতা দিৱসৰ ভাষণত মুখ্যমন্ত্ৰীয়ে ৰাজ্যবাসীক এনেদৰে দহটা সংকল্পৰ বাবে আহ্বান জনোৱা ঘটনা এয়াই প্ৰথম। গতানুগতিক ভাষণ আওৰাই থকাৰ পৰিৱৰ্তে এনেদৰে দহটা সংকল্পৰ বাবে ৰাজ্যবাসীক আহ্বান জনোৱা কাৰ্যৰে পৰোক্ষভাৱে ৰাজ্যখনক দেশৰ শীৰ্ষ পাঁচখন ৰাজ্যৰ ভিতৰত স্থান লোৱাৰ দিশে আগবঢ়াৰ ক্ষেত্ৰত এখোপ সহায় কৰাটোকে প্ৰতিফলিত কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই যিকেইটা সংকল্পৰ কথা উল্লেখ কৰিছে সেয়া যদি সকলোৱে পালন কৰে তেনেহ'লে ৰাজ্যখনত কৰ্মসংস্কৃতিৰ পৰা আৰম্ভ কৰি সংস্কৃতিৰ বিকাশ, স্বাভিমান

ৰক্ষা, কন্যা সন্তানৰ সুৰক্ষা, কৰ্ম সম্পাদনৰ প্ৰতি সজাগ-সতৰ্ক হোৱা, ড্ৰাগ্‌ছ আদিৰপৰা সমাজখনক ৰক্ষা কৰা আৰু মানৱ সৰবৰাহ আদি প্ৰতিহত হ'ব। বৃদ্ধ পিতৃ-মাতৃয়ে সন্তানৰ মৰম-শ্ৰদ্ধা-ভক্তি ভাবৰ মাজতে চকু মুদিব পাৰিব।

কৰ্মসংস্কৃতি হ'ল এটা জাতিৰ উন্নতিৰ শিপা। প্ৰতিগৰাকী চৰকাৰী কৰ্মচাৰীয়ে যদি নিজৰ নিজৰ কাৰ্য সম্পাদন কৰাৰ উপৰি এঘণ্টা অতিৰিক্তভাৱে কাম কৰে তেনেহ'লে ৰাজ্যখনৰ সকলোবোৰ কাম সোনকালে সম্পাদিত হ'ব। অসমৰ প্ৰতি থকা বহিঃৰাজ্যৰ লোকসকলৰ মনত যি 'লাহে লাহে ৰাজ্য' বুলি ধাৰণা আছে তাৰো পৰিৱৰ্তন হ'ব। প্ৰায়ভাগ চৰকাৰী কাৰ্যালয়লৈ বিশেষ কামৰ বাবে যাবলগীয়া হ'লে ইমানেই তাঁতবাটি কাঢ়িব লাগে যে অৱশেষত বিৰক্ত হৈ কামটোৰ আশা বাদ দিয়া হয়। তদুপৰি কিছুমান কাৰ্যালয়ত বিষয়া-কৰ্মচাৰীৰ টেবুলত থকা ফাইলত মকৰাজাল ধৰাৰ উপৰি ধূলি-মাকতিয়ে ভৰি পৰে। কাৰণ এনে বিষয়া-কৰ্মচাৰীৰ মূল লক্ষ্য কেনেবাকৈ নিৰ্দিষ্ট সময় কটাই ঘৰলৈ যোৱাটোহে। নিৰ্দিষ্ট সময়তকৈ এঘণ্টা বেছিকৈ কাম কৰা মানে পিছদিনাৰ এঘণ্টা কাম আগুৱাই থাকে। এনেকৈ এঘণ্টাকৈ বেছি কাম কৰিলে বছৰটোৰ ভিতৰত কমেও একোজন বিষয়া-কৰ্মচাৰীৰ তিনিশ ঘণ্টা আগবাঢ়ি থাকিব।

মহাপুৰুষৰ তিথি মানে চৰকাৰী বন্ধৰ ধাৰণাটো এতিয়া সলনি কৰিব লাগে বুলি মুখ্যমন্ত্ৰীয়ে ৰাজ্যবাসীক আহ্বান জনাইছে। এয়া নিঃসন্দেহে আদৰণীয় বিষয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰী মাধৱদেৱ আদিৰ আৱিৰ্ভাৱ আৰু তিৰোভাৱ তিথি চৰকাৰী বন্ধ হিচাপে উপভোগ কৰাৰ সলনি যদি চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান আদিত পালন কৰিলে নৱপ্ৰজন্মও এনে উৎসৱ পালনৰ প্ৰতি আগ্ৰহী হ'ব। মুখ্যমন্ত্ৰীৰ ভাষণৰ আঁত ধৰি কওঁ যে ইয়াৰ জৰিয়তে শৃংখলাবদ্ধভাৱে আগবাঢ়ি যোৱাৰ পথো প্ৰশস্ত হ'ব।

ভাৰতীয় পৰম্পৰা আৰু আদৰ্শত পিতৃ-মাতৃক দেৱ-দেৱীৰ শাৰীত স্থান দিয়া হয়। শ্ৰৱণ কুমাৰৰ পিতৃ-মাতৃৰ প্ৰতি থকা ভক্তিৰ কথা আজিও সকলোৱে কয়। অন্ধ পিতৃ-মাতৃক ভাৰ-পাচিত তুলি তীৰ্থস্থানলৈ নিয়াৰ কথা সোণোৱালী আখৰেৰে জিলিকি আছে। গতিকে এনে এখন দেশত

বৃদ্ধাশ্ৰমৰ প্ৰয়োজন আছে জানো? চৰকাৰে বছৰত সাতদিন চাকৰিয়ালক ছুটী দিব পিতৃ-মাতৃক সেৱা-শুশ্ৰূষা কৰিবলৈ। ব্যৱসায়-বাণিজ্যত নিয়োজিতসকলকো মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে বছৰত মাত্ৰ সাতদিন সময় পিতৃ-মাতৃৰ বাবে ব্যয় কৰক। পিতৃ-মাতৃয়ে অন্ততঃ নিঃসংগ অনুভৱ নকৰিব। আজিকালি বয়স্ক লোকসকলে নিঃসংগ জীৱন যাপন কৰিবলৈ বাধ্য হৈছে একমাত্ৰ পুত্ৰ-কন্যাৰ দ্বাৰা অৱহেলিত হৈ। ৰাজপথত নিশা বৃদ্ধ পিতৃ-মাতৃক অসহায় অৱস্থাত এৰি যোৱা সন্তানো এইখন ৰাজ্যতে আছে। পিতৃ-মাতৃক বোজা বুলি ভবা এইসকল সন্তানে হয়তো এবাৰো ভাবি নাচায় যে তেওঁলোকো এদিন বৃদ্ধ হৈ বৃদ্ধাশ্ৰমলৈ যাব লাগিব। অসমত এতিয়া বৃদ্ধাশ্ৰমৰ সংখ্যা বৃদ্ধি পোৱাটো চিন্তনীয় বিষয়। এই পৰিসংখ্যাই আমাৰ সমাজব্যৱস্থা কিমান ধ্বংসমুখী কৰিছে সেই কথাকে প্ৰমাণ কৰিছে। সকলোৱে সংকল্প লওক কেতিয়াও পিতৃ-মাতৃক যেন বৃদ্ধাশ্ৰমত নথয়।

বৃক্ষৰোপণ কৰাৰ অভ্যাস সকলোৱে সৰুৰেপৰাই গঢ়ি তুলিব লাগে। ঋষি-মুনিসকলেও আশ্ৰমত ফল-মূল, ফুল গছ ৰোপণ কৰিছিল প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ বাবে। তদুপৰি পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে বৃক্ষৰোপণ অতি জৰুৰী বুলি ঋষি-মুনিসকলেও তেওঁলোকৰ শিষ্যসকলক উপদেশ দিছিল। এতিয়া পিছে চৌদিশে কেৱল মুকলি ঠাই। বৃক্ষৰোপণ কৰাৰ প্ৰতিও আগ্ৰহী নহয়। একাংশ অনুষ্ঠান-প্ৰতিষ্ঠানে বছৰি একেটা গাঁতত বৃক্ষৰোপণ কৰি থকাৰ দৰে ঘটনাও সংঘটিত হৈ আহিছে। গছ ৰুলেই নহ'ব, প্ৰতিপালনো কৰিব লাগিব। স্বাধীনতা দিৱসৰ ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান, চৰকাৰী-বেচৰকাৰী কাৰ্যালয় চৌহদত ৭৫টা গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনাইছে। নিঃসন্দেহে এয়া এক আদৰণীয় বিষয়। সকলোৱে যদি এনে পদক্ষেপ গ্ৰহণ কৰে তেনেহ'লে সেউজীয়া হৈ উঠিব এই ধৰণী।

আধুনিক শিক্ষাৰ প্ৰসাৰৰ লগে লগে 'এক পুত্ৰ দশ কন্যাসম' কথাষাৰ অপ্ৰাসংগিক হৈ পৰিল। এতিয়া ল'ৰা-ছোৱালীক সমানেই গুৰুত্ব প্ৰদান কৰা হয়। সাগৰৰ তলত মাণিক বিচৰাৰ পৰা যুদ্ধ বিমান চলোৱালৈকে সকলোতে যুৱতী-মহিলাই পুৰুষৰ সমানেই আগবাঢ়িছে। বৃদ্ধ বয়সত যে

কেৱল পুত্ৰইহে পিতৃ-মাতৃক সেৱা-শুশ্ৰূষা কৰিব বুলি ভবাৰ অৰ্থ নাই। কাৰণ এতিয়া কন্যাৰ ছত্ৰছায়াতো পিতৃ-মাতৃয়ে সুৰক্ষিত অনুভৱ কৰিব পাৰে। সেইবাবে সকলো পিতৃ-মাতৃয়ে নিজ কন্যাগৰাকীক ১৮ বছৰত নহয়— ২১ বছৰতহে বিয়া দিয়াৰ সংকল্প ল'ব লাগে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কাৰ্যভাৰ গ্ৰহণ কৰিয়েই ড্ৰাগ্ছৰ বিৰুদ্ধে যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। মানৱ সৰবৰাহকাৰীৰ বিৰুদ্ধেও সমানেই কঠোৰ হ'বলৈ আহ্বান জনাইছে। কাৰণ আজি ড্ৰাগ্ছৰ কবলত পৰি যুৱপ্ৰজন্ম বিপথে পৰিচালিত হৈছে। মানৱ সৰবৰাহকাৰীয়ে বহুতৰ জীৱনলৈ নমাই আনিছে ঘোৰ অমানিশা। এনে অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে সকলোৱে সতৰ্ক হ'বই লাগিব।

# বৰণীয় ব্যক্তিত্ব
# হৰেকৃষ্ণ মহন্ত

সত্ৰীয়া সংস্কৃতিৰ সাধক হৰেকৃষ্ণ মহন্তৰ জীৱনে শতবৰ্ষ গৰকিবলৈ মাত্ৰ তিনিবছৰহে লাগিছিল। স্বাস্থ্যৰ ক্ৰমাৎ অৱনতি নঘটা হ'লে শতবৰ্ষ গৰকিলেহেঁতেন। এক বৰ্ণিল জীৱনৰ অৱসান ঘটিল। কোনোদিনে বঁটা-বাহনৰ প্ৰতি তেওঁ লালায়িত নাছিল। সহজ-সৰল জীৱন-যাপন কৰি ভাল পাইছিল। খালী ভৰি, গাত কপাহী চেলেং বা গামোচা, আঁঠুৰ মূৰত পিন্ধা চুৰিয়াখনেই তেওঁৰ সাধাৰণ জীৱন-যাপনৰ চিনাকি দিয়ে। তেওঁৰ সন্মুখত সাষ্টাংগে পৰিব নালাগে। তেওঁ ভকতৰো ভৰি চুই সেৱা লোৱা আতাপুৰুষ। তেওঁৰ বৰণীয় ব্যক্তিত্বই মোক আকৰ্ষণ কৰিছিল। তেওঁক লগ কৰিবলৈ মই মাহেকে-পযেকে ঢপলিয়াই গৈছিলো কংক্ৰিটৰ মহানগৰীৰ পৰা চাহ বাগিচাৰে আগুৰি থকা বৰঙাজুলি সত্ৰলৈ। এক বিমল

আনন্দ লাভ কৰো তেওঁৰ সান্নিধ্যত। তেওঁৰ দিহা-পৰামৰ্শ লৈ দিনটো সত্ৰতে অতিবাহিত কৰি সন্ধিয়া ঘৰমুখী হওঁ। কেতিয়াবা যোৱাত পলম হ'লে ফোন কৰি খা-খবৰ ৰাখো। তেওঁ মোৰ অভিভাৱকৰ দৰে হৈ পৰিছিল।

শিক্ষা-দীক্ষাৰেও উচ্চ শিক্ষিত নাছিল। মাত্ৰ প্ৰাথমিক বিদ্যালয়ৰ ডেওনা পাৰ হোৱাহে ব্যক্তি আছিল। কিন্তু বহু উচ্চ শিক্ষিততকৈ চিন্তাধাৰা উচ্চ। নিজে উচ্চ শিক্ষিত নহ'লেও তেওঁৰ সত্ৰৰ অধীনৰ অঞ্চলবোৰত শিক্ষাৰ পোহৰ বিলাবলৈ সক্ষম হৈছিল। জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলে, চাহ বাগিচাৰ শ্ৰমিকৰ ছাত্ৰ-ছাত্ৰীসকলে পঢ়িবলৈ তেওঁ বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৰে মাজত একতাৰ ভাব জগাই তুলিবলৈ সক্ষম হৈছিল। সমাজৰ পৰা অন্ধবিশ্বাস দূৰ কৰিবলৈ অহোৰাত্ৰি চেষ্টা কৰিছিল। তেওঁ সফলো হৈছিল। জনজাতীয় সমাজত-চাহ বাগিচাৰ অঞ্চলবোৰত মাদকদ্ৰব্য কু-প্ৰভাৱ পেলোৱাতো তেওঁ প্ৰত্যক্ষ কৰিছিল। মাদকদ্ৰব্যই জীৱন-জীৱিকা তথা পৰিয়াল-পৰিজনত কিমান কু-প্ৰভাৱ পেলাব পাৰে তেওঁ নিৰক্ষৰ লোকসকলক বুজাইছিল। এইক্ষেত্ৰত তেওঁ সফলো হৈছিল। বহু জনজাতীয় লোক, চাহ জনগোষ্ঠীৰ লোক তেওঁৰ ওচৰলৈ আগবাঢ়ি আহিছিল। তেওঁৰ পৰামৰ্শৰে, তেওঁৰ নীতি-শিক্ষাৰে তেওঁলোকৰ জীৱন ধন্য কৰিছিল। তেওঁলোকে শংকৰী কৃষ্টি-সংস্কৃতি লৈ সত্ৰীয়া পৰম্পৰাৰ অন্তৰ্ভুক্ত হৈছিল।

ইয়াৰ জৰিয়তে তেওঁ আন এটা দিশতো সফল হৈছিল। কিয়নো, জনজাতীয় সমাজৰ বহু লোক, চাহ বাগিচা অধ্যুষিত বহু অঞ্চলৰ বাসিন্দা খ্ৰীষ্টিয়ান ধৰ্মৰে দীক্ষিত। খ্ৰীষ্টিয়ান ধৰ্মই নীৰৱে শিপা মেলি থিতাপি লৈছে দুৰ্গম অঞ্চলতো। আতাপুৰুষজনে খ্ৰীষ্টিয়ান ধৰ্মত দীক্ষিত হোৱাৰ পথত শংকৰী একশৰণৰ নীতি-আদৰ্শ, কৃষ্টি-সংস্কৃতিৰে চুম্বকীয় শক্তিৰে গৰিষ্ঠসংখ্যক লোকক নিজৰ দীক্ষাৰে দীক্ষিত কৰাই ৩৩খন সত্ৰ প্ৰতিষ্ঠা কৰি বৰগছ হিচাপে সকলোকে ছাঁ দি থাকিল। এয়া জানো কম কথা?

প্ৰথমাৱস্থাত বহুতৰে তুচ্ছ-তাচ্ছিল্যৰ সন্মুখীন হৈছিল। কিন্তু তেওঁ দৃঢ় আছিল। কোনোধৰণৰ বাধা-বিঘিনিয়ে তেওঁক লক্ষ্যপথৰ পৰা বিচ্যুৎ কৰিব পৰা নাছিল। বহুতো ঘাত-প্ৰতিঘাত, প্ৰত্যাহ্বান নেওচি বৰঙাজুলিৰ দৰে এখন ঠাইত সত্ৰ প্ৰতিষ্ঠাৰ লগতে সত্ৰীয়া সংস্কৃতি প্ৰসাৰৰ বাবে যিখিনি কৰি থৈ

গ'ল সেয়া আমাৰ সত্ৰীয়া সংস্কৃতিৰ উত্তৰণৰ ক্ষেত্ৰত এক উল্লেখযোগ্য দিশ হিচাপে চিৰদিন স্বীকৃত হৈ থাকিব। বৃহত্তৰ অঞ্চলটোৰ লগতে ওদালগুৰি জিলাত ৩৩খন সত্ৰ প্ৰতিষ্ঠা কৰা হৰেকৃষ্ণ মহন্ত আছিল প্ৰচাৰবিমুখ এক জীৱন্ত কিংবদন্তি। শৈশৱ, কৈশোৰ আৰু যৌৱনকাল বৰপেটা সত্ৰৰ বেষ্টনীত অতিবাহিত হ'লেও জীৱনৰ বেছিভাগ সময় কটাইছিল ওদালগুৰি জিলাত। পঞ্চাশৰ দশকতে বৰপেটাৰ পৰা সত্ৰীয়া সংস্কৃতি প্ৰচাৰৰ বাবে ওদালগুৰিলৈ ঢাপলি মেলা হৰেকৃষ্ণ মহন্তই ১৯৫৩ চনত বৰঙাজুলিত সত্ৰ প্ৰতিষ্ঠা হোৱাৰ পূৰ্বে কেইবছৰমান খৈৰাবাৰীত আছিল। তেওঁ যিসময়ত বৰঙাজুলিত সত্ৰ প্ৰতিষ্ঠা কৰিছিল সেই সময়ত তাত সত্ৰীয়া সংস্কৃতিৰ কোনো প্ৰভাৱ নাছিল। বৰো, ৰাভা, গাৰো, চাহ জনগোষ্ঠী আদি সম্প্ৰদায়ৰ লোকেৰে পৰিপূৰ্ণ বৃহত্তৰ অঞ্চলটোত এখন সত্ৰ প্ৰতিষ্ঠা কৰাটো প্ৰত্যাহ্বান আছিল। সমাজৰ বহুতো লোকৰ বাধা নেওচি তেওঁ চাৰি দশকতকৈও অধিককাল যি সেৱা আগবঢ়াই গ'ল তাৰ বাবে হৰেকৃষ্ণ মহন্ত চিৰস্মৰণীয় হৈ থাকিব।

হৰেকৃষ্ণ মহন্তৰ জীৱনৰ আটাইতকৈ উল্লেখযোগ্য দিশ হ'ল তেওঁ যিবোৰ সত্ৰ প্ৰতিষ্ঠা কৰিছে তাৰ বেছিভাগ সত্ৰতেই প্ৰায়সংখ্যক ভকত হ'ল বৰো, গাৰো, ৰাভা আদি আদিবাসী লোক। সাধাৰণতে সত্ৰৰ ভকতৰ ক্ষেত্ৰত এনেধৰণৰ ঘটনা কমসংখ্যক সত্ৰাধিকাৰৰ জীৱন পৰিক্ৰমাত সংঘটিত হৈছে। বৰপেটা অথবা মাজুলীৰ দৰে কোনো এটা অঞ্চলৰ সাদৃশ্য নথকা উক্ত অঞ্চলত সত্ৰ প্ৰতিষ্ঠা কৰি মহন্তই প্ৰমাণ কৰিছে আদৰ্শৰে সকলোৰে মন আকৰ্ষণ কৰাটো সম্ভৱ। জিলাখনত প্ৰথমদিনা খোজ পেলোৱাৰে পৰা জীৱনৰ অন্তিম দিনটোলৈ তেওঁ যি কৰ্মৰাজি সম্পন্ন কৰি গ'ল তাৰ বাবে কোনোদিনেই কাৰোৰে পৰা একো বিচৰা নাছিল। প্ৰতিদান বিচৰাটো তেওঁ কেতিয়াও ভবা নাছিল। মাথোঁ সমাজত সত্ৰীয়া সংস্কৃতিক শুদ্ধ ৰূপত প্ৰতিষ্ঠা কৰাটোৱে আছিল তেওঁৰ জীৱনৰ লক্ষ্য। সেইবাবে তেওঁ খৈৰাবাৰী, ভেৰগাঁও, পুৰণি টংলা, খেলাপাৰা অঞ্চলত সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰ কৰি বৰো, ৰাভা আদি লোকক শিষ্যত্ব গ্ৰহণৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিছিল সেয়া সঁচাকৈয়ে প্ৰশংসনীয়।

বৰঙাজুলি সত্ৰৰ বিভিন্ন অনুষ্ঠানলৈ লেখক থানেশ্বৰ মালাকৰৰ লগত

প্ৰায়েই গৈছিলো। থানেশ্বৰ মালাকাৰ ওদালগুৰি জিলাৰ উপায়ুক্ত হৈ থাকোঁতে সত্ৰখনৰ মংগলৰ কাৰণে বিভিন্ন আঁচনি লৈছিল। সত্ৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ মই হোমেন বৰগোহাঞি, লক্ষ্মীনন্দন বৰা, অমৰজ্যোতি চৌধুৰী, প্ৰাঞ্জল শইকীয়া, ময়ূৰ বৰা, পূৰ্ণিমা পাঠক শইকীয়া, নিতুমণি শইকীয়া আদি বিভিন্ন ক্ষেত্ৰৰ শ্ৰেষ্ঠ ব্যক্তিসকলক লৈ গৈছিলো। আটাইকেইগৰাকীয়ে সত্ৰৰ পৰিৱেশ, আতাপুৰুষজনৰ গুণানুকীৰ্তন বিভিন্ন স্থানত কৰা আমি প্ৰত্যক্ষ কৰিছো। এইগৰাকী সত্ৰীয়া সংস্কৃতিৰ সাধকে আগবঢ়োৱা অৱদানৰ বাবে যি সন্মান লাভ কৰিব লাগিছিল সেয়া আজিলৈকে নাপালে। 'শ্ৰীমন্ত শংকৰদেৱ বঁটা' প্ৰদানৰ বাবে দীৰ্ঘদিনৰ পৰা দাবী উত্থাপিত হৈ আহিলেও সেই আশা পূৰণ নোহোৱাকৈয়ে তেওঁ আমাৰ মাজৰ পৰা বিদায় ল'লে। হৰেকৃষ্ণ মহন্তৰ মৃত্যুত অপূৰণীয় ক্ষতি হ'ল সত্ৰীয়া সংস্কৃতিৰ জগতখনত। আমি সকলোৱে তেওঁৰ কৰ্মৰাজিক জীয়াই ৰাখিব লাগিব। চৰকাৰেও এইগৰাকী সত্ৰাধিকাৰক মৰণোত্তৰভাৱে আগবঢ়াওক যোগ্য সন্মান।

# ৰাইজ সজাগ হওক ঃ
# নহ'লে প্ৰশাসন কঠোৰ হওক

মহানগৰীৰ সৌন্দৰ্য বৰ্ধনৰ সমান্তৰালভাৱে পথচাৰীৰ সহায়ক হোৱাকৈ চৰকাৰে বিভিন্ন ঠাইত নিৰ্মাণ কৰিছে অত্যাধুনিক উৰণীয়া পদপথ। অসমৰ পদপথৰ ক্ষেত্ৰত এক ব্যতিক্ৰমী পদক্ষেপৰূপে উৰণীয়া পদপথৰ চৰকাৰে ব্যৱস্থা কৰে। বয়স্ক লোকে যাতে পথ অতিক্ৰম কৰোতে শংকাবিহীনভাৱে পাৰ হ'ব পাৰে তাৰ বাবে যন্ত্ৰচালিত খট্‌খটীৰ ব্যৱস্থা কৰা হ'ল। পিছে এইবোৰৰ ব্যৱস্থা কৰিলেও কিছুমান লোকে আজিও উৰণীয়া পদপথৰ সমীপত যান-বাহন ৰখাই সৌন্দৰ্যৰ পৰিৱৰ্তে পৰিৱেশ কলুষিতহে কৰিবলৈ ধৰিছে। তদুপৰি বিশৃংখলভাৱে বাহন ৰখোৱাৰ ফলত যান-জঁটৰ সৃষ্টি হয়। উক্ত স্থানৰ আশে-পাশে যান-বাহন অবৈধভাৱে ৰখোৱাৰ ফলত এনেধৰণৰ জটিল যান-জঁটৰ সৃষ্টি কৰে যে সেয়া এসময়ত নিয়ন্ত্ৰণ কৰাটো অসম্ভৱ হৈ পৰে। পৌৰ নিগমে এইক্ষেত্ৰত কিছু কঠোৰ পদক্ষেপ গ্ৰহণ কৰা উচিত। যিসকল লোকে এনেদৰে যান-বাহন ৰখাই থয় তেওঁলোকৰ বিৰুদ্ধে যদি এতিয়াৰে পৰাই কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰে তেনেহ'লে ভৱিষ্যতে ই জটিল ৰূপ ধাৰণ কৰিব। পৌৰসভাই এনে উৰণীয়া পদপথৰ আশে-পাশে নিৰ্দিষ্ট ঠাইত

‘ন’ পাৰ্কিং’ ঘোষণা কৰি আইন অমান্য কৰোতাৰ বিৰুদ্ধে বৃহৎ পৰিমাণৰ জৰিমনা ভৰাব লাগে। প্ৰতিগৰাকী নাগৰিকো এইক্ষেত্ৰত সতৰ্ক আৰু সচেতন হ’ব লাগিব। কাৰণ নিয়ম মানি চলা আৰু আন দহজনৰ কথা চিন্তা কৰাটোও কৰ্তব্য।

পৌৰ নিগমে গুৱাহাটী মহানগৰীখন পৰিষ্কাৰ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। পূৰ্বৰ তুলনাত এতিয়া যথেষ্ট পৰিষ্কাৰো হৈছে। পৌৰ নিগমে সৰু-বৰ জাবৰ-জোঁথৰ পেলোৱা বাহনৰ ব্যৱস্থা কৰিছে। নিৰ্দিষ্ট সময়ত এইবোৰ বাহনে জাবৰ আদি সংগ্ৰহ কৰে। অলিয়ে-গলিয়ে বাহনসমূহে প্ৰৱেশ কৰি জাবৰ-জোঁথৰ আদি সংগ্ৰহ কৰিছে। পৌৰ নিগমৰ জাবৰ নিষ্কাশন প্ৰক্ৰিয়াটো এতিয়া পূৰ্বৰ তুলনাত যথেষ্ট উন্নত। পিছে একাংশ অবিবেচক লোকৰ কৰ্ম-কাণ্ডৰ বাবে ঠায়ে ঠায়ে লেতেৰা হৈ আছে। নিশা পথৰ মাজতে জাবৰ পেলায়। আন কিছুমান লোকে পৌৰ নিগমৰ বাহনে জাবৰ পৰিষ্কাৰ কৰাৰ পাছত পথৰ কাষত জাবৰৰ দ’ম পৰি থাকে। এনেধৰণৰ কাৰ্যৰ দ্বাৰা লোকসকলৰ মানসিকতা গঢ়ি উঠাৰ লগতে ঠাইখনো লেতেৰা হৈ পৰে। গতিকে এনেধৰণৰ লোকৰ বিৰুদ্ধে সংশ্লিষ্ট কৰ্তৃপক্ষই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। প্ৰয়োজন হ’লে ঠায়ে ঠায়ে গোপন ঠাইত চি চি টিভি কেমেৰা স্থাপন কৰি অথবা অসামৰিক পোছাকত পৌৰ নিগমৰ দ্বাৰা নিয়োজিত কৰ্মচাৰীয়ে এনে অসাধু লোকক চিনাক্ত কৰি জৰিমনা বিহাৰ ব্যৱস্থা কৰিব লাগে। নিশা এনে কৰ্মচাৰীয়ে পথত নীতি-বহিৰ্ভূতভাৱে জাবৰ পেলোৱা লোকৰ ফটো তুলি সেয়া ৰাজহুৱা কৰিলেও এনে কাৰ্যৰ পৰা বহুতো লোকেই আঁতৰি থাকিব। এইক্ষেত্ৰত কঠোৰ হ’ব লাগিব জি এম চি।

জি এম ডি এ গুৱাহাটী মহানগৰীৰ সৌন্দৰ্য বৰ্ধন তথা উন্নয়নৰ বাবে বহুতো পদক্ষেপ গ্ৰহণ কৰিছে। সংশ্লিষ্ট কৰ্তৃপক্ষই শেহতীয়াভাৱে জি এছ ৰোড আদিৰ মাজত ফুল, গছ-গছনি ৰোপণ কৰিছে। এইবোৰ যাতে নষ্ট নহয় তাৰ বাবেও ব্যৱস্থা কৰি আছে। নিৰ্দিষ্ট দূৰত্বৰ ব্যৱধানত পথ অতিক্ৰমৰ বাবে ঠাই ৰাখিছে। পিছে কিছুমান অবিবেচক লোকে নিৰ্দিষ্ট ঠাইৰে পথ অতিক্ৰমৰ পৰিৱৰ্তে ৰেলিঙৰ ওপৰেদি অতিক্ৰম কৰিব বিচাৰে। এনেদৰে অতিক্ৰম কৰাৰ সময়ত ফুল বা সৰু সৰু গছবোৰ গচকত মৰি যায়। তদুপৰি কিছুমান

লোকে পাৰ হওঁতে ফুল আৰু গছবোৰ ওখ হৈ থাকিলে ডালবোৰ ভাঙি পেলায়। এনেধৰণৰ অবিবেচক লোকে মহানগৰীৰ সৌন্দৰ্য ম্লান কৰিছে। কেৱল সেয়াই নহয়— নিয়ম-নীতিকো ভৰিৰে মোহাৰিছে। এনে লোকৰ ক্ষেত্ৰতো সংশ্লিষ্ট কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যদি প্ৰয়োজন হয় ঠাইতে জৰিমনা বিহাৰ ব্যৱস্থা কৰা উচিত। ৰাইজো এইক্ষেত্ৰত সতৰ্ক হ'ব লাগে। এনেধৰণৰ লোকক দেখাৰ লগে লগে গৈ বাধা দিব লাগে। ৰাইজ যেতিয়ালৈকে সতৰ্ক নহয় তেতিয়ালৈকে এনেধৰণৰ ঘটনা সংঘটিত হৈয়ে থাকিব। ৰাজহুৱা সম্পত্তিবোৰ কেৱল আইন-কানুনৰ দ্বাৰা সুৰক্ষিত কৰাটো সম্ভৱ নহয়— যদিহে ৰাইজ সতৰ্ক নহয়। ৰাইজৰো দায়িত্ব। আনৰ বস্তু বা চৰকাৰী সম্পত্তি বুলি ভাবি সেইবোৰৰ ক্ষতি সাধন কৰাৰ মানসিকতা পৰিহাৰ কৰিব লাগে।

পদপথৰ ওপৰত যান-বাহন ৰখাই থোৱা, বাইক চলোৱা আদি নতুন চখ হৈছে বহুতো অবিবেচক লোকৰ বাবে। সুন্দৰকৈ পদপথসমূহ নিৰ্মাণ কৰা হৈছে। ৰং কৰি সেইবোৰ অধিক আকৰ্ষণীয়ও কৰা হৈছে যদিও একাংশ লোকে পদপথক পথ হিচাপে ব্যৱহাৰ কৰিছে। পাৰ্কিং স্থানত ৰখালে পইচা দিব লাগে বাবে বহুতেই পাৰ্কিঙৰ পৰিৱৰ্তে পদপথ অথবা আধা পথত আৰু আধা পদপথত উঠাই থয়। এনে কৰাৰ ফলত পথচাৰীৰ অহা-যোৱা কৰাত সমস্যাই গা কৰি উঠে। আনকি দুৰ্ঘটনা আদিও সংঘটিত হৈ বহু লোক ঘুণীয়া হোৱাৰ উদাহৰণো আছে। তদুপৰি একাংশ উদণ্ড প্ৰকৃতিৰ লোকে পদপথতে বাইক, স্কুটী আদি চলায়। এনেদৰে চলোৱাৰ ফলত দুৰ্ঘটনা হোৱাৰ আশংকা থাকে। তদুপৰি পদপথৰ পকা অংশ আদি ভাঙি যায়। পদপথ ভাঙিলে তাত পথচাৰী সোমাই আঘাতপ্ৰাপ্ত হ'ব। আনকি কৃত্ৰিম বানপানী আদিত সময়ত প্ৰাণৰ সংশয়ৰো আশংকা নুই কৰিব নোৱাৰি। ৰাইজ সতৰ্ক হ'ব লাগিব। ৰাইজেই এনে লোকৰ বিৰুদ্ধে সৰৱ হ'ব লাগিব নিশ্চয়। যদিহে ৰাইজে সতৰ্কতা অৱলম্বন কৰে তেনেহ'লে এনেধৰণৰ কাৰ্য প্ৰতিহত হ'ব। ৰাইজো সুৰক্ষিত হ'ব। তদুপৰি সংশ্লিষ্ট কৰ্তৃপক্ষই এনে কুৰুচিসম্পন্ন লোকৰ বিৰুদ্ধে জৰিমনা বিহাৰ ব্যৱস্থা কৰিলে বন্ধ হ'ব পদপথত বাইক চলোৱা আদিৰ প্ৰতিযোগিতা।

# ৰাষ্ট্ৰীয় ঘাইপথৰ সৌন্দৰ্য বৰ্ধনৰ বাবে লওক পদক্ষেপ

ৰাষ্ট্ৰীয় ঘাইপথত টোলগে'ট স্থাপন কৰা হয় সেই গে'টৰ পৰা সংগ্ৰহ কৰা ধনেৰে ঘাইপথৰ মেৰামতি, উন্নতি কৰিবলৈ। পিছে অসমত নিৰ্মাণ কৰি থকা ঘাইপথৰ কিছুমান অংশ দেখিলে টোলগে'টসমূহৰ পৰা সংগ্ৰহ কৰা ধনৰ সঠিক ব্যৱহাৰ হৈছে নে নাই সন্দেহ হয়। যেতিয়া ৰাষ্ট্ৰীয় ঘাইপথ এটি নিৰ্মাণ কৰা হয় তেতিয়া কে'বাটাও বিষয়ত গুৰুত্ব প্ৰদান কৰিবলগীয়া হয়। কাৰণ ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণশৈলীৰ পৰা আৰম্ভ কৰি সৌন্দৰ্য বৰ্ধনলৈকে সকলো ক্ষেত্ৰতে পথ নিৰ্মাণকাৰী সংস্থাৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষই গুৰুত্ব প্ৰদান কৰিব লাগিব। অসমত বিগত সময়ছোৱাত নিৰ্মাণ কৰা ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ প্ৰায়ভাগেই বিধ্বস্ত অৱস্থাত থকাৰ বিষয়ে অভিযোগ উত্থাপিত হৈ আহিছে। শেহতীয়াভাৱে চাৰিশাৰীযুক্ত পথ নিৰ্মাণৰ কাম দ্ৰুতগতিত

চলি থকাৰ সময়তো একেধৰণৰ ছবি একোখন ফুটি উঠিছে। যিবোৰ অংশত ঘাইপথ নিৰ্মাণ কৰা হৈছে তাত পথৰ মাজৰ অংশত এতিয়াও ফুল অথবা সৌন্দৰ্যবৰ্ধক গছ-গছনি ৰোপণ কৰা হোৱা নাই। তদুপৰি কিছু অংশত বৃক্ষৰোপণৰ পাছত ঠায়ে ঠায়ে যত্নৰ অভাৱত জংঘলে আৱৰি ধৰিছে। কিছু অংশত গছবোৰ মৰহি গৈ সৌন্দৰ্য বৰ্ধনৰ পৰিৱৰ্তে কুশ্ৰীহে কৰিছে।

ৰাজ্যৰ বিভিন্ন ঠাইত বহুতো দল-সংগঠনৰ প্ৰতিবাদৰ পাছতো স্থাপন কৰা টোলগেʼটসমূহত নিতৌ সংগ্ৰহ কৰা বৃহৎ পৰিমাণৰ ধনৰাশি পথ নিৰ্মাণ-মেৰামতিৰ নামত ব্যৱহাৰ কৰা হোৱা নাই নেকি? সাধাৰণতে ঘাইপথৰ ওপৰত সকলো লোকৰে দৃষ্টি নিবদ্ধ হয়। মূল পথ বাবে এনেধৰণৰ মসৃণ পথেৰে অৰ্থ ভৰি হʼলেও সোনকালে গন্তব্যস্থানত উপনীত হʼব বিচাৰে। তদুপৰি এনেধৰণৰ গুৰুত্বপূৰ্ণ পথেৰে কম সময়ৰ ভিতৰতে সকলোৱে নিৰ্দিষ্ট দূৰত্ব পাৰ হʼব বিচাৰিলেও অসমত মাজে মাজে ব্যাঘাত জন্মা দেখা যায়। ইয়াৰ কাৰণ হʼল কিছুমান ঠাইত এতিয়াও নিৰ্মাণ সম্পূৰ্ণ হোৱা নাই। অথচ উক্ত নিৰ্দিষ্ট স্থানৰ আশে-পাশে সুন্দৰকৈ নিৰ্মাণ কৰা হৈছে।

ৰাষ্ট্ৰীয় ঘাইপথৰ মাজত সৌন্দৰ্য বৰ্ধনৰ বাবে ফুল, গছ-গছনি ৰোৱাৰ নিয়ম। ইয়াৰ বাবে সময়ে সময়ে ধনো নিৰ্ধাৰণ কৰা হয়। পিছে এতিয়াও ঘাইপথৰ মাজত বহুতো ঠাইত খালী হৈ আছে। আনহাতে যিবোৰত সংৰক্ষণবিহীনভাৱে ৰুইছে সেইবোৰত আকৌ গছবোৰৰ ডালবোৰ যেনি-তেনি ওলাই আহিছে। এনেধৰণৰ গছ-গছনিয়ে সৌন্দৰ্য বৃদ্ধিতো বাদেই— সৌন্দৰ্যহীনহে কৰিছে উক্ত ঠাইৰ। এইক্ষেত্ৰত অসম চৰকাৰে পদক্ষেপ গ্ৰহণ কৰা উচিত। প্ৰতিখন জিলাৰ উপায়ুক্তৰ জৰিয়তে বিষয়টো নিৰীক্ষণ কৰিব লাগে। মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মায়ো এইক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব বুলি আশা কৰিছো। যদিহে প্ৰতিখন জিলাৰ উপায়ুক্তক চৰকাৰে দায়িত্ব অৰ্পণ কৰি কি কাৰণত হোৱা নাই সেই বিষয়টো আলোচনা কৰে তেতিয়া নিশ্চয় সংশ্লিষ্ট কৰ্তৃপক্ষৰে মিলি কামটো সোনকালে আগবঢ়াত সহজ হʼব। নহʼলে এইবোৰ কথাৰ সমাধান কেতিয়াও নোলাব। দেখাত বিষয়টো সিমান গুৰুত্বপূৰ্ণ যেন নালাগিলেও বাস্তৱ ক্ষেত্ৰত পিছে তেনেই প্ৰয়োজনীয় বিষয়। কিয়নো, বছৰৰ পাছত বছৰ ধৰি এইবোৰ কথা জনসাধাৰণৰ মাজত চৰ্চা হৈয়ে থাকিব।

ভাল পথেৰে চলাচল কৰাৰ নিশ্চয় প্ৰত্যেকৰে অধিকাৰ আছে। এনে পথেৰে চলাচল কৰিবলৈ অৰ্থ ব্যয় কৰিবলৈকো কাৰো নিশ্চয় আপত্তি নাই। চৰকাৰে স্থাপন কৰা বিভিন্ন টোলগে'টত ৰাইজে যাতায়াতৰ বাবে ধন দিয়াতো আপত্তি নাই। আনকি কিছুমান ঠাইত প্ৰয়োজনতকৈ বেছি ধন সংগ্ৰহৰো অভিযোগ উত্থাপিত হৈছে। টোলগে'টত থকা একাংশ লোকে অপকৰ্মতো লিপ্ত হোৱা দেখা যায়। টোলগে'টৰ পৰা সংগৃহীত ধনৰ হিচাপে চৰকাৰে স্পষ্টভাৱে ৰাজহুৱা কৰক। সেইবোৰ হিচাপ কৰি ৰাইজক জনাওক। যিমানেই দিন বাগৰিব সিমানেই নতুন নতুন ঠাইত এনেধৰণৰ সমস্যাৰ সৃষ্টি হৈয়েই আছে। ইতিমধ্যে বহুতো ঠাইত ৰাইজে প্ৰতিবাদ কৰিছে। দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যাও কম নহ'ব। গতিকে এইক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই পদক্ষেপ গ্ৰহণ কৰিলে নিশ্চয় সুফল পাব। প্ৰতিখন জিলাৰ উপায়ুক্তক এই দায়িত্ব অৰ্পণ কৰিলে সমস্যাৰ সমাধানত নিশ্চয় কোনো সমস্যাৰ সৃষ্টি নহ'ব।

# বিভিন্ন বিভাগৰ বিদ্যুৎ বিল অনাদায় ঃ তদন্ত কৰক

প্ৰতিটো বিভাগত বিদ্যুৎ বিল পৰিশোধ কৰাৰ বাবে এক সুকীয়া ধনৰ অংশ থাকে। চৰকাৰে প্ৰতিটো বিভাগৰ বিপৰীতে এক নিৰ্দিষ্ট পৰিমাণৰ ধন আবণ্টন কৰে। অৰ্থাৎ বিভাগটোৱে সংগ্ৰহ কৰা ধনৰ এটা অংশ বিদ্যুৎ বিল পৰিশোধৰ নামত ধাৰ্য কৰে। কোনোবা এটা বিভাগক যদি বেছি পৰিমাণে দিয়ে আৰু একোটাক কমকৈ দিয়ে। সেয়া নিৰ্ভৰ কৰে বিভাগটোৱে সম্পাদন কৰা কাৰ্যৰ ওপৰত। পৌৰসভা আদিয়ে নাগৰিকৰ পৰা সংগ্ৰহ কৰা পৌৰকৰৰ পৰাই বিল পৰিশোধ কৰিব পৰাৰ অধিকাৰ আছে। পিছে বছৰি বছৰি এনেদৰে বিদ্যুতৰ নামত আগবঢ়োৱা ধনৰাশি যায় ক'লৈ? সংশ্লিষ্ট কৰ্তৃপক্ষই বিদ্যুৎ বিল পৰিশোধ কৰাৰ ক্ষেত্ৰত কিয় অনীহা প্ৰকাশ কৰে? এনেবোৰ বিষয়ক লৈ ৰাইজৰ মাজত চৰ্চা হয়

যদিও এইক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিবলৈ কাৰো আহৰি নাই। বিগত সময়ছোৱাত বিদ্যুৎ চুৰিৰ উপৰি বিল পৰিশোধ নকৰা গ্ৰাহকক লৈ বিভিন্ন আলোচনা কৰিও সুফল পোৱা নাই। শেহতীয়াভাৱে শক্তিমন্ত্ৰী বিমল বৰাই কিছু কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ পাছত বৃহৎ পৰিমাণৰ ধন সংগ্ৰহ হৈছে চৰকাৰৰ ঘৰত। তদুপৰি বিদ্যুৎ সংযোগ অবৈধভাৱে কৰা লোকসকলৰ বিৰুদ্ধেও কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাত এতিয়া প্ৰকৃত ছবিখন ফুটি উঠিবলৈ ধৰিছে। কোনো এটা বিভাগ লোকচানৰ ঘৰত থাকিলে কামসমূহ সুচাৰুৰূপে সম্পাদন কৰিব নোৱাৰে। গতিকে শক্তি বিভাগে যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া প্ৰশংসনীয়।

এতিয়া প্ৰশ্ন হ'ল— যদি বিভিন্ন বিভাগ, পৌৰসভা আদিয়ে দীৰ্ঘদিন ধৰি বিদ্যুৎ বিল পৰিশোধ নকৰাকৈ আছে সেই বিভাগসমূহে উক্ত ধন ক'ত ব্যয় কৰিছে? জনসাধাৰণৰ পৰা সংগ্ৰহ কৰা ধন নিৰ্দিষ্ট শিতানত ব্যয় নকৰি ক'ত কিয় খৰচ কৰিবলগীয়া হৈছে। এইবোৰৰ হিচাপ শক্তি বিভাগে শীঘ্ৰে সংগ্ৰহ কৰক। চৰকাৰেও এনেধৰণৰ গুৰুত্বপূৰ্ণ বিষয়ত মনোযোগ দিয়ক। কাৰণ চৰকাৰে যদি এনে বিভাগৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰে তেনেহ'লে বিষয়া-কৰ্মচাৰীসকলো নিশ্চয় সতৰ্ক হ'ব। কৰ্তব্যৰ প্ৰতি গাফিলতি কৰাসকলৰ (যিসকলে বিদ্যুৎ বিল পৰিশোধৰ দায়িত্বত) বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিলে নিশ্চয় সকলোবোৰে সতৰ্ক হ'ব। বিদ্যুৎ বিলৰ বাবে ধাৰ্য কৰা ধন ক'লৈ যায়? হয়তো প্ৰতিটো বিভাগতে এই বিষয়ে তদন্ত কৰিলে প্ৰকৃত স্বৰূপটো ওলাই পৰিব।

যিটো বিভাগৰ কাৰ্যালয়ে বিদ্যুৎ বিল সঠিক সময়ত পৰিশোধ নকৰে তাত বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰিলে যেতিয়া আন্ধাৰত কাম কৰিব লাগিব তেতিয়াহে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰিবলৈ সক্ষম হ'ব। প্ৰচণ্ড গৰমত যেতিয়া আন্ধাৰতে ডুব গৈ মমবাতিৰ পোহৰত কাম কৰিব লাগিব তাৰ পাছত অনুভৱ কেনে হ'ব সেয়া লক্ষ্য কৰিব লাগে। সময়ত বিদ্যুৎ বিল পৰিশোধ নকৰাৰ ফলত বিদ্যুৎ সংযোগ কৰা বিষয়টো কিমান গুৰুত্বপূৰ্ণ আৰু সেয়াই কেনেধৰণৰ পৰিণতিৰ ফালে আগুৱাই নিয়ে সেইবোৰ যেতিয়ালৈকে উপলব্ধি কৰিব নোৱাৰে তেতিয়ালৈ বিভাগবোৰত এনে

ছবি ফুটি উঠিয়েই থাকিব। চৰকাৰে এনে বিভাগৰ বিৰুদ্ধে তদন্ত কৰি সেয়া ৰাজহুৱা কৰক।

প্ৰায়সংখ্যক পৌৰসভাৰ অন্তৰ্গত অঞ্চলত নিশা নজ্বলে ষ্ট্ৰীট লাইট। ফলত অসামাজিক কাৰ্যকলাপ সংঘটিত হোৱাৰ সুযোগ পায় অপৰাধীয়ে। ষ্ট্ৰীট লাইটৰ মেৰামতি আৰু সংযোগৰ নামত প্ৰায়সংখ্যক পৌৰসভাই বছৰি লাখ লাখ টকা ব্যয় কৰি আহিছে, নজ্বলা লাইটৰ নামত ইমান ধন ব্যয় কৰি যদি কোনো সুফল পোৱা নাযায় তেনেহ'লে সেইবোৰৰ নামত মাহিলি লাখ লাখ টকা বিদ্যুৎ বিভাগত আদায় দিবলৈ থকাটো চৰম লজ্জাজনক বিষয়। এনে কথাই একো একোটা বিভাগৰ প্ৰতি মানুহৰ মনোভাব সলনি কৰে। এনে মনোভাব সলনি কৰাৰ সময় আহি পৰিছে। শক্তি বিভাগে যিসময়ত সংস্কাৰকামী মনোভাব গ্ৰহণ কৰিছে সেই সময়ত সকলোৱে সহযোগিতা আগবঢ়োৱা উচিত।

# আদৰ্শ থানাৰূপে প্ৰতিষ্ঠা কৰিবলৈ সংকল্পবদ্ধ হওক আৰক্ষী

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ল আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসকলক লৈ এক ব্যতিক্ৰমী আলোচনা। সম্ভৱতঃ অসমৰ ইতিহাসত এনেধৰণৰ আলোচনা এয়াই প্ৰথম। ইতিবাচক চিন্তা আৰু আধুনিক দৃষ্টিভংগীৰে আৰক্ষীক আগুৱাই নিয়াৰ ক্ষেত্ৰত এয়া এক অভূতপূৰ্ব পদক্ষেপ। বিগত সময়ছোৱাত আৰক্ষীক লৈ মানুহৰ মনত যি ধাৰণা আছিল সেয়া সলনি কৰি জনসাধাৰণক আৰক্ষীক ওচৰলৈ নিয়া আৰু বিশ্বাস জন্মোৱাৰ ক্ষেত্ৰত এয়া এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি ক'ব লাগিব। একোটা অঞ্চলৰ আইন-শৃংখলা নিয়ন্ত্ৰণ আৰু শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত একোখন থানাৰ ভূমিকা গুৰুত্বপূৰ্ণ। আইন-শৃংখলা নিয়ন্ত্ৰণৰ বিষয়টো সম্পূৰ্ণৰূপে আৰক্ষীৰ ওপৰত নিৰ্ভৰ কৰে বাবে থানা এখনত নিয়োজিত আৰক্ষীৰ প্ৰকৃতিৰ ওপৰতো ইয়াৰ সফলতা নিৰ্ভৰ কৰে। আৰক্ষী মানেই যে কঠোৰ হ'ব লাগিব তেনে নহয়, প্ৰয়োজনত

অতি কোমল হৈয়ো পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব পাৰে। যেতিয়া প্ৰয়োজন হয় তেতিয়া কঠোৰতকৈয়ো কঠোৰ হওক।

থানা এখনত নিয়োজিত আৰক্ষী বিষয়াৰ পৰা আৰম্ভ কৰি সাধাৰণ কৰ্মীলৈকে সকলোৱে যেতিয়া নিষ্ঠা আৰু সততাৰে কাম কৰে তেতিয়া অঞ্চলটোৰ ৰাইজে থানাখনক সহায়-সহযোগ কৰাতো আপত্তি নকৰে। আনকি কেতিয়াবা বিপদত পৰা আৰক্ষীকো ৰাইজেই সুৰক্ষা প্ৰদান কৰে। কেতিয়াবা থানাতো থাকে সমস্যা। বিশেষকৈ আৱাসৰ পৰা আৰম্ভ কৰি খাদ্যলৈকে কেতিয়াবা সমস্যাৰ সন্মুখীন হয়। বানপানী বা আন প্ৰাকৃতিক দুৰ্যোগৰ বাবে আৰক্ষী সমস্যাৰ সন্মুখীন হয়। তেতিয়াও পিছে ৰাইজে সহযোগিতা আগবঢ়ায়। বিগত সময়ছোৱাত আৰক্ষীৰ বিৰুদ্ধে বহুতো অভিযোগ উত্থাপিত হৈ আহিছিল যদিও এতিয়া তেনে অভিযোগ কিছু পৰিমাণে নোহোৱা হৈছে। বিশেষকৈ তলাবন্ধৰ সময়ত আৰক্ষীয়ে দুখীয়া লোকক সহায় কৰিছে আৰু ৰাইজৰ ওচৰলৈ যোৱাত সফল হোৱা বুলিও ক'ব লাগিব।

আৰক্ষীক আধুনিকীকৰণৰ বাবে বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰে বিগত পাঁচ বছৰত যি পদক্ষেপ গ্ৰহণ কৰিলে সেই গতিক আৰু অধিক গতিশীল কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গ্ৰহণ কৰিছে বিশেষ পদক্ষেপ। ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক একত্ৰিত কৰি তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। যিকোনো অপৰাধমূলক কাৰ্য নিয়ন্ত্ৰণ আৰু অপৰাধীক গ্ৰেপ্তাৰ কৰা তথা ৰাইজে ন্যায় লাভৰ ক্ষেত্ৰত যাতে কোনো সমস্যাৰ সন্মুখীন হ'ব নালাগে তাৰ বাবে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে। সাধাৰণভাৱে ৰাজনৈতিক নেতা, মন্ত্ৰী আদিয়ে আৰক্ষীক হেঁচা প্ৰয়োগ কৰি অপৰাধীক মুকলি কৰি দিয়ে বা মোকলাই নিয়া বুলি সততে অভিযোগ উঠি আহিছে। এতিয়া পিছে মুকলিভাৱে মুখ্যমন্ত্ৰীয়ে কোনো হেঁচাৰ সন্মুখীন নোহোৱাকৈ বিষয়াসকলক কৰ্তব্য সম্পাদন কৰাৰ নিৰ্দেশ দিয়াটোৱে এটা কথা স্পষ্ট কৰিছে যে মুখ্যমন্ত্ৰী ড° শৰ্মাই আৰক্ষী বিভাগটোক অধিক স্বচ্ছ কৰিব বিচাৰে।

প্ৰতিখন থানাৰ বিষয়া-কনিষ্টবল-কৰ্মচাৰীৰে প্ৰতি ছমাহৰ মূৰে মূৰে প্ৰতিবেদন দাখিল কৰিলে ওলাই পৰিব তেওঁলোকে সম্পাদন কৰা কাৰ্যৰ

প্ৰকৃত ছবিখন। চৰকাৰে প্ৰতি ছমাহৰ মূৰে মূৰে শ্ৰেষ্ঠ আৰক্ষী থানাক পুৰস্কৃত কৰাৰ ব্যৱস্থা কৰিলেও আৰক্ষীসকল অধিক সক্ৰিয় হ'ব। তেওঁলোকে অনুপ্ৰেৰণাও লাভ কৰিব। কৰ্তব্য সম্পাদন আৰু নিজৰ দায়িত্বৰ প্ৰতি সচেতন বুলি প্ৰমাণ কৰাসকলক পুৰস্কৃত কৰিলে ফাঁকি দিয়াসকলো সতৰ্ক হ'ব। যিহেতু স্বয়ং মুখ্যমন্ত্ৰীয়ে আৰক্ষীক উৎসাহিত কৰাৰ ক্ষেত্ৰত আগ-ভাগ লৈছে, গতিকে সকলোৱে এতিয়া দুগুণ উৎসাহেৰে কাৰ্য সম্পাদন কৰাহে কথা। প্ৰতিগৰাকী আৰক্ষী বিষয়া-কনিষ্টবল-কৰ্মচাৰীয়ে সংকল্প লওক নিজৰ দায়িত্ব-কৰ্তব্য সুচাৰুৰূপে পালনৰ দ্বাৰা নিজৰ থানাখনক সৰ্বাংগসুন্দৰ আৰু শ্ৰেষ্ঠ থানা হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ। প্ৰতিখন থানাই যেতিয়া শ্ৰেষ্ঠত্বৰ দৌৰত আগবাঢ়ি যাব তেতিয়া অসমৰ আইন-শৃংখলাৰ ছবিখন সম্পূৰ্ণৰূপে সলনি হ'ব। দেশৰ শীৰ্ষস্থান লাভৰ ক্ষেত্ৰত অসম আৰু এখোপ আগুৱাই যাবলৈ সক্ষম হ'ব। এতিয়া আৰক্ষী প্ৰশাসনৰ গুৰুদায়িত্ব হৈছে জনসাধাৰণক নিয়ন্ত্ৰণৰ মাজেৰে সহযোগিতাৰে প্ৰতিটো ক্ষেত্ৰতে সমস্যাৰ সমাধান কৰিব পৰাতহে। ক'ৰোনাকেন্দ্ৰিক পৰিস্থিতিৰ মাজত সকলোৱেই শংকিত। অৰ্থনৈতিকভাৱেও দুৰ্বল হৈ পৰিছে। গতিকে এনে এক সন্ধিক্ষণত আৰক্ষীয়ে কেনেদৰে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে সেয়াও এক প্ৰত্যাহ্বান বুলিয়েই ক'ব লাগিব। মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ আৰক্ষীয়ে লাভ কৰিলে আন এক সোণালী সুযোগ। নিজৰ ঘৰখনত যেনেদৰে পৰিয়ালৰ সদস্যসকলক ব্যৱহাৰ কৰা হয় আৰক্ষী থানাত উপস্থিত হ'লেও সকলোকে ভাল ব্যৱহাৰ কৰক। থানাত উপস্থিত হ'লে দুৰ্ব্যৱহাৰৰ সন্মুখীন হ'বলগীয়া বুলি উত্থাপিত হৈ অহা অভিযোগ আঁতৰ কৰিবলৈ সকলোৱে সংকল্প লওক। থানালৈ যোৱা মানেই অপৰাধী নহয়। সমস্যা সমাধানৰ বাবেহে আৰক্ষীৰ ওচৰলৈ যায়। সেইবাবে সাধাৰণ লোকক ভাল ব্যৱহাৰ কৰক। অপৰাধীৰ বিৰুদ্ধে কঠোৰ হওক। তাত কাৰো আপত্তি নাই। কাৰণ অপৰাধীৰ বিৰুদ্ধে কঠোৰ নহ'লে অপৰাধ প্ৰতিৰোধ কৰাটো সম্ভৱ নহয়।

# ক'ৰোনাকালত প্ৰাণৱন্ত প্ৰকৃতি

বিগত এবছৰ ধৰি ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ সন্দৰ্ভত যিমান চৰ্চা হৈছে সম্ভৱতঃ বিশ্বত ইয়াৰ পূৰ্বে কোনো এবিধ ভাইৰাছক লৈ ইমান আলোচনা হোৱা নাছিল। মানৱ জাতিৰ ইতিহাস সলনি কৰা এইবিধ ভাইৰাছক লৈ চৌদিশে কেৱল আশংকা। নেতিবাচক চিন্তাই সকলোকে গো-গ্ৰাসে গিলিছে। কেৱল আতংক-শংকা। কোনো যেন শংকামুক্ত নহয়। ইয়াৰ মাজতো পিছে ক'ৰোনাকেন্দ্ৰিক গৃহাবদ্ধতাই বহুতো নতুন নতুন কথা শিকাইছে। কেৱল সেয়াই নহয়— প্ৰকৃতিয়েও সলাইছে ৰূপ। এতিয়া সান্ধ্য আইন, তলাবন্ধৰ প্ৰভাৱ পৰি থকাৰ বাবে দেশৰ বিভিন্ন অঞ্চলত পৰিৱেশ প্ৰদূষণমুক্ত নহ'লেও অধিক প্ৰদূষিত হোৱাৰ পৰা ৰক্ষা পৰিছে। প্ৰকৃতিদেৱীয়েও যেন ন-কইনাৰ সাজ পিন্ধিছে। দেশৰ আন প্ৰান্তৰ লগতে অসমতো ইয়াৰ ছবিখন স্পষ্টভাৱে দেখা পোৱা যায়। চহৰ-নগৰ, গুৱাহাটী মহানগৰৰ পথ বিভাজক (ডিভাইডাৰ)ত থকা খালী ঠাইসমূহ এতিয়া পৰিপূৰ্ণ হৈছে বিভিন্ন ধৰণৰ গছ-লতা, ফুল আদিৰে।

মহানগৰীৰ পদপথ আৰু পথৰ মাজৰ পথ বিভাজক যেন দীঘলীয়া ফুল, সৰু সৰু গছ-গছনিৰে পৰিপূৰ্ণ এখন বাগিচাহে। ফুলনিখনে এতিয়া যেন দুই-এজাক বৰষুণ পোৱাৰ পাছত প্ৰাণ পাই উঠিছে। পুৱাৰ ৰ'দ-কাঁচলিয়ে পৰিৱেশটো সোণত সুৱগা চৰোৱাৰ দৰে হোৱা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। মানুহৰ ঘৰৰ পৰা আৰম্ভ কৰি পথৰ মাজৰ পথ বিভাজকৰ ফুলনি, গছ-গছনিলৈকে সকলোতে কেৱল নতুন পৰিৱেশ।

ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োফালে থকা কৃষ্ণচূড়া, এজাৰ, নাহৰ গছবোৰে প্ৰাণ পাই উঠিছে। কল-কাৰখানাৰ পৰা আৰম্ভ কৰি গাড়ী-মটৰলৈকে সকলোবোৰৰ পৰা ওলোৱা ধোঁৱা, বিষাক্ত পদাৰ্থৰ পৰিমাণ হ্ৰাস পোৱাৰ বাবে এই গছ-লতিকাবোৰে যেন মুক্তভাৱে উশাহ ল'বলৈ সুযোগ পাইছে। কিছুমান ঠাইত ঘাইপথৰ দুয়োকাষে থকা এই গছবোৰ এনেদৰে ফুলিবলৈ ধৰাত সৌন্দৰ্যৰ সমাহাৰ ঘটিছে। বিশেষকৈ গোৱালপাৰা, বঙাইগাঁও, কলিয়াবৰ, কামৰূপ, তেজপুৰ আদিৰ ঘাইপথৰ দুয়োকাষে থকা এই গছবোৰে পথটোক নতুন সাজ পিন্ধাইছে। কোনো প্ৰেমিক-প্ৰেমিকাই জিৰণি লৈ গছৰ তলত মনৰ কথাবোৰ পাতিবলৈকে যেন এই গছবোৰৰ ফুল ফুলিছে। উক্ত পথেৰে যোৱা বাটৰুৱাৰ এইবোৰ আকৰ্ষণীয় গছ-গছনি দেখিলে মনবোৰো জুৰ পৰে। ক্ষন্তেকৰ বাবে হ'লেও পাহৰি যায় দুখ-শোক আদি। পূৰ্বে নেদেখা দৃশ্যবোৰ সকলোৱে প্ৰত্যক্ষ কৰিব পাৰিছে। তাতোকৈ ডাঙৰ কথা হ'ল এইবোৰ গছৰ ডালত ওলমি থকা মৌ-বাহ। আজিকালি মৌ-বাহ দেখিবলৈ পোৱাটো পৰম সৌভাগ্য বুলিয়ে ক'ব লাগিব। প্ৰদূষণৰ কবলত পৰি লাহে লাহে মৌ-বাহবোৰ নোহোৱা হ'ল। অথচ এসময়ত এনেধৰণৰ মৌ-বাহ প্ৰায়সংখ্যক লোকৰ বস্তিৰ গছত ওলমি আছিল। আজিও কলিয়াবৰত ঘাইপথৰ কাষত দেখিবলৈ পোৱা যায় মৌ-বাহ।

কাজিৰঙাৰ ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰিৱেশ এতিয়া সুকীয়া। লাহে লাহে ওচৰৰ কল-কাৰখানাৰ পৰা ওলোৱা ধোঁৱা, বৰ্জনীয় পদাৰ্থৰ বাবে গছ-গছনিৰ পৰা আৰম্ভ কৰি জীৱ-জন্তুলৈকে ভাবুকি কঢ়িয়াই আনিছিল। পিছে বিগত এবছৰ ধৰি ক'ৰোনাকেন্দ্ৰিক পৰিস্থিতিৰ বাবে সৃষ্টি হোৱা সমস্যাই কল-কাৰখানাৰ পৰা ওলোৱা ধোঁৱা, বৰ্জনীয় পদাৰ্থ আদি নিয়ন্ত্ৰিত হৈছে।

উৎপাদনৰ ক্ষেত্ৰত লোকচানৰ সন্মুখীন হ'লেও প্ৰকৃতি লাভান্বিত হৈছে। বিগত এবছৰ ৰাষ্ট্ৰীয় উদ্যানখনৰ গছ-গছনিৰ লগতে জীৱ-জন্তুৱেও উশাহ ল'বলৈ আৰু এক শান্ত পৰিৱেশত ডাঙৰ-দীঘল হ'ব পাৰিছে। এয়া এক শুভ লক্ষণ বুলি ক'ব লাগিব। তদুপৰি কাজিৰঙাৰ চৌপাশে থকা কৃষ্ণচূড়া, ৰাধাচূড়া, এজাৰ, নাহৰৰ সৌন্দৰ্যই যেন কাজিৰঙাক প্ৰদান কৰিছে অন্য এক মৰ্যাদা। কাৰণ উদ্যানখনৰ কাষেদি যোৱা বাটৰুৱাৰ মন জুৰাইছে এক অনাবিল সৌন্দৰ্যই। সকলোকে হাত বাউলি মাতিছে কাজিৰঙাই। পিছে সান্ধ্য আইন, কণ্টেইনমেণ্ট জ'ন, ক'ভিডকেন্দ্ৰিক আতংকৰ বাবে এনে সৌন্দৰ্য উপভোগ কৰিবলৈ কোনোৱে যাব পৰা নাই। মনটো যেন উৰুঙা উৰুঙা। ৰাষ্ট্ৰীয় উদ্যানখনৰ কাষেৰে যোৱাসকলে সৌন্দৰ্য উপভোগ কৰিলেও গছৰ ছাঁত বহি মনৰ কথা পাতিব পৰা নাই— যেন ক'ৰবাৰ পৰা ক'ৰোনা ভাইৰাছে খেদি আহে। প্ৰকৃতিয়ে প্ৰাণ পোৱাত সহায় কৰিছে কাজিৰঙাৰ সৌন্দৰ্যই। স্মৃতি নহয়, এয়া বাস্তৱ।

প্ৰকৃতিৰ বুকুৰ পৰাই অক্সিজেন উৎপন্ন হয়। ইয়াৰ উৎস গছ-গছনি। পিছে প্ৰকৃতিক ধ্বংস কৰি উন্নয়নৰ বাবে স্থাপন কৰা কল-কাৰখানাই মানৱ জাতিৰ বাবে অপকাৰী কাৰ্বন-ডাই-অক্সাইড, কাৰ্বন-মনোক্সাইড আদিৰ সৃষ্টি কৰিছে। লাহে লাহে পৃথিৱীৰ উত্তাপ বৃদ্ধি হৈছে। আনকি কোনো দেশত তাপমাত্ৰা ৫০° চেলচিয়াছৰো ওপৰত পাইছেগৈ। কিছুমান ঠাইত আকৌ মানুহৰ বসবাসৰ অনুপযোগী হৈছে। সাগৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ ফলত বিশ্বৰ কে'বাখনো বাণিজ্যিক মহানগৰী সাগৰত ডুব যোৱাৰ উপক্ৰম হৈছে। এণ্টাৰ্কটীকা মহাদেশত উত্তাপ ২১° চেলচিয়াছ পৰ্যন্ত হৈছেগৈ। পিছে এনে এক ধ্বংসমুখী যাত্ৰাৰ সময়ত ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে সমগ্ৰ বিশ্বজুৰি চলিছে তলাবন্ধ, সান্ধ্য আইন, ভ্ৰমণত বাধা, আমদানি-ৰপ্তানি বন্ধ ইত্যাদি ইত্যাদি। পিছে এইবোৰ বন্ধ হোৱাত পৰিৱেশ প্ৰদূষিত হোৱাৰ পৰিমাণ হ্ৰাস পাইছে। সেইবাবে কিছুদিনৰ বাবে হ'লেও শান্ত হৈছে প্ৰকৃতি। উত্তাপো পূৰ্বৰ তুলনাত সামান্য পৰিমাণে হ্ৰাস পাইছে। এয়াও যেন ক'ৰোনাৰ কৃপাতেই প্ৰকৃতিৰ বাবে হোৱা লাভ। প্ৰকৃতিৰ এনে লাভে পিছে উপকৃত কৰিছে মানৱ জাতিক।

# বিদ্যুৎ চুৰিৰ মানসিকতা পৰিহাৰ কৰক

বিদ্যুৎ চুৰিৰ ঘটনা নতুন নহয়। বিগত সময়ছোৱাত বিদ্যুৎ চুৰিৰ ঘটনাৰ বিষয়ে সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাই আহিছে। উদ্যোগৰপৰা আৰম্ভ কৰি ঘৰুৱা ব্যৱহাৰলৈকে বহুতো লোকে বিদ্যুৎ চুৰি কৰি থকাৰ বিষয়ে সকলো জ্ঞাত। মৃতপ্ৰায় অৱস্থাৰ সৃষ্টি হোৱাত বহুতেই বিভাগটোৰ ভৱিষ্যতক লৈ চিন্তিত হৈছিল। প্ৰতিটো বিভাগ পৰিচালনাৰ ক্ষেত্ৰত বিষয়া-কৰ্মচাৰীৰ ভূমিকা গুৰুত্বপূৰ্ণ। যিদৰে ঘৰখনৰ উন্নতিৰ কাৰণে মুৰব্বীৰ লগতে পৰিয়ালৰ আন সদস্যসকলৰো ভূমিকা গুৰুত্বপূৰ্ণ, তেনেদৰে একোটা বিভাগৰো উন্নতিৰ ক্ষেত্ৰত মুৰব্বী বিষয়াজনকে ধৰি চতুৰ্থবৰ্গৰ কৰ্মচাৰীলৈকে সকলোৰে গুৰুত্বপূৰ্ণ ভূমিকা থাকে। ওপৰৱালা বিষয়াৰ সোপাঢিলা মনোবৃত্তি দেখিলে তলতীয়া কৰ্মচাৰীয়েও একে পথকে ল'বলৈ বাধ্য হয়।

অসমত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ক্ষেত্ৰতো এনে কথা প্ৰযোজ্য হয়। এনেবোৰ কাৰণতে পৰিষদক অসম শক্তি বিতৰণ কোম্পানী লিমিটেডলৈ পৰ্যবসিত কৰা হৈছিল। তেতিয়াৰেপৰা ৰাইজে এইক্ষেত্ৰত শুধৰণি হ'ব বুলি আশা কৰিছিল। পিছে ৰাইজৰ আশাত চেঁচা পানী ঢালি চলি থাকিল বিদ্যুতৰ চোৰাং বেহা। একাংশ অবিবেচক গ্ৰাহকৰ বাবে বৃহৎসংখ্যক গ্ৰাহকে ফল ভোগ কৰিবলগীয়া হ'ল। বিদ্যুৎ চুৰিৰ ঘটনা সঘনাই সংঘটিত হোৱাত কোম্পানীটোৱে বৃহৎ পৰিমাণৰ লোকচানৰ সন্মুখীন হ'বলগীয়া হ'ল। অৱশ্যে নতুন মন্ত্ৰী বিমল বড়াই কাৰ্যভাৰ গ্ৰহণ কৰিয়েই এ পি ডি চি এলত সংস্কাৰ সাধনৰ উদ্দেশ্যে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিল। মন্ত্ৰী বিমল বড়াৰ পদক্ষেপৰ বাবে এটাৰ পিছত আনটোকৈ বিদ্যুৎ চুৰিৰ ঘটনা পোহৰলৈ আহিবলৈ ধৰিলে। এনে চুৰিকাৰ্যত জড়িত থকা বিভাগীয় কৰ্মচাৰীৰ বিৰুদ্ধেও পদক্ষেপ লোৱাত ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। অন্ততঃ এনেধৰণৰ পদক্ষেপে ৰাইজৰ মনত কোম্পানীটোৰ প্ৰতি এটা ভাল মনোভাব গঢ় লৈ উঠিছে।

বিদ্যুৎ ব্যৱহাৰ কৰাৰ বিপৰীতে সকলোৱে মাচুল দিব লাগে। এয়া নিয়ম। যিমান বিদ্যুৎ ব্যয় কৰে সিমান মাচুল আদায় দিব লাগে। পিছে এনে বহুতো গ্ৰাহক আছে— যিসকলৰ বিল সময়মতে পৰিশোধ নকৰাৰ মানসিকতা আছে। এনে গ্ৰাহকে বিল পৰিশোধ কৰিব পাৰিলেও নকৰে। তদুপৰি আন একাংশ গ্ৰাহক আছে— যিসকলৰ বিলত ধনৰ পৰিমাণ কম কৰিবলৈ একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে মিলি গোপনে বিদ্যুৎ চুৰি কৰে। অৰ্থাৎ ৰিডিং আদিৰ ক্ষেত্ৰত এনে অনিয়ম সংঘটিত কৰে। এনেধৰণৰ কাৰ্য সম্পাদন কৰাৰ ফলত বিভাগটোৱে বৃহৎ পৰিমাণৰ লোকচানৰ সন্মুখীন হ'বলগীয়া হয়। তদুপৰি একাংশ এনে দুষ্ট প্ৰকৃতিৰ লোক আছে— যিসকলে গধূলি হোৱাৰ লগে লগে হাকোটা লগাই বিদ্যুৎ চুৰি কৰে। পুৱা হোৱাৰ লগে লগে হাকোটাডাল গুচাই থৈ দিয়ে। আন কিছু গ্ৰাহকে মিটাৰৰ ৰিডিঙত খেলিমেলি কৰে বিদ্যুৎ কৰ্মীৰ সহায়ত। এনেদৰে বিদ্যুৎ চুৰি হৈ থাকিলে নিশ্চয় কোম্পানীটোৰ লোকচান হ'ব। এ পি ডি চি এলে বিদ্যুৎ ক্ৰয় কৰাৰ নামত মাহিলি কোটি কোটি টকা ব্যয় কৰে। তেনেক্ষত্ৰত কোম্পানীয়ে

যোগান ধৰা বিদ্যুতৰ বিপৰীতে যদি ধন সংগ্ৰহ কৰিব নোৱাৰে তেনেহ'লে মাহে মাহে বৃহৎ পৰিমাণৰ লোকচান হ'ব।

এনেধৰণৰ লোকচানৰপৰা হাত সাৰিবলৈ সকলো গ্ৰাহককে ডিজিটেল মিটাৰ যোগান ধৰক। অসাধু গ্ৰাহকক নিয়ন্ত্ৰণ কৰিবলৈ হ'লে এনে ডিজিটেল মিটাৰৰ ব্যৱস্থা কৰিবই লাগিব। এনে কৰিলে বিদ্যুৎ চুৰি বহু পৰিমাণে ৰোধ হ'ব। কাৰণ ম'বাইল আদি ৰিচাৰ্জ কৰাৰ দৰে প্ৰতিমাহে ৰিচাৰ্জ কৰাৰ পাছতহে গ্ৰাহকে বিদ্যুৎ লাভ কৰিলে চুৰি প্ৰশ্নই উঠিব নোৱাৰে। যিমান টকাৰ ৰিচাৰ্জ কৰিব সিমান টকাৰ বিদ্যুৎ যোগান ধৰাৰ পাছত আপোনা-আপুনি এন্ধাৰত ডুব গ'লে পুনৰ ৰিচাৰ্জ নিশ্চয় কৰিব। তদুপৰি বিদ্যুৎ গ্ৰাহকসকলে উপলব্ধি কৰা উচিত যে যদিহে বিল সময়মতে পৰিশোধ নকৰে অথবা বিদ্যুৎ চুৰিৰ মানসিকতা পৰিহাৰ নকৰে তেনেহ'লে লাখ লাখ গ্ৰাহকৰ ক্ষতি হ'ব। গ্ৰাহকসকলে সহযোগিতা আগবঢ়ালেহে এ পি ডি চি এলে নতুন গতি লাভ কৰিব। নতুন শক্তিমন্ত্ৰীক ৰাইজে সহযোগ কৰক। বিদ্যুৎ চুৰিৰ ঘটনা জানিলে বিভাগক সকলোৱে অৱগত কৰক।

# আৰক্ষীৰ ড্ৰাগছবিৰোধী অভিযান আৰু ৰাইজৰ বিশ্বাস

অসম আৰক্ষী সম্পৰ্কে মানুহৰ মনত থকা বহুতো ধাৰণাৰ এতিয়া সলনি হ'ল। অকৰ্মণ্য বুলি বদনাম দিয়াসকলেই এতিয়া আৰক্ষীৰ কাৰ্যকলাপৰ বিষয়ে প্ৰশংসাত পঞ্চমুখ। সময়ৰ লগে লগে সকলোৰে দৃষ্টিভংগী সলনি হয়। কাৰোবাৰ প্ৰতি থকা নেতিবাচক মনোভাবৰো কিছুমান কাৰ্যই ইতিবাচক ৰূপ দিয়ে। বিগত বৰ্ষত সমগ্ৰ দেশজুৰি আৰম্ভ হোৱা ক'ৰোনা অতিমাৰীক প্ৰতিৰোধৰ বাবে আৰম্ভ কৰা হৈছিল 'তলাবন্ধ'। দেশবাসীয়েও উমৈহতীয়াভাৱে 'তলাবন্ধ' শব্দটোৰ স'তে পৰিচিত হয়। উপলব্ধি কৰিলে জৰুৰীকালীন সময়ত আৰম্ভ হোৱা তলাবন্ধৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে। বহুতো লোকে অন্ন-বস্ত্ৰৰ বাবে হাহাকাৰ কৰিবলগীয়া হ'ল। এনে পৰিস্থিতিৰ মাজত শংকিত জনসাধাৰণক বিভিন্নধৰণে সহায়ৰ হাত আগবঢ়াই পুনৰ

ৰাইজৰ মনত আস্থাভাজন হৈ পৰিল অসম আৰক্ষী। দুখীয়া লোকসকলক ঘৰে ঘৰে গৈ খাদ্য সামগ্ৰী যোগান ধৰাৰ উপৰি কিলোমিটাৰ দূৰৈৰ পৰা আনি দিলে ঔষধ। আনকি কোনো কোনো ঠাইত এশ কিলোমিটাৰ পথ মটৰ চাইকেল চলায়ো ৰ'দে-বৰষুণে আনি দিলে ঔষধ। কেৱল সেয়াই নহয়— বহিঃৰাজ্যৰ পৰা কষ্ট কৰি খোজকাঢ়ি আহি ৰাজ্যত প্ৰৱেশ কৰিবলৈ যাওঁতে গাড়ীৰে আগবঢ়াই থ'লে কিছুদূৰ পথ। লাহে লাহে পৰিস্থিতি কিছু নিয়ন্ত্ৰণলৈ অহাৰ পাছতো আৰক্ষীয়ে পাৰ্যমানে সহায়-সহযোগিতা আগবঢ়ালে। এতিয়া ৰাইজে উপলব্ধি কৰিছে যে আৰক্ষীয়ে শান্তি-শৃংখলা ৰক্ষাৰ কামত নিয়োজিত হৈ থাকিলেও তেওঁলোকো যে মানৱদৰদী লোক। কেৱল অপৰাধীক গ্ৰেপ্তাৰ কৰাতে আবদ্ধ নাথাকে বিপদত পৰা লোককো সহায় কৰে।

শেহতীয়াভাৱে আৰক্ষীয়ে ড্ৰাগছবিৰোধী অভিযান চলাই নিষিদ্ধ ড্ৰাগছ জব্দ কৰাৰ লগতে এনে দুষ্কাৰ্যত জড়িত দুৰ্ধৰ্ষ ব্যৱসায়ীকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে জিলা পৰ্যায়ত আৰক্ষীৰ ব্যাপক সাল-সলনিৰ পাছতে ৰাজ্যৰ প্ৰতিটো অঞ্চলতে চলিছে ড্ৰাগছবিৰোধী অভিযান। এই অভিযানত দিনে-নিশাই যিদৰে অভিযান চলাইছে সেয়া অসমৰ ইতিহাসত কাহানিও হোৱা নাই। আটাইতকৈ উল্লেখযোগ্য দিশ হ'ল এনে অভিযানত দিশহাৰা হৈ পৰিছে ড্ৰাগছ ব্যৱসায়ীসকল। সেয়েহে আৰক্ষীক বিভিন্নধৰণে প্ৰলোভন দিবলৈ চেষ্টা অব্যাহত ৰাখিছে। এনে প্ৰলোভনৰ জালত নপৰি নিজৰ কৰ্তব্য পালন কৰি শীৰ্ষ বিষয়াৰদ্বাৰা পুৰস্কৃত হ'ল বৰছিং বে। কাৰ্বি আংলং জিলাত নিয়োজিত গৃহৰক্ষী জোৱানজনে যোৱা ২১ জুনৰ নিশা কাৰ্বি আংলঙৰ ডিলাই থানাত নিয়োজিত কৰ্তব্য সম্পাদন কৰোতে নিশা এখন বাহনত তালাচী চলোৱা সময়ত বে'ক ধনৰ টোপোলা উপঢৌকন হিচাপে ড্ৰাগছ ব্যৱসায়ীয়ে আগবঢ়ালেও তেওঁ সেই প্ৰলোভনৰ জালত নপৰি ড্ৰাগ্‌ছ জব্দ কৰাৰ লগতে ব্যৱসায়ীক গ্ৰেপ্তাৰো কৰিছিল। এই ঘটনাটো সামাজিক মাধ্যমত প্ৰকাশ হোৱাৰ লগে লগে সকলোৱে বে'ক প্ৰশংসাৰে ওপচাই দিয়ে। এনে কাৰ্যৰ বাবে বে' গৃহৰক্ষীৰ পৰা কনিষ্টবললৈ পদোন্নতি লাভ কৰে। কেইমাহমান পূৰ্বে গুৱাহাটী মহানগৰীৰ মাজমজিয়াত প্ৰচণ্ড ধুমুহা-বৰষুণৰ মাজতো ট্ৰেফিক

পইণ্টত কৰ্তব্য সম্পাদন কৰাৰ বিষয়েও সামাজিক মাধ্যমত প্ৰচাৰ হোৱাৰ পাছতে তেওঁকো বিভাগে পুৰস্কাৰ আগবঢ়াইছিল। কেইদিনমান পূৰ্বে নলবাৰীত দুৰ্ধৰ্ষ ডকাইতৰ দল এটাক গুলিয়াই আহত কৰাৰ পাছত আৰক্ষীৰ দলটোক সম্বৰ্ধনা জ্ঞাপন কৰা হৈছিল। নিজৰ জীৱনকো বিপন্ন কৰি অহৰ্নিশে কৰ্তব্য সম্পাদন কৰা আৰক্ষীক অসমৰ সকলোৱে সহযোগ কৰিবই লাগিব। কেৱল সহযোগিতাই নহয়— তেওঁলোকক সম্পাদিত কৰা কৰ্তব্যৰ বাবে প্ৰশংসাৰেও ওপচাই দিব লাগিব।

এতিয়া চৰকাৰে আৰক্ষীক বাধাহীনভাৱে ক্ষমতা অৰ্পণ কৰাৰ বাবে বিগত কে'বামাহত ৰাজ্যখনত ঘটি থকা অপৰাধমূলক কাৰ্যকলাপৰো সংখ্যা বহু পৰিমাণে হ্ৰাস পাইছে। ড্ৰাগ্ছ, মাদকদ্ৰব্য আদিৰ বাবেই বেছি অপৰাধ হৈ আহিছে। যদিহে এনেদৰে আৰক্ষীয়ে বাধাহীনভাৱে ড্ৰাগ্ছ সৰবৰাহ আৰু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰি পুলিয়ে-পোখাই উৎখাত কৰিলে অপৰাধমূলক কাৰ্যকলাপো বহুগুণে হ্ৰাস পাব। নৱ-প্ৰজন্ম ধ্বংসমুখী হোৱাটো প্ৰতিৰোধ হ'ব।

# এশ শতাংশ প্ৰতিষেধক গ্ৰহণ কৰা দেশৰ প্ৰথমখন ৰাজ্য হওক অসম

অসমত নিতৌ তিনি লাখকৈ ক'ভিড প্ৰতিষেধক প্ৰদান কৰাৰ অভিযান ইতিমধ্যে আৰম্ভ হৈছে। অহা ১৫ আগষ্টৰ পূৰ্বে ৰাজ্যখনৰ প্ৰতিগৰাকী ব্যক্তিয়ে অন্ততঃ এটাকৈ হ'লেও ক'ভিড প্ৰতিষেধক লাভ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণাৰ পাছতে ৰাজ্যৰ প্ৰতিখন জিলাত আৰম্ভ হৈছে এই অভিযান। মুখ্যমন্ত্ৰীৰ তৎপৰতাত আৰম্ভ হোৱা এই অভিযানে ৰাইজক মানসিকভাৱে শক্তিশালী কৰিব। ক'ভিডকালীন ভয়াৱহ পৰিস্থিতিত মুখ্যমন্ত্ৰীৰ এই প্ৰচেষ্টা শলাগ ল'বলগীয়া। ক'ভিডৰ বিৰুদ্ধে যুঁজিবলৈ হ'লে চৰকাৰে বান্ধি দিয়া নিয়ম-নীতি কঠোৰভাৱে মানি চলাৰ লগতে প্ৰতিষেধকো গ্ৰহণ কৰিব লাগিব। সাধাৰণতে প্ৰায়সংখ্যক লোকৰে প্ৰতিষেধক গ্ৰহণৰ ক্ষেত্ৰত অনীহা দেখা যায়। নহ'লেতো চৰকাৰে

বিভিন্ন ৰোগৰ প্ৰতিষেধক ল'বলৈ একো একোটা বিশেষ দিনত আহ্বান জনাবলৈ বিজ্ঞাপন দিবলগীয়া হয়নে? ক'ভিড- ১৯ৰ প্ৰতিষেধকৰ ক্ষেত্ৰত প্ৰায়সংখ্যক লোকৰে মনোভাব কিছুপৰিমাণে হ'লেও ব্যতিক্ৰম হৈছে। এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যা দেখি প্ৰতিষেধক ল'বৰ বাবে আগ্ৰহী হৈছে। অৱশ্যে প্ৰথম অৱস্থাত প্ৰতিষেধক চাহিদা অনুপাতে উৎপাদন নোহোৱাত বহুতে প্ৰতিষেধক কেন্দ্ৰলৈ গৈ বিফল মনোৰথে ঘৰলৈ উভতি আহিবলগীয়া হৈছিল। সমগ্ৰ দেশতেই এই ছবিখন ফুটি উঠিছিল। অৱশ্যে দেশৰ বহুতো ৰাজ্যৰ তুলনাত অসমত বহুতেই প্ৰতিষেধক লাভ কৰিছিল। তদুপৰি প্ৰথম অৱস্থাত চিকিৎসালয়ত প্ৰতিষেধক মজুত আছিল যদিও ক'ভিডৰ ঢৌ হ্ৰাস পোৱাৰ বাবে প্ৰতিষেধক ল'বলৈ আগবাঢ়ি অহা লোকৰ সংখ্যা কম আছিল। পিছে মে'ৰ পিছত এই ৰোগত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰাত হঠাতে বৃহৎসংখ্যক প্ৰতিষেধকৰ প্ৰয়োজন হোৱাত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশেষ পদক্ষেপ গ্ৰহণ কৰি নিতৌ তিনি লাখ প্ৰতিষেধক প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰি লৈছে।

প্ৰতিষেধক ল'বলৈ সকলোৰে আগবাঢ়ি অহা উচিত। ইতিমধ্যে কিছুমান ঠাইত বিশেষকৈ বাগিচা অঞ্চলত প্ৰতিষেধকক লৈ উৰাবাতৰিও ওলাইছে। আনকি এনেধৰণৰ প্ৰতিষেধক লোৱাৰ পাছত পৌৰুষত্ব হেৰুৱাই বুলি উৰাবাতৰি প্ৰচাৰ কৰাত বহুতেই ল'বলৈ আগ্ৰহ প্ৰকাশ কৰা নাই। যিসকলে উৰাবাতৰি প্ৰচাৰ কৰিছে সেইসকলে প্ৰতিষেধক প্ৰদানৰ প্ৰক্ৰিয়াটো সুচাৰুৰূপে সম্পাদন হোৱাত ব্যাঘাত জন্মাব খুজিছে। প্ৰতিষেধক প্ৰদান সন্দৰ্ভত ৰাইজক সজাগ কৰি থকাৰ মাজতো এনেধৰণৰ উৰাবাতৰি প্ৰচাৰ হোৱাটোৱে এই কথাকে প্ৰমাণ কৰিছে যে বিজ্ঞানৰ চৰম অগ্ৰগতিৰ সময়তো আমি ক'ৰবাত পিছ পৰি আছো। অৱশ্যে সাংসদ আৰু বিধায়কসকলে এনেবোৰ অঞ্চলৰ ৰাইজক বুজাই-বঢ়াই প্ৰতিষেধক ল'বলৈ কেন্দ্ৰসমূহলৈ অনাৰ ক্ষেত্ৰত চেষ্টাৰ ত্ৰুটি কৰা নাই। এয়া এক ইতিবাচক দিশ বুলিয়েই ক'ব লাগিব।

বিগত কেবাদিনো ৰাজ্যৰ প্ৰতিষেধক কেন্দ্ৰসমূহত ৰাইজৰ ভিৰ হৈছে। আনকি পুৱতিনিশাৰ পৰাই বহুতে প্ৰতিষেধকৰ বাবে শাৰী পাতিছে। এয়া এক শুভ লক্ষণ বুলিয়েই ক'ব লাগিব। প্ৰতিষেধক লোৱাৰ পাছত আক্ৰান্তৰ

সংখ্যাও লাহে লাহে হ্ৰাস পাব। তেতিয়া পূৰ্বৰ দৰে অৱস্থা ঘূৰি আহিব। মানুহে স্বাভাৱিক অৱস্থা ঘূৰি নহালৈকে কোনোৱে কাম-কাজ স্বাভাৱিকভাৱে সম্পাদন কৰিব নোৱাৰিব। ফলত উন্নয়নৰ ক্ষেত্ৰত আমি বহু পিছপৰি যাম। ইতিমধ্যে বিশ্বৰ কেবাখনো দেশত এশ শতাংশ প্ৰতিষেধক প্ৰদান কৰা হৈছে। ভাৰতত সেই ছবিখন এতিয়াও বহু দূৰৈত। অৱশ্যে জনসংখ্যাৰ গাঁথনিৰ পৰা বিশ্লেষণ কৰিলে দেখা যায় যে একো একোখন দেশৰ জনসংখ্যা অসমতকৈ কম। গতিকে তেনেবোৰ দেশত এশ শতাংশ প্ৰতিষেধক শীঘ্ৰে প্ৰদান কৰাটো স্বাভাৱিক কথা। ভাৰতৰ দৰে দেশ এখনত এয়া তৎক্ষণাতে সম্পন্ন কৰাটো সম্ভৱ নহয়। অসমতো একেই ছবি ফুটি উঠিছে যদিও মুখ্যমন্ত্ৰী ড° শৰ্মাই গ্ৰহণ কৰা পদক্ষেপৰ ফলত শীঘ্ৰে এশ শতাংশ প্ৰতিষেধক গ্ৰহণ কৰা ৰাজ্য হিচাপে অসমো পৰিগণিত হ'ব। দেশৰ ভিতৰতে অসম হওক এখন আদৰ্শ ৰাজ্য। স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত অসমৰ বাসিন্দাসকল যে সচেতন সেয়া প্ৰমাণ কৰাৰ এয়াই সোণালী সুযোগ।

# দুৰ্নীতিমুক্ত অসম কেতিয়া সম্ভৱ হ'ব

চৰকাৰে দুৰ্নীতি নিবাৰণৰ বাবে চৰকাৰে বিগত সময়ত বহুতো পদক্ষেপ গ্ৰহণ কৰিছে। কঠোৰ পদক্ষেপ গ্ৰহণৰ পাছতো বিগত সময়ছোৱাত কিছুমান বিভাগত একাংশ ঘোচখোৰ বিষয়াই উৎকোচ লৈ হাতে-লোটে ধৰা পৰাৰ ঘটনা সংঘটিত হৈছে। যিমানেই কঠোৰ আইন তথা ব্যৱস্থা গ্ৰহণ নকৰক কিয়— একাংশ বিষয়া-কৰ্মচাৰীৰ মনোভাব সলনি নহ'ল। এইসকলক প্ৰতিৰোধ কৰিবলৈ হ'লে চৰকাৰে এটি নতুন নিয়ম কৰক। যিসকল বিষয়া-কৰ্মচাৰীয়ে নিয়ম-নীতি নামানে আৰু উৎকোচ লোৱা বুলি অভিযোগ উত্থাপিত হয় তেনে বিষয়া-কৰ্মচাৰীৰ বছৰি আয় আৰু বছৰি বৃদ্ধি পোৱা সম্পত্তিৰ পৰিমাণ চৰকাৰে হিচাপ ল'ব লাগে। এইক্ষেত্ৰত হিচাপ পৰীক্ষণৰ বাবে বিশেষ দল গঠন কৰা উচিত। এনে দল

বা পৰ্যবেক্ষকৰ কাম হ'ব সন্দেহজনক বিষয়া-কৰ্মচাৰীসকলৰ বাৰ্ষিক দৰমহা বৃদ্ধি তথা আন ব্যৱসায়িক উৎসৰ পৰা লাভ কৰা ধন আৰু প্ৰতিবছৰে বৃদ্ধি পোৱা সম্পত্তিৰ হিচাপ উলিয়ালেই প্ৰকৃত ছবিখন ওলাই পৰিব। প্ৰতিটো বিভাগতে যদি চৰকাৰে এনে পদক্ষেপ গ্ৰহণ কৰে তেনেহ'লে বহু পৰিমাণে দুৰ্নীতি প্ৰতিৰোধ হ'ব। কিছুমান লোকক যিমানেই সতৰ্ক বা সকীয়নি নিদিয়ক কিয়— তেওঁলোকে সুযোগ পালেই দুৰ্নীতি-অনিয়মত লিপ্ত হ'বই। সেইবাবে এনে বিষয়া-কৰ্মচাৰীক নিয়ন্ত্ৰণ কৰিবলৈ হ'লে চৰকাৰে এনেধৰণৰ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবই লাগিব।

আয়-ব্যয় আৰু সম্পত্তি আহৰণৰ মাজত বহুতৰেই সামঞ্জস্য নাথাকে। এনে হ'লে ইয়াৰ বিচাৰ কৰি শাস্তি বিহাৰ ব্যৱস্থা কৰিলেও দুৰ্নীতি-অনিয়ম বহু পৰিমাণে হ্ৰাস পাব। বহুতে বছৰি আয়তকৈ সম্পত্তি ইমানেই বেছিকৈ আহৰণ কৰে যে সেয়া সকলোৰে চকুত পৰে। ওচৰ-চুবুৰীয়াৰ কথা বাদেই— অফিচৰ বহুতো কৰ্মচাৰী জ্ঞাত, পিছে বিভিন্ন কাৰণত মুখ নোখোলে। সম্পত্তি আহৰণ কৰাৰ সকলোৰে অধিকাৰ আছে। পিছে সেই সম্পত্তি কৰোতে ক'ৰ ধন ব্যয় কৰিছে সেয়াও স্পষ্ট হ'ব লাগিব। বছৰি পাঁচ লাখ টকা আয় কৰা ব্যক্তিগৰাকীয়ে যদি বিশ লাখ টকাৰ সম্পত্তি কৰে (এবছৰত) তেতিয়া তেওঁৰ উৎসসমূহ তন্ন তন্নকৈ পৰীক্ষা কৰিবলৈ বিভাগীয়ভাৱে দল এটা গঠন কৰিব লাগে— যিয়ে সময়ত চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব। বিসংগতি হ'লেই শাস্তি দিয়াই নহয়, উপাৰ্জন কৰা সম্পত্তিতকৈ দুগুণ অৰ্থ জৰিমনাও বিহিব লাগে। নহ'লে ভৱিষ্যতে নৱপ্ৰজন্মক দুৰ্নীতিৰ পৰা মুক্ত কৰাটো সম্ভৱ নহ'ব।

সকলোৱে এইক্ষেত্ৰত সহযোগো আগবঢ়াব লাগিব। চৰকাৰে বিগত পাঁচ বছৰত দুৰ্নীতি প্ৰতিৰোধৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰিছে সেয়া আদৰণীয়। দুৰ্নীতিমুক্ত অসম গঢ়াৰ বাবে চৰকাৰৰ লগতে ৰাইজেও সহযোগিতা আগবঢ়াব লাগিব। কাৰণ ৰাইজৰ মাজৰে দুই-এজনে যদি উৎকোচ আগবঢ়াই বিষয়া-কৰ্মচাৰীক দুৰ্নীতি কৰিবলৈ সুযোগ দিয়ে, তেনেদৰে দুৰ্নীতি দূৰীকৰণত ৰাইজৰ ভূমিকাও গুৰুত্বপূৰ্ণ। বিষয়া-কৰ্মচাৰীৰ জৰিয়তে কাম হাচিল কৰিবলৈ যিসকলে উৎকোচ আগবঢ়ায় তেওঁলোকো দুৰ্নীতি সংঘটিত

কৰাত সমানেই দোষী। উৎকোচ ল'লে যিদৰে ধৰা পৰিলে গ্ৰেপ্তাৰ কৰা হয়, তেনেদৰে উৎকোচ দিয়াজনৰ বিষয়ে জ্ঞান হ'লেও তেওঁৰ বিৰুদ্ধেও আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। প্ৰয়োজন হ'লে বিভিন্ন ঠাইত চি চি টিভি কেমেৰা স্থাপনৰ ব্যৱস্থা কৰিলেও নিশ্চয় ধৰা পৰিব। মুঠতে দুৰ্নীতি কৰোতা, উৎকোচ লোৱা, উৎকোচ দিওঁতা আদি সকলোকে কঠোৰৰ পৰা কঠোৰতম শাস্তি বিহিলেও ভয় পাব। অৰ্থ দণ্ডৰ পৰিমাণ বেছি হ'লেও বহুতেই সতৰ্ক হ'ব। আনহাতে, ৰাইজে যদি কোনো বিষয়া-কৰ্মচাৰীয়ে দুৰ্নীতি সংঘটিত কৰাৰ বিষয়ে জানিব পাৰিলে দুৰ্নীতি নিবাৰক শাখাক গোপনে যিমান সোনকালে পাৰে অৱগত কৰিব লাগে। তেতিয়া দুৰ্নীতি নিবাৰণ কৰাটো বহু পৰিমাণে সম্ভৱ হ'ব। মনত ৰাখিব যিমানেই দুৰ্নীতি নিবাৰণ শাখাক পলমকৈ খবৰ দিব সিমানেই দুৰ্নীতিয়ে গভীৰভাৱে সমাজৰ প্ৰতিটো স্তৰতে শিপাই পৰিব। তেতিয়া আকৌ সমাজ-জীৱনলৈ অশুভ সংকেত কঢ়িয়াই আনিব। সমাজৰ প্ৰতিটো স্তৰৰ লোকে সংকল্প লওক এখন দুৰ্নীতিমুক্ত অসম গঢ়াৰ।

# চৰকাৰী কাৰ্যালয় ঃ কৰ্মসংস্কৃতি আৰু সোণৰ অসম গঢ়াৰ সপোন

২০১৮ চনৰ ৩১ জানুৱাৰীত ইংলেণ্ডৰ হাউছ অৱ লৰ্ডছৰ সাংসদ লৰ্ড বেটছে সংসদত এক মিনিট সময় পলমকৈ উপস্থিত হোৱাৰ বাবে পদত্যাগ কৰিছিল। মাত্ৰ এক মিনিট পলমকৈ হাউছ অৱ লৰ্ডছত উপস্থিত হোৱা বিষয়টো সিমান একো ডাঙৰ বিষয় নাছিল। পিছে ভদ্ৰ দেশৰ নাগৰিকেই হওক বা জনপ্ৰতিনিধিয়েই হওক সকলোৱে ব্যক্তিগত স্বাৰ্থতকৈ দেশৰ স্বাৰ্থক অধিক গুৰুত্ব দিয়ে। এখন দেশৰ জনপ্ৰতিনিধিৰ বাবে এক মিনিট সময়ো মহামূল্যৱান। বেটছৰ দেশৰ প্ৰতি থকা দায়িত্ববোধ আৰু আদৰ্শই দেশখনৰ নাগৰিকৰ মনত বিশেষ ৰেখাপাত কৰিছিল। পিছে ভাৰতত এনে এখন ছবি সংসদৰ মজিয়াতেই হওক অথবা কোনো বিধানসভাত কল্পনা কৰিব পাৰিনে? নিশ্চয় নোৱাৰি। ভাৰতত চৰকাৰী কাৰ্যালয়বোৰত ‘পাঞ্চিং মেচিন’ থকাৰ

পাছতো কৰ্মীসকল নিজৰ ইচ্ছামতেই থাকে। মন গ'লে পলমকৈ কাৰ্যালয়লৈ আহে আৰু ইচ্ছামতেই ওলাই যায়। আনকি কিছুমানে সময়ত উপস্থিত হৈ পাঞ্চিং মেচিনত পাঞ্চিং কৰি কাৰ্যালয়ৰ পৰা ওলাই গৈ নিজৰ কাম সম্পাদনৰ পাছত পুনৰ কাৰ্যালয়ত উপস্থিত হয়। এনে কাৰ্যৰ দ্বাৰা কৰ্মচাৰীজনে সময়ত উপস্থিত হোৱা দেখুৱালে যদিও পৰোক্ষভাৱে ফাঁকি মাৰিলে। লোকচান কাৰ্যালয়ৰ লগতে ৰাজ্যখনৰ নহ'বনে?

এতিয়া দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে এক অভাৱনীয় পৰিস্থিতি হৈছে। সান্ধ্য আইনৰ বাবে সকলোৱে মুকলিভাৱে ঘূৰা ফুৰা কৰিব পৰা নাই। আনকি চৰকাৰী চাকৰিয়ালসকলেও (যিসকল যোৱাটো বাধ্যতামূলক) ঘৰৰ বাহিৰলৈ ওলোৱাৰ ক্ষেত্ৰতো সীমাবদ্ধতা আছে। পিছে এনে সুযোগ লৈ আকৌ বহুতে নিজৰ কৰ্তব্যতো ফাঁকি দিছে। এয়া নিজৰ লগতে ৰাজ্যখনৰ বাবে শুভ লক্ষণ নহয়। কাৰণ দুৰ্যোগপূৰ্ণ অৱস্থাৰ বাবে চৰকাৰে এবছৰতকৈও বেছি সময় প্ৰায়সংখ্যক কৰ্মচাৰীকে উপস্থিতিৰ ক্ষেত্ৰত ৰেহাই দিছে। এতিয়া কিছুসংখ্যক কৰ্মচাৰীৰেই প্ৰশাসন যন্ত্ৰ চলাই আছে। ফলত ৰাজ্যখনৰ কাম-কাজ যিমান দ্ৰুতগতিত আগবাঢ়িব লাগিছিল সেয়া হোৱা নাই। এতিয়াও পিছে একাংশ কৰ্মচাৰীয়ে পাঞ্চিং মেচিনকেই অংগুষ্ঠ প্ৰদৰ্শন কৰি আছে। বহুতো কৰ্মচাৰীয়ে উপলব্ধি কৰা নাই যে চৰকাৰী কাম-কাজ যদি সঠিকভাৱে সম্পাদিত নহয় তেতিয়া চৰকাৰ এখনে দেশ বা ৰাজ্যখনক কেনেদৰে আগুৱাই নিব পাৰিব? চৰকাৰে কৰ্মচাৰীক দৰমহা দিয়ে। বিনিময়ত কৰ্মচাৰীয়ে কাম কৰিব লাগে যদিও কিছুমানে 'ফাঁকি' মাৰিয়েই আছে। কেৱল সচিবালয় কঠোৰ হ'লেই নহ'ব— আন ক্ষেত্ৰতো হোৱা উচিত। এতিয়াও কিছুমান বিভাগৰ কাৰ্যালয়ত, বিশেষকৈ মহানগৰীৰ বাহিৰত চৰকাৰী ফাইল পৰি আছে।

ক'ভিডসৃষ্ট পৰিৱেশৰ মাজতো চৰকাৰে কৰ্মচাৰীসকলক নিয়মীয়াকৈ দৰমহা দিয়াই নহয়, আন বহুতো সুযোগ দিছে। ইয়াৰ পাছতো ফাঁকি দিয়া কৰ্মচাৰী আছে। চৰকাৰে এই সময়তো এক লাখ নিবনুৱা যুৱক-যুৱতীক চাকৰি দিব বুলি প্ৰতিশ্ৰুতি দিছে। এইসকলে যাতে এক সুন্দৰ কৰ্মসংস্কৃতিৰ মাজত চাকৰি জীৱন আৰম্ভ কৰিব পাৰে তাৰ প্ৰতি আদৰ্শ দেখুৱাব লাগিব

জ্যেষ্ঠ কৰ্মীয়ে। কাৰণ আমি সকলোৱে সদায় ক'ৰোনা ক'ৰোনা বুলি ঘৰত বহি থাকিলেও নহ'ব। এনে পৰিস্থিতিৰ স'তে সহবাস কৰিহে এতিয়া কাম কৰিব লাগিব। চৰকাৰ তথা স্বাস্থ্য বিভাগে যিবোৰ নিয়ম-নীতি মানি চলিবলৈ পৰামৰ্শ আগবঢ়াইছে সেইবোৰ মানি চলিয়েই কৰ্মসংস্কৃতি গঢ়ি তুলিব লাগিব। সাৱধানৰ বিপদ নহয়।

কৰ্মসংস্কৃতি বুলি চিঞৰি থাকিলেই কৰ্মসংস্কৃতি গঢ়ি নুঠে। যেতিয়ালৈকে প্ৰতিগৰাকী নাগৰিক নিজৰ কৰ্তব্য-দায়িত্ববোধ সম্পৰ্কে সচেতন নহয় তেতিয়ালৈকে কোনো কাৰণতে উপযুক্ত কৰ্মসংস্কৃতি গঢ়ি নুঠে। পাঞ্চিং মেচিনৰ প্ৰয়োজন নোহোৱাকৈ যিদিনাৰ পৰা কৰ্মচাৰীয়ে কাৰ্যালয়ত নিৰ্দিষ্ট সময়তকৈ আগতেই উপস্থিত হ'ব তেতিয়াৰে পৰাহে কৰ্মসংস্কৃতি আৰম্ভ হ'ব। এক মিনিট পলমকৈ উপস্থিত হোৱাৰ মানসিকতা পৰিহাৰ কৰিবই লাগিব। নতুন চৰকাৰ তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া বাস্তৱত ৰূপায়িত হ'লে গঢ়ি উঠিব কৰ্মসংস্কৃতি। কৰ্মসংস্কৃতিয়েই অসমক উন্নতিৰ পথত আৰু এখোপ নিশ্চয় আগবঢ়াই নিব।

# অশুভ সংকেত ঃ
# ড্ৰাগছৰ কবলত অসম

কিছুবছৰ আগলৈকে পঞ্জাবত বৰবিহসদৃশ ড্ৰাগছৰ ভয়াৱহ প্ৰচলনক লৈ সকলোৰে মাজত চৰ্চা হৈছিল। ড্ৰাগছৰ কবলত পৰি যুৱশক্তি কিদৰে পংগু হোৱাৰ দিশে আগবাঢ়ি গৈছে তাৰ ভয়ংকৰ ছবিখন স্পষ্ট হোৱাত বিষয়টোৱে দেশজুৰি চৰ্চা লাভ কৰে। নিৰ্মাণ হ'ল কে'বাখনো ছবি। পঞ্জাবৰ ড্ৰাগছ সৰবৰাহ, যুৱশক্তি ইয়াৰ প্ৰতি কিদৰে আসক্ত হৈ অপৰাধৰ জগতখনত খোজ পেলায় সেই সকলোবোৰ তথ্য চলচ্চিত্ৰৰ মাধ্যমত প্ৰতিফলিত হোৱাৰ পাছত দেশজুৰি ইয়াকে লৈ চাঞ্চল্যৰ সৃষ্টি হয়। সকলোৰে মনত এটাই প্ৰশ্ন— ইমান বৃহৎ পৰিমাণৰ ড্ৰাগছ পঞ্জাবলৈ আহে ক'ৰ পৰা? আৰক্ষী-প্ৰশাসনৰ লোকে তালাচী চলোৱাৰ লগতে পহৰা দিয়াৰ মাজতে অপৰাধীয়ে কেনেকৈ ড্ৰাগছ সৰবৰাহ কৰাৰ লগতে বিক্ৰী কৰিব পাৰিছে বুলিও বহুতে প্ৰশ্ন উত্থাপন কৰিছে।

শেহতীয়াভাৱে আৰক্ষীয়ে ৰাজ্যজুৰি চলোৱা ড্ৰাগছবিৰোধী অভিযানত যি বৃহৎ পৰিমাণৰ বিভিন্ন নিচাজাতীয় ঔষধ, ড্ৰাগছ আদি জব্দ কৰাৰ লগতে ইয়াৰ স'তে জড়িত লোকক গ্ৰেপ্তাৰ কৰাৰ পৰিসংখ্যাই এটা কথা স্পষ্ট কৰিছে যে এতিয়া অসমত ড্ৰাগছৰ প্ৰচলন পঞ্জাবতলৈ কোনোগুণে কম নহয়। ৰাজ্যখনৰ চহৰাঞ্চলৰ কথা বাদেই— গ্ৰামাঞ্চললৈ যিদৰে ড্ৰাগছে শিপাইছে সেয়া এদিনতে হোৱা নাই। নতুবা এমাহ বা এবছৰত গঢ় লৈ উঠা নাই ড্ৰাগছৰ বৃহৎ সাম্ৰাজ্য। ড্ৰাগছে ৰাজ্যখনৰ চুকে-কোণে এনেদৰে শিপাইছে যে এতিয়া এই চক্ৰবেহুৰ পৰা নৱপ্ৰজন্ম উদ্ধাৰ হোৱাটোৱে এক প্ৰত্যাহ্বান হৈ পৰিছে। পিতৃ-মাতৃ, অভিভাৱকৰ বাবেও সন্তানক এই বৰবিহৰ পৰা আঁতৰাই ৰখাটো যেন প্ৰত্যাহ্বান হৈছে। পিছে ইয়াৰ মাজতে এটি প্ৰশ্নৰ উদয় হয়— এই ড্ৰাগছৰ বেহাক প্ৰশ্ৰয় দিছে কোনে? নিজৰ সন্তানৰ দোষ-গুণ বিচাৰ কৰাৰ পৰিৱৰ্তে সমাজৰ আন শ্ৰেণীৰ ওপৰত দোষ জাপি দি যিসকলে ধৃতৰাষ্ট্ৰৰ ভূমিকা লৈকে তেওঁলোকৰ সন্তানেহে এই অন্ধকাৰ জগতখনৰ গভীৰলৈ সোমাই গৈছে। এনে বহুতো পৰিয়াল আছে— যিবোৰৰ সন্তানে ড্ৰাগছ সেৱন কৰা বা বিপথে পৰিচালিত হোৱাৰ বিষয়ে জনা হোৱাৰ পাছতো এয়া সময়ৰ আহ্বান বুলিহে গণ্য কৰিছে। অথবা ওচৰ-চুবুৰীয়াৰ দৃষ্টিৰ পৰা সন্তানক আঁতৰাই ৰাখিবলৈ আনৰ স'তে মিলা-মিচা বন্ধ কৰি দিছে। আনৰ স'তে মিলা-মিচা কৰিলে ড্ৰাগছ সেৱন কৰা বা বিপথে পৰিচালিত হোৱাৰ কথা গম পাব বুলিয়ে প্ৰথম অৱস্থাত বিষয়টো গোপনে ৰাখে। ফলত সন্তানেও দুগুণ উৎসাহিত হৈ লাহে লাহে আৰম্ভ কৰে উৎপাত। প্ৰথম অৱস্থাত পিতৃ-মাতৃক ধমক দিয়া, ঘৰৰ পৰা ধন চুৰি কৰা, গোপনে মূল্যৱান বস্তু বিশেষকৈ সোণ-ৰূপৰ গহনা আদি বিক্ৰী কৰিবলৈ লয়। বিচৰা ধন নাপালে পিতৃ-মাতৃক মাৰধৰ কৰা, আনকি হত্যা কৰাৰ ঘটনাও সংঘটিত হৈছে। ঘৰৰ পৰা লাহে লাহে বাহিৰলৈ গৈ চুৰি-ডকাইতি, হত্যাকাণ্ডৰ লগতে আন বহুতো অপকৰ্মত লিপ্ত হ'বলৈ ধৰে। এসময়ত সন্তানক নিয়ন্ত্ৰণ কৰিব নোৱৰা অৱস্থাৰো সৃষ্টি হয়। আজিৰ আমাৰ সমাজখনতো এনে ছবি এখন ফুটি উঠাত হঠাতে যেন চৌদিশে চলিল অভিযান।

মুখ্যমন্ত্ৰীৰূপে কাৰ্যভাৰ গ্ৰহণৰ পাছতে ড° হিমন্ত বিশ্ব শৰ্মাই যিবোৰ

পদক্ষেপ গ্ৰহণ কৰিছে সেইবোৰৰ ভিতৰত ড্ৰাগছবিৰোধী অভিযান অন্যতম। আৰক্ষী বিভাগত ব্যাপক সালসলনিৰ পাছতে ৰাজ্যজুৰি আৰম্ভ হোৱা ড্ৰাগছবিৰোধী অভিযানে নিতৌ নতুন নতুন তথ্য উদ্‌ঘাটন কৰিছে। বিগত এমাহত আৰক্ষীয়ে ৰাজ্যৰ চুকে-কোণে যিদৰে ব্যাপক অভিযান চলাই ড্ৰাগছ বিশেষকৈ হেৰ'ইন, গাঞ্জা, ভাং, মাৰিজুৱানা আদি উদ্ধাৰ কৰিছে সেই তথ্যই প্ৰমাণ কৰিছে যে ইতিমধ্যে আমাৰ সমাজখনত ড্ৰাগছে এনেদৰে শিপাইছে যে ইয়াৰ কবলত পৰি নৱপ্ৰজন্ম ধ্বংসৰ মুখলৈ আগবাঢ়িছে। ড্ৰাগছ সেৱনকাৰীসকলৰ অধিকাংশই হ'ল কিশোৰ-কিশোৰী, যুৱক-যুৱতী। বয়স্ক লোকৰ সংখ্যা কম। আনহাতে, ধৃত ব্যৱসায়ীসকলৰ বেছিভাগেই আন্তঃৰাজ্যিক ড্ৰাগছ ব্যৱসায়ী চক্ৰৰে জড়িত। তদুপৰি ইয়াৰে একাংশ আকৌ আন্তঃৰাষ্ট্ৰীয় বৃহৎ চক্ৰৰ স'তে সুসম্পৰ্ক থকা লোক। তদুপৰি যিবোৰ স্থানত এইবোৰ উদ্ধাৰ হৈছে সেয়া জনবহুল ঠাই; নামঘৰ, মন্দিৰ, মছজিদ, ক্লাব, পৰিত্যক্ত গৃহ আদিত চলে ড্ৰাগছৰ বেহা তথা সেৱন প্ৰক্ৰিয়া। আনহাতে, কিছুমানৰ ঘৰতেই এনে চক্ৰ গঢ়ি উঠিছে। পৰিয়ালৰ সদস্যসকলৰ চকুত ধূলি মাৰি সুকীয়া কোঠাত পঢ়া বা থকাৰ সুযোগ গ্ৰহণ কৰি ড্ৰাগছ সেৱন কৰি আহিছে।

ড্ৰাগছ যোগান ধৰোতাসকলৰ ভিতৰত মহিলা জড়িত থকা বিষয়টোৱে সকলোকে চিন্তান্বিত কৰিছে। সাধৰণতে মহিলাসকলক সন্দেহৰ চকুৰে চোৱা নহয়। ড্ৰাগছ আদি সৰবৰাহত মহিলা জড়িত হ'ব পাৰে বুলি কোনোৱে নাভাবে বাবে ইয়াৰ সুযোগ লৈছে একাংশ যুৱতী আৰু মহিলাই। আগতে বহিঃৰাজ্যৰ মহিলাই এনে কাৰ্যত জড়িত থকাৰ বাতৰি প্ৰকাশ পাইছিল যদিও এতিয়া পিছে ৰাজ্যখনৰ ভিতৰুৱা অঞ্চলৰ মহিলাও এনেধৰণৰ অপৰাধমূলক কাৰ্যত জড়িত হৈছে। এয়া এক চিন্তনীয় বিষয়। আনহাতে, সবাতোকৈ চিন্তনীয় বিষয় হ'ল— এতিয়া ঘৰতে ড্ৰাগছ যোগান ধৰা লোকো ওলাইছে। ঘৰত খাদ্য যোগান ধৰাৰ নামত কিছুমান নিৰ্দিষ্ট যুৱক-যুৱতীৰ লগতে মহিলাই খাদ্যৰ ভিতৰতে ড্ৰাগছ যোগান ধৰা হৈছে। তাৰমানে এতিয়া যদি পিতৃ-মাতৃ তথা অভিভাৱকে ঘৰত সামগ্ৰী যোগান ধৰা যুৱক-যুৱতীৰ ওপৰতো তীক্ষ্ণ নজৰ নিদিয়ে তেনেহ'লে বিপদ নিশ্চিত। বিদ্যালয়-মহাবিদ্যালয়লৈ যোৱাৰ

সময়তো বিপদৰ আগজাননী দিয়া হৈছে। কাৰণ পুৰাই ঘৰৰ পৰা শিক্ষানুষ্ঠানলৈ ওলাই যোৱা শিক্ষাৰ্থীয়েও আনকি এতিয়া নিৰ্দিষ্ট স্থানলৈ গৈ ড্ৰাগছ সেৱন কৰা হৈছে। হোষ্টেলত থকা একাংশ যুৱক-যুৱতীয়ে ঘৰৰ পৰা আঁতৰত থকাৰ সুযোগ লৈ বন্ধু-বান্ধৱীৰ সংগত পৰি ড্ৰাগছ সেৱনৰ অভ্যাস গঢ়ি তোলাৰ সংখ্যাও কম নহ'ব।

এতিয়া প্ৰশ্ন হ'ল— অসমত হঠাতে ড্ৰাগছৰ বেহাই ভয়াৱহ ৰূপ ল'লে কেনেকৈ? ড্ৰাগছ মাফিয়াৰ স'তে ৰাজ্যত বহুতো অপৰাধী চক্ৰৰ সু-সম্পৰ্ক থকা বিষয়টো সকলোৰে জ্ঞাত। কিন্তু এনেবোৰ চক্ৰৰ বিৰুদ্ধে মাত মাতিবলৈ সাধাৰণ মানুহে সাহস নকৰে। কাৰণ কোনোবাই আঙুলি টোঁৱালেই দিন দুপৰতে ঘৰতে হত্যা কৰি যোৱাৰ শংকা। ড্ৰাগছৰ চক্ৰবোৰ ইমান শক্তিশালী যে ইয়াৰ বিৰুদ্ধে সাধাৰণ মানুহে মাত মাতিবলৈকে সাহস গোটাব নোৱাৰে। শেহতীয়াভাৱে প্ৰতিখন জিলাতেই আৰক্ষীয়ে যি কঠোৰ ভূমিকা গ্ৰহণ কৰিছে তাৰ দ্বাৰা বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ হৈছে আৰু ইয়াৰ স'তে জড়িত বহুতক গ্ৰেপ্তাৰ কৰিলেও এতিয়াও ৰাজ্যত গোপনেই কৌশলপূৰ্ণভাৱে একো একোটা চক্ৰই ব্যৱসায় চলাই আছে। ড্ৰাগছৰ কবলত পৰি ইতিমধ্যে বহুতেই জীৱন ধ্বংস কৰিলে। বহুতো পৰিয়ালৰ সদস্যৰ হাঁহি চিৰদিনৰ বাবে কাঢ়ি নিলে। নৱপ্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়াৰ ফলত পৰিয়াল, সমাজত বৃদ্ধি পাইছে অপৰাধ আৰু অশান্তি। এইবোৰ প্ৰতিহত কৰিবলৈ সকলোৱে সতৰ্কতা অৱলম্বন কৰিব লাগিব। নেতিবাচক মনোভাবেৰে আনৰ মুখলৈ চাই থাকিলে নহ'ব। সচেতনতা, সতৰ্কতা আৰম্ভ হওক নিজৰ ঘৰখনতেই। আৰক্ষীয়ে চলোৱা অভিযানত সকলোৱে সহযোগ কৰক। সজাগতামূলক সভা আৰু বাটৰ নাট প্ৰদৰ্শন কৰিও ইয়াৰ বিৰুদ্ধে যুঁজ দিয়ক।

# ১০০ দিনত ৰাজ্য চৰকাৰৰ পাঁচটা কাম যি কৰিব পাৰে অসমক গতিশীল

ৰাজ্য চৰকাৰে এশ দিন সম্পূৰ্ণ কৰিলে। পাঁচ বছৰীয়া যাত্ৰাপথত এশ দিন বৰ বেছি সময় বুলি ক'ব নোৱাৰি। কাৰণ চৰকাৰে গ্ৰহণ কৰা যিকোনো আঁচনি বা পদক্ষেপ মাত্ৰ এশ দিনতে সম্পূৰ্ণ হৈ উঠাটো সম্ভৱ নহয়। তথাপি এটা কথা ক'ব পাৰি যে এই এশ দিনৰ ভিতৰত ৰাজ্যবাসীৰ বাবে চৰকাৰে কে'বাটাও নতুন পদক্ষেপ গ্ৰহণ কৰিছে। এনে পদক্ষেপে ৰাইজৰ মনত কিছু পৰিমাণে হ'লেও আশাৰ সঞ্চাৰ কৰিবলৈ সক্ষম হৈছে। অৱশ্যে ইয়াৰ মাজতে এটা কথা ক'ব লাগিব যে যদিও চৰকাৰে এশ দিনত ইতিবাচক চিন্তাৰে পদক্ষেপ গ্ৰহণ কৰিছে, তথাপি পূৰ্বৰ চৰকাৰে যে ভাল কাম কৰা নাছিল তেনে নহয়। মাথোঁ নতুন চৰকাৰখনে কিছুমান পদক্ষেপ খৰতকীয়াকৈ গ্ৰহণ কৰি এক নতুন মাত্ৰা দিছে।

এইটো সকলোৰে জ্ঞাত যে ভুকুতে কলটো নপকে। গতিকে জনসাধাৰণেও চৰকাৰক আঁচনিসমূহ ৰূপায়ণৰ বাবে সময় দিব লাগিব।

বিগত এশ দিনৰ ভিতৰত সবাতোকৈ উল্লেখযোগ্য দিশটো হ'ল— ক'ভিড- ১৯ৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থা। এইবিধ অতিমাৰীৰ বাবে শংকিত হৈ আছিল যদিও এতিয়া বহু পৰিমাণে শংকা আঁতৰিছে। পূৰ্বৰ তুলনাত কৰ্মক্ষেত্ৰতো সামান্য পৰিমাণে হ'লেও উন্নতি হৈছে। কাম-কাজ লাহে লাহে স্বাভাৱিক হ'বলৈ ধৰিছে। তদুপৰি ক'ভিড- ১৯ৰ প্ৰতিষেধক প্ৰদানৰ গতিও দ্ৰুত হৈছে। আনহাতে এইবিধ প্ৰতিষেধকো গ্ৰহণৰ সজাগতা বৃদ্ধি পাইছে। প্ৰতিষেধকৰ বাবে এতিয়া চাৰিওফালে দীঘলীয়া শাৰী। এইক্ষেত্ৰত চৰকাৰৰ প্ৰচাৰ এক উল্লেখযোগ্য দিশ। যিকোনো ক্ষেত্ৰত ৰাইজক সজাগ কৰিবলৈ প্ৰচাৰৰ ভূমিকা গুৰুত্বপূৰ্ণ। যদিও আগন্তুক দিনত এই যাত্ৰা অব্যাহত থাকে তেনেহ'লে ভাৰতৰ আন ৰাজ্যৰ তুলনাত নিশ্চয় আক্ৰান্তৰ সংখ্যা কমি থাকিব। প্ৰতিষেধকৰ সামগ্ৰিক অপচয় হ্ৰাস পোৱাৰ ফলত ৰাজ্য চৰকাৰে অতিৰিক্ত চাৰি লাখ পালি টীকা প্ৰদান কৰিবলৈ সক্ষম হৈছে।

ৰাজ্যত শান্তি-শৃংখলা বজাই ৰখাৰ ক্ষেত্ৰত আৰক্ষীৰ ভূমিকা উল্লেখনীয়। বিগত কে'বাদশক ধৰি অসম আৰক্ষী আছিল সমস্যাৰে জৰ্জৰিত। ফলত অপৰাধ আৰু অপৰাধীৰ সংখ্যা বৃদ্ধি হৈ আছিল। বিগত পাঁচ বছৰত আৰক্ষীৰ উন্নীতকৰণ আৰু ঐতিহাসিক থানাসমূহৰ পুনৰ্নিৰ্মাণৰ জৰিয়তে যিকোনো গ্ৰহণ কৰা হৈছিল সেইবোৰতকৈ নতুন চৰকাৰে গুৰুত্ব দিছে আৰক্ষীয়ে সন্মুখীন হোৱা সমস্যাসমূহৰ কাৰ্যকৰী সমাধানৰ বাবে। ৰাজ্যত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয় আৰক্ষী থানাসমূহৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ এক ৰাজ্যিক সন্মিলন। এনে সন্মিলনত আৰক্ষীয়ে সততে সন্মুখীন হোৱা সমস্যাসমূহ মুকলিভাৱে মুখ্যমন্ত্ৰীৰ সন্মুখত উপস্থাপন কৰিবলৈ সুযোগ পোৱাত বিষয়াসকল অধিক উৎসাহিত হৈছে। আনহাতে আৰক্ষীক মুকলিভাৱে, অৰ্থাৎ কাৰোৰে হেঁচাত কাম নকৰি কেৱল ৰাইজৰ সুবিধাৰ বাবে সুযোগ দিয়াটো চৰকাৰৰ আন এক উল্লেখযোগ্য পদক্ষেপ বুলিয়েই ক'ব লাগিব। নিৰাপত্তা ব্যৱস্থা সবলীকৰণৰ যোগেদি ৰাইজৰ আস্থা লাভ কৰিবলৈ সক্ষম হৈছে।

ৰাজ্যৰ প্ৰতিখন জিলাৰ বাবে অভিভাৱক মন্ত্ৰী নিয়োগ কৰাটো এক উল্লেখযোগ্য দিশ বুলি ক'ব লাগিব। এনেদৰে মন্ত্ৰী নিয়োগ কৰাৰ ফলত জিলা প্ৰশাসনসমূহে প্ৰয়োজনীয় সহায় লাভ কৰিবলৈ সক্ষম হৈছে। এতিয়া প্ৰশাসন আৰু মন্ত্ৰীৰ মাজত ব্যৱধান হ্ৰাস পোৱাত সমস্যাসমূহ সোনকালে সমাধানৰ পথ প্ৰশস্ত হ'বলৈ ধৰিছে। এনেধৰণৰ প্ৰশাসনীয় সংস্কাৰ পূৰ্বৰ চৰকাৰসমূহত দেখা পোৱা নগৈছিল।

ৰাজ্যখনত ইতিমধ্যে আৰম্ভ হোৱা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয়, মাধৱদেৱ বিশ্ববিদ্যালয়, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় আৰু বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় আদিত ৰাজ্যিক কেবিনেটে জনোৱা অনুমোদন আছিল ৰাজ্য চৰকাৰৰ ১০০ দিনীয়া কাম-কাজৰ আন এক উল্লেখযোগ্য দিশ। এনে অনুমোদনে ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ কাম-কাজ আৰম্ভ কৰাৰ পথ প্ৰশস্ত কৰিছে। ৰাজ্যত যিমানেই এনেধৰণৰ বিশ্ববিদ্যালয় স্থাপন হৈ থাকিব সিমানেই শিক্ষা, সংস্কৃতি তথা সাহিত্যৰ বিকাশ হ'ব দ্ৰুতগতিত। দৰাচলতে সাহিত্য-সংস্কৃতিৰ ওপৰত যিমানেই গৱেষণা-চৰ্চা আৰু আলোচনা হ'ব— সিমানেই ইয়াৰ বিকাশ হ'ব। গৱেষণা আদিৰ ক্ষেত্ৰত ৰাজ্যখন এতিয়াও বহুতো পিছপৰি আছে। অসমত সমলৰ অভাৱ নাই। ইমান মূল্যৱান সমল থকাৰ পাছতো যিদৰে গৱেষণা তথা চৰ্চা হ'ব লাগিছিল তাৰ অৰ্ধেকো নোহোৱাৰ মূলতে হ'ল গৱেষণাৰ বাবে থকা সীমিত পৰিসৰ। এনেধৰণৰ ৰাজ্যিক বিশ্ববিদ্যালয়সমূহ সম্পূৰ্ণ হৈ উঠিলে শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰত আন ৰাজ্যৰ দৰে আৰু এখোপ আগুৱাই যাব।

সেউজী সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া আদৰণীয়। কাৰণ প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাত সেউজী ধৰণীৰ গুৰু সদায় অপৰিসীম। বিগত কে'বাদশকত অসমৰ বহুতো বনাঞ্চল তহিলং হৈছে। চোৰাং কাঠ বেপাৰীৰ দৌৰাত্ম্যত এফালৰ পৰা বনাঞ্চলসমূহ ধ্বংস হ'বলৈ ধৰিছে। অসমৰ গৌৰৱৰ অন্যতম হ'ল কাজিৰঙা। সময়ে সময়ে এই ৰাষ্ট্ৰীয় উদ্যানখনলৈও ভাবুকি আহি পৰিছে। পৰ্যটনৰ প্ৰসাৰ আৰু বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰচেষ্টাৰ সবলীকৰণৰ বাবে ৩৭নং ৰাষ্ট্ৰীয়

ঘাইপথৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ওখ কৰিড'ৰ নিৰ্মাণ কৰিবলৈ গ্ৰহণ কৰা সিদ্ধান্তক সকলোৱে আদৰণী জনাইছে। কাৰণ এইখন ৰাষ্ট্ৰীয় উদ্যানৰ সুৰক্ষাক লৈ সময়ে সময়ে প্ৰশ্ন উত্থাপিত হৈ আহিছে। আনহাতে, বনাঞ্চল সুৰক্ষাৰ বাবে চৰকাৰে যিবোৰ পদক্ষেপ গ্ৰহণ কৰিছে সেইবোৰৰ ভিতৰত অন্যতম হ'ল ৰাইমনা সংৰক্ষিত বনাঞ্চল আৰু দিহিং পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যক ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰি জাৰি কৰা অধিসূচনা। ৰাজ্যত যিমানেই বানঞ্চলৰ পৰিমাণ বৃদ্ধি পাব— সিমানেই বনজ সম্পদসমূহ সুৰক্ষিত হ'ব। ৰাজ্য এখনৰ উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত বনজ সম্পদৰ গুৰুত্ব অপৰিসীম। এই সম্পদসমূহ সুৰক্ষিত কৰি ৰাখিলেহে চৰকাৰে ইয়াৰ পৰা লাভ কৰিব পাৰিব বৃহৎ পৰিমাণৰ ধনৰাশি। তদুপৰি এইবোৰ বনাঞ্চলে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাতো সহায় কৰে। গতিকে চৰকাৰৰ এনে পদক্ষেপে নিশ্চয় ভৱিষ্যতে ৰাইজক আৰু অধিক সুৰক্ষা প্ৰদান কৰিব পাৰিব।

# ৰাজ্যৰ উপায়ুক্তসকলৰ সভা আৰু মুখ্যমন্ত্ৰীৰ ব্যতিক্ৰমী পদক্ষেপ

ড° হিমন্ত বিশ্ব শৰ্মাই চৰকাৰৰ কাৰ্যভাৰ গ্ৰহণৰ পাছৰে পৰাই নিতৌ কিবা নহয় কিবা এটা নতুন পদক্ষেপ গ্ৰহণ কৰিছে। এনে পদক্ষেপৰ অংশৰূপে ডিফুত দুদিনীয়াকৈ অনুষ্ঠিত হ'ল মুখ্যমন্ত্ৰীৰে জিলা উপায়ুক্তসকলৰ আলোচনা। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলৰ স'তে একেলগে বহি প্ৰশাসন যন্ত্ৰৰ বিষয়ে আলোচনা কৰিলে। জিলা পৰ্যায়ত কেনেদৰে স্থানীয় প্ৰশাসনৰ স'তে সু-সম্পৰ্ক ৰক্ষা কৰি কাৰ্যসমূহ সুচাৰুৰূপে সম্পাদন কৰিব পাৰে সেই সম্পৰ্কে আলোচনা কৰাটো বৈঠকৰ আন এক উদ্দেশ্য। ৰাজ্যৰ প্ৰতিখন জিলাতে উন্নয়নমূলক আঁচনিসমূহ খৰতকীয়াভাৱে ৰূপায়ণ কৰাৰ বাবে এই বৈঠকত আলোচনা কৰা হয়। দৰাচলতে এনেধৰণৰ পদক্ষেপে চৰকাৰ এখনৰ কাম-কাজসমূহ আগুৱাই যোৱাত সহায় কৰে। মহামানৰ

মহাত্মা গান্ধীয়ে পঞ্চায়তীৰাজ ব্যৱস্থাত গুৰুত্ব দিয়াৰ মূলতে আছিল স্থানীয় প্ৰশাসন যিমানেই শক্তিশালী হয় সিমানেই দেশ এখনে ৰাজনৈতিক, অৰ্থনৈতিক আৰু কৰ্মসংস্কৃতিৰে আগুৱাই যোৱাত সহায় হয়। এতিয়াও স্থানীয় প্ৰশাসনৰ গুৰুত্ব অপৰিসীম। কাৰণ চৰকাৰে যিবোৰ পদক্ষেপ গ্ৰহণ কৰে সেয়া আঞ্চলিক পৰ্যায়ত উপযুক্তভাৱে ৰূপায়ণ হ'লেহে ৰাজ্য বা দেশ এখন আগুৱাই নিব পাৰিব।

জিলা উপায়ুক্তসকলক যদি মুকলিমূৰীয়াকৈ কাম কৰিবলৈ সুযোগ দিয়া হয় তেতিয়া নিশ্চয় যিকোনো চৰকাৰী আঁচনি বা কামকে উপযুক্তভাৱে সম্পাদন কৰিব পাৰে। জিলা এখন সৰ্বাংগীণভাৱে আগুৱাই যাবলৈ হ'লে উপায়ুক্তই বিশেষ পদক্ষেপ গ্ৰহণ কৰিবই লাগিব। জিলা আৰু স্থানীয় প্ৰশাসনৰ মাজত সদায় সু-সম্পৰ্ক স্থাপন হ'লে সকলোবোৰ আঁচনি সঠিক আৰু উপযুক্তভাৱে নিৰ্দিষ্ট সময়ত সম্পাদন কৰাটো সম্ভৱ। এনে উদ্দেশ্য সন্মুখত ৰাখিয়েই মুখ্যমন্ত্ৰী ড° শৰ্মাই এই পদক্ষেপ গ্ৰহণ কৰিছে। পৰৱৰ্তী সময়ত উপায়ুক্ত আৰু আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ স'তেও একেলগে আলোচনাত মিলিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে।

জিলাখনৰ অভিভাৱক হিচাপে উপায়ুক্ত এগৰাকীয়ে জনসাধাৰণৰ মাজত সহজে আস্থা লাভ কৰিব পাৰে— যদিহে উপায়ুক্তই জিলাখনৰ জ্বলন্ত সমস্যাসমূহ (তেওঁৰ ক্ষমতাৰ ভিতৰত) সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰে। অসমৰ বিভিন্ন জিলাত এনে কিছুমান উপায়ুক্ত আছে আৰু আছিল— যিসকলৰ নাম জিলাবাসীয়ে প্ৰতিটো মুহূৰ্ততে স্মৰণ কৰে। আন জিলালৈ বদলি হৈ গ'লেও তেওঁৰ নাম সততে চৰ্চালৈ আহে। জিলা এখনত শান্তিপূৰ্ণ পৰিস্থিতি চম্ভালাৰ ক্ষেত্ৰতো উপায়ুক্তৰ ভূমিকা অপৰিসীম। গতিকে তেওঁৰ সিদ্ধান্তৰ ওপৰত জিলাবাসীৰ উন্নতি ভালেখিনি নিৰ্ভৰ কৰে। বিশেষকৈ জিলাখনৰ বাবে নিৰ্ধাৰিত পুঁজিৰ উপযুক্ত ব্যৱহাৰ, হিতাধিকাৰীয়ে সঠিকভাৱে লাভ কৰিছে নে নাই সেই বিষয়ে ভালদৰে নিৰীক্ষণ কৰিব পাৰে।

ৰাজ্যখনত ৩৩খন জিলা আছে। পূৰ্বৰ তুলনাত জিলাৰ পৰিসৰ সৰু হৈছে। গতিকে সৰু সৰু জিলা পৰিচালনাত সহায়ক হোৱাৰ লগতে সকলো সমঅধিকাৰ ভোগ কৰাৰো সুবিধা লাভ কৰে। এতিয়া অসমত বিভিন্ন সমস্যাই

গা কৰি উঠিছে। এই সমস্যাসমূহ কিছুমানে এনেদৰে সৃষ্টি কৰিছে যে ৰাজনৈতিকভাৱে সমাধানসূত্ৰ ওলালেও একাংশই এইবোৰ সমাধানৰ পথত বিধি-পথালি দিয়ে। নিবনুৱা সমস্যাৰ পৰা আৰম্ভ কৰি বেদখল, ড্ৰাগ্‌ছৰ চোৰাং বেহা, অপৰাধজনিত ঘটনা আদি প্ৰতিৰোধ কৰিবলৈ উপায়ুক্তই পদক্ষেপ গ্ৰহণ কৰিব পাৰে। কোনো ঠাইত অশান্ত পৰিস্থিতিৰ সৃষ্টি হ'লে উপায়ুক্তই এইবোৰ প্ৰতিহত কৰিবলৈ আৰক্ষী প্ৰশাসনৰে মিলি ব্যৱস্থা গ্ৰহণ কৰিলে বহুতো বিপদৰ পৰা ৰক্ষা পৰে ৰাইজ। পূৰ্বে উপায়ুক্তসকলে এক সীমিত পৰিসৰৰ মাজত কাম কৰিবলগীয়া হৈছিল যদিও এতিয়া পিছে বহুতো পৰিসৰ বৃদ্ধি হ'ল। মুখ্যমন্ত্ৰী ড° শৰ্মাই ডিফুত উপায়ুক্তসকলক একেখন মঞ্চত সমৱেত কৰোৱাৰ লগে লগে এক নতুন অধ্যায়ৰ সূচনা হ'ল। এতিয়া উপায়ুক্তৰ দায়িত্ব ভালেখিনি বৃদ্ধি পালে। মনোবলো বাঢ়িল। প্ৰতিটো বিষয়ত জবাবদিহি হ'বলৈ সাজু থাকিব পাৰিব। কাৰণ ৰাজনৈতিক হেঁচাবিহীনভাৱে কাৰ্য সম্পাদন কৰিব পাৰিব। অসমবাসীয়েও এতিয়া প্ৰতিখন জিলাৰ উপায়ুক্তৰ জৰিয়তে অসমখনক আৰু এখোপ যাত্ৰাপথত আগুৱাই নিয়াৰ সমল লাভ কৰিব। নিশ্চয় ৰাইজৰ বাবে এয়া এক আশাৰ বতৰা।

# শিক্ষক দিৱস আৰু কিছু প্ৰাসংগিক চিন্তা

প্ৰতিবছৰে পাঁচ ছেপ্টেম্বৰত পালন কৰা হয় শিক্ষক দিৱস। ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা বিখ্যাত দাৰ্শনিক ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ জন্মদিন উপলক্ষে শিক্ষকসকলক শ্ৰদ্ধা জনাবলৈ ১৯৬৭ চনৰ ৫ ছেপ্টেম্বৰৰ পৰা এই দিৱস পালন কৰি অহা হৈছে। ১৯৬৫ চনত এবাৰ তেওঁৰ বিখ্যাত ছাত্ৰসকলে ড° ৰাধাকৃষ্ণনৰ জন্মদিনটো বিশেষভাৱে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি তেওঁৰ পৰা অনুমতি বিচাৰিছিল। ছাত্ৰসকলৰ উৎসাহ দেখি তেওঁ নিৰাশ নকৰিলে যদিও তেওঁৰ জন্মদিনটো বিশেষভাৱে পালন কৰাৰ পৰিৱৰ্তে শিক্ষকসকলে মানৱ সম্পদ সৃষ্টিত অৰিহণা যোগোৱাৰ স্বীকৃতিস্বৰূপে শ্ৰদ্ধা আৰু সম্বৰ্ধনা জনাবলৈ পৰামৰ্শ আগবঢ়ায়। ড° ৰাধাকৃষ্ণনে উপলব্ধি কৰিছিল যে মানৱ সম্পদ সৃষ্টিৰে সমাজ তথা দেশ এখনক আগুৱাই

যোৰাত পৰোক্ষভাৱে সহায় কৰা শিক্ষকসকলক কেতিয়াও কোনো এটা বিশেষ দিনত সম্বৰ্ধনা বা সন্মান জনোৱা নহয়। যিহেতু তেওঁ নিজেই এসময়ত এগৰাকী শিক্ষকৰ ৰূপত অৱতীৰ্ণ হোৱা ব্যক্তি আছিল, সেইবাবে শিক্ষকসকলৰ কথা ভালদৰে উপলব্ধি কৰিব পাৰিছিল। ড° ৰাধাকৃষ্ণনৰ দৰ্শন আছিল এনেকুৱাই। যিটো বিষয়ৰ ওপৰত কোনোৱে গুৰুত্ব প্ৰদান নকৰে, অথচ সমাজ তথা দেশৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ সেই বিষয়ক অন্তৰ্দৃষ্টিৰ পৰা বিশ্লেষণ কৰিব পাৰিছিল। শিক্ষকসকলে জীৱনৰ অধিকাংশ সময় মানৱ সম্পদ গঢ়াত ব্যস্ত থকা শিক্ষকসকলৰ বাবে ইমান গভীৰভাৱে চিন্তা কৰা ব্যক্তিগৰাকী আছিল ড° সৰ্বেপল্লী ৰাধাকৃষ্ণন।

ভাৰতীয় দৰ্শনত গুৰু-শিষ্যৰ মাজত থকা সম্পৰ্ক কিমান মধুৰ সেয়া সকলোৱে জ্ঞাত। তদুপৰি ভাৰতীয় পৰম্পৰাত গুৰুক সদায় শীৰ্ষস্থানত উপবিষ্ট কৰোৱা হৈছে। গুৰুগৃহত থাকি শিক্ষা আহৰণ কৰাটো আছিল শিক্ষাব্যৱস্থাৰ প্ৰথমটো পদক্ষেপ। সময় পৰিৱৰ্তনৰ লগে লগে শিক্ষা পদ্ধতিৰো পৰিৱৰ্তন হ'ল। সময়ৰ গতিত শিক্ষকসকলে প্ৰাপ্য সন্মানৰ পৰা বঞ্চিত হ'বলৈ ধৰিলে। শিক্ষাগুৰুসকলে শিক্ষাদান কৰাটো সেৱা হিচাপে গ্ৰহণ কৰাৰ বাবে আজি পৃথিৱীখনে জ্ঞানৰ পোহৰ দেখিবলৈ পাইছে। বিজ্ঞানৰ চৰম অগ্ৰগতি সম্ভৱ হৈছে শিক্ষাগুৰুসকলে দিয়া জ্ঞানৰ বাবে। এই সকলোবোৰ কথা মহান দাৰ্শনিক তথা ভাৰতৰ দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি ড° ৰাধাকৃষ্ণনে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল।

শিক্ষক দিৱসত বিদ্যালয় বন্ধ নাৰাখি ব্যতিক্ৰমী কাৰ্যসূচীৰে শিক্ষকসকলক শ্ৰদ্ধা-সন্মান যচা হয়। সাধাৰণতে প্ৰায়বোৰ দিৱসত বিদ্যালয়, চৰকাৰী কাৰ্যালয় আদি বন্ধ ৰখা হয়। ড° ৰাধাকৃষ্ণনৰ দৰ্শন আছিল কোনো এগৰাকী ব্যক্তিৰ জন্মদিনত শিক্ষানুষ্ঠান বন্ধ, চৰকাৰী বন্ধ আদি দিয়াৰ পৰিৱৰ্তে যদি সেই বিশেষ দিনটোত সকলোৱে নিয়মীয়াভাৱে কৰ্মস্থলীত উপস্থিত হোৱাৰ দৰেই উপস্থিত হৈ ব্যতিক্ৰমী অনুষ্ঠানত অংশগ্ৰহণ কৰি পালন কৰে তেনেহ'লে দিৱস পালন সাৰ্থক হ'ব। শিক্ষকসকলক এই দিনটোৱে কৰ্মৰ প্ৰতি অনুপ্ৰেৰণা যোগায়। এনে সন্মান আন ক'তো বিচাৰি পোৱা নাযায়। নিঃস্বাৰ্থভাৱে পৰস্পৰৰ প্ৰতি জনোৱা সন্মান আৰু মৰম।

সময় বাগৰাৰ লগে লগে মানুহৰ ধ্যান-ধাৰণাৰো সলনি হ'বলৈ ধৰিলে। সকলোতে এতিয়া কেৱল সংকীৰ্ণ মনোভাব। তদুপৰি একাংশ শিক্ষাগুৰুৰ নেতিবাচক মনোভাব আৰু অস্বাভাৱিক আচৰণৰ বাবেও গুৰু-শিষ্যৰ মাজত আৰম্ভ হৈছে ব্যৱধান। এতিয়া এনে সম্পৰ্কও যেন ধনেৰেহে ৰখা হয়। শিক্ষাদানৰ বিনিময়ত ধন দিয়া বাবেহে যেন সম্পৰ্কটো বাছি আছে। বহুতো শিক্ষকে ধনৰ অভাৱত (চৰকাৰী নোহোৱাৰ বাবে) পৰিয়ালক পোহপাল দিয়াটো অসম্ভৱ হৈছে। ন্যায্যপ্ৰাপ্তিৰ বাবে ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰিছে। ভৱিষ্যৎ সংশয় থকাৰ পাছতো নীৰৱে সম্পাদন কৰিছে কৰ্তব্য। শিক্ষাৰ্থীসকলৰ উন্নতিৰ বাবে সময়মতেই উপস্থিত হৈছে বিদ্যালয়ত। এইসকলৰ বাবে কাৰোবাৰ ভাবিবলৈ আহৰি নাথাকিলেও পিছে শিক্ষক দিৱসৰ দিনা ছাত্ৰ-ছাত্ৰীসকলে সন্মান প্ৰদৰ্শন কৰিলেও কিছু পৰিমাণে হ'লেও অনুপ্ৰেৰণা লাভ কৰিব।

ছাত্ৰ-ছাত্ৰীৰ দৃষ্টিত শিক্ষাগুৰু ধনী নে দুখীয়া, চৰকাৰৰ ধন লাভ (চাকৰি নিয়মীয়া হৈছে নে নাই) কৰিছে নে নাই, চৰকাৰী নে বেচৰকাৰী শিক্ষানুষ্ঠানত কাম কৰিছে সেয়া বিচাৰ্য বিষয় হ'ব নালাগে। কাৰণ শিক্ষকৰ লক্ষ্য এটাই— শিক্ষাৰ্থীক শিক্ষাদান কৰাটো। শিক্ষাৰ্থীসকলক জীৱনৰ গতিপথৰ মাজত কেনেদৰে আগুৱাই নিব পাৰিছে শিক্ষকৰ সেই দিশটোৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা উচিত। অৱশ্যে এটা কথা ঠিক যে আমি কেৱল এটা দিনতেই শিক্ষক-শিক্ষয়িত্ৰীক সন্মান জনাব লাগে, তেনে নহয়। সকলোৱে মনত ৰখা উচিত যে শিক্ষাগুৰুৰ আশীৰ্বাদ অবিহনে কোনোৱে শ্ৰেষ্ঠত্বৰ আসনত উপবিষ্ট হ'ব নোৱাৰে। সাফল্য আৰু শ্ৰেষ্ঠতাৰ যুঁজত গুৰুৰ আশীৰ্বাদ কিমান গুৰুত্বপূৰ্ণ সেয়া মহাভাৰতৰ দুই বীৰ অৰ্জুন-কৰ্ণৰ ক্ষেত্ৰতে প্ৰতিফলিত।

১৮৮৮ চনৰ ৫ ছেপ্টেম্বৰত অন্ধ্ৰপ্ৰদেশৰ তিৰুট্টানিত এটি ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰা ড° সৰ্বেপল্লী ৰাধাকৃষ্ণন সৰুৰে পৰাই তীক্ষ্ণ বুদ্ধিসম্পন্ন আছিল। ছাত্ৰ বৃত্তি আৰু জলপানি লাভ কৰিয়েই অধ্যয়ন সমাপ্ত কৰিছিল। ভাৰতৰত্নৰে সন্মানিত ড° ৰাধাকৃষ্ণন আছিল স্বাধীন ভাৰতৰ প্ৰথমগৰাকী উপ-ৰাষ্ট্ৰপতি আৰু দ্বিতীয় ৰাষ্ট্ৰপতি। ১৯৬২ৰ পৰা ১৯৬৭ চনলৈকে ৰাষ্ট্ৰপতিৰ আসন শুৱনি কৰা বৰেণ্য দাৰ্শনিকগৰাকীয়ে ১৯১৭

চনত ভাৰতীয় দৰ্শনক বিশ্বদৰবাৰত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। The Philosophy of Rabindranath Tagore গ্ৰন্থখনৰ জৰিয়তে। চেন্নাইৰ প্ৰেচিডেন্সী কলেজ আৰু কলকাতা বিশ্ববিদ্যালয়ত শিক্ষাদান কৰি ছাত্ৰ-ছাত্ৰীৰ মনত শ্ৰেষ্ঠ শিক্ষক হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী সময়ত অন্ধ্ৰ বিশ্ববিদ্যালয় আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৮৪ত তেওঁক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মান প্ৰদান কৰা হৈছিল। আনহাতে ১৯৬৩ চনত তেওঁক বৃটিছ চৰকাৰৰ 'অৰ্ডাৰ অৰ মেৰিট' সন্মান প্ৰদান কৰা হৈছিল। আটাইতকৈ ডাঙৰ কথা হ'ল এঘাৰবাৰ শান্তিৰ ন'বেল বঁটাৰ বাবে তেওঁক মনোনীত কৰা হৈছিল। এনে এজন বিখ্যাত দাৰ্শনিক, উপ-ৰাষ্ট্ৰপতি আৰু ৰাষ্ট্ৰপতিৰ দৰে দেশৰ উচ্চ আসনত অধিষ্ঠিত হোৱাৰ পাছতো শিক্ষকসকলক সমাজৰ অন্যধৰণে প্ৰতিষ্ঠিত (সন্মানীয় ব্যক্তিৰূপে) কৰিবলৈ সকলোকে আহ্বান জনাইছিল ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে। সকলো ছাত্ৰ-ছাত্ৰীয়ে আগুৱাই যাওক এইগৰাকী মহান ব্যক্তিৰ আদৰ্শৰে।

# ভাল দিনৰ আশাত ভ্ৰাম্যমাণ থিয়েটাৰ

ক'ভিডকেন্দ্ৰিক পৰিস্থিতিৰ বাবে বিগত এবছৰে বন্ধ হৈ থাকিল ভ্ৰাম্যমাণ থিয়েটাৰৰ নাট প্ৰদৰ্শন। ফলত এই অঘোষিত উদ্যোগটোৰ স'তে জড়িত অভিনেতা-অভিনেত্ৰী, শিল্পী-কলাকুশলীৰ যি পানীত হাঁহ নচৰাৰ দৰে অৱস্থা হ'ল সেয়া অকল্পনীয়। সোণালী জয়ন্তী বৰ্ষই গৰকা ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসত এয়া সবাতোকৈ চৰম বিপৰ্যয়। ইয়াৰ পূৰ্বে বহুতো নাট্যদলে বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে যদিও এনেধৰণৰ পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলগীয়া হোৱা নাছিল। ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসৰ পৃষ্ঠা মেলি চালে দেখা যায় যে জন্মলগ্নৰে পৰা ক'ভিডকেন্দ্ৰিক পৰিস্থিতি সৃষ্টি হোৱাৰ আগলৈকে বহুতো নাট্যদলৰ জন্ম হ'ল আৰু প্ৰত্যাহ্বান গ্ৰহণ কৰিব নোৱাৰি যুদ্ধক্ষেত্ৰৰ পৰা পলায়ন কৰিছে। পিছে বিগত এবছৰত আগশাৰীৰ

নাট্যদলসমূহেও ক'ভিডকেন্দ্রিক পৰিস্থিতিৰ বাবে চৰম বিপৰ্যয়ৰ সন্মুখীন হ'বলগীয়া হৈছে। ভ্ৰাম্যমাণ থিয়েটাৰৰ স'তে জড়িত হাজাৰ হাজাৰ লোকে উপাৰ্জনৰ পথ উলিয়াব নোৱাৰি কৰ্মক্ষেত্ৰকে সলনি কৰিবলৈ বাধ্য হোৱা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। কিছুমানে আনকি ভিক্ষাৰ পাত্ৰও হাতত তুলি লৈছে। ক'ভিডকেন্দ্রিক পৰিস্থিতিৰ বাবে কোনোৱে বিগত বৰ্ষত নাট্যাভিনয় আৰম্ভকে কৰিব পৰা নাই। আগবাঢ়িও ক'ভিড নিয়মৰ বাবে থমকি ৰৈছে। অসমীয়া ৰাইজৰ অতি মৰমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ এনে অৱস্থা দেখি বহুতে উচুপি উঠিছে।

এনে এক নিৰাশা তথা ভগ্ন ছবিৰ মাজতো দুই-এটা নাট্যদলে এইবাৰ ৰাইজৰ মাজত নাট প্ৰদৰ্শনৰ বাবে আগবাঢ়ি আহিছে। এয়া সঁচাকৈয়ে এক প্ৰশংসনীয় পদক্ষেপ। কাৰণ ভ্ৰাম্যমাণ থিয়েটাৰ সাম্প্ৰতিক সময়ৰ হৃদপিণ্ড স্বৰূপ। ইয়াৰ স'তে হাজাৰ লোক জড়িত থকাত কেবাহাজাৰ পৰিয়ালৰ বাবে দুবেলা দুমুঠি ভাত মুকলি হৈ আছিল। অস্থায়ীভাৱে হ'লেও সংস্থাপন লাভ কৰিছে। তদুপৰি বহুতো প্ৰতিভা বিকশিত হৈছে ৰংগমঞ্চত। প্ৰতিভাৱান অভিনেতা-অভিনেত্ৰীয়ে সুপ্ত প্ৰতিভা বিকাশৰ বাবে এখন সুন্দৰ ক্ষেত্ৰ লাভ কৰিছে। গতিকে ইয়াক আমি সকলোৱে যিকোনো মূল্যৰ বিনিময়ত জীয়াই ৰাখিব লাগিব।

ক'ভিডকেন্দ্রিক পৰিস্থিতিৰ বাবে সকলো সলনি হৈছে। বিদেশত সকলো ক্ষেত্ৰতে নিয়ম সলনি কৰিছে। পৰিৱেশ-পৰিস্থিতি অনুযায়ী ক'ভিডৰ পূৰ্বৰ নীতি-নিয়ম তথা পদ্ধতি সলনি কৰি নতুন উদ্যমেৰে কাম-কাজত আগবাঢ়িছে। গতি অৱৰুদ্ধ আৰু কালৰ সোঁতত বিলীন হোৱাতকৈ ভ্ৰাম্যমাণ থিয়েটাৰৰ নাট প্ৰদৰ্শনৰ কৌশল সলনি কৰি দৰ্শকৰ বাবে মুকলি কৰি দিব লাগিব। যিকেইখন ভ্ৰাম্যমাণ থিয়েটাৰে নিজৰ ওপৰত বিশ্বাস ৰাখি নাট প্ৰদৰ্শনৰ বাবে আগবাঢ়িছে তেওঁলোকক চৰকাৰেই পৰামৰ্শ দিয়ক কেনেদৰে ৰাইজৰ মাজলৈ গ'লে দুয়োকুল ৰক্ষা হ'ব। ক'ভিড নিয়ম মানি কেনেদৰে আগবাঢ়ি যাব পাৰে তাৰ বাবে সকলোৱে চৰকাৰক পৰামৰ্শ আগবঢ়োৱা উচিত।

সকলোৱে মনত ৰখা উচিত যে পৃথিৱীত এনে কোনো সমস্যা নাই— যাৰ সমাধান সূত্ৰ নোলোৱাকৈ আছে। যিহেতু সমস্যাৰ সৃষ্টি হৈছে— সেয়ে

সমাধানৰ পথো উলিয়াব পৰা যাব। মাথোঁ সকলো পক্ষৰ সদিচ্ছাৰ প্ৰয়োজন। এশ শতাংশ দৰ্শকৰ উপস্থিতিৰে সম্প্ৰতি ভ্ৰাম্যমাণ থিয়েটাৰে নাট প্ৰদৰ্শন কৰাটো সম্ভৱ নহয়। এয়া সকলোৰে জ্ঞাত বিষয়। গতিকে এতিয়াৰ পৰিৱেশৰ স'তে কেনেদৰে মোকাবিলা কৰি দৰ্শকক আমোদ দিয়াৰ লগতে উপাৰ্জনো কৰিব পাৰি সেই বিষয়ে আলোচনা হোৱাহে উচিত। বহুতো আশা লৈ দুই-এখন ভ্ৰাম্যমাণ থিয়েটাৰে আখৰা চলাই আছে। কিছুমানে এতিয়াও সাহস কৰা নাই। তদুপৰি থিয়েটাৰ প্ৰযোজক সন্থাই এতিয়াও সমূহীয়াভাৱে সিদ্ধান্ত গ্ৰহণ কৰা নাই নাট প্ৰদৰ্শনৰ বাবে। অৱশ্যে কিছুদিন পূৰ্বে সন্থাই চৰকাৰক এইক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণৰ বাবে আহ্বান জনাইছিল। চৰকাৰে এতিয়াও এইক্ষেত্ৰত কোনো সেউজ সংকেত দিয়া নাই। তদুপৰি চৰকাৰৰ সিদ্ধান্তৰ পূৰ্বে ভ্ৰাম্যমাণ থিয়েটাৰে আখৰা আৰম্ভ কৰাটো এটা ইতিবাচক সিদ্ধান্ত বুলি ক'ব লাগিব। ভ্ৰাম্যমাণ থিয়েটাৰক ৰাইজ তথা অভিনেতা-অভিনেত্ৰী, কলাকুশলী, শিল্পী আদিয়ে যে হৃদয়ৰে ভাল পাই তাকে প্ৰমাণ কৰিছে। চৰকাৰে এইক্ষেত্ৰত এক সুচল পৰিৱেশৰ সৃষ্টি কৰিব বুলি কলাপ্ৰেমী ৰাইজে আশাৰে বাট চাই আছে।

# নিমাতীঘাটৰ ঘটনাৰ পৰা শিক্ষা লওক আভ্যন্তৰীণ জলপৰিবহণ বিভাগ-চৰকাৰে

যিকোনো ঘটনা এটা সংঘটিত হোৱাৰ সময়ত চৌদিশে ইয়াৰ কাৰণ বিশ্লেষণৰ বাবে সকলোৱে প্ৰতিবাদমুখৰ হৈ পৰে। ঘটনাত জড়িতক কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদানৰ দাবী উত্থাপিত হয়। পৰিৱেশ আৰু প্ৰতিবাদ দেখি সকলোৰে মনত এনে এটি ভাব হয় যে শীঘ্ৰে সমস্যাৰ সমাধান হ'ব। সকলোৱে ভৱিষ্যতৰ বাবে সাৱধান, সতৰ্ক হ'বই। ঘটনাৰ পৰা শিক্ষা লাভ কৰি সকলোৱে ত্ৰুটিসমূহ আঁতৰ কৰিবলৈ আগভাগ লোৱাৰ দৰে ছবি এখন ফুটি উঠে। তদন্ত ঘোষণা কৰা হয়। এনে ঘটনাৰ ইতিহাসৰ পৃষ্ঠা মেলি চালে দেখা যায় তদন্ত ঘোষণাৰ কিছুদিনৰ পিছত প্ৰতিবাদৰ ঢৌ লাহে লাহে স্তিমিত হ'বলৈ ধৰে। তদন্তৰ ফলাফল কেতিয়াও নোলায়। ভুলৰ পৰা শিক্ষা কোনোৱে নলয়। সময় বাগৰাৰ লগে লগে সকলোৱে পাহৰিবলৈ ধৰে ভয়ংকৰ ঘটনাৰ বিষয়ে।

শেহতীয়াভাৱে নিমাতীঘাটত ফেৰী-নাও দুৰ্ঘটনা সংঘটিত হোৱাত এনে এক পৰিৱেশ বিৰাজ কৰিছে যে এদিনতে পাৰঘাট তথা আভ্যন্তৰীণ জলপৰিবহণ বিভাগত চলি থকা অনিয়মবোৰ শুধৰণি হ'ব লাগে। পিছে হ'ব

জানো? কাৰণ কেইবছৰমান পূৰ্বে উত্তৰ গুৱাহাটীত ব্ৰহ্মপুত্ৰত ভটভটী ডুব যোৱাত কেবাজনো লোকে প্ৰাণ হেৰুওৱাৰ লগতে কেইজনমানৰ আজিও সন্ধান নোলাল। সেই সময়ত চৌদিশে বিভাগটোৰ নীতি-নিয়ম তথা ভূমিকাৰ বিষয়ে প্ৰতিবাদৰ ঢৌ উঠিছিল। ভটভটী বন্ধ কৰি জাহাজ চলাচল কৰিবলৈ সজোৰে দাবী উত্থাপিত হৈছিল। ভটভটী বিভাগীয়ভাৱে বন্ধও কৰা হ'ল। নিয়মীয়াকৈ চলিল জাহাজ। পিছে এই নিয়ম কিমান দিন চলিল? পুনৰ ভটভটীসমূহ বিপজ্জনকভাৱে কিয় চলাচল কৰিবলগীয়া হ'ল? ইয়াৰ আঁৰৰ প্ৰকৃত ছবিখন কেনে সেয়া কোনোবাই বিশ্লেষণ কৰিলে জানো? আজিলৈকে তদন্তৰ প্ৰতিবেদন প্ৰকাশ পালেনে? যদি পালে কেইজনে কেইজনে শাস্তিৰ সন্মুখীন হ'বলগীয়া হ'ল সেয়া ৰাজহুৱা কৰা হৈছিল জানো? নিশ্চয় নহ'ল। সেই সময়ত পৰিৱেশ দেখি সকলোৰে মনত এনে ভাব হৈছিল যে তেতিয়াৰে পৰা সকলোৱে জাহাজত লাইফ জেকেট পিন্ধিব। ফেৰী-জাহাজত দুৰ্ঘটনাৰ সময়ত ব্যৱহাৰ কৰিব পৰা জীৱন ৰক্ষাকাৰী সা-সঁজুলি উপলব্ধ হ'ব। সেইবোৰ কাগজে-কলমে থাকিল। লাইফ জেকেট পিন্ধা সুৰক্ষাকৰ্মীৰো অন্তৰ্ধান হ'ল। উত্তৰ গুৱাহাটী কাণ্ডৰ পাছত নিমাতীঘাট-কমলাবাৰী আদি ঘাটত যাত্ৰীৰ সুৰক্ষাৰ বাবে কি ব্যৱস্থা কৰা হৈছিল সেয়া বিভাগীয়ভাৱে প্ৰকাশ কৰিব পাৰিবনে?

নিমাতীঘাটত সংঘটিত ফেৰী-ভটভটী দুৰ্ঘটনা ইতিহাসৰ পৃষ্ঠাৰ এক মচিব নোৱাৰা ঘটনা হিচাপে চিহ্নিত হৈ ৰ'ব। নিমাতীঘাট-কমলাবাৰী ঘাটত নতুনকৈ ফেৰী— এক ইঞ্জিনযুক্ত ভটভটী চলা নাই। দশক দশক ধৰি মাজুলীবাসীয়ে বহিঃবিশ্বৰ স'তে এনেদৰেই যোগাযোগ কৰি আহিছে। এতিয়ালৈকে বিশেষ দুৰ্ঘটনা সংঘটিত হোৱাৰো নজিৰ নাই। পিছে নজিৰ নাথাকিলেও ইয়াতো যে উত্তৰ গুৱাহাটীৰ দৰে ভটভটী দুৰ্ঘটনা সংঘটিত হ'ব পাৰে সেয়া কোনোবাই ভাবি চাইছিলনে? নিশ্চয় নাছিল। নহ'লেনো জীৱনৰক্ষাকাৰী সা-সঁজুলি এটাও নাথাকিলেহেঁতেননে? বিভাগীয়ভাৱে জাহাজ চলাচলৰ ব্যৱস্থা কৰাৰ পাছতো এটা ইঞ্জিনযুক্ত নাও-ফেৰী চলাচল কৰা বিষয়টো নিশ্চয় চিন্তনীয়। ইমান দিনে লাইফ জেকেট অবিহনে নাও-ফেৰী আদি চলাচল কেনেকৈ কৰি আছিল তাৰ বিষয়ে নিশ্চয় আলোচনা

কৰাৰ থল আছে। জাহাজখন কিয় ফুলদানি কৰি ৰখা হ'ল তাৰ তদন্ত হ'লে নিশ্চয় নাও দুৰ্ঘটনাৰ আঁৰৰ ছবিখনো ফুটি উঠিব।

সৰু ঠেক পথ এটাত দুখন বাহনৰ মুখামুখি সংঘৰ্ষ হ'লে ক'বলগীয়া নাথাকে। কাৰণ ঠেক পথত হ'ব পাৰে দুৰ্ঘটনা। কিন্তু ব্ৰহ্মপুত্ৰৰ দৰে বিশাল নদী এখনত ফেৰী-নাৱৰ মাজত মুখামুখি সংঘৰ্ষ হ'লে বিষয়টো সহজে মানি ল'ব নোৱাৰি। ব্ৰহ্মপুত্ৰত নাও-ফেৰী-জাহাজ চলাচল কৰা পথ এটাই নহয়। যিকোনো পথেৰে যাব পাৰে। এটা পথেৰে যোৱাৰো কোনো যুক্তি থাকিব নোৱাৰে। এইবোৰ সংঘটিত হৈছে কিছুমান অবিবেচক চালক তথা ফেৰী-নাওসমূহৰ মালিকপক্ষৰ মাজত চলি থকা প্ৰতিযোগিতাৰ বাবেহে। কোনখন নাও-ফেৰীয়ে কিমানবাৰ পাৰাপাৰ হ'ব পাৰে তাৰেই যেন সকলোৰে মাজত নীৰৱে চলি থাকে প্ৰতিযোগিতা। এইবোৰত আকৌ বহন ক্ষমতাতকৈ বহু বেছি যাত্ৰী নিয়ে একমাত্ৰ অধিক ধন লাভালাভৰ বাবে। অতিৰিক্ত যাত্ৰী তথা বাহন আদিৰ বাবে যিকোনো সময়তে দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা থাকে। কেবাবছৰ পূৰ্বে ধুবুৰীৰ মেদেৰটাৰীত এখন ভটভটী ধুমুহাত ডুব গৈছিল একমাত্ৰ অত্যধিক যাত্ৰী থকাৰ বাবে।

যিহেতু বিগত এটা দশকৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ বুকুত তিনিটাকৈ ভয়ংকৰ নাও দুৰ্ঘটনা সংঘটিত হ'ল, সেয়েহে ইয়াৰ পৰা শিক্ষা লৈ বিভাগ তথা প্ৰশাসনে সৰু সৰু নাওবোৰ ব্ৰহ্মপুত্ৰত চলাচলৰ অনুমতি বন্ধ কৰিব লাগে। ব্ৰহ্মপুত্ৰত পঞ্জীয়ন নোহোৱাকৈ চলাচল কৰি থকা নাও, ভটভটী আদিৰ বিৰুদ্ধে বিভাগ আৰু প্ৰশাসন কঠোৰ হ'ব লাগিব। সৰু নাও নৈবোৰত চলাচল কৰক। তদুপৰি জাহাজ আদিৰ চলাচল কৰাৰো নিয়ম-নীতি কঠোৰ হওক। লাইফ জেকেটতকৈ নাও দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে এতিয়া প্ৰয়োজন বিভাগ তথা প্ৰশাসনৰ কঠোৰ পদক্ষেপ। অতিৰিক্ত যাত্ৰী কঢ়িওৱা জাহাজ, ফেৰীৰ বিৰুদ্ধে বিভাগীয়ভাৱে ব্যৱস্থা গ্ৰহণ কৰক। তদুপৰি নিয়ম ভংগকাৰীক শাস্তি দিয়ক। চৰকাৰ তথা আভ্যন্তৰীণ জলপৰিবহণ বিভাগে আৱেগৰ বশৱৰ্তী সিদ্ধান্ত গ্ৰহণ কৰাতকৈ স্থায়ীভাৱে সমস্যাৰ সমাধান কৰক। শীঘ্ৰে নিমাতীঘাট-মাজুলীৰ মাজত স্থাপন হওক বহুচৰ্চিত দলং। ব্ৰহ্মপুত্ৰৰ বুকুত কেতিয়াও যাতে উত্তৰ গুৱাহাটী, নিমাতীঘাটৰ দৰে ঘটনা সংঘটিত নোহোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংকল্প লওক।

# অনুবাদ সাহিত্যৰ নীৰৱ সাধক দেৱীপ্ৰসাদ বাগড়োডিয়া

এগৰাকী নীৰৱ সাহিত্যিক। এটা জাতি গঠন প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজনীয় উপাদানৰ মাজত অতি নীৰৱে কাম কৰি থকা এগৰাকী বৰ্ষিয়ান ব্যক্তি। অনুবাদ সাহিত্যৰে নীৰৱে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰে মহান ব্যক্তি এগৰাকীৰ সৃষ্টিসমূহ সংৰক্ষণৰ বাবে সদায় আগভাগ লৈ অহা ব্যক্তি। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৰা আৰম্ভ কৰি জ্যোতিপ্ৰসাদ আগৰৱালালৈকে অসমৰ প্ৰাতঃস্মৰণীয় ব্যক্তিসকলৰ গ্ৰন্থ হিন্দী ভাষালৈ অনুবাদ কৰি অসমীয়া জাতিৰ লগতে ভাষা-সংস্কৃতিক দেশৰ আন প্ৰান্তৰ লোকৰ স'তে বিনিময় কৰাত আগ-ভাগ লোৱা ব্যক্তিগৰাকী হ'ল ডিব্ৰুগড়ৰ টেঙাখাতৰ দেৱীপ্ৰসাদ বাগড়োডিয়া। অসমীয়া জাতিৰ হকে অনুবাদ সাহিত্যৰে নীৰৱে সেৱা আগবঢ়োৱা এইগৰাকী ব্যক্তি সদায় প্ৰচাৰ মাধ্যমৰ পৰা আঁতৰি আছে।

কেৱল সৃষ্টিৰ জৰিয়তে কৰ্মক্ষেত্ৰতো আগবাঢ়ি যোৱা বাগড়োডিয়াই চাওঁতে চাওঁতে জীৱনৰ আঠটা দশক অতিক্ৰম কৰিলে। সময়ে সময়ে লাভ কৰা প্ৰত্যাহ্বান নেওচি আজি তেওঁ এই পৰ্যায়ত উপনীত হৈছে। ডিব্ৰুগড় জিলাৰ টেঙাখাতৰ প্ৰয়াত ছেউভগৱান বাগড়োডিয়া আৰু প্ৰয়াত বাসন্তী দেৱী বাগড়োডিয়াৰ পুত্ৰ দেৱীপ্ৰসাদ বাগড়োডিয়াই স্নাতক ডিগ্ৰীলৈ অধ্যয়ন কৰি চাহখেতি বিষয়ত প্ৰশিক্ষণ গ্ৰহণ কৰিছে। ডিব্ৰুগড় চহৰৰ জ্যোতি নগৰৰ বাসিন্দা দেৱীপ্ৰসাদে টেঙাখাত হাইস্কুল (বৰ্তমান টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়)ত হাইস্কুলীয়া শিক্ষা লাভ কৰে। পাছত তেওঁ ডিব্ৰুগড়ৰে ডি এইচ এছ কে মহাবিদ্যালয়ত অধ্যয়ন কৰে। পৰৱৰ্তী সময়ত দেৱীপ্ৰসাদে টোকলাই চাহ গৱেষণা কেন্দ্ৰত চাহ সম্পৰ্কীয় প্ৰশিক্ষণ লাভ কৰে। এইগৰাকী ব্যক্তিয়ে অধ্যয়নৰ সমান্তৰালভাৱে অনুবাদ সাহিত্যৰ স'তেও ওতপ্ৰোতভাৱে জড়িত হৈ আছে। তেওঁৰ সৰুৰে পৰাই সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহ থকাৰ বাবে বিগত সময়ছোৱাত কে'বাখনো মূল্যৱান গ্ৰন্থ অনুবাদ কৰিছে।

এইগৰাকী ব্যক্তিয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৃষ্টিৰাজি সংৰক্ষণৰ বাবে সদায় আগভাগ লৈ আহিছে। দেৱীপ্ৰসাদে ১৯৯১ চনত ৰূপকোঁৱৰৰ বহুতো সৃষ্টিৰ মাজৰ পৰা একাংশ ৰচনা নিৰ্বাচিত কৰি 'জ্যোতিসুধা' নামৰ এখন গ্ৰন্থ হিন্দীত প্ৰকাশ কৰে। ১৯৯৫ চনত দেৱীপ্ৰসাদে পুনৰ ৰূপকোঁৱৰৰ নিৰ্বাচিত লেখনি হিন্দীলৈ অনুবাদ কৰি প্ৰকাশ কৰে 'জ্যোতিপ্ৰভা'। আনহাতে, ২০০৩ চনত তেওঁ 'জ্যোতিপ্ৰভা' নামৰ গ্ৰন্থখন বৰ্ধিত আকাৰত প্ৰকাশ কৰে। এই অনুবাদ গ্ৰন্থকেইখনে পাঠক সমাজৰ পৰা বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। তেওঁৰ আন এখন অনূদিত গ্ৰন্থ প্ৰকাশ পায় ২০০৩ চনত। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, প্ৰথিতযশা সাহিত্যিক ড° নগেন শইকীয়াৰ বহুচৰ্চিত গ্ৰন্থ 'মিতভাষ'ৰ হিন্দীলৈ অনুবাদ কৰে। ইয়াৰ পূৰ্বে দেৱীপ্ৰসাদে ১৯৯৯ চনত চাহখেতিৰ বিষয়ে এখন অসমীয়া হাতপুথি প্ৰকাশ কৰে। এই পুথিখনেও পাঠকৰ পৰা যথেষ্ট সমাদৰ লাভ কৰে। ২০০১ চনত তেওঁ এখন ইংৰাজী শিশু গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰে। 'সুখৰ পৃথিৱী' নামৰ পুথিখনো

পাঠকে আদৰি লয়। মীৰাবাঈৰ জীৱন আৰু কৰ্মৰ আধাৰত তেওঁ ২০০১ চনত ৰচনা কৰে 'মীৰাবাঈ'। একেটা বৰ্ষতে বীৰেন বৰকটকীৰ 'মৃত্যু গচকি আনা জয় জিনি' গ্ৰন্থখন হিন্দীলৈ অনুবাদ কৰি প্ৰকাশ কৰে 'মৃত্যু বিজয়িনী কনকলতা' নামেৰে। ২০০৮ চনত দেৱীপ্ৰসাদে বাগড়োডিয়া পৰিয়াল সম্পৰ্কে অসমীয়া আৰু হিন্দীত ৰচনা কৰে 'আগস্থা যাত্ৰা'। অসমীয়া, ৰাজস্থানী আৰু ইংৰাজী প্ৰবচনৰ সাদৃশ্য থকা প্ৰবচন সম্পৰ্কীয় গ্ৰন্থ এখন ২০১১ চনত 'লোকক্তি' নামেৰে প্ৰকাশ কৰে। এইখনো এখন গুৰুত্বপূৰ্ণ পুথি বুলিয়েই ক'ব লাগিব। দেৱীপ্ৰসাদ বাগড়োডিয়াৰ উল্লেখযোগ্য অনুবাদসমূহৰ ভিতৰত অন্যতম হ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি 'গুণমালা'ৰ হিন্দীলৈ কৰা সুন্দৰ অনুবাদ। ২০১০ চনত 'গুণমালা' গ্ৰন্থখন হিন্দীত প্ৰকাশ পোৱাৰ ক্ষেত্ৰত দেৱীপ্ৰসাদে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছে। কাৰণ আন লেখকৰ তুলনাত শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজি অনুবাদ কৰাটো উজু নহয়। ২০১৫ চনত তেওঁ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত বৰগীতৰ নিৰ্বাচিত বৰগীত হিন্দীলৈ অনুবাদ কৰি প্ৰকাশ কৰে 'বৰগীত'। হিন্দীত অনুবাদ হোৱাৰ বাবে নিশ্চয় এইখন গ্ৰন্থৰ জৰিয়তে আন ৰাজ্যৰ লোকে মহাপুৰুষ দুজনৰ অমূল্য সৃষ্টিৰাজিৰ বিষয়ে জনাত সহায় হ'ব। কাৰণ বহু লোকে, বিশেষকৈ বহিঃৰাজ্যৰ লোকে বৰগীত সম্পৰ্কে ভালদৰে আয়ত্ত কৰিব নোৱাৰাৰ মূলতে আছিল ভাষা। এতিয়া অন্ততঃ ৰাষ্ট্ৰীয় ভাষালৈ অনুবাদ হোৱাৰ ফলত দিল্লী, মুম্বাই আদিত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ আদিত বৰগীতৰ বিষয়ে সুন্দৰভাৱে প্ৰচাৰ আৰু প্ৰসাৰ কৰাত সহায় হ'ব। ২০০৯ চনত তেওঁ জ্যোতিপ্ৰসাদ আগৰৱালাৰ বংশ আৰু তেওঁৰ জন্মস্থান তামোলবাৰীৰ চাহ বাগিচাৰ ওপৰত ৰচনা কৰে 'জ্যোতিপ্ৰসাদ, এনচেষ্টৰ্দ এণ্ড তামোলবাৰী' গ্ৰন্থখন। এই গ্ৰন্থখনত তেওঁ ৰূপকোঁৱৰৰ জীৱন তথা বংশ-পৰিয়ালৰ প্ৰকৃত ছবিখন দাঙি ধৰিছে।

দেৱীপ্ৰসাদ বাগড়োডিয়াৰ অনুবাদ সাহিত্য সম্পৰ্কে বিশ্লেষণ কৰিবলৈ হ'লে প্ৰথমে উল্লেখ কৰিব লাগিব তেওঁৰ গ্ৰন্থ নিৰ্বাচন। কেৱল অনুবাদ কৰিলেই নহয়, অনুবাদকগৰাকীয়ে এখন গ্ৰন্থ নিৰ্বাচন কৰাতো সমানেই

গুৰুত্ব প্ৰদান কৰিব লাগে। সমাজ তথা দেশ, জাতিৰ স'তে একাত্ম বিষয়সমূহৰ ওপৰত বিভিন্নজনে ৰচনা কৰা গ্ৰন্থ এখন অনুবাদ কৰাটো বৰ উজু কামো নহয়। কাৰণ অনুবাদ সাহিত্যই পাঠকৰ পৰা তেতিয়াহে সমাদৰ লাভ কৰিব পাৰে যেতিয়া ইয়াৰ শব্দ-চয়নে পাঠকৰ মন চুই যায়। অনুবাদ কৰোতে অনুবাদকে সদায় শব্দ নিৰ্বাচন কৰোতে গুৰুত্ব প্ৰদান কৰিব লাগে। কাৰণ শব্দ নিৰ্বাচন আৰু ব্যৱহাৰ উপযুক্ত নহ'লে মূল গ্ৰন্থখনৰ আদৰ লাঘৱ হয়। এইক্ষেত্ৰত দেৱীপ্ৰসাদ ব্যতিক্ৰম। তেওঁ হ'ল শব্দৰ ভঁৰাল। অসমীয়া, ইংৰাজী, হিন্দী আদি ভাষাত ব্যুৎপত্তি থকাৰ বাবে এই গ্ৰন্থসমূহ অনুবাদ কৰোতে শব্দৰ ব্যৱহাৰ আৰু বাক্যৰ গাঁথনি আকৰ্ষণীয় হৈছে। মূল গ্ৰন্থসমূহৰ স্বকীয়তা নষ্ট নকৰাকৈ পাঠকৰ মাজত গ্ৰন্থসমূহ উপলব্ধ কৰোৱাত দেৱীপ্ৰসাদ সফল হোৱা বুলিয়েই ক'ব লাগিব। অনুবাদ সাহিত্যৰে অসমীয়া সাহিত্যজগতলৈ যি অৱদান আগবঢ়াইছে তাৰ বাবে দেৱীপ্ৰসাদ বাগড়োডিয়া সদায় জিলিকি থাকিব।

# বৰাকত অসমীয়া ভাষাবিদ্বেষী বীজ

শেহতীয়াভাৱে বৰাক উপত্যাকাত অসমীয়া ভাষাবিদ্বেষী চক্র এটাই চৰকাৰী চাইনব'ৰ্ডৰ পৰা অসমীয়া ভাষাৰ ওপৰত ৰং সানি যি নিকৃষ্ট মানসিকতা দাঙি ধৰিলে সেয়াই ভৱিষ্যতৰ ভয়াৱহ ছবি এখনৰ ইংগিত দাঙি ধৰিলে। স্বাধীনতা লাভৰ পূৰ্বে বাঙালীসকলে অসমৰ কাৰ্যালয় আদিৰ পৰা অসমীয়া ভাষাটো ধ্বংসৰ বাবে যি ষড়যন্ত্ৰ চলাইছিল সেই কথা আজিও সকলোৰে মনত সজীৱ হৈ আছে। কেইগৰাকীমান প্ৰাতঃস্মৰণীয় অসমীয়া ব্যক্তিৰ প্ৰচেষ্টাত অসমীয়া ভাষাক নস্যাৎ কৰিব খোজা বাঙালী চক্ৰটোক উৎখাত কৰাৰ বাবে পৰৱৰ্তী সময়ত চৰকাৰী কাম-কাজত অসমীয়া ভাষা ব্যৱহাৰ হ'ল। শেহতীয়াভাৱে বৰাক উপত্যকাৰ যেন তেনে এখন ছবিৰে ইংগিত পোৱা গ'ল। বৰাক উপত্যকা যিহেতু অসমৰ অবিচ্ছেদ্য অংগ সেয়েহে ইয়াত পৃথকে বঙালী ভাষা ব্যৱহাৰৰ যুক্তি নাই।

অসমত অসমীয়া ভাষা চলিবই। তাত কাৰোবাৰ দ্বিমত থাকিব নোৱাৰে। এয়া অসম বুলি কথা নাই, সমগ্ৰ দেশতেই একেই ছবি। যিটো অঞ্চলত বসবাস কৰে সাধাৰণতে সেই অঞ্চলৰ ভাষা-সংস্কৃতিৰ স'তে মিলিব পৰাজনেহে অঞ্চলটোত সৌহাৰ্দ্যপূৰ্ণভাৱে চলি থাকিব পাৰে। তেওঁ ক'ৰ পৰা আহিছে, কি ভাষা কয় সেয়া গৌণ বিষয়। জোৰ বা বলপূৰ্বকভাৱে তেওঁ যদি সেই স্থানত নিজৰ অস্তিত্ব জাহিৰ কৰিব খোজে তেন্তে সংঘাত হ'বই।

বৰাকবাসীয়ে কি ভাবে সেইটো ডাঙৰ কথা নহয়। যেতিয়ালৈকে বৰাক উপত্যকা অসমৰ অবিচ্ছেদ্য অংগ হৈ থাকিব তেতিয়ালৈকে বৰাকবাসীয়ে অসমীয়া ভাষাক মান্য ভাষা হিচাপেই ব্যৱহাৰ কৰিব লাগিব। চৰকাৰী কাম-কাজত তেওঁলোকে অসমীয়া ভাষা ব্যৱহাৰ কৰিবই লাগিব। অসমীয়া ভাষা-সংস্কৃতিৰ স'তে সহাৱস্থান নকৰিলে বৰাকবাসীৰেই অস্তিত্বৰ প্ৰতি ভাবুকি অহাটো নিশ্চিত। পাবত গজা সংগঠন একাংশই অসমবাসীৰ মাজত থকা ভ্ৰাতৃত্ববোধৰ এনাজৰীডাল ছিঙি পেলাবলৈ উঠি-পৰি লাগিছে। অখ্যাত এনেধৰণৰ সংগঠনসমূহে নিজৰ অস্তিত্ব জাহিৰ কৰিবলৈ বিতৰ্কিত কাম কৰিবলৈ ধৰিছে। আনহাতে, এনেধৰণৰ সংগঠন সদায় যিহেতু তৃতীয় পক্ষৰ দ্বাৰা পৰিচালিত হয়, সেয়েহে অসমবাসীয়ে এতিয়া ইয়াৰ আঁৰত কোন জড়িত আছে তাৰহে বিচাৰ কৰিব লাগে। দিন দুপৰতে অসমীয়াত লিখা চাইনব'ৰ্ডত ক'লা ৰং সানি যি গৰ্হিত কাম কৰিলে তাৰবাবে বৰাকবাসী লজ্জিত হোৱা উচিত। অসমত বসবাস কৰি, অসমৰ বায়ু-পানী সেৱন কৰি অসমীয়া ভাষা-সংস্কৃতিৰ শ্ৰাদ্ধ কৰিলে কোনোৱে সহ্য নকৰে। বৰাকৰ দুই-এজন লোকে নিজকে নেতাৰ ৰূপত প্ৰতিষ্ঠিত কৰিবলৈ বিগত কেবাবছৰৰ পৰা বিতৰ্কিত মন্তব্য দিয়াৰ উপৰি সামাজিক কাম-কাজতো লিপ্ত হৈছে। এয়া বৰাকবাসীৰ বাবে চৰম লজ্জাজনক বিষয়। অসম তথা অসমীয়াবিদ্বেষী এনে লোকক চিনাক্ত কৰি চৰকাৰী বিহিত ব্যৱস্থা গ্ৰহণ কৰা উচিত।

বৰাকবাসীৰ সকলোৱে যে এনে নিন্দনীয় কাম-কাজক সমৰ্থন দিছে তেনে নহয়। একাংশ লোকে আকৌ অসমীয়া চাইনব'ৰ্ডত ক'লা ৰং সনা কাৰ্যৰ প্ৰতিবাদো কৰিছে। অসমবিৰোধী কাম-কাজৰ বিৰুদ্ধাচৰণ কৰিছে।

হয়তো সেইবাবে অসমবিৰোধী চক্ৰটোৱে আৰু আগবাঢ়িব পৰা নাই। অসমত থাকি অসমবিৰোধী মানসিকতা তেওঁলোকৰ মনত কেনেকৈ গঢ়ি উঠিছে সেয়া কিন্তু চিন্তনীয় বিষয়। তেওঁলোক বদন বৰফাকুনৰ বংশধৰ হ'লে বিষয়টো সুকীয়া আছিল। তেওঁলোক ঘৰশত্ৰু বিভীষণো নহয়। তেন্তে বৰাকবাসীৰ একাংশৰ মনত অসমবিৰোধী মনোভাবৰ বীজ কোনে অংকুৰিত কৰিলে? এনেধৰণৰ মানসিকতাই গঢ় লোৱা লোকসকলক শীঘ্ৰে চিনাক্ত কৰি ভৱিষ্যতে যাতে এনেধৰণৰ কাম-কাজ কৰিব নোৱাৰে তাৰ বাবে সকলোৱে সতৰ্ক হোৱা উচিত। কাৰণ চৰকাৰে যদি এতিয়াই উপযুক্ত পদক্ষেপ গ্ৰহণ নকৰে তেনেহ'লে ভৱিষ্যতে বৰাকক অসমৰ অংগ হিচাপে পৰিচয় দিয়াটো সম্ভৱ নহয়। তেওঁলোকে পৃথক ৰাজ্য অথবা স্বায়ত্তশাসিত পৰিষদ গঠনৰ বাবে আন্দোলন আৰম্ভ কৰোতে বেছি সময় নালাগিব।

অসমখন কেবাবাৰো খণ্ডিত হ'ল। সাতভনীৰ জন্মৰ পাছত অসমৰ মাটিকালি, জনসংখ্যাও সীমিত হ'ল। এতিয়া যদি এই ভূমিখণ্ডক আকৌ বিভাজিত কৰিবলগীয়া হয় তেনেহ'লে অসমৰ ভৱিষ্যৎ হ'ব অন্ধকাৰ।

# ৰাজহুৱা স্থান লেতেৰা
# কৰাসকলক ৰাজহুৱাভাৱে শাস্তি দিয়ক

গুৱাহাটী মহানগৰীৰ ছুপাৰ মাৰ্কেটত নতুনকৈ মুকলি কৰা আটকধুনীয়া উৰণীয়া সেতুখনত ইতিমধ্যে পিক পেলোৱা পৰ্ব আৰম্ভ হৈছে। যিসকল লোকে ইমান দিনে উৰণীয়া সেতুত পিক পেলাবলৈ ৰৈ আছিল তেওঁলোকে অলপো পলম নকৰি উদ্বোধনৰ পূৰ্বেই এই কাৰ্য আৰম্ভ কৰে। উৰণীয়া সেতুখন আকৰ্ষণীয় কৰাৰ লগতে এই সৌন্দৰ্যৰ প্ৰতি যাতে সকলোকে আকৰ্ষিত কৰিব পাৰি সেই উদ্দেশ্য লৈয়েই একাংশ লোকে অংকন কৰিছে সুন্দৰ ছবি। পিছে একাংশ চকুচৰহা লোকে উৰণীয়া সেতুত পিক পেলোৱা আৰম্ভ কৰিলেই। এনে লোকৰ কাৰ্য দেখিলে মনত এনে ভাব হয় যেন তেওঁলোকে সমাজত দুষ্কাৰ্য কৰিববৈলেহে জন্মিছে। এনে নকৰিলে পেটৰ ভোক নুগুচা যেন অনুভৱ হয়। উৰণীয়া সেতুখনৰ উদ্বোধনৰ পূৰ্বেই পিক

পেলোৱা আৰম্ভ হৈছিল, এনে কাৰ্যই সমাজৰ একাংশ কুশ্ৰী মনোভাৱৰ লোকৰ চৰিত্ৰ ফুটাই তুলিছে। দৰাচলতে এনে লোকৰ বাবেই আজি স্বচ্ছ ভাৰত অভিযানৰ দৰে এটি মহৎ অভিযানো কিছু কিছু অঞ্চলত সফল হ'ব পৰা নাই।

ৰাজহুৱা সম্পত্তিত সকলো শ্ৰেণীৰ লোকৰ সমানেই অধিকাৰ থাকে। উৰণীয়া সেতুখনো ৰাইজৰ সম্পত্তি। ইয়াৰ ওপৰেদি আনকি পিক পেলোৱা লোকজনেও দিনটোত দহবাৰ অহা-যোৱা কৰে। সমাজত এনে কিছু লোক আছে— যিসকলে নিজৰ ঘৰৰ পদূলিত এডাল দুবৰিও গজিবলৈ নিদিয়ে। মাটিত ফু মাৰি ভাত খাব পৰা ঘৰৰ মজিয়া। অথচ এনে একোটা পৰিয়ালৰ সদস্যৰ সমাজৰ সা-সম্পত্তি ধ্বংস কৰাৰ মানসিকতা থকাৰ বাবেই এনেদৰে পিক পেলোৱাৰ দৃশ্য আজি দেখিবলৈ পাইছো। সভ্য সমাজ এখনত এনেধৰণৰ দৃশ্য দেখিবলৈ পোৱাটো সাধাৰণ ৰাইজৰ সৌভাগ্য নে দুৰ্ভাগ্য সেয়াহে বিচাৰ্য বিষয়। এনে মানসিকতা যিমান দিনলৈ সলনি নহ'ব সিমান দিনলৈকে সকলোৱে এনে দৃশ্য দেখিবলৈ পাই থাকিব। বিদেশত এনে দৃশ্য বিৰল বুলিয়েই ক'ব পাৰি। কাৰণ ইউৰোপ আদি দেশৰ নাগৰিকে পথৰ কাষত প্ৰস্ৰাৱ কৰোতেও হাজাৰবাৰ ভাবিব লাগে। কাৰণ য'তে ত'তে প্ৰস্ৰাৱ কৰাটো অপৰাধ। আনকি পথৰ কাষত প্ৰস্ৰাৱ কৰিও হাজাৰ টকা জৰিমনা ভৰা লোকৰ সংখ্যাও কম নহ'ব। অথচ আমাৰ অসমত থকা উৰণীয়া সেতুসমূহৰ খুঁটাৰ আশে-পাশে যাবই নোৱাৰি। কিয়নো, উৰণীয়া সেতুৰ তলত বিশেষকৈ মুকলি শৌচাগাৰ-প্ৰস্ৰাৱাগাৰ হিচাপেহে ব্যৱহাৰ কৰে। নিশাৰ কথা বাদেই— দুপৰীয়াই এইবোৰত শৌচ-প্ৰস্ৰাৱ কৰাৰ সংখ্যাও কম নহ'ব। চানমাৰী উৰণীয়া সেতুৰ মধ্যভাগত থকা খুঁটা দুটাৰ কাষেৰে ওপৰলৈ উঠি যোৱা খটখটিবোৰ দেখিলে মনত এনে এটি ভাব হয় যেন সেই ঠাইডোখৰ পৰিত্যক্ত। অথচ উৰণীয়া সেতুখনেৰে নিতৌ হাজাৰ হাজাৰ লোকে অহা-যোৱা কৰে। সময়ে সময়ে ৰং কৰাৰ পাছতে একাংশ লোকে তাৰ ওপৰত তামোল, গুট্‌খা আদিৰ পিক পেলাই কদৰ্যময় কৰি তোলে। গণেশগুৰিৰ উৰণীয়া সেতুখনৰো অৱস্থা একেই হৈছে। আনহাতে ছুপাৰ মাৰ্কেটৰ উৰণীয়া সেতুখনৰো অৱস্থা একে হৈছে। আনহাতে, ছুপাৰ মাৰ্কেটৰ উৰণীয়া সেতুখন

ৰাইজৰ বাবে মুকলি কৰি দিয়াৰ পাছত ছেল্‌ফি উঠাৰ লগতে পিক পেলোৱা লোকৰ সংখ্যা বৃদ্ধিয়ে এটা কথা স্পষ্ট কৰে যে আমাৰ সমাজত এতিয়াও এনে কিছু কাণ্ডজ্ঞানহীন লোক আছে— যাৰ বাবে ৰাজ্যবাসী সদায় লজ্জানত হ'বলগীয়া হৈছে। পৰ্যটকসকলে যদি অসমলৈ আহি এনেধৰণৰ দৃশ্য প্ৰত্যক্ষ কৰে তেনেহ'লে মনত কি ভাব লৈ ইয়াৰ পৰা গুচি যাব।

পৰিষ্কাৰ-পৰিচ্ছন্নতা ৰক্ষা কৰাটো সকলোৰে কৰ্তব্য। যদি নিজৰ ঘৰখন ভালদৰে ৰাখিব পাৰো আনৰ ঘৰখন নোৱাৰো কিয়? যিহেতু সজাগতা তথা আহ্বানৰ পিছতো একাংশ কাণ্ডজ্ঞানহীন লোকে এনে কাম কৰি আছে, সেয়েহে এইক্ষেত্ৰত সংশ্লিষ্ট দায়িত্ববাহী লোকসকল কঠোৰ হ'ব লাগিব। আজিকালি যিহেতু চি চি কেমেৰা সকলোতে উপলব্ধ, সেয়েহে এনেবোৰ স্থানত গোপনে কেমেৰা স্থাপন কৰি বৃহৎ পৰিমাণৰ জৰিমনা বিহাৰ ব্যৱস্থা কৰিলে নিশ্চয় ৰাজহুৱা স্থানত পিক পেলোৱা, ৰাজহুৱা সম্পত্তি ধ্বংস কৰিবলৈ কোনোৱে সাহস নকৰিব। পিক পেলোৱা, শৌচ-প্ৰস্ৰাৱ কৰা লোকসকলক চি চি কেমেৰাৰে চিনাক্ত কৰি তেওঁলোকক বিচাৰি উলিয়াই শাস্তি বিহাৰ প্ৰক্ৰিয়া আৰম্ভ কৰক সংশ্লিষ্ট কৰ্তৃপক্ষই। অভদ্ৰ লোকক শিকনি দিবলৈ সকলোৱে কঠোৰ হ'বই লাগিব। সংশ্লিষ্ট কৰ্তৃপক্ষ কঠোৰ হ'লেহে পথ বিভাজক, পদপথ, উৰণীয়া সেতু আদিত পিক পেলোৱা বন্ধ হ'ব। স্বচ্ছ ভাৰত অভিযানো সফল হ'ব। এখন ৰাজ্যৰ নাগৰিক হিচাপে ৰাজ্যখনৰ মান-মৰ্যাদা ৰক্ষা কৰিবলৈ সকলোৱে পদক্ষেপ গ্ৰহণ কৰা উচিত।

# কাৰ্যালয়ৰ অনলাইন ব্যৱস্থাই সকলোকে লাভান্বিত কৰিব

আজিকালি চৰকাৰী কাম-কাজসমূহ অনলাইন ব্যৱস্থাৰ দ্বাৰা সম্পাদন হ'বলৈ ধৰিছে। কেৱল চৰকাৰী কাম-কাজেই নহয়, চাকৰি আদিৰ আবেদন-পত্ৰও এতিয়া অনলাইনৰ মাধ্যমতে চলিবলৈ ধৰিছে। পূৰ্বৰ তুলনাত এতিয়া প্ৰায়ভাগ কাম-কাজতেই চৰকাৰে অনলাইনৰ ব্যৱস্থা কৰিছে। অনলাইন ব্যৱস্থাৰ ফলত পূৰ্বৰ তুলনাত কাম-কাজসমূহ ক্ষিপ্ৰ গতিত সম্পাদন হ'বলৈ ধৰিছে। এনে ব্যৱস্থাৰ ফলত দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো চৰকাৰী কাম-কাজেই হওক বা ব্যক্তিগত কামেই নহওক কিয়— বহু কম সময়ৰ ভিতৰত সমাপ্ত হ'বলৈ ধৰিছে। পূৰ্বে অসম মন্থৰ গতিৰে কাৰ্য সম্পাদন হোৱা ৰাজ্য বুলি বদনাম আছিল। অৰ্থাৎ যিকোনো চৰকাৰী কামেই পলমকৈ হৈছিল। ফলত ইয়াৰ প্ৰভাৱ পৰোক্ষভাৱে ৰাজ্যৰ উন্নয়নতো পৰিছিল। সেইবাবে ৰাজ্যখনত প্ৰাকৃতিক

সম্পদ আদিৰ লগতে মানৱ সম্পদৰ সম্পূৰ্ণ উন্নয়ন হোৱা নাছিল। একেটা কামৰ বাবে চৰকাৰী অফিচে অফিচে ঘূৰি ফুৰাৰ পাছতো কাম সময়মতে হোৱা নাছিল। আনকি বহুতে হতাশ হৈ কামটোৰ পৰা লাহে লাহে আঁতৰি গৈছিল। ফলত চৰকাৰী কাম-কাজৰ ওপৰত ৰাইজে আস্থা হেৰুৱাইছিল। চৰকাৰী ব্যৱস্থাত বিশ্বাস কৰাতকৈ বক্ৰপথেৰে গৈ কাম-কাজ কৰাতহে গুৰুত্ব প্ৰদান কৰিছিল। চৰকাৰী কাম-কাজৰ এনে মন্থৰ পৰম্পৰা বিগত পাঁচ বছৰত বহু পৰিমাণে সলনি হ'ল।

শেহতীয়াভাৱে ৰাজ্য চৰকাৰে প্ৰায়ভাগ বিভাগতে কাম-কাজ সম্পাদনৰ বাবে অনলাইনৰ ব্যৱস্থা কৰিছে। আগতে পৰিবহণ বিভাগৰ পৰা আৰম্ভ কৰি আবেদন কৰালৈকে সকলোতে অযথা ভিৰ হৈছিল। তদুপৰি একেটা কামৰ বাবে বাৰে বাৰে যোৱাৰ ফলত সময়ৰ লগতে ধনো ব্যয় হৈছিল। আনকি ডিটিঅ' কাৰ্যালয়ৰ সন্মুখত নিতৌ শাৰী পাতি থকা শ শ গাড়ী, যিকোনো বিভাগৰ কাৰ্যালয় বিশেষকৈ উপায়ুক্ত আদিৰ কাৰ্যালয়ত দেখা ভিৰৰ বাবে ৰাইজৰ মাজত এনে একোটা ভাৱৰ সৃষ্টি হৈছিল যে চৰকাৰী কাম-কাজত ৰাইজৰ বিশ্বাস নোহোৱা হৈছিল। এতিয়া পিছে এইবোৰত অনলাইন ব্যৱস্থা কৰাৰ ফলত দীঘলীয়া শাৰী আদি লাহে লাহে নোহোৱা হ'বলৈ ধৰিছে। সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয় হ'ল— যিসময়ত কাৰ্যালয়ৰ সন্মুখত দীঘলীয়া শাৰী পাতিও কেতিয়াবা কাৰ্য সম্পাদন কৰিব নোৱাৰি ঘৰলৈ উভতিব লাগিছিল, এতিয়া সেইখিনি কামকে ঘৰত বহিয়েই কম সময়ৰ ভিতৰতে সম্পাদন কৰিব পৰা গৈছে। চৰকাৰে শেহতীয়াভাৱে গ্ৰহণ কৰা এনে পদক্ষেপে কেৱল যে সময়ৰ ৰাহি কৰিছে তেনে নহয়, সমান্তৰালভাৱে এইবোৰত থকা দালালৰ ব্যৱস্থাও নোহোৱা কৰিছে। আগতে উপায়ুক্ত কাৰ্যালয়, জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়ত অনবৰতে পিয়াপি দি থকা দালালবোৰৰ বেহাও বন্ধ হ'ল। আগতে এইবোৰ কাৰ্যালয়লৈ গ'লে প্ৰথমে দালালৰ সহায় ল'বলগীয়া হৈছিল। দালালবোৰেও এইক্ষেত্ৰত সুযোগ লৈছিল। চৰকাৰক দিবলগীয়া দুই-তিনিশ টকা মাচুলৰ পৰিৱৰ্তে দালালক পাঁচ-ছয় হাজাৰ টকা দিবলগীয়া হৈছিল। তদুপৰি দালালে সম্পাদন কৰা কাম পাছত আকৌ ভুৱা বুলিও প্ৰমাণিত হৈছে। বহুতে লটিঘটিও খাবলগীয়া হৈছে। এতিয়া পিছে

কোনেও দালালৰ সহায় ল'ব নালাগে। নিজেই অনলাইনৰ দ্বাৰা সকলোখিনি কৰিব পৰা হৈছে। মাত্ৰ চৰকাৰী মাচুলখিনি দিলেই হ'ব। ইয়াত তৃতীয় পক্ষৰ সহায়ৰ প্ৰয়োজন নাই। তদুপৰি চৰকাৰেও পাবলগীয়া ৰাজহখিনি সম্পূৰ্ণৰূপে লাভ কৰিব। এনেদৰে কাৰ্য সম্পাদন হ'লে ৰাজ্যখনো নিশ্চয় দোপত দোপে আগবাঢ়ি যাব পাৰিব। নৱপ্ৰজন্মও সকলো কামৰ প্ৰতি আগ্ৰহী হ'ব। তদুপৰি অনলাইন ব্যৱহাৰে যে প্ৰশাসনিক কাম-কাজো স্বচ্ছ আৰু নিকা ভাবমূৰ্তিৰে সম্পাদন কৰিব পাৰি সেইক্ষেত্ৰতো ৰাইজৰ মাজত বিশ্বাস জন্মিব।

অনলাইন প্ৰক্ৰিয়াৰে কাৰ্য সম্পাদন কৰাৰ ফলত এতিয়া আৰু যিকোনো কামৰ ফলাফলৰ বাবে বেছিদিন অপেক্ষা কৰিব নালাগিব। তদুপৰি কোনো কৰ্মচাৰীয়েও কামত গাফিলতি কৰিব নোৱাৰিব। ইচ্ছাকৃতভাৱে কাম পলম কৰিলেও সকলোবোৰ অনলাইনতে স্পষ্ট হৈ পৰিব। এনে ব্যৱস্থাৰে কাৰ্যালয়ৰ কৰ্মচাৰীৰ সময় ৰাহি হোৱাৰ ফলত আন কামত ব্যস্ত হ'ব পাৰিব। দুদিনৰ কাম এদিনতে শেষ কৰিব পৰা সম্ভৱ হোৱাৰ ফলত আন কামো কিছুপৰিমাণে হ'লেও আগবঢ়াই থ'ব পাৰে। গতিকে অনলাইন ব্যৱস্থাই সকলোকে কিছুপৰিমাণে হ'লেও লাভান্বিত হৈছে।

# ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাবে হৰ্ডিঙৰ মাপ সমান হওক

চহৰ-মহানগৰ তথা ব্যৱসায়িক অঞ্চল এটা তেতিয়াহে আকৰ্ষণীয় আৰু দৃষ্টিনন্দন হৈ থাকে যেতিয়াই শৃংখলাবদ্ধ হয়। সৰুৱেই হওক বা ডাঙৰেই নহওক কিয়— সকলোৰে ছাইনব'ৰ্ড, হৰ্ডিং আদিৰ মাপ সমান হ'লে দূৰৈৰ পৰাই সৌন্দৰ্যময় হোৱাৰ লগতে অনুশাসনৰ মাজেদি শৃংখলিত হ'বলৈ বাধ্য হয়। সাধাৰণতে যদি অনুশাসন অথবা নীতি-নিৰ্দেশনাৰ ক্ষেত্ৰত কঠোৰ নীতি সংশ্লিষ্ট কৰ্তৃপক্ষই গ্ৰহণ কৰে তেনেহ'লে সেইবোৰ মানিবলৈ বাধ্য। উন্নত দেশত ব্যৱসায়িক কেন্দ্ৰ আৰু প্ৰতিষ্ঠানসমূহ কিছুমান নিৰ্দিষ্ট নিয়মৰ মাজেদি পৰিচালিত হয় বাবে এইবোৰে সদায় বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। সমান জোখ-মাপৰ বেনাৰ, হৰ্ডিং আদি একেশাৰীতে আঁৰি দিলে ইয়াক দূৰৰ পৰাও ভাল দেখি। অসমৰো বিভিন্ন জিলাত থকা নগৰ, চহৰ আৰু গুৱাহাটী

মহানগৰীৰ ব্যৱসায়িক প্ৰতিষ্ঠানত এই ব্যৱস্থা কৰিলে ঠাইসমূহৰ নিশ্চয় সৌন্দৰ্য বৰ্ধন হ'ব। কাৰণ এতিয়া যিয়ে যেনেদৰে পাৰে ছাইনব'ৰ্ড, হৰ্ডিং আদি আঁৰি থয়। য'তে-ত'তে নামফলক আদি লিখাৰ বাবে ঠাইবোৰ দেখাত লেতেৰা লেতেৰা লাগে। কোনো এখন ব্যৱসায়িক প্ৰতিষ্ঠানত যদি বৃহৎ আকাৰৰ ছাইনব'ৰ্ড আঁৰি দিয়া হৈছে আন এখনত আকৌ অতি সৰুকৈ লগোৱা হৈছে। তদুপৰি কিছুমান হৰ্ডিং অথবা ছাইনব'ৰ্ড ইমান ডাঙৰকৈ আঁৰি দিয়া হয় যে সমীপৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ নামফলক আদি ঢাকি ধৰে। নিজৰ দোকানত দিয়াৰ বাবে এনে হোৱাৰ পাছতো সমীপৰ ব্যৱসায়ীসকলে একো ক'ব নোৱাৰে।

কঠোৰ নিয়ম নথকাৰ বাবে প্ৰায়ভাগ ব্যৱসায়ীয়ে, বিশেষকৈ পথ সংলগ্ন দোকানৰ গৰাকীয়ে পদপথ অথবা পথলৈকে বিক্ৰীৰ বাবে বস্তুবোৰ উলিয়াই দিয়ে। ৰেস্তোৰাঁ, ফাষ্টফুড, জাংকফুড আদিৰ দোকানসমূহ পদপথলৈ সম্প্ৰসাৰিত কৰে। আনকি কিছুমান ঠাইত পদপথসমূহ ব্যৱসায়ীয়ে অবৈধভাৱে দখল কৰাৰ ফলত সাধাৰণ ৰাইজে অহা-যোৱা কৰাটোৱে অসম্ভৱ হৈ পৰে। কেতিয়াবা কোনো পথচাৰীয়ে ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ চলালে, আনকি উত্তপ্ত পৰিস্থিতিৰো সৃষ্টি হোৱা দেখা যায়। নিজৰ দোষ ঢাকিবলৈ বহুতে আনৰ কথা বলকিবলৈ ধৰা লোকৰ সংখ্যাই বেছি। গতিকে বহুতে অথবা অপ্ৰয়োজনীয়ভাৱে হাই-কাজিয়াৰ পৰা আঁতৰি থাকিব বিচাৰে। সেইবাবে হৰ্ডিং বা নামফলক আদি সকলোৰে ক্ষেত্ৰত একে নিয়ম, একে জোখৰ কৰিলে তাত নিশ্চয় কোনো লোকৰ আপত্তি থাকিবলগীয়া নাই।

গুৱাহাটী পৌৰনিগমে যদি পৰীক্ষামূলকভাৱে এনে ব্যৱস্থা কৰে তেনেহ'লে নিশ্চয় এই মহানগৰীখনৰ ক্ষেত্ৰত প্ৰথমে পৰীক্ষামূলকভাৱে মহানগৰীৰ দুটা পথত ব্যৱসায়ীসকলক শৃংখলাবদ্ধভাৱে এনে কৰিবলৈ বাধ্য কৰাব পাৰিলে নিশ্চয় সৌন্দৰ্য বৃদ্ধি হ'ব।

যিবোৰ ব্যৱসায়িক প্ৰতিষ্ঠান অট্টালিকা বা ডাঙৰ গৃহৰ ভিতৰত (মাৰ্কেট) থাকে সেইবোৰৰ বাবে বাহিৰত এখন ফলকত ক্ৰমিক নম্বৰসহ কোনখন দোকানত কি কি সামগ্ৰী পোৱা যায় সেইবোৰ স্পষ্টভাৱে লিখা থাকিলে হৰ্ডিং আদিৰ প্ৰয়োজনো নহ'ব। তদুপৰি শৃংখলাবদ্ধভাৱে কাম-কাজ পৰিচালনা

কৰাতো সহজ হ'ব। একেখন বজাৰত এখনৰ হৰ্ডিং থাকি, আন এখনৰ নাথাকিলে দেখাত অশুৱনি লাগে। তদুপৰি গ্ৰাহকসকলেও ডাঙৰ হৰ্ডিং আদি দেখিলে সেইখনতো প্ৰৱেশ কৰে। ফলত ওচৰে-পাঁজৰে থকা ব্যৱসায়িক প্ৰতিষ্ঠানত গ্ৰাহকৰ ভিৰ কম হ'লে ব্যৱসায়ৰ ক্ষেত্ৰত নিশ্চয় প্ৰভাৱ পৰিব। সেইবাবে ডাঙৰ হৰ্ডিঙৰ পৰিৱৰ্তে সমান জোখৰ হৰ্ডিং আদিৰ ব্যৱস্থা কৰিলে সৌন্দৰ্যৰ লগতে পৰিপাতিও হ'ব। তদুপৰি সৰু সৰু বজাৰ আদিৰ কৰিড'ৰৰ মাজত ছাইনব'ৰ্ড, হৰ্ডিং আদি থৈ দিয়াৰ ফলত পথত অহা-যোৱা কৰাত সমস্যাৰ সৃষ্টি হয়। আনকি সৰু সৰু দুৰ্ঘটনাও সংঘটিত হোৱা দেখা যায়।

গুৱাহাটী মহানগৰীত পৌৰনিগমে পৰীক্ষামূলকভাৱে যদি দুটা পথত এনে ব্যৱস্থা গ্ৰহণ কৰে তেনেহ'লে নিশ্চয় সুফল লাভ কৰিব পাৰিব। পৰৱৰ্তী সময়ত সমগ্ৰ মহানগৰীত ব্যৱস্থা কৰিলে সফল হোৱাৰ পাছত ৰাজ্যৰ আন ঠাইতো কৰিব পাৰিব। পথৰ মাজত থকা পথ বিভাজক তথা পথৰ কাষত, অট্টালিকাত থকা বৃহৎ হৰ্ডিং আদিৰ পৰিৱৰ্তে সমান জোখৰ কৰিলে পথৰো সৌন্দৰ্য নিশ্চয়কৈ বৰ্ধন হ'ব।

# ৰাস-ভাওনাৰ নামত বহুৰালি

শৰৎকালৰ স্নিগ্ধ জোনাক নিশা আয়োজিত ৰাসক্ৰীড়াই সকলোকে যুগ যুগ ধৰি আকৰ্ষিত কৰি আহিছে। যমুনাৰ বালিত শ্ৰীকৃষ্ণই ৰাসক্ৰীড়াই সকলোৰে মনত ভক্তিৰ ভাব জগাই তুলিছিল। গোপীসকলৰ চঞ্চলা প্ৰাণ শান্ত কৰিছিল ৰাসক্ৰীড়াই। এই ভক্তিৰস আজিও সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু। এই ৰাসক্ৰীড়াক কেন্দ্ৰ কৰিয়ে পৰৱৰ্তী সময়ত অসমত আয়োজিত হৈছিল ভাওনা। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি অংকীয়া ভাওনাই প্ৰতিগৰাকী অসমীয়াৰে হৃদয়ত এক সুকীয়া স্থান লাভ কৰিছে। সেয়েহে ৰাস বুলি ক'লে সকলোৰে সাজু হয় অংকীয়া ভাওনাৰ বাবে। বিশেষকৈ মাজুলীৰ ৰাস আৰু ভাওনাক লৈ সদায় চৰ্চা হৈ আহিছে। পৰম্পৰাগতভাৱে বিশুদ্ধ ৰূপত আয়োজন কৰা ৰাস আৰু ভাওনাই কেৱল

অসমীয়াকে নহয়, বিশ্বৰ আন দেশৰ লোককো আকৰ্ষিত কৰি আহিছে। শৰৎকাল মানেই মাজুলীৰ ৰাস। লাহে লাহে ৰাজ্যৰ বিভিন্ন প্ৰান্ততো ৰাসৰ সময়ত ভাওনা প্ৰদৰ্শন হ'বলৈ ধৰিলে। মাজুলীত ভাওনা প্ৰদৰ্শন হোৱাৰ পূৰ্বেও ৰাজ্যৰ বিভিন্ন প্ৰান্তত ইয়াৰ প্ৰচলন হৈ আহিছে। বিশেষকৈ উজনি আৰু মধ্য অসমৰ জিলাসমূহত ভাওনা অনুষ্ঠিত কৰাটো পৰম্পৰা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ দৃষ্টিভংগীৰো সলনি হয়। এয়া অস্বাভাৱিক বিষয় নহয়। পিছে এনে মানসিকতাৰ পৰিৱৰ্তনে সংস্কৃতি আদিৰ ওপৰত প্ৰভাৱ পেলালে সংস্কৃতিয়ে হেৰুৱাই স্বকীয়তা। অংকীয়া ভাওনাৰো আছে এক স্বকীয় বৈশিষ্ট্য। পৃথিৱীৰ আন কোনো ঠাইতে এনে সংস্কৃতি দেখিবলৈ পোৱা নাযায়। পিছে এনে চহকী ভাওনাক আজি একাংশ লোকে বিকৃত ৰূপত উপস্থাপন কৰিবলৈ চেষ্টা চলাইছে। ৰাসৰ সময়ত বিভিন্ন ঠাইত আয়োজিত ৰাসত প্ৰদৰ্শন কৰা নৃত্যত বিজতৰীয়া সংস্কৃতি প্ৰতিফলিত হোৱাত এতিয়া এনেবোৰ নৃত্যক লৈ ৰাইজৰ মাজত ব্যাপক চৰ্চা হৈছে। ভাওনাক আধুনিক ৰূপ দিয়াৰ নামত বিকৃত মানসিকতাৰ পৰিচয় দাঙি ধৰা লোকসকলৰ ভাওনাৰ গুৰুত্ব সম্পৰ্কে সম্যক জ্ঞান নথকাৰ বাবেই এনে হ'বলৈ পাইছে। অংকীয়া ভাওনা যিহেতু অসমীয়া সংস্কৃতিৰ হীৰাসদৃশ মূল্যৱান সম্পদ, সেয়েহে ইয়াক বিকৃত ৰূপত উপস্থাপন কৰাটো কোনো কাৰণতেই সমৰ্থনযোগ্য নহয়। যিয়েই যিমান যুক্তি নিদিয়ক কিয়— আধুনিকতা মানে সংস্কৃতিক বিকৃত কৰাটো মূল লক্ষ্য হ'ব নোৱাৰে। দৰ্শকক আকৰ্ষণ কৰিবলৈ ৰঙীন পোহৰ, মঞ্চ আদিৰ সংযোজন হ'ল বুলিয়েই যে অংকীয়া ভাওনাত যৌনগন্ধী নৃত্য, অশ্লীল সংলাপ সংযোজন কৰিব লাগিব তেনে কোনো যুক্তি নাই। এইবাৰ দুই-এখন ভাওনাত এনেধৰণৰ দৃশ্য সংযোজন হোৱাৰ বিষয়ে সামাজিক মাধ্যকত প্ৰচাৰ হোৱাত ইয়াকে লৈ ব্যাপক চৰ্চা হৈছে। হোৱাটো স্বাভাৱিক। কাৰণ শংকৰদেৱৰ মহান সৃষ্টিক কোনোৱে অপমান কৰাটো সহ্য কৰিব নোৱাৰে। য'তেই নকৰক কিয়— ইয়াক শুদ্ধ আৰু স্বকীয় ৰূপত সকলোৱে উপস্থাপন কৰাটো প্ৰধান কৰ্তব্য। কেৱল সস্তীয়া জনপ্ৰিয়তাৰ নামত সংস্কৃতিক বিজতৰীয়া কৰাটো কোনো দৃষ্টিকোণৰ পৰাই

যুক্তিসংগত বুলি ক'ব নোৱাৰি। কাৰণ নৱপ্ৰজন্মৰ মাজত ভাওনা অথবা ৰাসৰ নৃত্যকে ধৰি আন পৰম্পৰাগতভাৱে চলি অহা নৃত্য আদিক বিকৃত ৰূপত দাঙি ধৰিলে পাছত ভাওনা সংস্কৃতিৰ মূল উদ্দেশ্য আৰু বৈশিষ্ট্যৰ বিলোপ ঘটিব।

বহুৱালিৰো সীমা থকা উচিত। ভাওনাত 'ফ্লায়িং কিচ্', যৌনগন্ধী নৃত্য প্ৰদৰ্শন, অশ্লীল সংলাপ আদি কোনে অন্তৰ্ভুক্ত কৰিবলৈ চেষ্টা কৰিছে সেয়াহে বিচাৰ্যৰ বিষয়। আজিকালি একাংশ লোকে ভাওনা কি সেয়া ভালদৰে আয়ত্ত নকৰাকৈ ভাওনাৰ বচন, নৃত্য আদিৰ সংযোজন কৰিবলৈ ধৰিছে। ব্ৰজাৱলী ভাষাত প্ৰদৰ্শিত ভাওনা সকলো শ্ৰেণীৰ লোকে বুজি পোৱাত অসুবিধা হোৱাৰ বাবে ইয়াক অসমীয়া ভাষা, মিচিং ভাষাৰ লগতে বিদেশী ভাষাতো অনুবাদ কৰি প্ৰদৰ্শন কৰিবলৈ ধৰিলে। এইবোৰ অনুবাদ হ'লেও 'মূল ভাওনা'ত আঘাত হোৱা নাছিল। মাথোঁ ভাষাৰহে ৰূপান্তৰ হৈছে। এইক্ষেত্ৰত গ্ৰহণযোগ্যতা আছে। পিছে সমান্তৰালভাৱে ভাওনাৰ কিছুমান ছিৰিয়াছ চৰিত্ৰও বহুৱাৰ ৰূপত উপস্থাপন কৰা হৈছে। এয়া ভাওনা সংস্কৃতিৰ বাবে ইতিবাচক চিন্তা বুলি ক'ব নোৱাৰি। এনে মানসিকতাৰ সলনি কৰিবই লাগিব। সস্তীয়া জনপ্ৰিয়তাৰ বাবে ভাওনাৰ সৃষ্টি হোৱা নাই। ইয়াৰ মূল বৈশিষ্ট্যত আঘাত কৰিবলৈ চেষ্টা কৰাটোও কম ধৃষ্টতা নহয়। ভাওনাৰ ক্ষেত্ৰততো নহয়— আন দিশতো কোনোৱে নেতিবাচক মনোভাব গ্ৰহণ কৰা উচিত নহয়। ভাওনাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ নামত যদি অপসংস্কৃতিয়ে গা কৰি উঠে তেনেহ'লে ইয়াৰ বাবে সকলোৱেই দায়ী হ'ব। কাৰণ এনে অপসংস্কৃতি ৰোধ কৰাটো সকলোৰে দায়িত্ব আৰু কৰ্তব্য। সকলোৱে সজাগ আৰু সতৰ্ক হ'ব লাগিব। নহ'লে অসমীয়া সংস্কৃতিৰ অৱক্ষয় প্ৰতিৰোধ কৰাটো পৰৱৰ্তী সময়ত সম্ভৱ নহ'ব। জোঁৰ পুৰি হাত পালেহি। সংস্কৃতিপ্ৰেমী ৰাইজ সকলো ক্ষেত্ৰতে হওক সজাগ আৰু সচেতন। অপসংস্কৃতিৰ ভাওনাৰ সংখ্যা বৃদ্ধি হোৱাতকৈ সীমিতসংখ্যক ভাওনাৰেই মূল বৈশিষ্ট্য ধৰি ৰাখক।

# পিতৃ-মাতৃৰ স'তে সময় কটাবলৈ চৰকাৰৰ এটি যোগাত্মক পদক্ষেপ

বঙাইগাঁৱত অনুষ্ঠিত কেবিনেট বৈঠকৰ সময়ত যিবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল সেইবোৰৰ ভিতৰত এটা সিদ্ধান্তই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছেৰ। ৰাজ্যিক কৰ্মচাৰীলৈ ছয় আৰু সাত জানুৱাৰীত চৰকাৰে অতিৰিক্ত বন্ধ প্ৰদান কৰাৰ সিদ্ধান্তটোক লৈ ব্যাপক চৰ্চা হৈছে। চৰকাৰী কৰ্মচাৰীসলে পিতৃ-মাতৃ আৰু শহুৰ-শাহুৰ স'তে সময় অতিবাহিত কৰিবলৈ এই দুদিন অতিৰিক্ত বন্ধ চৰকাৰে ঘোষণা কৰিছে। নিঃসন্দেহে এয়া এক আদৰণীয় পদক্ষেপ। পিতৃ-মাতৃৰ লগতে শহুৰ-শাহুৰ স'তে সময় কটাবলৈ যি অতিৰিক্ত বন্ধ ঘোষণা কৰিছে সেয়া এক সুন্দৰ সিদ্ধান্ত। বহুতো চৰকাৰী চাকৰিয়ালে কৰ্মব্যস্ততাৰ বাবে পিতৃ-মাতৃৰ স'তে কথোপকথন কৰাৰ বাহিৰে একেলগে সময় অতিবাহিত কৰিবলৈ সময় নাপায়। কিছুমানে আকৌ কামৰ বোজাৰ

বাবেও একেলগে বহিবলৈ সময় নাপায়। এইবোৰ গতানুগতিক বিষয়। পিছে সময় ৰৈ নাথাকে। পিতৃ-মাতৃ অথবা শহুৰ-শাহুৰৰ স'তে মাজে-সময়ে একেলগে বহি মনৰ কথাবোৰ বিনিময় নকৰিলে তেওঁলোকে এদিন মনত দুখ লৈয়ে এই সংসাৰৰ পৰা বিদায় ল'ব। তেতিয়া আপচোচ কৰি লাভ থাকিব জানো?

প্ৰতিগৰাকী পিতৃ-মাতৃয়ে বিচাৰে সন্তান ওচৰত থাকক। বিপদ-আপদৰ বন্ধুৰ দৰে হওক। একেলগে এখন ঘৰত থকাৰ আনন্দ লওক। ভাৰতীয় দৰ্শন তথা পৰম্পৰাতো সন্তানে পিতৃ-মাতৃক সেৱা-শুশ্ৰূষা কৰি অহাৰ ছবি এখন দেখিবলৈ পোৱা যায়। পৱন কুমাৰে অন্ধ পিত-মাতৃক তীৰ্থস্থানলৈ কান্ধত ভাৰ বান্ধি নিছিল। জন্মদাতা পিতৃ-মাতৃতকৈ এই পৃথিৱীত আন কোনো শ্ৰেষ্ঠ নাই। পিতৃ-মাতৃৰ সমানেই শাহু-শহুৰো সন্মানীয়। কাৰণ সৰুৰে পৰাই অতি কষ্টৰে ডাঙৰ-দীঘল কৰে যদিও উপযুক্ত বয়সত এজন অচিন ল'ৰাৰ হাতত নিজ কন্যাৰ ভৱিষ্যৎ অৰ্পণ কৰে। যিহেতু কন্যাৰ বাবে পিতৃ-মাতৃয়ে ইমান মহান ত্যাগ স্বীকাৰ কৰিব পাৰে, তেনেহ'লে জোঁৱাইজনেও তেনে পিতৃ-মাতৃৰ ওচৰত কিয় থিয় দিব নোৱাৰে। ভাৰতীয় পৰম্পৰাক মোহাৰি আজি যুৱচামে যেন এনে আদৰ্শৰে আগবাঢ়ি যাব নোখোজে। লাহে লাহে যেন সমাজখনেও এইক্ষেত্ৰত নতুন প্ৰজন্মৰ মতকে সমৰ্থন কৰিব ধৰিছে। আজি পিতৃ-মাতৃৰ লগতে জ্যেষ্ঠজনক সন্মান প্ৰদৰ্শন কৰিবলৈ শিকাবলগীয়া পৰিলক্ষিত এটিৰ সৃষ্টি হৈছে। সন্মান প্ৰদৰ্শন কৰা বিষয়টো কেতিয়াও বাচিক হ'ব নোৱাৰে। অন্তৰত যদি কাৰোবাৰ শ্ৰদ্ধাৰ ভাব নাথাকে তেতিয়া পিতৃ-মাতৃৰ মতেও সময় অতিবাহিত নকৰে। আজি এক পৰ্যায় পাইছেগৈ যে পিতৃ-মাতৃৰ স'তে থাকিবলৈ দিবলৈ চৰকাৰে বিশেষ দিনৰ ব্যৱস্থা কৰিবলগীয়া হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইক্ষেত্ৰত আগভাগলৈ পিতৃ-মাতৃৰ লগতে শাহু-শহুৰৰ স'তে এদিন সময় অতিবাহিত কৰিবলৈ বিশেষ বন্ধৰ ব্যৱস্থা কৰাটো নিঃসন্দেহে এক প্ৰশংসনীয় পদক্ষেপ। এনে পদক্ষেপে পিছে পৰোক্ষভাৱে সমাজ-ব্যৱস্থা কেনে ৰূপ হৈছে সেয়া প্ৰতিফলিত কৰিছে। ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে বা কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰি চাকৰিয়ালসকলক পিতৃ-মাতৃৰ স'তে এদিন হ'লেও থাকিবলৈ বাধ্য কৰাবলগীয়া হৈছে— যিহেতু

এইবোৰ অন্তৰত ঠাই পোৱা বিষয়। সেয়ে এইক্ষেত্ৰত চৰকাৰে বিশেষ ব্যৱস্থা কৰাটোৱে একপ্ৰকাৰ চাকৰিয়ালসকলক এটা শিক্ষা দিছে। নীতিশিক্ষাৰ পৰাই যেতিয়া চৰকাৰে শিকাবলগীয়া হৈছে তেতিয়াই বুজিব পাৰিব পিতৃ-মাতৃৰ প্ৰতি কাৰ কিমান শ্ৰদ্ধা-ভক্তি ইত্যাদি। পিতৃ-মাতৃৰ স'তে সময় অতিবাহিত কৰা, কথোপকথন হোৱাৰ বাবে সময়ৰ প্ৰয়োজন জানো? যিকোনো দিনত, যিকোনো সময়তে সম্ভৱ। ইয়াৰ বাবে প্ৰয়োজন মানসিকতাৰ। চাকৰিয়ালসকলে সাপ্তাহিক বন্ধৰ উৰি উৎসৱ-পাৰ্বণ আদিত বন্ধ নাপাই জানো? তেতিয়াও যদি এনে কৰে তেনেহ'লে আজি চৰকাৰে এনে সিদ্ধান্ত ল'বলগীয়া নহ'লহেঁতেন। ৰাজ্যত যাতে দিনক দিনে বৃদ্ধাশ্ৰম, বৃদ্ধালয় আদিৰ সংখ্যা বৃদ্ধি নাপায় তাৰ বাবেই হয়তো চৰকাৰে এনে আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিছে। আজিকালি ৰাজ্যত বৃদ্ধাশ্ৰমৰ সংখ্যা বৃদ্ধি পাইছে উদ্বেগজনকভাৱে। সমান্তৰালভাৱে বৃদ্ধি পাইছে সন্তানৰ অত্যাচাৰত ঘৰত থাকিব নোৱাৰি পদপথ অথবা ৰাস্তাত পৰি থকা লোকৰ সংখ্যা। আনকি সন্তানে সম্পত্তি আদিৰ লালসাত পৰি অসহায় পিতৃ-মাতৃক নিশা অকলশৰে ৰাজপথত এৰি যোৱাৰ ঘটনাও সংঘটিত হৈছে। ক্ৰমাৎ যেন পিতৃ-মাতৃৰ সন্তানৰ ব্যৱধান বৃদ্ধি পাবলৈ ধৰিছে। এনেধৰণৰ ব্যৱধান হ্ৰাস কৰাৰ লগতে বৃদ্ধাশ্ৰম আদিৰ সংখ্যা যাতে বৃদ্ধি নহয় তাৰ বাবে হয়তো চৰকাৰে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। যেতিয়া নিয়ম বা চৰকাৰীভাৱে নিৰ্দেশ জাৰি কৰা হয় তেতিয়া সকলোৱে ইয়াক মানিবলৈ বাধ্য। সকলো কৰ্মচাৰীয়ে কেৱল অতিৰিক্ত বন্ধৰ দিনতেই নহয়, সদায় পিতৃ-মাতৃৰ স'তে অলপ সময় হ'লেও কটাবলৈ চেষ্টা কৰা উচিত।

# আজিৰ মানৱতা বন্দী ম'বাইলৰ ৰেকৰ্ডিঙত

যোৱা ২৯ নৱেম্বৰত যোৰহাট নগৰত এদল উন্মাদ লোকে মৰিয়াই মৰিয়াই হত্যা কৰিলে অনিমেষ ভূঞা নামৰ এজন নিৰীহ সুঠাম ছাত্ৰনেতাক। এটা সামান্য দুৰ্ঘটনাক কেন্দ্ৰ কৰি সংঘটিত হ'ল মানৱ জাতিক লজ্জানত কৰা এটি ঘটনা। তিনিজন যুৱকক অৰ্ধশতাধিক উন্মাদ লোকে মৰিয়াই মৰিয়াই থকা দৃশ্য দেখিও কোনো লোক আগবাঢ়ি নাহিল বাধা দিবলৈ। দুই-এজন আৰক্ষীয়ে চেষ্টা কৰিলে যদিও প্ৰতিহত কৰিবলৈ সক্ষম নহ'ল। যুৱক তিনিজনে পৰিচয় দিয়াৰ পাছতো উন্মাদ লোকে নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ ঘটনা ম'বাইলত ৰেকৰ্ডিং কৰা লোক ওলাল যদিও আশ্চৰ্যজনকভাৱে সহায়ৰ হাত আগবঢ়াবলৈ নাহিল। এখন সভ্য সমাজৰ বাবে ইয়াতকৈ আৰু কি নিৰ্লজ্জ ঘটনা হ'ব পাৰে। এতিয়া কাৰোবাৰ মৃত্যুতকৈ ডাঙৰ হৈছে কোনো লোকে ম'বাইলত ৰেকৰ্ডিং কৰি সেয়া সামাজিক মাধ্যমত প্ৰচাৰ কৰাটো। 'মৰেল পুলিচ'ৰ ঘটনা ৰাজ্যখনত এয়াই প্ৰথম নহয়। কিছুবছৰ পূৰ্বে কাৰ্বি আংলঙত অনি-নীল হত্যাকাণ্ডই ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। কি কাৰণে কোনে হত্যাকাণ্ড সংঘটিত কৰিছিল সেয়াও ৰাজহুৱা নহ'ল। ইপিনে, ২০১৯ চনত যোৰহাটতে হত্যা কৰা হৈছিল ডাঃ দেবেন দত্ত নামৰ মানৱ দৰদী চিকিৎসকজনক। মৰিয়নিত হত্যা কৰা হৈছে দেৱাশিষ গগৈ নামৰ এজনক। এনেবোৰ ঘটনা দেখিলে মনত এটি প্ৰশ্ন জাগি উঠে— সভ্যতাৰ চৰম শিখৰত উপনীত হোৱা মানৱ সমাজত এনেধৰণৰ

নৃশংস হত্যাকাণ্ড সংঘটিত হ'বলৈ পালে কেনেকৈ? এয়া পৈশাচিক আচৰণ নে এনে ঘটনাৰ আঁৰত থাকি যায় তৃতীয় শক্তিৰ হাত থাকিব পাৰে।

যোৰহাটৰ ঘটনাটো প্ৰত্যক্ষ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে এতিয়া মানুহৰ জীৱনতকৈও বেছি মূল্যৱান বুলি গণ্য কৰে ম'বাইলত কৰা ৰেকৰ্ডিং। এজন নিৰীহ যুৱকক পাষণ্ডৰ দল এটাই নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ পাছতো একাংশ লোকে ম'বাইলত ঘটনাটো ৰেকৰ্ডিং কৰাতে ব্যস্ত থাকিল। তাত কিমানজন লোকে ভিডিঅ' ৰেকৰ্ডিং কৰিছিল সেই জ্ঞান নহয় যদিও এটা কথা ঠিক যে যিসকলে ৰেকৰ্ডিঙত ব্যস্ত আছিল তেওঁলোকৰ ভিতৰত এজনেও যদি আৰক্ষীক ফোন কৰি জনালেহেঁতেন, তেনেহ'লে হয় অনিমেষৰ জীৱন ৰক্ষা কৰাটো সম্ভৱ হ'লহেঁতেন। ঘটনাটো প্ৰত্যক্ষ কৰি মনত এনে এটি ভাব হৈছে যে আজিৰ মানৱতা ভূলুণ্ঠিত হৈছে। মানৱতা বন্দী হৈছে ম'বাইলৰ ৰেকৰ্ডিঙত। সকলোৱে সেই নিৰ্মম প্ৰহাৰৰ ঘটনা চিনেমাৰ দৰে উপভোগ কৰিছে। সেইসকলৰ ভিতৰত দহজনমানেও যদি উদণ্ড দলটোক বুজনি দিলেহেঁতেন নিশ্চয় অনিমেষৰ জীৱন ৰক্ষা পৰিলহেঁতেন। এই ঘটনাই প্ৰমাণ কৰিলে যে এতিয়া মানৱতাও পণ্য হৈছে। এতিয়া মানুহেই মানুহৰ প্ৰধান শত্ৰু হৈ পৰিছে। কোনোধৰণৰ বিচাৰ নকৰাকৈ এজন নিৰীহ যুৱকৰ ওপৰত হিংস্ৰ জন্তুৰ দৰে জঁপিয়াই পৰাৰ পাছতো কোনো এজন লোকেই বাধা দিবলৈ আগবাঢ়ি নাহিল কিয় সেয়াহে এক চিন্তনীয় বিষয়।

মানুহে মানুহৰ জীৱন লোৱাৰ অধিকাৰ নাই। কাৰণ কোনোৱে কাকো জীৱন দান কৰিব নোৱাৰে। যদি কোনোবাই দোষ কৰিছে তেনেহ'লে তেওঁক শাস্তি দিবলৈ আইন-আদালত আছে। আইন কোনোৱে হাতত তুলি লোৱাৰ অধিকাৰ নাই। ঘটনাৰ প্ৰকৃত কাৰণ নজনাকৈ দোষ-গুণ বিচাৰ নকৰাকৈ প্ৰহাৰ কৰা, হত্যাকাণ্ড সংঘটিত কৰাটো কিমান যুক্তিসংগত। এতিয়া যদি ৰাস্তাত কোনো লোক বিপদত পৰে তেতিয়া সহায়ৰ হাত আগবঢ়াবলৈ যোৱাটোও বিপজ্জনক হৈ পৰিব। কাৰণ যোৰহাটৰ ঘটনাই সেই কথাকে প্ৰতিপন্ন কৰিছে। সাধাৰণতে বহুতো অসহায় লোকক সহায়ৰ হাত আগবঢ়াবলৈ যোৱা লোকসকলে কেতিয়াও ভাবি নাচায় যে তেওঁ বিপদত পৰিব। কাৰোবা সহায় কৰিবলৈ গৈ প্ৰাণ হেৰুৱাব লাগিব। যদিহে এনেধৰণৰ ঘটনা সঘনাই সংঘটিত হৈ থাকে তেনেহ'লে কোনোৱে সহায়ৰ বাবে আগবাঢ়ি নাযাব।

বিগত পাঁচ বছৰৰ পৰা অসমৰ বিভিন্ন প্ৰান্তত মৰেল পুলিচৰ ঘটনা দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰিছে। অভি-নীলৰ হত্যাকাণ্ডই সমগ্ৰ ৰাজ্যকে জোকাৰি গৈছিল। ইয়াৰ পাছত যোৰহাটৰ চিকিৎসক দেবেন দত্তক এদল উন্মাদ লোকে মৰিয়াই মৰিয়াই হত্যা কৰা ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ নাযাওঁতেই সংঘটিত হ'ল আন এক হত্যাকাণ্ড। এনেধৰণৰ হত্যাকাণ্ড সংঘটিত হোৱাৰ লগে লগে হত্যাকাৰীক ফাঁচী দিয়াত সৰৱ হৈ পৰে দল-সংগঠন, ব্যক্তি আদি। পিছে সময় বাগৰাৰ লগে লগে হত্যাকাণ্ডৰ তদন্তৰ গতি গেঠেলা মাৰে। এনে পৰিয়ালৰ লোকে ন্যায় বিচাৰি মাথোঁ অপেক্ষাহে কৰিব লাগে। অভি-নীলৰ পৰিয়ালটোৱে আজিও ন্যায়ৰ অপেক্ষাতে আশা কৰি থাকিবলগীয়া হৈছে। 'মৰেল পুলিচ'ৰ বিৰুদ্ধে ৰাইজ সজাগ হ'ব হ'ল। কাৰণ এতিয়াই যদি সজাগতাৰ সৃষ্টি কৰা নহয় তেতিয়াহ'লে এদিন প্ৰতিটো পৰিয়ালে এনে পৰিস্থিতিৰ বলি হ'ব। মানুহৰ মনৰ পৰা 'দানৱীয়' ৰূপটোক আঁতৰ কৰিবই লাগিব। দোষীক কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদান কৰিলেহে সমাজত এনে অপৰাধীৰ সংখ্যা হ্ৰাস পাব।

সমাজত নৰপিশাচৰ সংখ্যা বৃদ্ধি হ'লে অশান্তিও বাঢ়িব। তেতিয়া মানৱতাৰ বাবে হাহাকাৰ কৰিবলগীয়া অৱস্থাৰ সৃষ্টি হ'ব। মানৱতা ধন-সোণেৰে কিনিব নোৱাৰি। ইয়াক অন্তৰত জাগ্ৰত কৰিব লাগিব। সমাজৰ প্ৰতিগৰাকী ব্যক্তিৰে দায়িত্ব আছে শান্তি-শৃংখলা বৰ্তাই ৰখাত। সকলোৱে নিজৰ গাত চিকুটি চাব লাগিব। আনৰ পৰিয়ালৰ কোনো সদস্যক হেৰুৱালে যদি উপলব্ধিও নকৰে তেনেহ'লে নিজৰ দিনা হ'লে আনে জানো বুজি পাব? প্ৰতিগৰাকী পিতৃ-মাতৃয়ে নিজৰ সন্তানক ভাল নাগৰিক হ'বলৈ শিক্ষা দিয়ক। শিক্ষাগুৰুসকলেও ছাত্ৰ-ছাত্ৰীক নম্বৰ লাভৰ শিক্ষা দিয়াৰ পৰিৱৰ্তে চৰিত্ৰ গঠনৰ ওপৰতো সমানেই গুৰুত্ব দিয়া উচিত। মদপী পিতৃক বচাবলৈ নিৰীহক হত্যা কৰা শিয়াল-কুকুৰৰ দৰে সন্তানক জন্ম নিদিয়াই ভাল। যি পিতৃয়ে সন্তানক গুণ্ডাগিৰি কৰিবলৈ ৰাজপথলৈ মাতি আনে তেনে পিতৃক সামাজিকভাৱে বৰ্জন কৰক। ৰাইজ, এনে ব্যক্তিক চিনাক্ত কৰি আৰক্ষী-প্ৰশাসনক অৱগত কৰক— যাতে আৰক্ষীয়ে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব পাৰে। ড্ৰাগছৰ ব্যৱসায় কৰিবলৈ উদগনি দিয়া পিতৃক সমাজৰ প্ৰয়োজন নাই। এনে লোকৰ বাবে কঠোৰ শাস্তিয়ে হ'ব একমাত্ৰ পুৰস্কাৰ।

# ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ সৃষ্টিৰাজিৰ সঠিক পৰ্যালোচনাৰ প্ৰয়োজন

অসমীয়া সাহিত্য জগতলৈ ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ অৰদান কম নহয়। পদাৰ্থবিজ্ঞানৰ অধ্যাপক হোৱা সত্ত্বেও অসমীয়া সাহিত্য-সংস্কৃতিৰ স'তে একাত্ম হ'ব পাৰিছিল এইগৰাকী সাহিত্যিক, চলচ্চিত্ৰ পৰিচালক তথা নাট্যকাৰে। এইগৰাকী সাহিত্যিক, নাট্যকাৰ, বোলছবি পৰিচালকে জীৱনৰ অন্তিম মুহূৰ্তলৈকে যিখিনি সৃষ্টি-কৰ্মত নিয়োজিত হৈ থাকিল সেয়া সকলোৰে বাবে অনুকৰণীয়। পিছে মৃত্যুৰ ১৯ বছৰৰ পাছত লাহে লাহে যেন অসমবাসীয়ে তেওঁক পাহৰিবলৈ ধৰিছে। বিগত বৰ্ষসমূহত ৰাজ্যৰ বিভিন্ন ঠাইত ড° শইকীয়াক লৈ যিধৰণৰ অনুষ্ঠানৰ আয়োজন কৰিব লাগিছিল তেনে অনুষ্ঠান চকুত পৰা নাই। ইয়াৰ কাৰণ কি হ'ব পাৰে সেয়াও চিন্তনীয় বিষয়। যিগৰাকী ব্যক্তিয়ে অসমৰ সাহিত্য-সংস্কৃতিৰ বাবে অজিৰ প্ৰজন্মই পাহৰিব ধৰিছে। এয়া শুভ সংকেত বুলি ক'ব নোৱাৰি। তেওঁৰ জন্মদিন আৰু মৃত্যুতিথি যে মাত্ৰ এটা বা দুটা অনুষ্ঠানেই সদায় পালন কৰিব লাগিব তেনে কোনো কথা নাই। আন অনুষ্ঠানসমূহেও এইক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা উচিত।

ড° ভবেন্দ্রনাথ শইকীয়াৰ সৃষ্টিৰাজিৰ মাজত ব্যতিক্ৰমী বৈশিষ্ট্য কিছুমান দেখা পোৱা যায়। নতুন প্ৰজন্মৰ বাবে এইবোৰ বৈশিষ্ট্যৰ খুবেই প্ৰয়োজন। পিছে নতুন প্ৰজন্মৰ মাজত তেওঁৰ সৃষ্টিৰাজি ভালদৰে উপস্থাপন কৰিব পৰা নাই। সেইবাবে হয়তো নতুন প্ৰজন্মই তেওঁক ভালদৰে চিনি নাপায়। সাহিত্যৰ উপৰি ভ্ৰাম্যমাণ থিয়েটাৰৰ বাবে যিকেইখন নাটক ৰচনা কৰিছিল তেওঁৰ মৃত্যুৰ পাছত সেইবোৰ প্ৰদৰ্শন কাচিৎহে হোৱাৰ বাবে নতুন প্ৰজন্মই হয়তো তেওঁৰ নাটকৰ বিষয়ে জ্ঞাত নহয়। এতিয়া আৰু ভ্ৰাম্যমাণৰ দৰ্শকৰো ৰুচি সলনি হ'ল। নাচ, গান, একচন, হৈ-চৈৰ মাজেৰেহে নাটক মঞ্চত প্ৰদৰ্শন হোৱাটো বিচাৰে। সেইবাবে হয়তো ভ্ৰাম্যমাণ গোষ্ঠীয়েও এনেধৰণৰ নাটক ৰূপায়ণ কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰে। তদুপৰি তেওঁৰ সৃষ্টিৰাজিক যিদৰে গৱেষণাৰ কেন্দ্ৰ এটাত স্থাপন কৰিব লাগিছিল সেয়া আজিও হৈ উঠা নাই। তেওঁৰ প্ৰতিটো ৰচনা আৰু সৃষ্টিয়েই হ'ল গৱেষণাৰ বিষয়বস্তু। ড° শইকীয়াৰ ৰচনাত যিহেতু সমাজৰ সৰু সৰু বিষয়সমূহে স্থান লাভ কৰিছিল, সেয়েহে ইয়াত অসমীয়া সমাজখনৰ এখন প্ৰকৃত প্ৰতিচ্ছবি ফুটি উঠিছিল। তদুপৰি ৰচনাসমূহ খুটি-নাটি মাৰিহে পাঠকৰ বাবে মুকলি কৰি দিছিল। তেওঁ সাধাৰণ মানুহৰ কথা ভালদৰে উপলব্ধি কৰিব পাৰিছিল। সেইবাবে তেওঁৰ লেখা যদি কোনোবাই এবাৰ পঢ়ে তেনেহ'লে সেয়া সদায় সজীৱ হৈ থাকে।

ড° শইকীয়াক আমি সোনকালে পাহৰিব খুজিছো কিয়? হয়তো এনে প্ৰশ্নৰ উত্তৰ কোনোৱে দিব নোৱাৰিব। আমি বাৰু বেছি স্বাৰ্থপৰ নেকি? যিগৰাকী ব্যক্তিয়ে সমাজৰ দৃষ্টিত যিবোৰ বিষয় গৰ্হিত সেইবোৰৰ স'তে আপোচ কৰা নাছিল তেনে ব্যক্তি এগৰাকীক আমি ইমান সোনকালে পাহৰিলো কিয়? সময় থাকোঁতে সকলোৱে আগবাঢ়ি অহা উচিত। কাৰণ যদি এতিয়াই এইক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰিলে ভৱিষ্যতে কঠিন হৈ পৰিব। ব্যৱস্থা গ্ৰহণৰ দায়িত্ব সকলোৱে ল'ব লাগিব। সকলোৱে যদি পলায়নবাদী মানসিকতা গ্ৰহণ কৰে তেনেহ'লে তেওঁৰ প্ৰতি থকা আন্তৰিকতাৰ প্ৰতিফলন ঘটিব জানো?

বাংলা সাহিত্যলৈ যিসকল সাহিত্যিকে অৱদান আগবঢ়াই গৈছে তেওঁলোকক বাঙালী লোকসকলে দেশৰ য'তেই নাথাকক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰে। অথচ আমি আমাৰ ৰাজ্যৰ প্ৰায়সংখ্যক প্ৰয়াত সাহিত্যিককে আজিলৈকে

ভালদৰে স্মৰণ কৰিব পৰা নাই। মৃত্যুৰ লগে লগে সকলো শেষ হোৱা বুলি ভবা লোকৰ সংখ্যা বেছি বাবে হয়তো এনে এখন ছবি দেখিবলৈ পোৱা যায়। আজিৰ প্ৰজন্মক এনে সাহিত্যিকৰ বিষয়ে অৱগত কৰিবলৈ নিশ্চয় বিশেষ পদক্ষেপ গ্ৰহণৰ প্ৰয়োজন আছে। তেনেদৰে নৱপ্ৰজন্মৰ মাজত ড° ভবেন্দ্ৰনাথ শইকীয়াৰ সৃষ্টিৰাজিক উপযুক্তভাৱে উপস্থাপন কৰিব পাৰি সেই বিষয়ে ভালদৰে চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজন আছে। ড° শইকীয়াই প্ৰতিটো লেখাৰ মাজেৰে সমাজলৈ একো একোটা বাৰ্তা প্ৰেৰণ কৰিছিল। এই বাৰ্তাসমূহ যদি আজিৰ প্ৰজন্মৰ মাজত উপযুক্তভাৱে উপস্থাপন কৰিব পৰা যায় তেনেহ'লে স্খলন ঘটিবলৈ ধৰা সমাজখন কিছুপৰিমাণে হ'লেও সুৰক্ষিত হ'ব। মাথোঁ তেওঁৰ বাৰ্তাসমূহৰ বিশ্লেষণ যাতে কোনো অপভ্ৰংশ নকৰি সঠিকভাৱে সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ মাজত প্ৰচাৰ-প্ৰসাৰ কৰে তাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা উচিত।

২০ ফেব্ৰুৱাৰীত তেওঁৰ জন্মদিন। এই দিনটোত ভবেন্দ্ৰনাথ শইকীয়া শিশু কল্যাণ ন্যাসৰ 'আৰোহণ'ৰ উদ্যোগত শুভাকাংক্ষীসকলে তেওঁৰ জন্মদিন আৰু মৃত্যুদিনটো বিভিন্ন কাৰ্যসূচীৰে দিনজোৰাকৈ পালন কৰি আহিছে। এনেদৰে অসমৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, বিশেষকৈ সাহিত্য-সংস্কৃতিৰ স'তে জড়িত অনুষ্ঠান, সংস্থাসমূহেও এই দিনটোতে তেওঁৰ প্ৰতিচ্ছবিৰ সন্মুখত এগছি বন্তি আৰু ধূনা-ধূনা জ্বলাই তেওঁক স্মৰণ কৰাৰ লগতে তেওঁৰ সৃষ্টিৰাজিৰ অৱলোকনেৰে নৱপ্ৰজন্মক উৎসাহিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগে।

# ভাৰতীয় সংগীতৰ ক্ষেত্ৰখন শুদা কৰি গুচি গ'ল লতা-বাপ্পী-সন্ধ্যাই

মাত্ৰ এসপ্তাহৰ ব্যৱধানত দেশে হেৰুৱালে তিনিগৰাকী সংগীতৰ সাধক, সংস্কৃতিৰ পূজাৰী, গায়ক-গায়িকা তথা শিল্পীক। ভাৰতীয় সংগীতৰ ইতিহাসৰ সোণোৱালী পৃষ্ঠা মেলি চালে দেখা যায় যে বহু দশকৰ পাছত এই তিনিগৰাকী শিল্পী, গায়ক-গায়িকাৰ জন্ম হৈছিল। প্ৰথমগৰাকী হ'ল সৰস্বতীৰ বৰপুত্ৰী কোকিলকণ্ঠী গায়িকা লতা মংগেশকাৰ। দ্বিতীয়গৰাকী হ'ল 'বাপ্পীদা' ৰূপে বলিউডত খ্যাত বাপ্পী লাহিড়ী। তৃতীয়গৰাকী বংগৰ অন্যতম জনপ্ৰিয় গায়িকা সন্ধ্যা মুখাৰ্জী। এই তিনিওগৰাকী গায়ক-গায়িকাই তিনিটা ভিন্ন ধাৰাৰ সুৰেৰে শ্ৰোতাৰ মন মুহিবলৈ সক্ষম হৈছিল। তিনিওগৰাকীয়ে তিনিটা ভিন্ন সুৰৰ ধাৰাৰে কেৱল দৰ্শকৰেই মন আকৰ্ষণ কৰা নাছিল, সমান্তৰালভাৱে সংগীতৰ প্ৰতি প্ৰতিগৰাকী ভাৰতীয় লোককে আকৃষ্ট কৰিছিল। এসময়ত সংগীতৰ প্ৰতি মানুহৰ অনীহা জন্মিছিল। কাৰণ একে সুৰৰ ধাৰাত শ্ৰোতাই বেছি সময় ডুব যাব বিচৰা নাছিল। পিছে সমসাময়িকভাৱে

এইসকল গায়ক-গায়িকাৰ জন্ম হোৱাত পুনৰ প্ৰাণ পাই উঠিল ভাৰতীয় সংগীত। ভাৰতীয় সংগীতৰ সুৰৰ মূৰ্ছনাই বিশ্বৰ বিভিন্ন প্ৰান্তত পুনৰ প্ৰাণ পাই উঠাৰ ক্ষেত্ৰত এই তিনিগৰাকী গায়ক-গায়িকাই যি লহৰৰ সৃষ্টি কৰিছিল সেয়া ভাৰতীয় সংগীতৰ ইতিহাসত স্বৰ্ণীল শব্দৰে জিলিকি থাকিব। একেলগে তিনিওগৰাকীয়ে ভাৰতীয় সংগীতৰ ক্ষেত্ৰখন শুদা কৰি গুচি গ'ল অজান দেশলৈ।

লতা মংগেশকাৰে ভাৰতীয় সংগীত জগতলৈ যি অৱদান আগবঢ়াই গ'ল সেয়া একক আৰু অনন্য। ভাৰতৰ প্ৰতিটো ভাষাতে গীত গোৱা মাৰাঠী গায়িকাগৰাকীয়ে প্ৰতিপন্ন কৰি গ'ল সংগীতৰ জৰিয়তে বিশ্ব জয় কৰিব পাৰি। সংগীতে মানুহক আনন্দ দিব পাৰে। আশাৰ সঞ্চাৰ কৰিব পাৰে। তেওঁৰ কেৱল কণ্ঠই নহয়, সুৰৰ ক্ষেত্ৰতো আছে এক বুজাব নোৱাৰা শক্তি। ঈশ্বৰপ্ৰদত্ত কণ্ঠৰ জৰিয়তে লতা মংগেশকাৰে কেৱল সংগীত সাধনা কৰা নাছিল, তেওঁ আছিল সংগীতৰ এগৰাকী একান্ত বাধ্য ছাত্ৰী। হয়তো সেইবাবেই জীৱনৰ বিয়লি বেলালৈকে তেওঁ প্ৰতিটো গীতেই নতুন উৎস হিচাপে গ্ৰহণ কৰিছিল। আজিকালিৰ গায়িকাসকলৰ দৰে তেওঁ সস্তীয়া প্ৰচাৰ বিচৰা নাছিল। পোছাক পৰিধানৰ পৰা আৰম্ভ কৰি সংগীত পৰিৱেশনৰ সময়ত শব্দ প্ৰয়োগ কৰালৈকে সকলোতে আছিল সদা সতৰ্ক। তেওঁ শ্ৰোতা-দৰ্শকৰ স'তে একাত্ম হ'বলৈ বিচাৰিছিল। কাৰণ তেওঁ ভালদৰে উপলব্ধি কৰিছিল যে শ্ৰোতা অবিহনে গায়ক-গায়িকাৰ কণ্ঠ মূল্যহীন। শ্ৰোতাই গায়িকাগৰাকীৰ গীত শুনাৰ পাছত কৰা প্ৰতিটো প্ৰতিক্ৰিয়াকে তেওঁ শ্ৰদ্ধা-সন্মান জনাইছিল। সেইবাবে কোকিলকণ্ঠী গায়িকাগৰাকীয়ে মৃত্যুৰ পাছতো জীয়াই থকাতকৈ লাভ কৰা সন্মানতকৈ বেছি সন্মান লাভ কৰিছিল।

'বাপ্পীদা' ৰূপে শ্ৰোতাৰ জনপ্ৰিয় বাপ্পী লাহিড়ীৰ মৃত্যুৱেও ভাৰতীয় সংগীতজগতখনৰ বহুতো ক্ষতি সাধন কৰিলে। ভাৰতীয় সংগীতত নতুন সুৰৰ লহৰ তোলা গায়ক-সুৰকাৰগৰাকী আছিল বাপ্পী লাহিড়ী। বাপ্পীদাৰ কণ্ঠ আৰু সুৰত আছিল ব্যতিক্ৰমী সোৱাদ। তেওঁৰ সুৰৰ বাবেই নৱ প্ৰজন্মৰ মাজত অধিক জনপ্ৰিয় হৈছিল। পশ্চিমীয়া সংগীতৰ সুৰ আৰু ভাৰতীয় সংগীতৰ সুৰৰ সংযোজন ঘটাই যি নতুন সুৰৰ লহৰ তুলিছিল তাৰ বাবেই বাপ্পীদাই অতি কম সময়ৰ ভিতৰতে শ্ৰোতাৰ মন জয় কৰিবলৈ সক্ষম হৈছিল। তদুপৰি তেওঁৰ আছিল এক নিজা

ষ্টাইল। ডিঙিত জিলিকি থকা সোণৰ হাৰ আৰু চুলিৰ ষ্টাইলৰ বাবেও তেওঁ কেৱল ভাৰতীয় দৰ্শক-শ্ৰোতাৰেই নহয়, সমান্তৰালভাৱে বিশ্বৰ আন দেশতো জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। কমসংখ্যক গীত গাই জনপ্ৰিয়তা অৰ্জন কৰাৰ পাছত বাপ্পী লাহিড়ীয়ে সাফল্যৰ বাবে কোনোদিনেই পিছলৈ উভতি চাবলগীয়া হোৱা নাছিল। মাজতে তেওঁ ৰাজনীতিতো প্ৰৱেশ কৰিছিল। অৱশ্যে তেওঁ ৰাজনীতিৰ ক্ষেত্ৰত যে তিষ্ঠি থাকিব নোৱাৰে সেই কথা উপলব্ধি কৰিয়েই লাহে লাহে এই ক্ষেত্ৰখনৰ পৰা আঁতৰি থাকিবলৈ লয়। সি যি নহওক, এনে এগৰাকী গায়কৰ মৃত্যুত শ্ৰোতাই হেৰুৱালে এক ব্যতিক্ৰমী কণ্ঠৰ সংগীতজ্ঞক।

গীতশ্ৰী ৰূপে ভাৰতীয় সংগীতত বিশেষকৈ পশ্চিমবংগত অধিক জনপ্ৰিয় সন্ধ্যা মুখাৰ্জীয়ে 'বংগ বিভূষণ' সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। সন্ধ্যা মুখাৰ্জীয়ে ১৯৭১ চনত 'জয় জয়ন্তী' আৰু 'নিশিপদ্ম' চলচ্চিত্ৰত গোৱা গীতৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ২০২২ বৰ্ষৰ জানুৱাৰী মাহত পদ্মশ্ৰী সন্মানৰ বাবে তেওঁৰ নাম ঘোষণা কৰা হৈছিল যদিও তেওঁ এই সন্মান প্ৰত্যাখ্যান কৰে। তেওঁ গায়িকা, সংগীতজ্ঞ হিচাপে শ্ৰোতাৰ মাজত এক সুকীয়া সুৰৰ মূৰ্ছনা ৰচিবলৈ সক্ষম হৈছিল। আজি তেওঁৰ ৰিক্ত স্থান কোনে পূৰাব?

# বিশিষ্ট লেখকৰ বিভিন্ন সময়ত আগবঢ়োৱা মন্তব্য

...

১.

সেই পাঠশালাত থকা দিনৰ পৰা গোপাল জালানক মই পাইছোঁ। নতুন চিন্তা, নতুন আংগিকেৰে মই সম্পাদনা কৰা 'আমাৰ অসম'ৰ জালান বজালীৰ সংবাদদাতা আছিল। নিষ্ঠাৱান সংবাদকৰ্মী আছিল। বেছিদিন সাংবাদিকতা নকৰিলে। পিতৃৰ পদাংক অনুসৰণ কৰি ব্যৱসায়ত হাত দিলে। নিজা ব্যৱসায়। 'জেবিজ' নামেৰে মানসম্পন্ন মিঠাইৰ প্ৰতিষ্ঠান আৰম্ভ কৰিলে। গ্ৰাহকৰ মন জিনিব পাৰিছে গোপালে। সেই সাংবাদিকতা কৰা কলমটো ব্যৱসায়ৰ খাতাতে আবদ্ধ কৰি নাৰাখি সাহিত্য-চৰ্চাত মনোনিৱেশ কৰিলে। গোপালৰ বহু লেখা মোৰ সম্পাদিত আটাইকেইখন কাকততে প্ৰকাশ হৈছে।

গোপালে পিতৃ-মাতৃৰ নাম চিৰযুগমীয়া কৰি ৰাখিবলৈ প্ৰয়াস কৰিছে। অসম সাহিত্য সভাই তেওঁৰ পিতৃ বাসুদেৱ জালানৰ সোঁৱৰণত বঁটা প্ৰদান কৰি আহিছে। তেনেদৰে ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক আলোচনী 'বাৰ্তাপখিলী'য়েও তেওঁৰ মাতৃ পুষ্পাদেৱী জালানৰ সোঁৱৰণত মহিলা লেখকৰ বিগত দহ বছৰ ধৰি বঁটা প্ৰদান কৰি আছে। এয়া পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ যথোচিত সন্মান।

গুৱাহাটীকে ধৰি অসমৰ বিভিন্ন স্থানলৈ গোপালে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাবলৈ মোক লৈ গৈছে। একেলগে গৈছো প্ৰতিবাৰেই। সাময়িক প্ৰসংগবোৰ গোপালৰ কলমৰ পৰা সাৰি নাযায়। সুন্দৰকৈ বিশ্লেষণো আগবঢ়ায়। সাহিত্য-সংস্কৃতি-ব্যৱসায় আটাইকেইটা সমানে আগুৱাই নিয়া গোপালক মই 'নিউজ লাইভ'ৰ 'কথা-বাৰ্তা' অনুষ্ঠানলৈও আনিছিলোঁ। তেওঁৰ জীৱনৰ প্ৰতিটো কথা তন্ন তন্নকৈ ফঁহিয়াই চাইছিলোঁ। এখন খোলা কিতাপৰ দৰে গোপালেও অৱগত কৰিছিল। ....

**হোমেন বৰগোহাঞি**

২.

.... ব্যৱসায়ৰ ব্যস্ততাৰ মাজতো গোপালে সাহিত্য চৰ্চা কৰিছে। কাকতত নিয়মীয়াকৈ সাময়িক বিষয়সমূহৰ পৰ্যালোচনা বিষয়ক লেখা লিখিছে। গোপালৰ দৰেই লেখাবোৰো যোগাত্মক ভাবধাৰাৰ। ঋণাত্মক চিন্তা-চৰ্চা আৰু বিতৰ্কৰ পৰা তেওঁ বহুযোজন আঁতৰত অৱস্থান কৰে। তেওঁ তথ্য-চিত্ৰ আৰু চুটি ছবিও প্ৰযোজনা কৰিছে। দেশ-বিদেশৰ সন্মানো বুটলিবলৈ সক্ষম হৈছে। নাটকৰ প্ৰতিও গোপালৰ দুৰ্বলতা কম নহয়। গুৱাহাটীৰ পৰা পাঠশালালৈ ঢাপলি মেলে 'আবাহন থিয়েটাৰ'ৰ গতি-প্ৰকৃতি চাবলৈ। দীৰ্ঘদিন ধৰি 'আবাহন'ৰ মুখপত্ৰ 'ৰংগবেদিকা' যুটীয়াভাৱে সম্পাদনা কৰি আহিছে। থিয়েটাৰৰ মুখপত্ৰসমূহৰ ভিতৰত এইখন অনন্য।

গোপাল জড়িত থকা বিভিন্ন অনুষ্ঠানৰ সভালৈ গৈছোঁ। আদৰ-সাদৰ কৰি ঘৰৰৰ পৰা লৈ যায়। তেনেদৰে ঘৰতো থৈ যায়হি। ড্ৰাইভাৰৰ লগত পঠিয়াই দায় নাসাৰে। গোপাল মনেৰেও চহকী। গোপালে মোৰ চাৰিটা দশকৰ গল্পৰ সংকলন এটা প্ৰকাশ কৰিছিল। নিজে সম্পাদনা কৰিছিল।.....

**ড° লক্ষ্মীনন্দন বৰা**

৩.

গোপাল জালান এক প্ৰাণচঞ্চল নাম। গুৱাহাটীৰ সভা-সমিতি আৰু বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ স'তে তেওঁ জড়িত হৈ আহিছে। তেনেদৰে জড়িত হোৱা লোক হয়তো আৰু নিশ্চয় আছে; কিন্তু গোপাল জালানে এই অনুষ্ঠানবোৰৰ স'তে সম্পৰ্ক ৰক্ষা কৰাৰ উপৰি নিজস্ব দৃষ্টিকোণেৰে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ ত্ৰুটি-বিচ্যুতি দাঙি ধৰাৰ লগতে সু-পৰামৰ্শও আগবঢ়াইছে। এইগৰাকী সৰ্বৰহী সমাজকৰ্মীয়ে বিগত কে'বাবছৰ ধৰি সমাজত দেখা দিয়া সমস্যাসমূহ সাহিত্যৰ ভাষাৰে দাঙি ধৰি বিভিন্নজনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তেওঁ কেৱল নাম জহাবৰ বাবেই কলম ধৰিছে বুলি ক'লে ভুল হ'ব; কিয়নো তেওঁৰ প্ৰতিটো লেখাতে সৰু-বৰ একোটা বাণী থকা দেখা যায়। তত্বগধুৰ-দুৰ্বোধ্য ভাষাৰে পঢ়ুৱৈক মানসিকভাৱে ক্লিষ্ট কৰিবলৈ চেষ্টা কৰাৰ সলনি তেওঁ তেনেই সহজ-সৰল ভাষাৰে বিষয় একোটা দাঙি ধৰিছে। এই কথা দোহাৰিবৰ প্ৰয়োজন নাই যে সৃষ্টিৰ তাড়নাত নিজৰ মনৰ ভাব প্ৰকাশৰ উদ্দেশ্যে কোনোবাই কলম,

কোনোবাই তুলিকা আৰু কোনোবাই হাৰমনিয়াম হাতত লয়; কিন্তু তেওঁ লেখা শব্দ, চিত্ৰ অথবা সুৰে জনসাধাৰণৰ হৃদয় স্পৰ্শ কৰাৰ ওপৰতে সেই সৃষ্টিৰ সাৰ্থকতা নিৰ্ভৰ কৰে। সেই দিশৰপৰা গোপাল জালান সফল হৈছে; কিয়নো তেওঁ লেখাৰ বিষয়বস্তু সন্মুখত দেখা ঘটনাৱলীৰপৰা লৈছে আৰু তেনেবোৰ ঘটনাৰ ত্ৰুটি-বিচ্যুতি সৃষ্টিকাৰীসকলৰ সন্মুখতে দাঙি ধৰিছে। সেই কাৰণে তেনে লেখাই পঢ়ুৱৈৰ দেহ-মন চুই যাবলৈ সক্ষম হৈছে।

নিবন্ধ সংকলনটিৰ নাম 'নতুন দিনৰ প্ৰত্যাশা'। মানুহ জীয়াই থাকে আশাক কেন্দ্ৰ কৰিয়েই আৰু সপোন দেখে নতুন দিনৰ। ইয়াত সন্নিৱিষ্ট নিবন্ধসমূহৰ প্ৰতিটোৱেই সমসাময়িক ঘটনাৰ স'তে জড়িত আৰু তেনে সমস্যাৰপৰা উদ্ধাৰ বিচাৰি পোৱাৰ পৰামৰ্শও আগবঢ়োৱা হৈছে। .........

'নতুন দিনৰ প্ৰত্যাশা'ত সন্নিৱিষ্ট প্ৰতিটো লেখাই সমসাময়িক ঘটনা প্ৰবাহক চুই গৈছে। নিবন্ধসমূহত সমস্যাসমূহ থুলমূলকৈ বিশ্লেষণ কৰাৰ লগতে ইতিবাচক পৰামৰ্শও আগবঢ়োৱা হৈছে। নিবন্ধসমূহৰ ভাষা প্ৰাঞ্জল আৰু বিষয়বস্তুও স্পষ্ট। ইতিমধ্যে জালানৰ প্ৰকাশিত নিবন্ধসমূহ পঢ়ুৱৈৰদ্বাৰা বিশেষভাৱে সমাদৃত হৈছে। 'নতুন দিনৰ প্ৰত্যাশা'ক পঢ়ুৱৈ সমাজে আদৰি ল'ব বুলি আশা কৰিলোঁ। নিবন্ধকাৰ গোপাল জালানৰ কলম অবাৰিত গতিত চলি থকাটোৱেই কামনা কৰোঁ।

**কনকসেন ডেকা**

৪.

সাংস্কৃতিক জগত, সমাজ সেৱা, ব্যৱসায়-বাণিজ্য সকলো ক্ষেত্ৰতে সাৱলীলভাৱে বিচৰণ কৰা গোপাল জালান এক বহুমাত্ৰিক ব্যক্তিত্বৰ অধিকাৰী লোক। এই বহুমাত্ৰিকতাৰ মাজত যি দুটা বিশেষ গুণৰ বাবে তেওঁ উজলি উঠিছে, সেই দুটা হ'ল-- সামাজিক পৰিৱৰ্তনৰ প্ৰতি তেওঁৰ এক তীব্ৰ সচেতন দৃষ্টি আৰু সমাজৰ সামগ্ৰিক মংগল কামনা। তেওঁৰ সামাজিক সচেতনাই যে অসমখনকে অকল সামৰি লৈছে তেনে নহয়; বৰঞ্চ ই দেশৰ ভৌগোলিক পৰিসীমা অতিক্ৰম কৰি বিশ্বৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক সকলো ক্ষেত্ৰতে হোৱা পৰিৱৰ্তনকে সামৰি লৈছে। তেওঁ যদি ন-খোৱাৰ আনন্দক লৈ নষ্টালজিক হৈ পৰে, আনফালে আইছিছৰ উত্থানক লৈ হৈ পৰে

উদ্বিগ্ন; অসম সাহিত্য সভাৰ বঁটা বিতৰণী অনুষ্ঠানৰ সন্দৰ্ভত তেওঁৰ যিদৰে নিজস্ব অভিমত আছে, সেইদৰে বৰ্তমান জনপ্ৰিয় হৈ পৰা ৰিয়েলিটী শ্ব' সম্পৰ্কতো তেওঁৰ আছে স্পষ্ট মতামত। তেওঁৰ সকলো মতামতৰ আঁৰত থকা স্বদেশৰ প্ৰতি প্ৰেম, সংস্কৃতিৰ প্ৰতি সন্মান আৰু বাস্তৱমুখী বিশ্লেষণে তেওঁৰ চুটি লেখাসমূহক চিন্তা-উদ্রেগকাৰী টিপ্পনীৰ ৰূপ দিছে।

ৰূপান্তৰ অবিহনে সমাজ স্থৱিৰ আৰু মৃত্যুমুখী হৈ পৰিব; এফালে যদি ই চিন্তাৰ গতিশীলতা ৰোধ কৰি সমাজক অন্ধবিশ্বাসৰ বলি কৰি তুলিব; আনফালে বিশ্বৰ বিভিন্ন প্ৰান্তৰত হোৱা পৰিৱৰ্তনৰ সৈতে তাল মিলাব নোৱাৰি একোখন বন্ধ চিন্তাৰ সমাজ নিঃচিহ্ন হৈ যাব। তিষ্ঠি থাকিবৰ বাবেই ৰূপান্তৰৰ প্ৰয়োজন; কিন্তু ৰূপান্তৰ হ'ব লাগিব সমাজৰ যুক্তিপূৰ্ণ চিন্তাৰ দ্বাৰা নিয়ন্ত্ৰিত, প্ৰভাৱান্বিত। ৰূপান্তৰৰ প্ৰতিটো পদক্ষেপৰ প্ৰস্তুতিয়েই সেয়েহে কঢ়িয়াই লৈ আহে একো একোটা প্ৰত্যাহ্বান। সেই প্ৰত্যাহ্বানৰ কিদৰে মুখামুখি হয়, তাৰ ওপৰতেই নিৰ্ভৰ কৰে ভৱিষ্যৎ। সেয়েহে ভৱিষ্যতৰ সুৰক্ষাৰ স্বাৰ্থতে সমাজৰ সৰু-বৰ সকলো পৰিৱৰ্তনৰ প্ৰতিয়েই আমি হ'ব লাগিব সজাগ, উদাৰ হৈও আমাৰ দৃষ্টি হ'ব লাগিব বিজ্ঞানসন্মত আৰু সমাজৰ মংগলকামী। .....

ভৱিষ্যতেও সমাজত প্ৰতিনিয়ত এনে অজস্ৰ ঘটনা সংঘটিত হ'ব, যিবোৰে মানুহৰ ভৱিষ্যত নিৰ্মাণত, সমাজৰ ৰেহ-ৰূপ অংকন কৰাত কৰবাত নহয় কৰবাত এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব। আমি আশা কৰিম গোপাল জালানে ভৱিষ্যতেও এনে ঘটনাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি সময়ে সময়ে তীব্ৰভাৱে সমাজ সচেতন এনে লেখা লিখি থাকিব। চুটি, এনে সাংবাদিক ধৰ্মী লেখাবোৰেই এটা সময়ত হৈ পৰে সমাজৰ ৰূপান্তৰৰ ইতিহাসৰ প্ৰাথমিক উৎস।

**ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী**

৫.

গোপাল জালান পাঠশালাৰ অসমীয়া মাৰোৱাৰী পৰিয়ালৰ ব্যৱসায়ী যুৱক বুলি কিছুবছৰ আগলৈকে সকলোৱে জানিছিল। অসমত 'অসমীয়া কোন' বুলি সংজ্ঞা বিচাৰি মেল-মিটিং, তৰ্ক-বিতৰ্ক চলি থকা সময়ত, হয়তো আমাৰ

মনত নপৰে অসমৰ মাটি, পানী, ভাষা-সংস্কৃতিৰ সৈতে বিলীন হৈ যোৱা গোপাল জালানৰ দৰে মাৰোৱাৰী, বিহাৰী, পাঞ্জাৱী, চৰ-চাপৰিৰ যুৱক-যুৱতীৰ কথা। যিসকলৰ মুখত শুদ্ধ অসমীয়া ভাষা, মনত অসমীয়া সংস্কৃতিৰ প্ৰেম, কলমেৰে নিগৰে অসমীয়া আখৰ।

গোপাল জালান অসমীয়া বোলছবি, নাটক, গীত-মাতৰ সাংস্কৃতিক জগতখনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত, সামাজিক কামত আগৰণুৱা, বিনয়ী আৰু সদালাপী। এই গুণখিনিৰেই তেওঁ সমাজত জনপ্ৰিয়। কিন্তু আজি কিছুবছৰৰ পৰা গোপাল জালানে বাতৰি কাকত, আলোচনীত সামাজিক সচেতনতাৰ পৰিচয় দি লিখিবলৈ আৰম্ভ কৰিছে। মই তেওঁৰ প্ৰায়বোৰ লেখা অ'ত-ত'ত পঢ়ি দেখা পাওঁ অসমীয়া সমাজ, আধুনিক মানুহৰ জীৱনলৈ স্বতঃস্ফূৰ্তভাৱে অহা সমস্যাসমূহক লৈ তেওঁ চিন্তিত হয়। একোটি সৰু লেখাৰ মাজেৰে মনৰ ভাব সময়সাপেক্ষে প্ৰকাশ কৰে। .... জীৱনৰ বিভিন্ন সময়ত, নানা ধৰণে দেখা আৰু উপলব্ধি কৰা বিষয়সমূহকেই জালানে সৰল ভাষাৰে লিখিছে। বিষয়সমূহৰ গুৰুত্ব আৰু ইতিবাচক দৃষ্টিভংগীয়ে পঢ়ুৱৈক খন্তেক সময়লৈ হ'লেও চিন্তাৰ বাট মোকলাই দিয়ে।.....

**অনুৰাধা শৰ্মা পূজাৰী**

৬.

গোপাল জালানৰ লেখাসমূহে প্ৰকট কৰে তেওঁৰ সমাজ-সচেতনতা আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতা। সমসাময়িক বিষয় কিছুমানৰ সামাজিক প্ৰভাৱ জানিবলৈ বা বুজিবলৈ গোপাল জালানৰ লেখাসমূহ উৎকৃষ্ট সমল। সমাজক সুন্দৰ ৰূপত চাব বিচাৰে সাংস্কৃতিক মনৰ অধিকাৰী গোপাল জালানে। সাহিত্য আৰু সংস্কৃতিৰ পুৰোধা ব্যক্তিসকলৰ লগত থকা গভীৰ আত্মীয়তাৰ বাবে তেওঁ এনে লোকসকলৰ জীৱন আৰু কৃতী সুন্দৰভাৱে লিপিবদ্ধ কৰিছে। বিষয়ৰ উপস্থাপন সুন্দৰ, বক্তব্য স্পষ্ট— বাক্য গাঁঠনি সৰল আৰু মনোগ্ৰাহী। ব্যৱসায় তেওঁৰ পেছা, সাহিত্য তেওঁৰ নিচা। সাহিত্যৰ পথাৰত তেওঁ বিজয়-ধ্বজা উৰুৱাই আগুৱাই যাওক— এয়াই কামনা।

**থানেশ্বৰ মালাকাৰ**

৭.

বিভিন্ন কাকত, আলোচনী আদিত নিয়মীয়াকৈ লিখি অহা সাহিত্যানুৰাগী লেখক গোপাল জালানে কেইবাখনো গ্ৰন্থ ৰচনা আৰু সম্পাদনা কৰিছে। শেহতীয়াকৈ জালানৰ একাংশ নিৰ্বাচিত প্ৰবন্ধৰে 'প্ৰত্যাহ্বান' শীৰ্ষক এখন গ্ৰন্থ প্ৰকাশিত হৈছে। জীৱনৰ সংগ্ৰাম-প্ৰত্যাহ্বান আৰু সমাজৰ বিভিন্ন সমস্যা সন্দৰ্ভত লিখা মুঠ ৬৩ টা নিবন্ধ সন্নিৱিষ্ট কৰা ১৫০ পৃষ্ঠাৰ গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াইছে গুৱাহাটীৰ বিশাল প্ৰকাশনে। গ্ৰন্থখনত সন্নিৱিষ্ট নিবন্ধসমূহ সমধৰ্মী নহয় যদিও প্ৰতিটো নিবন্ধৰ যোগেদি জালানে সমকালীন সমাজখনৰ সৈতে জড়িত বিভিন্ন বিষয়-সমস্যাসমূহৰ বস্তুনিষ্ঠ বিশ্লেষণ আৰু জীৱনৰ ভিন্নধৰ্মী প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰাৰ বাস্তৱিক সমাধান উদ্ভাৱনৰ প্ৰয়াস কৰিছে। তদুপৰি গ্ৰন্থখনত সন্নিৱিষ্ট প্ৰতিটো নিবন্ধতেই লেখকৰ চিন্তাপুষ্ট তথা সদা-সচেতন মনৰ এক স্পষ্ট প্ৰতিফলন ঘটিছে।

গ্ৰন্থখনত সন্নিৱিষ্ট একাধিক নিবন্ধত লেখক গোপাল জালানৰ সমাজ সচেতন ধ্যান-ধাৰণা স্পষ্ট ৰূপত প্ৰতিবিম্বিত হৈছে। বিশেষকৈ গ্ৰন্থখনত অন্তৰ্ভুক্ত কেইবাটাও প্ৰবন্ধত লেখকে সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজত ঘটা পৰিৱৰ্তন আৰু এনে পৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা সমস্যা-প্ৰত্যাহ্বানসমূহৰো নিৰ্মোহ বিশ্লেষণ কৰিছে। এই সন্দৰ্ভত 'পৰিৱৰ্তিত ৰূপত বিহু', 'অশ্লীল শব্দৰ প্ৰয়োগ আৰু পৰিৱৰ্তনৰ ঢৌ', 'হোৱাটছ এপ-ফেচবুক, বিবাহ বিচ্ছেদ ইত্যাদি', 'স্বপ্নভংগ নৱবৰ্ষ' আদি নিবন্ধসমূহ উল্লেখনীয়। এজন আজীৱন সাংস্কৃতিক কৰ্মী হিচাপে লেখক গোপাল জালানে তেওঁৰ বিভিন্ন লেখাৰ মাজেৰে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত সূচনা হোৱা পৰিৱৰ্তন আৰু এনে পৰিৱৰ্তনসৃষ্ট প্ৰত্যাহ্বানসমূহৰো পৰ্যালোচনা কৰিছে। 'কোন দিশে সংস্কৃতি', 'সংকুচিত হ'ল মাঘৰ পথাৰ', 'হেৰাই গ'ল ন-খোৱাৰ আনন্দ', 'ৰঙৰ উৎসৱত অপসংস্কৃতিৰ প্ৰভাৱ', 'উদ্যোক্তাসকলেও পৰিধান কৰক অসমীয়া সাজ-পোছাক', 'সংস্কৃতিৰ সংৰক্ষণ' আদি নিবন্ধসমূহত লেখকৰ সংস্কৃতি-সচেতন মনৰ উমান পোৱা যায়। সুলেখক গোপাল জালানে তেওঁৰ নিবন্ধসমূহৰ মাজেৰে এফালে যেনেদৰে পৰিৱৰ্তন, বিজ্ঞান-প্ৰযুক্তিৰ উন্নয়নৰ বিষয়ে আলোচনা কৰিছে, আনফালে আকৌ একবিংশ শতিকাতো আমাৰ সমাজত প্ৰচলিত হৈ থকা

বিভিন্ন অন্ধবিশ্বাস-কুসংস্কাৰৰ সম্পৰ্কেও আলোকপাত কৰিছে। মুঠতে লেখক গোপাল জালানে তেওঁৰ গ্ৰন্থখনত সন্নিৱিষ্ট কৰা তিনিকুৰিৰো অধিক নিবন্ধৰ যোগেদি জীৱন আৰু সমাজৰ বিভিন্ন সমস্যা-প্ৰত্যাহ্বানসমূহ পক্ষপাতহীনভাৱে উপস্থাপন কৰাৰ প্ৰয়াস কৰাৰ লগতে ইবিলাকৰ সমাধান-নিৰাময়ৰ উদ্দেশ্যে সমাধানসূত্ৰ অথবা স্বকীয় চিন্তাৰে নিজস্ব অভিমত আগবঢ়োৱাৰো প্ৰচেষ্টা কৰিছে। জালানে আলোকপাত কৰা বিষয়সমূহৰ সন্দৰ্ভত আৰু অধিক চিন্তা-আলোচনা-বিতৰ্কৰ অৱকাশ আছে যদিও এনে বিষয় আৰু ইছ্যুসমূহৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰাৰ ক্ষেত্ৰত তেওঁ সামগ্ৰিকভাৱে সফল হৈছে বুলিব পাৰি। সেয়েহে গোপাল জালানৰ আনকেইখন গ্ৰন্থৰ দৰে ‘প্ৰত্যাহ্বান’ শীৰ্ষক গ্ৰন্থখনেও পাঠক-সমাজৰ পৰা নিশ্চয়কৈ সমাদৰ লভ কৰিব বুলি আশা কৰিব পাৰি।

**ড° সব্যসাচী মহন্ত**

৮.

‘সময় প্ৰবাহ’ দৰাচলতে গোপাল জালানৰ চিন্তা-ধাৰা প্ৰবাহৰ সংকলন। যেতিয়া ক’ৰবাত কিবা ঘটনা সংঘটিত হয় তেতিয়া যিকোনো সংবেদনশীল ব্যক্তিৰ হৃদয়ত স্পন্দন তোলে। ঘটনা ওচৰ-পাঁজৰৰে হওক বা দেশ-বিদেশৰে হওক, যিকোনো সংবেদনশীল ব্যক্তিক প্ৰভাৱিত কৰে। সংবেদনশীল ব্যক্তিসকলে বেলেগ বেলেগ মাধ্যমেৰে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। গোপাল জালানে কলমেৰে মনৰ কথাবোৰ ব্যক্ত কৰে। তেওঁ অসমীয়া আৰু হিন্দী দুয়োটা ভাষাতে সমানে সাহিত্য চৰ্চা কৰে। তেওঁৰ লেখাৰ পৰিসৰ ব্যাপক। তেওঁ সমাজৰ যিকোনো ক্ষেত্ৰৰে যিকোনো বিষয় সন্দৰ্ভত মত ব্যক্ত কৰে। ইয়াৰ দ্বাৰাই তেওঁৰ চিন্তাৰ জগতখনৰ পৰিধি কিমান বিশাল জানিব পাৰি। কেতিয়াবা সাধাৰণ যেন লগা কথায়ো সংবেদনশীল ব্যক্তিৰ মনত ৰেখাপাত কৰি যায়। এইখন সংকলনত সন্নিৱিষ্ট বিষয়সমূহত দৃষ্টি নিক্ষেপ কৰিলেই জানিব পাৰি তেওঁৰ দৃষ্টিৰ পৰা সূক্ষ্ম বিষয় এটাও যে সাৰি যোৱা নাই। এই সংবেদনশীলতা তেওঁৰ ব্যক্তিত্বতো বিকশিত হৈছে। ....

**ৰবিশংকৰ ৰবি**

# গোপাল জালানৰ গদ্য

✍ ড° আনন্দ বৰমুদৈ

নিবন্ধকাৰ গোপাল জালানৰ ২০১৪ আৰু ২০২০ চনৰ ভিতৰত প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত চাৰিখন অসমীয়া নিবন্ধৰ সংকলন আমাৰ হাতত পৰিছে। সংকলনসমূহ হ'ল 'জীৱনৰ বাটত এক অনুভূতি' (২০১৪), 'নতুন দিনৰ প্ৰত্যাশা' (২০১৮), 'ক'ৰোনা' (২০২০) আৰু 'আত্মোপলব্ধি' (২০২০)। চাৰিখন সংকলনত মুঠ দুশ যোল্লখন ৰচনা আছে। ৰচনাসমূহ চুটি আৰু বিভিন্ন বিষয়ক লৈ লিখা হৈছে। নিবন্ধকাৰে বিষয় এটা বাছি লয়, তাক চমুকৈ আলোচনা কৰে, নিজৰ দৃষ্টিকোণ প্ৰকাশ কৰে আৰু পৰোক্ষভাৱে পাঠকক পতিয়ন নিয়াবলৈ চেষ্টা কৰে। যুক্তি বিচাৰেৰে বিষয়টো আলোচনা কৰি তেওঁ পাঠকক নিজৰ মতলৈ আনিবলৈ বিচাৰে। কোনো বিষয়কে তেওঁ প্ৰণালীবদ্ধ গৱেষণালব্ধ আলোচনা বুলি দাবীও কৰা নাই

আৰু বিশেষজ্ঞ পাঠকৰ কাৰণে ৰচনাসমূহ লিখা হোৱা নাই। তেওঁ সাধাৰণ পাঠকক উদ্দেশ্য কৰি ৰচনাসমূহ লিখিছে আৰু সেইবাবে সময়ত একোটা কাহিনী, উদাহৰণ অথবা পুৰাণকথাকো অভিজ্ঞতাৰ বিভিন্ন দিশত সামৰিছে। লেখকৰ দৃষ্টিকোণ নিৰাৱেগ আৰু বস্তুনিষ্ঠ। নিবন্ধকাৰে যিসময়ত ৰচানসমূহ লিখিছে সেই সময়ৰ কেতবোৰ গুৰুত্বপূৰ্ণ সামাজিক, সাংস্কৃতিক, শৈক্ষিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি সমস্যাক ৰচনাৰ বিষয় কৰা হৈছে। ৰচনাসমূহৰ জনপ্ৰিয়তাৰ সিও এটা কাৰণ।

ব্যক্তি, সমাজ আৰু জনসাধাৰণ জালানৰ ঘাই বিষয়। সমাজ এখন সুস্থ আৰু সুখী হ'বলৈ হ'লে তেওঁৰ মতে মানুহ সংস্কৃতিৱান হ'ব লাগিব। সংস্কৃতিৱান হ'বলৈ হ'লে শিক্ষা প্ৰয়োজনীয়। শিক্ষাই মানুহক বৈজ্ঞানিক দৃষ্টিৰে জগতখন চাবলৈও শিকাব লাগিব আৰু সমাজৰ মংগলৰ কাৰণে নৈতিক সজাগতাৰ কাম কৰি যাবলৈ মানুহক অনুপ্ৰাণিত কৰিবও লাগিব। মানুহক সামাজিক কৃতকাৰ্যতা অথবা সফলতাৰ প্ৰয়োজন, কিন্তু চমৎকাৰভাৱে সফল নহ'লেও মানুহ সুখ আৰু শান্তিৰে সামাজিক প্ৰাণী হিচাপে জীয়াই থকাটো সমানে গুৰুত্বপূৰ্ণ। 'সাফল্য মানে সুখনে' শীৰ্ষক ৰচনাত ব্যক্তিগত অভিজ্ঞতাৰ পৰা এগৰাকী সফল ধনী মহিলা আৰু এজন ৰিক্সাৱালাৰ কাহিনীৰ মাজেদি সেই কথা পাঠকক জনাইছে। 'নৃশংস' ৰচনাখনত ক্ষমতা আৰু লালসাই মানুহক কিমান নিষ্ঠুৰ কৰিব পাৰে তাৰ কিছুমান উদাহৰণ দাঙি ধৰিছে। ঘটনাবোৰ পাঠকৰ পৰিচিত, কিন্তু সিবোৰ পাঠকক আকৌ এবাৰ সোঁৱৰাই দি নৃশংসতা আৰু ভ্ৰষ্টাচাৰৰ বলি হোৱাসকলৰ প্ৰতি পাঠকৰ মনত মানৱীয় অনুভূতিক সতেজ কৰিবলৈ বিচৰা হৈছে।

'ঘনচিৰিকাৰ ঘৰ বনাম সভ্যতাৰ ৰথ' এখন ব্যক্তিগত ৰচনা। লেখকে অনানুষ্ঠানিকভাৱে পাঠকৰ লগত যেন মত বিনিময় কৰিছে। প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হোৱাৰ লগে লগে এসময়ত জাক পাতি উৰা আৰু চোতালত জঁপিয়াই ফুৰা ঘনচিৰিকাবোৰ নোহোৱা হ'ল। মানুহ অলপ সচেতন আৰু সহানুভূতিশীল হ'লে ঘনচিৰিকাক কিদৰে খাদ্য আৰু

বাসস্থানৰ ব্যৱস্থা কৰিব পাৰে তাৰ এটা উদাহৰণ লেখকে নিজে কৰা কামৰ পৰাই দাঙি ধৰিছে। ‘বয়স্কৰ মানসিক অৱসাদ’ ৰচনাত পিতৃ-মাতৃ আৰু সন্তানৰ সম্পৰ্কত আলোকপাত কৰি বৃদ্ধ বয়সত সন্তানে পিতৃ-মাতৃক কৰা অৱহেলাক কৰুণ কৰি ৰচনাৰ কেন্দ্ৰত ৰখা হৈছে। ‘কল্পনা আৰু বাস্তৱ’ এটা বিশাল বিষয় আৰু ইয়াক লৈ সাহিত্যত বিভিন্ন তত্ত্বৰ সৃষ্টি হৈছে। লেখকে অৱশ্যে কল্পনাই মানুহক সৃষ্টিৰ কামত কিদৰে আগুৱাই নিয়ে সেই কথা চমুকৈ আলোচনা কৰিছে। মাৰোৱাৰীসকলৰ বিষয়ে লিখা ৰচনাত অসমীয়া মাৰোৱাৰীসকলৰ মাজত থকা অনৈক্যৰ কথা সোঁৱৰাই দি কোৱা হৈছে যে ব্যৱসায়ত মূল লক্ষ্য লাভ অৰ্জন কৰা হ'লেও ব্যৱসায়ীসকল সামাজিকভাৱে দায়বদ্ধ হ'ব লাগিব। ‘বৰদিনৰ আনন্দ’ ৰচনাখনৰ কেন্দ্ৰীয় বিষয় ভাৰতৰ সাংস্কৃতিক বৈশিষ্ট্য। অনাখ্ৰীষ্টিয়ান এজনে আন এজন অনাখ্ৰীষ্টিয়ানক অসমত বৰদিনৰ শুভেচ্ছা জ্ঞাপন সাধাৰণ কথা।

কবি-গল্পকাৰ আৰু চিন্তাবিদ যতীন্দ্ৰ কুমাৰ বৰগোহাঞিক সুঁৱৰি জালানে সঠিকভাৱে তেওঁৰ ব্যক্তিত্বৰ মূল্যায়ন কৰি লিখিছে যে বৰগোহাঞিয়ে আনৰ কথালৈ মন নকৰি নিজৰ চিন্তাৰে দৃঢ়তাৰে কাম কৰি গৈছিল। ‘গান্ধীৰ প্ৰাসংগিকতা’ত জালানে নিজৰ দৃষ্টিৰে গান্ধীয়ে বিচৰা ভাৰতখনৰ আলোচনা কৰিছে। বিহুক বিষয় কৰি লিখা ৰচনাখনত শিল্পীসকলৰ ঐতিহ্য-চেতনাত গুৰুত্ব দিয়া হৈছে। নাটক, অভিনেতা আদিক লৈ লিখা ৰচনাত শিল্পী-সাহিত্যিকে সফলতা লাভ কৰিলে বঁটা আৰু স্বীকৃতি নিজেই আহিব বুলি কোৱা হৈছে। বৰপেটাৰ দৌলোৎসৱক বিষয় কৰি লিখা ৰচনাত উৎসৱৰ আনুষ্ঠানিকতাৰ দিশটোৰ যি খুটি-নাটি বৰ্ণনা দিয়া হৈছে তাৰ পৰা অনুমান কৰিব পাৰি যে লেখকে ৰচনাৰ কাৰণে নিৰ্বাচন কৰা বিষয় অধ্যয়ন কৰি লয়। ‘শূন্যতা’ শীৰ্ষক ৰচনাখনো ব্যক্তিগত ৰচনাৰ শাৰীতে থ'ব পাৰি যদিও ইয়াত মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু সাহিত্য-কৃতিৰ উল্লেখ আছে। লেখকে নিজেও গদ্যৰ সাধনা কৰে বাবেই জ্ঞানপীঠ বঁটা বিজয়ী লেখিকাগৰাকীৰ শক্তিশালী গদ্যৰ কথা উল্লেখ

কৰিছে। কামাখ্যা মন্দিৰ আৰু অম্বুবাচী মেলাৰ বিষয়ে লিখা প্ৰবন্ধত মেলালৈ ভক্তৰ উপৰিও যে মন্দিৰৰ গাঁথনি অধ্যয়ন কৰিবলৈও পৰ্যটক আহে সেই কথা উল্লেখ কৰা হৈছে। ড° ভূপেন হাজৰিকাৰ বিষয়ে কিতাপকেইখনত একাধিক ৰচনা আছে আৰু লেখকে প্ৰখ্যাত শিল্পীগৰাকীৰ গীত আৰু চিন্তাৰ কিছু দিশ আলোচনা কৰিছে।

'নতুন দিনৰ প্ৰত্যাশা' সংকলনৰ এখন উল্লেখযোগ্য ৰচনা 'মহামায়া, নজৰুল ইছলাম আৰু কিছু অনুভৱ'। ৰচনাখনৰ মূল বিষয় সাম্প্ৰদায়িক সম্প্ৰীতি। নিবন্ধকাৰ হিচাপে জালানৰ এক বিশিষ্টতা ইয়াত প্ৰকাশ পাইছে। মহামায়া মন্দিৰ দৰ্শনৰ ক্ষেত্ৰত তেওঁক সহায় কৰিছে নজৰুল ইছলামে। ৰচনাখনত লেখকে এই মন্দিৰটোৰ প্ৰতিষ্ঠাৰ লগত জড়িত সকলো পুৰাণকথা (myth) আৰু ইতিহাসৰ উল্লেখ কৰিছে। টিপকাই নদীত যোড়শ শতিকাত হোৱা নাও দুৰ্ঘটনা, দেৱীৰ কৃপাত সদাগৰৰ প্ৰাণ ৰক্ষা আৰু কালক্ৰমত মন্দিৰ স্থাপন আদি কথাবোৰ আনন্দদায়ক ধৰণেৰে লেখকে বৰ্ণনা কৰিছে। মে' দিৱসৰ বিষয়ে লিখা ৰচনাখনত শিশু শ্ৰমিকৰ কৰুণ ৰূপটো লেখকে দাঙি ধৰিছে আৰু শিশুৰ প্ৰতি সহানুভূতিশীল মানুহৰ কথাও উল্লেখ কৰিছে। প্ৰদূষণমুক্ত পৰিৱেশ গঢ়াৰ প্ৰসংগত জালানে উদ্বেগ প্ৰকাশ কৰি কৈছে যে প্ৰদূষণ বিভিন্ন ৰোগৰ কাৰণ আৰু পৰিৱেশ সংৰক্ষণক মানুহে গুৰুত্বসহকাৰে লোৱা উচিত। বিশ্ব পৰিৱেশ পালন কৰাৰ নামত বছৰি বছৰি একেটা গাঁততে গছপুলি ৰুই থকাটো অৰ্থহীন আনুষ্ঠানিকতা। বাল্য বিবাহক বিষয় কৰি লিখা ৰচনাখনত লেখকে শিক্ষাৰ অভাৱক ঘাইকৈ জগৰীয়া কৰিছে।

জালানৰ কিছুমান ৰচনাত পাৰ্থিৱ জ্ঞান আছে। জন্মদিন উদ্‌যাপনৰ বিষয়ে লিখা ৰচনাখন এটা উদাহৰণ। জন্মদিন উদ্‌যাপনত মানুহে পথৰ দাঁতিত একোটা গছপুলি ৰুব পাৰে। শৰীৰৰ বাবে অপকাৰী প্লাষ্টিকৰ বন্দুক, পিষ্টল, উৰাজাহাজ আদি নিদি ল'ৰা-ছোৱালীক কিতাপ একোখন উপহাৰ দিব পাৰি। জালানৰ বহুসংখ্যক ৰচনাৰ মূল বিষয় মানৱতা। আমাৰ সমাজত বিভিন্ন কাৰণত মানৱতা অৱহেলিত। বছৰৰ পিছত বছৰ

শিবিৰত আশ্ৰয় লৈ থকা মানুহবোৰৰ সংস্থাপনত কোনেও গুৰুত্ব নিদিয়া কথাটো মানৱতাৰ অৱমাননা। গোষ্ঠীসংঘৰ্ষ, গৰাখহনীয়া, উগ্ৰপন্থীৰ আক্ৰমণ আদিত ঘৰ-বাৰী হেৰুৱাই শিবিৰত থকা মানুহৰ দুখত নিৰ্বাচনৰ আগত দল-সংগঠনে গৈ ভোটৰ আশাত আশ্বাস দিয়ে আৰু পিছত পাহৰি যায়। মাতৃ দিৱসৰ বিষয়ে লিখা ৰচনাখনত জালানে সৰুতে মাকৰ মুখত শুনা সুন্দৰ নিচুকনি গীতবোৰক অৱহেলা নকৰি সতেজ কৰি ৰখাৰ ওপৰত গুৰুত্ব দিছে। পৰম্পৰাগত খাদ্য সম্ভাৰৰ বিষয়ে লিখা ৰচনাখনতো পাৰ্থিৱ জ্ঞানেই বিষয়। অসমীয়া পৰম্পৰাগত খাদ্য সম্ভাৰত নিহিত থকা পাৰ্থিৱ জ্ঞানক ৰক্ষা কৰাত লেখকে গুৰুত্ব দিছে।

নিবন্ধকাৰ জালানে ৰচনাৰ বিষয় এটাক আলোচনা কৰোতে যুক্তি-বিবেচনা আৰু ন্যায়শাস্ত্ৰীয় নীতিৰ আশ্ৰয় লয়। নিচাযুক্ত দ্ৰব্যৰ বিষয়ে লিখা ৰচনাখনত নিচাযুক্ত কেতবোৰ দ্ৰব্যৰ ক্ষেত্ৰত চৰকাৰী নীতিৰ অযৌক্তিকতাৰ দিশটো আঙুলিয়াই দেখুৱাইছে। এফালে চৰকাৰে ৰাজহ সংগ্ৰহৰ বাবে মদ বিক্ৰীৰ অনুমতি প্ৰদান কৰিছে আৰু আনফালে সমগ্ৰ বিশ্বতে নিচাযুক্ত দ্ৰব্যবিৰোধী দিৱসো পালন কৰা হৈছে। লেখকৰ পৰামৰ্শ হ'ল যে নিচাযুক্ত দ্ৰব্যৰ বিৰোধিতা ঘৰখনতে আৰম্ভ হ'ব লাগিব।

'ক'ৰোনা' শীৰ্ষক সংকলনত থকা মুঠ সাতচল্লিশখন ৰচনাৰ সৰহসংখ্যক ৰচনাতে লেখকে এই দুৰ্যোগ আৰু বিভীষিকাৰ মাজতো মানুহে কিদৰে পৰিৱৰ্তিত পৰিস্থিতিৰ লগত মোকাবিলা কৰি বৰ্তি থাকিব পাৰে সেই চিন্তাই প্ৰকাশ পাইছে। লেখকৰ কেতবোৰ পৰামৰ্শ এনেধৰণৰ— ক'ৰোনাৰ বিৰুদ্ধে কৰা যুঁজখনৰ সমানে কৃষিখণ্ডৰ উন্নতি হ'ব লাগিব, আন ৰাজ্যৰ পৰা ঘূৰি অহা যুৱক-যুৱতীসকলক কৃষি আৰু পশুপালন আদিত নিয়োগ কৰিবলৈ চৰকাৰে আঁচনি তৈয়াৰ কৰিব লাগিব, কৰ্মপদ্ধতি সলনি কৰি সকলোৱে এতিয়া নতুন ধৰণেৰে কাম কৰাৰ কথা চিন্তা কৰিব লাগিব ইত্যাদি। নিজক পৰিৱৰ্তন কৰি কাম কৰাৰ ওপৰত একাধিক নিবন্ধত গুৰুত্ব দিয়া হৈছে। দুই-এক জনপ্ৰতিনিধিয়ে দাঙি ধৰা উদাহৰণ উল্লেখ কৰি বাহিৰৰ ৰাজ্যৰ পৰা অহা শ্ৰমিকসকলৰ প্ৰতি

জনপ্ৰতিনিধিৰ দায়িত্বৰ কথা কোৱা হৈছে। ভ্ৰাম্যমাণ থিয়েটাৰৰ কলাকুশলীসকলৰ ক'ভিডকালত হোৱা দুৰ্যোগৰ প্ৰতি লেখকে পাঠকৰ বিশেষ মনোযোগ আকৰ্ষণ কৰি নতুন পন্থা উদ্ভাৱনৰ পৰামৰ্শ আগ বঢ়াইছে। ক'ভিড সময়ত প্ৰদূষণ কমি পৰিৱেশ সুস্থ হোৱাৰ বাবে মুক্তমনে বন্যপ্ৰাণীয়ে বিচৰণ কৰাৰ কথা আলোচনা কৰোতে লেখকে আন এটা গুৰুত্বপূৰ্ণ কথা প্ৰসংগক্ৰমে আলোচনা কৰিছে। ক'ভিডে মানুহক অভ্যাস আৰু পৰম্পৰাৰ পৰা মুক্ত হৈ চিন্তা কৰিবলৈকো বাধ্য কৰিছে। অসমৰ স্বাস্থ্য বিভাগৰ বিষয়ে লিখা প্ৰবন্ধত বিভীষিকাৰ মাজতো বিপদৰ সম্ভাৱনাক আওকাণ কৰি চিকিৎসা সেৱা আগ বঢ়াই যোৱা চিকিৎসক, নাৰ্ছ, স্বাস্থ্যকৰ্মী আৰু বিভাগটোৰ শলাগ লোৱা হৈছে। তলাবন্ধৰ সময়ত শিক্ষা আৰু সাহিত্য-সংস্কৃতিৰ জগতত হৈ থকা অনলাইন কাম-কাজৰো শলাগ লোৱা হৈছে। নিবন্ধকাৰ জালানৰ চিন্তা সদায় ইতিবাচক। দুৰ্যোগৰ পৰা পৰিত্ৰাণ পাবৰ উপায়ৰ তেওঁ অনুসন্ধান কৰি থাকে।

'আত্মোপলব্ধি' সংকলনত থকা মুঠ বাৰন্নখন ৰচনাৰ মূল বিষয়সমূহৰ আনকেইখন সংকলনত থকা ৰচনাৰ বিষয়ৰ লগত সাদৃশ্য আছে। পৰিৱেশ প্ৰদূষণ আৰু জনগণৰ কৰ্তব্য, ৰাজহুৱা সম্পত্তিৰ প্ৰতি নাগৰিকৰ কৰ্তব্য আৰু দায়িত্ব, নিচাযুক্ত দ্ৰব্য, শিক্ষা, গুৰু-শিষ্যৰ সম্পৰ্ক, জলসংকট আদি বিষয়ক কেন্দ্ৰ কৰি ৰচনাসমূহ লিখা হৈছে। অন্ধবিশ্বাস আৰু কুসংস্কাৰ কিদৰে শিক্ষিত মানুহৰ মাজৰ পৰাও সম্পূৰ্ণ আঁতৰ হোৱা নাই আৰু আমোদজনক ছবি এখন লেখকে দাঙি ধৰিছে। বিজ্ঞান শিক্ষা আৰু বৈজ্ঞানিক মানসিকতা অথবা দৃষ্টিভংগীৰ পাৰ্থক্য আঙুলিয়াবলৈ লেখকে উল্লেখ কৰিছে যে বিজ্ঞানৰ ছাত্ৰই পৰীক্ষা দিবলৈ যোৱাৰ আগতে মন্দিৰত সোমাই কপালত ডাঙৰকৈ ফোঁট লয় ইত্যাদি।

ৰবীন্দ্ৰনাথে কৈছিল যে আমাৰ বিবেকৰ পৰিষ্কাৰ নিজৰাই মৃত অভ্যাসৰ মৰুৰ মাজত বাট হেৰুৱাব নালাগে। জালানৰ চাৰিখন ৰচনা সংকলনত সন্নিৱিষ্ট অধিকসংখ্যক ৰচনাই পাঠকক আচলতে অভ্যাস-পৰম্পৰাৰ প্ৰতি সজাগ কৰিবলৈ বিচাৰিছে। তেওঁ পাঠকে নজনা কথা

ক'বলৈ বিচৰা নাই, কিন্তু সদায় দেখি দেখি মানি লোৱা ঘটনা, পৰিৱেশ-পৰিস্থিতি আদিৰ প্ৰতি পাঠকৰ দৃষ্টিক অধিক সজাগ কৰিবলৈ বিচাৰিছে। গোপাল জালানৰ গদ্য সৰল, পোনপটীয়া, গতিশীল। তেওঁৰ বাক্য চুটি আৰু অৰ্থৱহ। আমাৰ চিনাকি জগতখনকে নতুন দৃষ্টিৰে চালে সচেতনতা সতেজ হয় আৰু সতেজ সচেতনাই পৰিৱেশ সলনি কৰিব পাৰে। সময় সলনি হোৱাৰ লগে লগে কিছুমান বিষয়ে পাঠকক আজিৰ দৰে আকৰ্ষণ নকৰিব পাৰে আৰু সেই কথা সকলো সাহিত্যিকৰ ক্ষেত্ৰতে প্ৰযোজ্য; কিন্তু ভাষাৰ সৰলতা, চিন্তাৰ পৰিচ্ছন্নতা আৰু আৱেগ-অনুভূতিৰ নিষ্ঠাৰ কাৰণে গোপাল জালানৰ গদ্য সহজে পুৰণি নহ'ব।